# সোৱণশিৰি

## লক্ষীমপুৰ জিলা সাহিত্য সভাৰ পত্ৰিকা

২০২৫-২৭ খ্ৰীষ্টাব্দ

(দ্বিতীয় সংখ্যা)

**সম্পাদক ঃ**

**জিতেন বৰুৱা**

## ‘সোৱণশিৰি’ সম্পাদনা সমিতি ঃ


| | |
|---|---|
| ভূমিকান্ত বৰা, | উপদেষ্টা |
| লাৱণ্য শৰ্মা, | উপদেষ্টা |
| নিকুঞ্জ বৰা দত্ত, | উপদেষ্টা |
| ৰীণা শইকীয়া, | উপদেষ্টা |
| সঞ্জীৱ উপাধ্যায়, | সভাপতি |
| অনিল শইকীয়া, | উপ সভাপতি |
| জিতেন বৰুৱা, | পত্ৰিকা সম্পাদক |
| হেমন্ত শইকীয়া, | সদস্য |
| ড° চুফিয়া খাতুন, | সদস্য |
| ধনদা বৰুৱা, | সদস্য |
| প্ৰবীণ হাজৰিকা, | প্ৰকাশক<br>সম্পাদক, লক্ষীমপুৰ জিলা সাহিত্য সভা। |

| | | |
|---|---|---|
| প্ৰকাশ কাল | ঃ | **১১ জানুৱাৰী, ২০২৬ চন।** |
| মূল্য | ঃ | **১২০.০০** টকা মাত্ৰ |
| প্ৰচ্ছদ | ঃ | **প্ৰাঞ্জল প্ৰতিম বৰা** |
| **অক্ষৰ বিন্যাস** | ঃ | মঙ্গলময় পত্ৰিকা প্ৰেছ<br>আহুচাউল গাঁও, উত্তৰ লক্ষীমপুৰ।<br>ফোন ঃ **৯৩৬৫৪৩৬২১৩** |
| **মুদ্ৰণ** | ঃ | অমৰজ্যোতি প্ৰিণ্টিং প্ৰেছ, চানমাৰি, গুৱাহাটী। |

# শ্ৰদ্ধাঞ্জলি



অসমৰ হিয়াৰ আমঠু শিল্পী জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি

সম্পাদনা সমিতি

'সোৱণশিৰি'

ড° বসন্ত কুমাৰ গোস্বামী
সভাপতি

# অসম সাহিত্য সভা

কেন্দ্ৰীয় কাৰ্যালয় ঃ চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট-৭৮৫০০১
গুৱাহাটী কাৰ্যালয় ঃ ভগৱতীপ্ৰসাদ বৰুৱা ভৱন, গুৱাহাটী-৭৮১০০১

আঞ্চলিক কাৰ্যালয়
ৰাংছিনা ভৱন, ডিফু-৭৮২৪৬০
ধুবুৰী আঞ্চলিক কাৰ্যালয়, ধুবুৰী-৭৮৩৩০১
ৰায়বাহাদুৰ ৰামেশ্বৰলাল চহৰীয়া সংহতি ভৱন, ডিব্ৰুগড়-৭৮৬০০৩
শিলচৰ আঞ্চলিক কাৰ্যালয়, শিলচৰ-৭৮৮০০১
উত্তৰ লক্ষীমপুৰ আঞ্চলিক কাৰ্যালয়, উত্তৰ লক্ষীমপুৰ-৭৮৭০০১
কমলাদেৱী তোদী স্মৃতিভৱন, মহীচন্দ্ৰ বৰা পথ, নগাঁও-৭৮২০০১
অচ্যুত নিবেদিতা মেধি সাহিত্য ভৱন, জালাহ-৭৮১৩২৭
সাহিত্য সভা প্ৰকল্প, মঙলদৈ, দৰং-৭৮৪১২৫
১/১৪ বি-সৎসঙ্গ বিহাৰ মাৰ্গ, ব্লক এ, কুটুব ইন্সটিটিউচেনেল এৰিয়া, নতুন দিল্লী, ১১০০৬৭

প্ৰসংগ নং ঃ ........................................  তাৰিখ ঃ ২/০১/২৬



## শুভেচ্ছা বাৰ্তা

লক্ষীমপুৰ জিলা সাহিত্য সভাৰ বাৰ্ষিক মুখপত্ৰ **সোৱণশিৰি** প্ৰকাশৰ দিহা কৰাৰ বতৰাত সন্তোষ পাইছোঁ। মুখপত্ৰখনিয়ে ভাষা জননীৰ সেৱকসকলৰ চিন্তা-চেতনা আৰু সৃষ্টিৰাজিক উজলাই তোলাৰ লগতে ভাৱীকালৰ সাধকসকলক হাতত কলম তুলি ল'বলৈ প্ৰেৰণা যোগাব— সেই আশাৰে শুভেচ্ছা জ্ঞাপন কৰিলোঁ ।

(ড° বসন্তকুমাৰ গোস্বামী)
*সভাপতি, অসম সাহিত্য সভা*

ঘৰৰ ঠিকনা ঃ পোহৰ, সুৰাগপুৰ, চোলাধৰা, তৰুণৰাম ফুকন পথ, যোৰহাট, অসম, ভ্ৰাম্যভাষ ঃ ৮৪৭৩৯০৭১৯৪, ৯৪৩৫২৬৪৫০৯
ই-মেইল ঃ drbkgoswami3@gmail.co

# লক্ষীমপুৰ জিলা সাহিত্য সভাৰ সভাপতিৰ কলম ঃ

সাহিত্য-সংস্কৃতি মানুহৰ মনোজগতৰ এক গভীৰ আৰু সজীৱ প্ৰকাশ। মানুহে যেতিয়া নিজৰ অনুভৱ, চিন্তা, আশা, আকাংক্ষা, সুখ-দুখ তথা সমাজ জীৱনৰ অভিজ্ঞতাক সাৱলীল ভাষাৰ জৰিয়তে ৰূপ দিয়ে তেতিয়াই মননশীল সাহিত্যৰ সৃষ্টি হয়। সাহিত্য কেৱল কল্পনাৰ ফচল নহয়, ই সময়, সমাজ আৰু বাস্তৱ জীৱনৰ সৈতে ঘনিষ্ঠভাৱে সংযুক্ত। কোনো এক নিৰ্দিষ্ট সময়ছোৱাৰ সামাজিক ৰাজনৈতিক অৰ্থনৈতিক আৰু সাংস্কৃতিক পৰিস্থিতি সাহিত্যৰ মাজেৰে স্পষ্টভাৱে প্ৰতিফলিত হয়। সেইবাবে সাহিত্যক এখন সমাজৰ দৰ্পণ বুলি কোৱা হয়। মানৱ সভ্যতাৰ বিকাশৰ লগে লগে সাহিত্যও বিকশিত হৈ আহিছে। আদিম যুগৰ মৌখিক সাহিত্যৰ পৰা আৰম্ভ কৰি আধুনিক যুগৰ লিখিত আৰু ডিজিটেল সাহিত্যলৈকে এই যাত্ৰা অবিৰাম। কাব্য, পদ্য, নাটক, উপন্যাস, গল্প, প্ৰবন্ধ আদি বিভিন্ন সাহিত্যিক ৰূপে মানুহৰ জীৱন দৰ্শনৰ নানান দিশেৰে উপস্থাপন কৰে, কাব্যই হৃদয় স্পৰ্শ কৰে, গল্পই জীৱনৰ সৰু-সুৰা ঘটনাৰ মাজেৰে গভীৰ সত্য উদঘাটন কৰে, উপন্যাসে বিস্তৃত ছবি অংকন কৰে আৰু নাটকে জীৱনৰ সংঘাতক সজীৱ ৰূপত মঞ্চত উদ্ভাসিত কৰে।

সাহিত্য আলোচনীৰ মূল উদ্দেশ্য হ'ল কোনো সাহিত্য কৃতি নতুবা সাহিত্যিক প্ৰৱণতাৰ অন্তৰ্নিহিত অৰ্থ, ভাব-ভাষা, শৈলী আৰু সামাজিক প্ৰাসংগিকতা বিশ্লেষণ কৰা। সাহিত্য আলোচনী মানে কেৱল দোষ-গুণ বিচাৰ কৰা নহয়, ই হৈছে সাহিত্যক গভীৰভাৱে বুজাবলৈ চেষ্টা কৰা এক বৌদ্ধিক আৰু সংবেদনশীল প্ৰক্ৰিয়া। সাহিত্য আলোচনী আৰু প্ৰচাৰ মাধ্যমৰ পাঠকে ৰচনাৰ অন্তৰালত থকা লেখকৰ মানসিকতা, তেওঁৰ যুগ চেতনা আৰু সমাজ চিন্তাৰ সৈতে পৰিচিত হয়। অসমীয়া সাহিত্যৰ ক্ষেত্ৰত সাহিত্য আলোচনীৰ গুৰুত্ব অপৰিসীম। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু শ্ৰীশ্ৰী মাধৱদেৱৰ বৈষ্ণৱ সাহিত্যৰ পৰা আৰম্ভ কৰি আধুনিক যুগৰ কাব্য, গল্প, আৰু উপন্যাসলৈকে অসমীয়া সাহিত্যই সমাজ ৰূপান্তৰক স্পষ্টভাৱে প্ৰতিফলিত কৰি আহিছে. সাহিত্য আলোচনী, মুখপত্ৰ আৰু বাতৰি কাকতসমূহে সাহিত্য ধাৰাৰ বিকাশ, বৈশিষ্ট্য আৰু অৱদানক সঠিকভাৱে মূল্যায়ন কৰাত সহায় কৰে। ইয়াৰ ফলস্বৰূপে সাহিত্যৰ গুণগত মান উন্নত হয় আৰু নতুন সাহিত্যৰ সৃষ্টিৰ পথো প্ৰশস্ত হয়।

মুখপত্ৰ, স্মৃতিগ্ৰন্থ আৰু সাহিত্য আলোচনীৰ মাধ্যমে পাঠকৰ চিন্তাশক্তি বিকশিত কৰে। ই পাঠকক কেৱল মাত্ৰ পাঠত সীমাবদ্ধ নাৰাখি বিশ্লেষণ, তুলনা আৰু মূল্যায়নৰ দিশে আগবঢ়াই নিয়ে। আলোচনী সমূহে শিক্ষাৰ ক্ষেত্ৰতো অতি গুৰুত্বপূৰ্ণ। কিয়নো ই ছাত্ৰ-ছাত্ৰীক ভাষাগত দক্ষতা, যুক্তিসংগত চিন্তা আৰু নন্দনতাত্ত্বিক বোধ গঢ়ি তুলিবলৈ সাহস প্ৰদান কৰে। সাহিত্য চৰ্চা, কাব্যালোচনা আৰু আলোচনা চক্ৰই সমাজক আলোকিত কৰে আৰু আলোচনীসমূহ সেই আলোচনাক অধিক স্পষ্ট আৰু গভীৰ কৰি তোলে। সেয়ে প্ৰকাশিত সাহিত্য আলোচনী অকল অনুশীলন নহয় ই সমাজ, মানুহ আৰু জীৱনক বুজাৰ এক গুৰুত্বপূৰ্ণ মাধ্যম।

লক্ষীমপুৰ জিলা সাহিত্য সভাই ২০২৫-২৭ বৰ্ষৰ কাৰ্যকালৰ বাবে কাৰ্যভাৰ গ্ৰহণ কৰি জিলাখনক সাহিত্যিক আৰু সাংগাঠনিক ভাৱে আগুৱাই নিবলৈ মুখপত্ৰ, ই-আলোচনী আৰু কাব্য কাননৰ দুটাকৈ সংখ্যা প্ৰকাশ কৰাৰ লগতে শাখাৰ সংখ্যা বৃদ্ধি কৰি আজীৱন সভ্যৰ সংখ্যাও বৃদ্ধি কৰিছে। অহা ১০ আৰু ১১ জানুৱাৰী ২০২৬ তাৰিখে লক্ষীমপুৰ জিলা সাহিত্য সভাৰ এটি সক্ৰিয় শাখা শিমলুগুৰি শাখা সাহিত্য সভাৰ (স্বৰ্ণ শাখা) আতিথ্যত অনুষ্ঠিত হ'ব লগা জিলাৰ মধ্যকালীন অধিৱেশনত শাখাৰ মুখপত্ৰ, আদৰণী সমিতিৰ স্মৃতিগ্ৰন্থ, জিলাৰ ই আলোচনী, মুখপত্ৰ সোৱণশিৰি আৰু কাব্য চৰ্চাৰ পত্ৰিকা কাব্য কানন প্ৰকাশ হোৱাটো লক্ষীমপুৰ জিলা সাহিত্য সভাৰ এক ঐতিহাসিক ক্ষণ হৈ ৰ'ব। অধিৱেশনত অসম সাহিত্য সভাৰ সন্মানীয় সভাপতি ড° বসন্ত কুমাৰ গোস্বামী মহোদয় আৰু প্ৰধান সম্পাদক শ্ৰীযুত দেৱজিৎ বৰা উপস্থিত হৈ আমাক উৎসাহিত কৰাৰ লগতে ৰাজ্যিক কাৰ্যনিৰ্বাহকৰ বহুতো বিষয়ববীয়াই অংশ গ্ৰহণ কৰিব।

লক্ষীমপুৰ জিলা সাহিত্য সভাই যোৱা এবছৰীয়া কাৰ্যকালত 'শাখালৈ যাওঁ আহক', কাৰ্যসূচী লৈ জিলাৰ অন্তৰ্গত চল্লিশটা শাখাত সভাপতি, উপ সভাপতি, সম্পাদক, সহঃ সম্পাদক আৰু জিলাৰ বিষয়ববীয়া নিজে গৈ শাখা সক্ৰিয়কৰণত গুৰুত্ব দি ৫১ দফীয়া কাৰ্যসূচী প্ৰদান কৰা হৈছে। এই কাৰ্যসূচীৰ অংশ হিচাপে ১/১/২০২৫ তাৰিখে অৰুণোদই দিৱস আৰু ১৭/০১/২০২৫ তাৰিখে শিল্পী দিৱস, লক্ষীমপুৰ জিলা সাহিত্য সভাৰ লক্ষীবিলাস শইকীয়া ভৱনত, ২৬/০৩/২০২৫ তাৰিখে সাহিত্য দিৱস, উত্তৰ লক্ষীমপুৰ আঞ্চলিক কাৰ্যালয়ত, ১২/০৪/২০২৫ তাৰিখে প্ৰথম কাৰ্যনিৰ্বাহক সভা পাভ সাহিত্য সভাৰ আতিথ্যত, ১৫ এপ্ৰিলত নিজৰ দিন সকলো শাখা আৰু জিলা সমিতিয়ে, ১ জুন তাৰিখে হেমচন্দ্ৰ বৰুৱা আৰু লুম্মেৰ দাই স্মৃতি দিৱস, লীলাবাৰী শাখা সাহিত্য সভাৰ আতিথ্যত, ৫ জুন তাৰিখে বিশ্ব পৰিৱেশ দিৱস লক্ষীবিলাস শইকীয়া ভৱনত, ৮ জুন তাৰিখে গীতিকবি পাৰ্বতী প্ৰসাদ বৰুৱাৰ স্মৃতি দিৱস আৰু ৰামধেনু অনুষ্ঠান উত্তৰ পিছলা শাখা সাহিত্য সভাৰ আতিথ্যত, ২০ জুন তাৰিখে বিষ্ণু প্ৰসাদ ৰাভা দিৱস আৰু কুঁহি অনুষ্ঠান হাৰমতী সীমান্ত শাখা সাহিত্য সভাৰ আতিথ্যত, ৪ জুলাই তাৰিখে সুগন্ধি পখিলাৰ কবি হীৰেন ভট্টাচাৰ্যৰ স্মৃতি দিৱস আৰু কাব্য অনুষ্ঠান বগীনদী শাখা সাহিত্য সভাৰ আতিথ্যত, ৬ জুলাই তাৰিখে জিলা সাহিত্য সভাৰ দ্বিতীয় কাৰ্যনিৰ্বাহক সভা তেলাহী কমলাবৰীয়া শাখাৰ আতিথ্যত, ১৪ জুলাইত এখুদ ককাইদেউ নৱকান্ত বৰুৱা আৰু সিংহপুৰুষ ৰাধাগোবিন্দ বৰুৱাৰ স্মৃতি দিৱস, সুৰভি শাখা সাহিত্য সভাৰ আতিথ্যত ৩০ জুলাই তাৰিখে নটসূৰ্য ফনী শৰ্মা স্মৃতি দিৱস আৰু আকাশ অনুষ্ঠান খেৰাজখাট শাখা সাহিত্য সভাৰ আতিথ্যত, ৮ আগষ্ট তাৰিখে প্ৰাক্তন সভাপতি চন্দ্ৰ প্ৰসাদ শইকীয়া স্মৃতি দিৱস লক্ষীবিলাস শইকীয়া ভৱনত, ১৪ চেপ্তেম্বৰ তাৰিখে আখৰ জোঁটনি আৰু বৰ্ণাশুদ্ধিৰ কৰ্মশালা, ঢেকীয়াজুলি শাখা সাহিত্য সভাৰ আতিথ্যত, ১৮ অক্টোবৰ তাৰিখে গান্ধীজয়ন্তী আৰু ৰামধেনু অনুষ্ঠান সাপতীয়া শাখা সাহিত্য সভাৰ আতিথ্যত, ৫ অক্টোবৰ তাৰিখে তৃতীয় কাৰ্যনিৰ্বাহক সভা মাধৱদেৱ শাখা সাহিত্য সভাৰ আতিথ্যত, ৫ নবেম্বৰত ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ স্মৃতি দিৱস দক্ষিণ তেলাহী শাখা সাহিত্য সভাৰ আতিথ্যত, ২৯ নবেম্বৰত জ্ঞানপীঠ বঁটা বিজয়ী মামনি ৰয়চম গোস্বামীৰ স্মৃতি দিৱস আৰু কবিতা লিখন কৰ্মশালা পশ্চিম নাৰায়ণপুৰ শাখা সাহিত্য সভাৰ আতিথ্যত, ১৮ ডিচেম্বৰত কবি যোগেন টাইদৰ স্মৃতি দিৱস আৰু কবিতা পাঠৰ অনুষ্ঠান ঘূণাসুঁতি শাখা সাহিত্য সভাৰ আতিথ্যত, ১৮ ডিচেম্বৰত জাতীয় চেতনা দিৱস পিছলা শাখা সাহিত্য সভাৰ আতিথ্যত, ২৬ আৰু ২৭ ডিচেম্বৰত সাহিত্য কাণ্ডাৰী পদ্মনাথ গোহাঞি বৰুৱাৰ স্মৃতি দিৱস আৰু প্ৰতিষ্ঠা দিৱস উত্তৰ লক্ষীমপুৰ শাখা সাহিত্য সভাৰ আতিথ্যত, ২৮ ডিচেম্বৰ তাৰিখে লক্ষীমপুৰ জিলা সাহিত্য সভাৰ সৌজন্যত অসম সাহিত্য সভাৰ প্ৰাক্তন

উপ সভাপতি অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° হেমন্ত কুমাৰ বৰুৱাদেৱৰ অভিনন্দন গ্ৰন্থ পৰিয়ালৰ আৰু আদৰণী সমিতিৰ সহযোগত উত্তৰ লক্ষীমপুৰ বাণিজ্য মহাবিদ্যালয়ত উন্মোচন কৰা হয়, **১** জানুৱাৰী **২০২৬** তাৰিখে ঢকুৱাখনা শাখা সাহিত্য সভাৰ সহযোগত 'অৰুণোদই' দিৱস আৰু **১০, ১১** জানুৱাৰীত জিলা সাহিত্য সভাৰ মধ্যকালীন অধিৱেশন শিমলুগুৰি শাখা সাহিত্য সভাৰ আতিথ্যত অনুষ্ঠিত হৈছে। এই সকলো কাৰ্যসূচীত জিলা সাহিত্য সভাৰ সম্পাদকৰ লগতে জিলাৰ বিষয়ববীয়া আৰু শাখা সাহিত্য সভাৰ বিষয়ববীয়াৰ লগত সমিলমিলে উপস্থিত হ'বলৈ সক্ষম হৈছিলোঁ। এইদৰে আগন্তুক বৰ্ষত আপোনালোকৰ পৰা সহায়-সহযোগিতা কামনা কৰিছোঁ। "চিৰ চেনেহী মোৰ ভাষা জননী।"


**সঞ্জীৱ উপাধ্যায়**
সভাপতি
লক্ষীমপুৰ জিলা সাহিত্য সভা।
দূৰভাষ ঃ **৭০০২১৩০৬৬০**

## সম্পাদকীয়

# সাহিত্যৰ পোহৰমুখী সান্নিধ্যত ...

**সাহিত্য-সংস্কৃতি** চৰ্চা নকৰাকৈ জীয়াই থকাটো অথবা ইয়াৰ সান্নিধ্যলৈ আহিবলৈ সুযোগ নোপোৱাকৈয়ে জীয়াই থাকিব লগীয়া হোৱাটো আজিৰ পৃথিৱীত যিকোনো ব্যক্তিৰ বাবে আটাইতকৈ দুৰ্ভাগ্যজনক আৰু শোকাবহ ঘটনা বুলি ক'ব পাৰি। কিয়নো সাম্প্ৰতিক বিশ্বত বিভিন্ন বৈজ্ঞানিক উপকৰণৰ জৰিয়তে সাহিত্য-সংস্কৃতি তথা শিক্ষাৰ কাষ চপাটো পৃথিৱীৰ সংখ্যাগৰিষ্ঠ জনসাধাৰণৰ বাবে বহুখিনি সুলভ আৰু সহজ হৈ পৰিছে।

কিন্তু পৰিতাপৰ কথাটো হৈছে বিশ্বব্যাপি চলি থকা ব্যাপক ভোগবাদী সংস্কৃতিয়ে সংখ্যাগৰিষ্ঠ মানুহকে সকলো ধৰণৰ সুকুমাৰ তথা সামূহিক মঙ্গলকামী কলা চৰ্চাৰ পৰিৱেশৰ পৰা আঁতৰাই ৰখাৰ প্ৰক্ৰিয়া এটাক সৰ্বত্ৰ চলমান কৰি ৰাখিছে। ইয়াৰ সমান্তৰাল ভাৱে সমাজত বাঢ়ি যোৱা ধনী-দুখীয়াৰ ব্যৱধান তথা বৈষম্যই আন এক জটিল পৰিস্থিতিও সৃষ্টি কৰিছে। দুবেলা-দুমুঠি আহাৰৰ চিন্তাত থকা সকলৰ বাবে সাহিত্য-সংস্কৃতি সচেতনভাৱে চৰ্চা কৰাৰ অৱকাশেই বা ক'ত? কিন্তু চমকপ্ৰদ আৰু সৌভাগ্যৰ কথাটো হ'ল দৰিদ্ৰ,পীড়িত মানুহৰ মাজত আজিও লোক সাহিত্য আৰু সংস্কৃতিৰ চৰ্চা চলি আছে আৰু অদূৰ ভৱিষ্যতলৈও যে চলি থাকিব সেয়াও নিশ্চিত বুলি ক'ব পাৰি। ভোগবাদ আৰু পণ্যকেন্দ্ৰীক আৱহাৱাৰ মাজতো পৃথিৱীৰ বিভিন্ন জনগোষ্ঠী সমূহৰ মাজৰ বিভিন্ন সামাজিক পৰম্পৰা, লোক উৎসৱ ইত্যাদিত আজিও নিজস্ব সংস্কৃতিৰ প্ৰয়োভৱ দেখা যায়।

আনহাতে সাহিত্যই হৈছে মানৱ সভ্যতাৰ ধাৰক আৰু বাহক। সাহিত্যই যিহেতু জীৱনৰ শাশ্বত মূল্যবোধক সঞ্জীৱিত কৰি ৰাখে; সেয়ে সাহিত্যৰ মাধ্যমেদি জীৱনৰ সত্য, সৌন্দৰ্য আৰু মূল্য নিৰূপিত হয়। জীৱনৰ অৰ্থ আৰু আনন্দৰ প্ৰতিফলন ঘটে সাহিত্যৰ জৰিয়তে। বহু সময়ত আক' সাহিত্য হৈ পৰে জীৱনৰ অগ্ৰগামীতাৰ বাবে প্ৰেৰণাৰ স্থলী। অন্ধকাৰ শক্তিক পৰাভূত কৰাত সাহিত্যই আমাক সদায়ে শক্তি যোগাই আহিছে। সাহিত্যৰ এই মঙ্গলময় দিশটোৰ বাবেই ই সদায়ে গ্ৰহণীয় হৈ আছে।

আমাৰ পৰম সৌভাগ্য যে আমি অসমীয়া সকলে সাহিত্যৰ মঙ্গলময় দিশটোৰ স'তে লালিত-পালিত হৈ জীয়াই থাকিবলৈ সুযোগ পাইছোঁ। কিয়নো আমাৰ অতীতৰ গৰিষ্ঠসংখ্যক সাহিত্য মানেই মঙ্গলময় সাহিত্য। ইয়াকে প্ৰেৰণা হিচাবে গণ্য কৰি আমি সাহিত্যৰ পোহৰমুখী ধাৰাটোৰ সৈতে চামিল হৈ থাকিব পাৰোঁ। অসমীয়া সাহিত্যৰ আধাৰ স্বৰূপ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু শ্ৰীশ্ৰী মাধৱদেৱৰ দ্বাৰা সৃষ্ট যি মহৎ সাহিত্যৰাজি সেয়া প্ৰতিজন অসমীয়াৰ বাবে অন্তহীন প্ৰেৰণাৰ স্থলী। গুৰু দুজনাই দি থৈ যোৱা সাহিত্যৰাশি আমি গভীৰভাৱে অধ্যয়ন কৰি ভৱিষ্যতৰ দিশে আমি আগুৱাই যাব পাৰোঁ।

আমাৰ উদ্দেশ্য হৈছে এক সাহিত্যানুকূল বাতাবৰণ সৃষ্টি কৰা আৰু ইয়াৰ জৰিয়তে সমাজৰ নতুন পুৰুষক জীৱনৰ প্ৰকৃত অৰ্থক চিনাক্ত কৰিবলৈ অনুপ্ৰাণিত কৰা । আমি ক'ব খোজো - আজিৰ মানুহে উপলব্ধি কৰা উচিত যে নিজৰ সাহিত্য-সংস্কৃতিক শ্ৰদ্ধা কৰি, চৰ্চা কৰি জীয়াই থকাটোহে প্ৰকৃত জীৱন-যাপন।

সাহিত্যৰ অধ্যয়নে মনৰ দিগন্ত বিস্তাৰিত কৰে। হৃদয়ত বিশালতাবোধৰ জাগৰণ ঘটায় আৰু জীৱন-প্ৰকৃতিৰ অনুপম সৌন্দৰ্যৰ সৈতে আমাক চিনাকি কৰাই দিয়ে। সেয়ে সাহিত্য অধ্যয়নৰ প্ৰতি অধিক গুৰুত্ব দিয়া উচিত।

**জিতেন বৰুৱা**

# ঃঃ সূচীপত্ৰ ঃঃ

ঃঃ ভাৰতৰ অদ্বিতীয় চন্দ্ৰকান্ত সন্দিকৈ ভৱন - ৰাতুল চন্দ্ৰ শইকীয়া /১০
ঃঃ প্ৰগতিৰ পুনঃচিন্তা ঃ প্ৰযুক্তি আৰু মানৱীয় মূল্যবোধৰ ভাৰসাম্য - অনিল শইকীয়া /১৪
ঃঃ প্ৰথম অসমীয়া ছনেট স্ৰষ্টা- হেমচন্দ্ৰ গোস্বামী - ৰীণা শইকীয়া /১৬
ঃঃ অসমত অসমীয়া ভাষিক মান্যতাৰ ত্বৰণ - ডিম্বেশ্বৰ ফুকন /১৯
ঃঃ এৰাসুঁতিৰ পাৰৰ কিছু স্মৃতি - জীৱন চন্দ্ৰ দত্ত /২২
ঃঃ অসমৰ কেইটামান লোকনৃত্যৰ চমু আভাস -মণি কোঁৱৰ /২৬
ঃঃ বৃত্তিমুখী শিক্ষা আৰু কৰ্ম সংস্থাপন - হেমন্ত শইকীয়া /২৯
ঃঃ অসমীয়া লিপিৰ আৰম্ভণি - এক চমু অৱলোকন - বন্দনা দেৱী /৩৩
ঃঃ সাহিত্য অমৃতৰ উৎস - ভাগ্যলক্ষী ডেকা /৩৫
ঃঃপৰীক্ষা - মাণিক চন্দ্ৰ সোনোৱাল /৩৮
ঃঃ ৰাসক্ৰীড়া - প্ৰতিমা চেতিয়া /৪১
ঃঃ মাৰাৰ অলংকাৰ থোৰা কাটি কৰি - প্ৰণিতা শইকীয়া বৰা /৪৬
ঃঃ জীৱনৰ উপপাদ্য - স্মিতা হাজৰিকা /৪৯
ঃঃ কবিতাৰ শিতান ঃঃ
ঃঃ ৰঙা বিয়াল্লিছৰ বিশ ছেপ্তেম্বৰ - প্ৰশান্ত কুমাৰ নাথ /৫২
ঃঃ মোৰ বিয়াখন - দয়ানন্দ গোস্বামী /৫৫
ঃঃ ৰঙা বিয়াল্লিছৰ বিশ ছেপ্তেম্বৰ - প্ৰশান্ত কুমাৰ নাথ /৫৩
ঃঃ শিল্প বিপ্লৱ - কুঞ্জ বুজৰ বৰুৱা /৫৬
ঃঃ তুমি - চন্দ্ৰ কুমাৰ দত্ত /৫৬
ঃঃ বন্যপ্ৰাণী ঈশ্বৰৰ আশীৰ্বাদ - উত্তম বৰা /৫৭
ঃঃ সেউজীয়া সপোন - দিপালী চেতিয়া মজুমদাৰ /৫৮
ঃঃ তীজ উৎসৱ আৰু গোৰ্খা নাৰী - মঞ্জু দেৱী শৰ্মা /৫৯
ঃঃ অনাগত কণ্ঠ - শিৱ প্ৰসাদ বৰা /৬৩
ঃঃ শ্ৰীমন্ত শংকৰদেৱৰ এক অনুপম অৱদানঃ গায়ন-বায়ন - অনুজ কুমাৰ ভূঞা /৬৪
ঃঃ চিৰ চেনেহী আমাৰ ভাষা জননীয়ে জগত সভাত সিথিতি লাভ কৰিলে - ধনদা বৰুৱা /৬৬

ঃঃ ঐতিহাসিক গল্প - সাক্ষী চিলা পৰ্বত - ভৰত ৰাজখোৱা /৭০
ঃঃ অণুগল্প - অহেতুক - ড° ৰমেশ কুমাৰ কাকতি /৭৭
ঃঃ লক্ষীমপুৰ জিলা সাহিত্য সভাৰ সম্পাদকৰ প্ৰতিবেদন - প্ৰবীণ হাজৰিকা /৭৮
ঃঃ পৰিশিষ্ট -১ - /৮৮
ঃঃ পৰিশিষ্ট -২ - /৮৯

# ভাৰতবৰ্ষৰ অদ্বিতীয় চন্দ্ৰকান্ত সন্দিকৈ ভৱন ঃ কিছু অকথিত কাহিনী

**ৰাতুল চন্দ্ৰ শইকীয়া**

ৰাজনীতিৰ সৈতে জড়িত আনন্দ ভৱন, সংসদ ভৱন, কোচবিহাৰৰ ৰাজবাৰীৰ কথা শুনিছোঁ। কিন্তু সাহিত্য চৰ্চাক কেন্দ্ৰ কৰি গঢ়ি উঠা এটা শতায়ু গৰকা ভৱনৰ নাম দ্বিতীয় এটা শুনা নাই। আজিৰ আলোচ্য বিষয় যোৰহাট চহৰৰ মাজমজিয়াতে থকা অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যালয় চন্দ্ৰকান্ত সন্দিকৈ ঐতিহ্য ভৱন। এই ভৱনৰো আছে কিছু অলিখিত কাহিনী।

ৰায়বাহাদুৰ ৰাধাকান্ত সন্দিকৈ ডাঙৰীয়া (**১৮৪৭-১৯৫২**) ধনে ধানে, বিদ্যাই, ক্ষমতাই এজন সিংহ পুৰুষ। মূলা গাভৰু নাটক আৰু প্ৰকৃতি বিজ্ঞান নামৰ দুখন কিতাপৰ ৰচয়িতা। তেখেত কলিকতাৰ ষ্টেটমেন্ট কাকতৰ নিয়মীয়া প্ৰৱন্ধ কাৰ আছিল। তেনে এজন সু পুৰুষৰ জীৱনলৈ নামি আহে অনাকাংক্ষিত বেদনা। প্ৰথম আৰু তৃতীয় পুত্ৰ কৃষ্ণকান্ত সন্দিকৈ আৰু লক্ষ্মীকান্ত সন্দিকৈ বিলাতত পঢ়ি আছে। সেই সময়ত দ্বিতীয় পুত্ৰ চন্দ্ৰকান্তই ইতিমধ্যে বি, এ পাছ কৰি যোৰহাট টী কোম্পানীৰ চেনিমৰা চাহবাগিচাৰ দ্বায়িত্ব পালন কৰি আছে।আৰু সৰু পুত্ৰ চন্দ্ৰকান্ত গুৱাহাটীত বি,এ ই পঢ়ি আছে। এনেকুৱা সময়তে হঠাৎ ইন্দ্ৰকান্ত টাইফয়েড জ্বৰত আক্ৰান্ত হোৱাৰ বাবে ককায়েক চন্দ্ৰকান্তই যোৰহাটলৈ লৈ আহে। অশেষ যত্নৰ ফলতো ইন্দ্ৰকান্ত নাবাচিল। তেওঁ **১৯২৩** চনৰ **২০** আগষ্টত এই সংসাৰৰ পৰা আঁতৰি যায়। কিন্তু অতিশয় দুৰ্ভাগ্যৰ কথা যে এই ঘটনাৰ একৈশ দিনৰ মূৰত ককায়েক চন্দ্ৰকান্তইয়ো ইহসংসাৰৰ পৰা মেলানি মাগিলে। সেই দিনটো আছিল **১৯২৩** চনৰ **৯** ছেপ্টেম্বৰত।

এই ঘটনাৰ পাছতে ৰাধাকান্ত সন্দিকৈ অত্যন্ত ভাগি পৰিছিল। সেইসময়ৰ যোৰহাটৰ কেইজনমান লোকে তেওঁক দুয়ো সন্তানৰ দুখ নিবৃত্তিৰ অৰ্থে স্মৃতিৰক্ষা কাৰি দীৰ্ঘস্থায়ী আঁচনি গ্ৰহণ কৰিবলৈ পৰামৰ্শ দিয়ে। ৰাধাকান্ত সন্দিকৈৰ দুই পুত্ৰৰ মৃত্যুৰ ডেৰ মাহ মানৰ পাছত এদিন শৰৎচন্দ্ৰ গোস্বামী আৰু সন্দিকৈ ডাঙৰীয়া বাটত ভেটা-ভেটি হ'ল। তেখেতসকলে আসাম বিলাসিনীত প্ৰকাশিত দুই পুত্ৰৰ মৃত্যু সম্পৰ্কীয় এটা বাতৰিৰ বিষয়ে আলোচনা কৰিবলৈ ধৰিলে। চেগ বুজি গোস্বামীয়ে সন্দিকৈক দুই পুত্ৰৰ স্মৃতি যুগমীয়া কৰাৰ পদক্ষেপ গ্ৰহণ কৰিবলৈ গোহাৰি জনালে আৰু এক প্ৰস্তাৱ উনুকিয়াই দিলে। তাৰ উত্তৰত সন্দিকৈ ডাঙৰীয়াই দুই স্বৰ্গগত পুত্ৰৰ স্মৃতি ৰক্ষাৰ্থে মেডিকেল স্কুল আৰু কটন মহাবিদ্যালয়ত দুয়ো সন্তানৰ বাবে বৃত্তি প্ৰদানৰ কথা চিন্তা কৰাৰ কথা জনালে। এই কথা গম পাই সেই সময়ৰ যোৰহাট নৰ্মালৰ অধীক্ষকৰ দ্বায়িত্বত থকা শিক্ষাবিদ শৰৎচন্দ্ৰ গোস্বামীয়ে প্ৰথমে চন্দ্ৰকান্ত সন্দিকৈ লাইব্ৰেৰী নিৰ্মাণৰ পৰামৰ্শহে দিছিল। কিন্তু পৰৱৰ্তীকালত যোৰহাটৰে কেইবাজনো গণ্য মান্য লোকৰ সৈতে আলোচনাত বহি প্ৰথমে এটা চন্দ্ৰকান্ত - ইন্দ্ৰকান্ত ট্ৰাষ্ট আৰম্ভ কৰাৰ চিন্তা কৰা হ'ল। ৰাইবাহাদুৰ ৰাধাকান্ত সন্দিকৈ বৰ দুৰদৰ্শী আৰু খামিডাঠ লোক। গতিকে তেখেতে প্ৰথমে এখন শক্তিশালী সমিতি গঠনৰ পোষকতা কৰিলে। সেইমতে সমিতি গঠন কৰা হ'ল। সেই সমিতি খন আছিল এনেধৰণৰ ঃ-

সভাপতি ঃ চি, এন, গাৰ্নিং (উপায়ুক্ত)

দাতা ঃ ৰাধাকান্ত সন্দিকৈ
দাতাৰ মনোনীত সদস্য ঃ হিতেশ্বৰ বৰবৰুৱা
সাহিত্য সভাৰ মনোনীত ঃ শৰৎচন্দ্ৰ গোস্বামী
সাহিত্য সভাৰ মনোনীতঃ কুলধৰ চলিহা

চন্দ্ৰকান্ত - ইন্দ্ৰকান্ত ট্ৰাষ্টৰ বাবে **৩০ ,০০০** টকা আগবঢ়োৱাৰ কথা ৰাধাকান্ত সন্দিকৈয়ে ঘোষণা কৰিলে।এই টকাৰে অসমীয়া ভাষাৰ উন্নতি, **১৫ ,০০০** টকাৰে ইন্দ্ৰকান্ত ইনষ্টিটিউশ্যন, বাকী টকা সুতত দি চন্দ্ৰকান্ত অভিধান, ইন্দ্ৰকান্ত বুৰঞ্জী প্ৰকাশৰ ব্যৱস্থা কৰিবলৈ সিদ্ধান্ত লোৱা হয়।

দূৰদৰ্শী শৰৎচন্দ্ৰ গোস্বামীয়ে এইবাৰ মাটি বিচৰাত লাগিল। চকুত পৰিল চৰকাৰী হাইস্কুলৰ ছাত্ৰাবাস আৰু প্ৰধান শিক্ষকৰ ঘৰ থকা মাটিখিনিত। প্ৰধান শিক্ষক আছিল ৰামেশ্বৰ বৰুৱা। পৰিদৰ্শক দুৰ্গাধৰ বৰকটকী। গোস্বামীয়ে দুয়োজনৰ মাজত আলোচনা কৰি পি, ডব্লিউ ডিৰ চীফ ইঞ্জিনিয়াৰ মিষ্টাৰ ডিজেনীৰ সৈতে আলোচনাত বহিল। সেইদিনা তালৈ গৈছিল হেমচন্দ্ৰ গোস্বামী, বাহাদুৰ কেৰামত আলি, ৰায়বাহাদুৰ প্ৰমদা কিশোৰ ৰায়। পাঁচোজনে অষ্ট্ৰেলিয়ান অভিযন্তা ডিজেনী চাহাবক একেবাৰতে সৈমান কৰালে। টকা আৰু মাটি পোৱাৰ পাছত ঘৰৰ নক্সাও তৈয়াৰ কৰা হক্সল। শুনা যায় ইয়াৰ নক্সা এজন কলিকতীয়া স্থপতিবিদে কৰিছিল। এইয়া **১৯২৪** চনৰ কথা। সেই সময়ত শৰৎচন্দ্ৰ গোস্বামী স্থানীয় বিষ্ণুৰাম লাইব্ৰেৰীৰ সম্পাদক আছিল। আনহাতে চন্দ্ৰকান্ত মৃত্যুৰ আগলৈকে লাইব্ৰেৰীটোৰ এক প্ৰকাৰৰ হৰ্তা-কৰ্তা আৰু শৰৎচন্দ্ৰৰ বিশ্বস্ত সহচৰ। তেনে এজন যুৱকক হেৰুৱাই তেওঁ মৰ্মাহত হৈছিল। এইখিনিতে চন্দ্ৰকান্ত ভৱন নিৰ্মাণৰ ক্ষেত্ৰত আন এটা উদ্যোগৰ চিন্তাৰ কথা উল্লেখ কৰা উচিত হ'ব। কথাটো হ'ল বাদুলীপাৰাৰ ৰাধানাথ গোস্বামীয়ে মাতৃ কমলা দেৱীৰ নামত সাহিত্য সভালৈ কমলা দেৱী সাহিত্য মন্দিৰ নামৰ এটা ভৱন সাজিবলৈ দুহাজাৰ টকা আগবঢ়াই দিছিল। পিছে দানবীৰ ৰাধাকান্ত সন্দিকৈয়ে সাহিত্য সভাৰ ভৱন নিৰ্মাণৰ বাবে আৱশ্যকীয় ধনৰাশি আগবঢ়াই দিয়াত ৰাধাকান্ত গোস্বামীয়ে 'কমলা দেৱী শিশু সাহিত্য' নামেৰে এটা ছিৰিজ প্ৰকাশ কৰাৰ সিদ্ধান্ত ল'লে।

আচলতে চন্দ্ৰকান্ত সন্দিকৈ ভৱন নিৰ্মাণৰ ঘাই পুৰুষ আছিল শৰৎচন্দ্ৰ গোস্বামী। **১৯১৫** চনত তেওঁ যোৰহাট নৰ্মাল স্কুলৰ অধীক্ষক হোৱাৰ পাছত সামাজিক কামলৈ মন মেলে। প্ৰথমতে অসম শিল্প সমিতিৰ সহায়ত যোৰহাট সাহিত্য সভা স্থাপন কৰে আৰু সম্পাদনা হয়। লগতে বিষ্ণুৰাম বৰুৱা হলত সাহিত্য সভাখনৰ বিশেষ অধিৱেশনৰ আয়োজন কৰে। তাত বিশেষ সহায় কৰিছিল কৰ্নেল গৰ্ডন চাহাবে। সেই সভাত **১৫০** জনমান লোক সমবেত হৈছিল। সভাপতিত্ব কৰিছিল ফণিধৰ চলিহাই আৰু তাত পদ্মনাথ গোহাঞিবৰুৱাই অংশলৈ ৰাধাকান্ত সন্দিকৈৰ খুলখালী হিচাপে এটা সাৰগৰ্ভ ভাষণ দিছিল। এই অনুষ্ঠানৰ সফলতাত উৎসাহিত হৈ পৰৱৰ্তী সময়ত দুৰ্গেশ্বৰ শৰ্মা, গৌৰীকান্ত তালুকদাৰ আদি কেইবাজনো লোকৰ পৰামৰ্শত **১৯১৭** চনৰ **২৮** চেপ্তেম্বৰত তাৰাপ্ৰশাদ চলিহাৰ সভাপতিত্বত শিৱসাগৰ ব্লক ঘৰত এখন ৰাজহুৱা সভা বহে। তাতেই সদৌ অসম সাহিত্য সন্মিলনী গঠনৰ সিদ্ধান্ত লোৱা হয়। সেই বছৰৰে **২৬** আৰু **২৭** ডিচেম্বৰত শিৱসাগত বহা অসম সাহিত্য সভাৰ প্ৰতিষ্ঠাৰ সভাখনৰ আয়োজক আছিল সিদ্ধেশ্বৰ গোহাঞি, প্ৰেমধৰ চলিহা, ৰাধিকা নাথ শৰ্মা আৰু কুলধৰ চলিহা আদি। সেই সভালৈ যোৰহাটৰ পৰা শৰৎচন্দ্ৰ গোস্বামী গৈ সম্পাদক হ'লগৈ। প্ৰথম দিনাৰ কাৰ্যসূচীত পদ্মনাথ গোহাঞিবৰুৱাই সভাপতিৰ অভিভাষণ পাঠ কৰে। আনহাতে সেই সভাতেই নগাঁৱৰ মোছলেহ উদ্দিন আহমেদে অসমীয়া সাহিত্য আৰু মুছলমান,ডাঃ বিপিন বিহাৰী বৰাই গোৱৰ ৰহস্য, শৰৎচন্দ্ৰ গোস্বামীয়ে কীৰ্তনৰ সাহিত্য সৌষ্ঠৱ, ৰত্নকান্ত বৰকাকতীয়ে অসমীয়া ভাষা নামৰ প্ৰবন্ধ পাঠ কৰে। তাতেই ডাক্তৰ

হৰেকৃষ্ণ দাসে মোনাৰ পৰা দহটকীয়া নোট এখন উলিয়ায় দি প্ৰথম পুঁজি আৰম্ভ কৰিলে। সেই দৰেই অসম সাহিত্য সভাৰ প্ৰথম অনুষ্ঠান 'সদৌ অসম সাহিত্য সন্মিলন' গঠন কৰা হয়।

শৰৎচন্দ্ৰ গোস্বামী **১৯১৭** চনৰ পৰা **১৯২৭** চনলৈকে সম্পাদক হিচাবে কম কৰিছিল। মাজতে **১৯১৮** চনত পদ্মনাথ গোহাঞিবৰুৱা সম্পাদক হিচাপে আছিল। তেওঁ সম্পাদক হৈ থকাৰ কালতে ভৱনটো নিৰ্মাণ কৰি উলিয়ায়। তাৰ বাবে তেওঁ সকলো কেঁচামাল নিজেই গোটাই দিছিল। ভৱনটোত ৰং কৰা হৈছিল ৰাধাকান্ত সন্দিকৈৰ পচন্দত।

এই ভৱনৰ ঐতিহ্য বহুত। বহু স্বনামধন্য লোক এই ভৱনৰ আলহি হৈছে। মহাত্মা গান্ধীয়ে এই ভৱনত এনিশা অতিবাহিত কৰিছিল বুলি কোৱা হয়। স্বাধীনতাৰ পিছৰে পৰা সাহিত্যিক যতীন্দ্ৰনাথ গোস্বামীয়ে চন্দ্ৰকান্ত সন্দিকৈ ভৱনটোক মন্দিৰৰ দৰে গণ্য কৰিছিল। তাৰ পাছত ডক্টৰ নগেন শইকীয়াই এই ভৱনক সাহিত্যৰ উপাসনা গৃহৰ দৰে লালন পালন কৰিছিল।

বহু বছৰ ধৰি এই ভৱন ৰাধাকান্ত সন্দিকৈৰ জেষ্ঠ পুত্ৰ কৃষ্ণকান্ত সন্দিকৈ বিশেষ নজৰত ৰাখে। তেওঁ তালৈ নগলেও যতীন্দ্ৰনাথ গোস্বামীৰ জৰিয়তে ডাৰৰ বাতৰি ডাৰে লৈ আছিল। সন্দিকৈৰ মৃত্যুৰ পিছত **১৯৮২** চনৰ পৰা ভৱনটো কিছু সমস্যাত পৰে।

**১৯২৬** চনৰ আজিৰ দিনটোতে চন্দ্ৰকান্ত সন্দিকৈ ভৱনৰ দুৱাৰ মুকলি কৰে ৰাজ্যপাল ছাৰ জন কাৰে।এই ভৱনটো বহু বছৰ মেৰামতিৰ অভাৱত জহি খহি যোৱাৰ উপক্ৰম হৈছিল। পিছে মুখ্যমন্ত্ৰী তৰুণ গগৈয়ে উপযুক্ত পুজিৰে ভৱনটো পূৰ্বৰ আৰ্হিতে ৰাখি **২০১১** চনৰ ৰৰ জানুৱাৰীত আকৌ মুকলি কৰা হয়। ইয়াৰো আছে ইতিহাস। আচলতে **২০০৫** চনৰ **১৭** জানুৱাৰীতে উকমুকনি হৈছিল ভৱনটোৰ পুনৰ নিৰ্মাণৰ চিন্তা -চৰ্চা। সেই দিনা শিল্পী দিৱস আছিল। ভৱনৰ চৌহদত নতুনকৈ প্ৰতিষ্ঠা কৰা জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰতিমূৰ্ত্তি এটা উন্মোচন কৰিবলৈ নিমন্ত্ৰণ কৰা হৈছিল মুখ্যমন্ত্ৰী তৰুণ গগৈক । তেখেতে ভৱনটোৰ জৰাজীৰ্ণ ৰূপ দেখি নতুনকৈ নিৰ্মাণ কৰাৰ বাবে আগ্ৰহী হোৱাৰ কথা জনালে। সভাত উপস্থিত থকা সকলোৱে তেখেতৰ কথা সমৰ্থন কৰিলে আৰু তৎকালীনভাৱে এখন নিৰ্মান সমিতি গঠন কৰা হ'ল। সেই সমিতিখনত আছিল এইসকললোক। সভাপতি ঃ ভৱ গোস্বামী

কাৰ্যকৰী সভাপতি ঃ দেৱকুমাৰ বৰা

উপ সভাপতি ঃ ডক্টৰ বসন্ত কুমাৰ গোস্বামী

ডক্টৰ কুটুবুদ্দিন আহমেদ

সম্পাদক ঃ সমীৰণ বৰদলৈ

সহ সম্পাদক ঃ ৰাজা চক্ৰৱৰ্তী। তাৰ লগতে সমিতিখনত আছিল কেইজনমান অভিযন্তা । এই সমিতিখনে কিছুমান দিন অপেক্ষা কৰি চৰকাৰৰ পৰা কোনো অনুদান নাপাই হতাশ হৈ পৰিল। কিন্তু **২০০৭** চনৰ এক জানুৱাৰীত মুখ্যমন্ত্ৰীক নতুন বছৰৰ শুভেচ্ছা জনাবলৈ যাওঁতে চন্দ্ৰকান্ত ভৱনৰ কথাও কৰ্ণগোচৰ কৰে। সেই কথা তৰুণ গগৈয়ে গুৰুত্বসহকাৰে লয় আৰু যাৱতীয় কামসমূহ কৰিবলৈ মুখ্যমন্ত্ৰীৰ প্ৰেছ উপদেষ্টা দেৱকুমাৰ বৰাক দ্বায়িত্ব অৰ্পণ কৰে। তেখেতে কাম-কাজ আৰম্ভ কৰি যোৰহাটৰ গড়কাপ্তানী বিভাগক প্ৰাক্ প্ৰকল্প তৈয়াৰ কৰিবলৈ দ্বায়িত্ব দিয়ে। চৰকাৰক প্ৰকল্প দাখিলৰ লগে লগে এক কৌটি , পোন্ধৰ লাখ উনাশী হাজাৰ টকা আৱণ্টন দিয়ে। এই পুজি আৱণ্টনৰ ক্ষেত্ৰত সেইসময়ৰ যোৰহাটৰ বিধায়ক ৰাণা গোস্বামীয়ে বিশেষ পদক্ষেপ গ্ৰহণ কৰে। তেখেতে পুনৰ এখন নতুন নিৰ্মাণ সমিতি গঠনৰ পোষকতা কৰে। সমিতিখনৰ নাম দিয়া হয় 'চন্দ্ৰকান্ত সন্দিকৈ ভৱন ঃ সংৰক্ষণ, সংবৰ্ধন পুনৰ নিৰ্মাণ সমিতি' । এইসকল লোকক লৈ গঠিত হোৱা প্ৰথম বৈঠকখন বহে **২০০৮** চনৰ যোল্ল মে' তাৰিখে।

সভাপতি ঃ এল, এই, চাংগচন (উপযুক্ত, যোৰহাট)

সদস্য সচিব: ডক্টৰ মানিক শইকীয়া
কাৰিকৰী সদস্য ঃ শান্তনু বৰুৱা, লক্ষ্মীনন্দন চেতিয়া, ৰাজীৱ বৰপুজাৰী, ফণিধৰ দাস।
আন সদস্য ঃ ভৱ গোস্বামী, বসন্ত কুমাৰ গোস্বামী, কুতুবুদ্দিন আহমেদ, সমীৰণ বৰদলৈ, ৰাজা চক্রৱর্তী,লংকেশ ওৱাৰি।
বাকীসকল হ'ল ঃ সভাপতি কণকসেন ডেকা , দেৱকুমাৰ বৰা, ৰাণা গোস্বামী আদি। তেখেতসকলে ভৱনটো পুৰণি আৰ্হিতে নিৰ্মাণ কৰাৰ ব্যৱস্থা কৰি ভৱনৰ নক্সা, চৌহদৰ সৌন্দৰ্য পৰিবৰ্ধনৰ পৰিকল্পনা আদি কৰিবলৈ গুৱাহাটীৰ স্থপতিবিদ ৰঞ্জীৱ বৰুৱাক দ্বায়িত্ব দিয়ে। তেখেতে পূৰ্বতে এই স্থানত বাৰিষা বৰষুণৰ পানী জমা হোৱাৰ প্ৰতি লক্ষ্য ৰাখি ভেটি পাঁচ ফুট ওখ কৰি তাৰ ওপৰত তিনি ফুট ওখ ভেটিৰ ঘৰটো বান্ধাৰ প্ৰাক্ কলন প্ৰস্তুত কৰে।

**২০০৯** চনৰ বাৰ জানুৱাৰীত শৰাই বন্তি জ্বলাই গৃহ দেৱতাৰ পূজা অৰ্চনা কৰা হয়। শিক্ষাবিদ ডিম্বেশ্বৰ দয়াল শৰ্মাই আশীৰ্বাদ দি ভৱনটো ভাঙিবলৈ আৰম্ভ কৰে।

সেইসময়ৰ সাহিত্য সভাৰ সভাপতি কনকসেন ডেকাই আগভাগ নোলোৱা হ'লে হয়তো এই ভৱন নিৰ্মাণৰ কাম আৰু পিছপৰি থাকিল হেঁতেন। বৰ্তমানৰ প্ৰধান সম্পাদক দেৱজিৎ বৰা তেতিয়া যোৰহাট আঞ্চলিক কাৰ্যালয়ৰ সম্পাদক আছিল আৰু তেখেতৰ তত্বাৱধানত নতুন বহু কাম আগবঢ়াই নিয়া হৈছিল। এই ভৱনটো নিৰ্মাণ কৰাৰ ক্ষেত্ৰত জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ডক্টৰ মানিক শইকীয়াৰ অৱদান উল্লেখনীয়। ইয়াৰ নাম ৰখা হৈছিল চন্দ্ৰকান্ত সন্দিকৈ ঐতিহ্য ভৱন। আজি এই ভৱনৰ এশ বছৰ গৰকা সময়খিনিত মোৰ সুহৃদ বন্ধু বান্ধৱীসকললৈ কথাখিনি জনাবলৈ সুবিধা পাই নিজকে ধন্য মানিছোঁ।

ঃঃঃঃঃঃঃঃঃঃঃঃঃঃঃঃঃঃঃঃঃঃঃঃঃঃঃ

# প্ৰগতিৰ পুনঃচিন্তা ঃ প্ৰযুক্তি আৰু মানৱীয় মূল্যবোধৰ ভাৰসাম্য

অনিল শইকীয়া

এয়া একবিংশ শতিকাৰ দ্বিতীয় দশকৰ মাজ মজিয়া । মানুহৰ সামগ্ৰিক জীৱনযাপন তথা দৈনন্দিন কাম-কাজত আধুনিক প্ৰযুক্তিৰ দ্ৰুত অগ্ৰগতিয়ে যুগান্তকাৰী প্ৰভাৱ বিস্তাৰ কৰিবলৈ সক্ষম হোৱাৰ সময়তে মনৰ ভিতৰত এটা প্ৰাকৃতিক প্ৰশ্ন উদয় হৈছে— প্ৰযুক্তিৰ এই অদমনীয় অগ্ৰগতিক, মানৱীয় মূল্যবোধৰ সৈতে ভাৰসাম্য বজাই ৰাখিব পৰাকৈ মানৱ চিন্তনৰ বিস্তৃতি সঠিক দিশত আগবাঢ়িছেনে বাৰু ? এ আই (AI) পৰিচালিত নানান উদ্ভাৱনৰ পৰা নিৰৱচ্ছিন্ন সংযোগ ব্যৱস্থালৈকে হোৱা যি ক্ষিপ্ৰ অগ্ৰগতি, যাক সম্প্ৰতি কেৱল দ্ৰুততা আৰু দক্ষতাৰ সমাৰ্থক শব্দৰ সৈতেহে ৰিজাব পাৰি,তেনে ত্বৰান্বিত প্ৰগতিয়ে আমি নো কোন, সেই আদিম জিজ্ঞাসাৰ সঠিক সমিধান দিব পাৰিছেনে ?

যিমানেই আমি সজোৰে আগলৈ ঢাপলি মেলিছোঁ, প্ৰযুক্তিৰ এই অদমনীয় অগ্ৰসৰণত প্ৰতিনিয়ত মৌলিক কিবা নহয় কিবা এটা হেৰুওৱাৰ আশঙ্কাত ত্ৰস্ত হৈ আছোঁ । গভীৰ আৰু স্বাধীনভাৱে তথা সৃষ্টিশীলভাৱে চিন্তা কৰাৰ সামৰঞ্জণ্য আমি যেন প্ৰায় হেৰুৱাই পেলাইছোঁ । চিন্তনৰ এই অৱক্ষয় কেৱল মাত্ৰ এক দাৰ্শনিক বিষয়হে এনে নহয়,ইয়াৰ স্পষ্ট পৰিণতি সামগ্ৰিকভাৱে ডিজিটেল জগতখনৰ পৰিবেষ্টনত থকা ব্যক্তি চেতনাৰ বিকাশ,কৰ্মক্ষেত্ৰ আৰু সমাজতো পৰিছে ।

এই কথা সত্য যে প্ৰযুক্তিয়ে নিঃসন্দেহে মানৱ জীৱন সুখকৰ কৰি তুলিছে । চিকিৎসা বিজ্ঞানৰ সফলতাই মানুহৰ জীৱন ৰক্ষা কৰিছে,ডিজিটেল প্লেটফৰ্মে অগণন জনসংযোগ ঘটাইছে ,নৱীকৰনযোগ্য শক্তিয়ে এক বহনক্ষম ভৱিষ্যতৰ প্ৰতিশ্ৰুতি বহন কৰিছে ইত্যাদিকে ধৰি আন বহুতো গুৰুত্বপূৰ্ণ দিশত আধুনিক প্ৰযুক্তি মানুহৰ বাবে আশীৰ্বাদ স্বৰূপ হৈ পৰিছে । তৎসত্বেও কিন্তু এই দ্ৰুত উন্নতিয়ে মানৱ জাতিলৈ প্ৰত্যাহ্বান কঢ়িয়াই আনিছে । সামাজিক মাধ্যমক গণসংযোগৰ বাহক হিচাপে প্ৰস্তুত কৰা হৈছিল, কিন্তু সঁচা অৰ্থত ই মানুহক মানুহৰ পৰা বিচ্ছিন্নহে কৰিছে।

সামাজিক মাধ্যমসমূহে যদিওবা বিশ্বজুৰি সকলো মানুহৰ মাজত সংযোগ স্থাপন কৰিবলৈ সক্ষম হৈছে,আপাত দৃষ্টিত ইয়াৰ বিপৰীতে, জীৱনৰ প্ৰগাঢ় আৰু বাস্তৱ আদান-প্ৰদানসমূহক অগভীৰ ডিজিটেল সম্পৰ্কৰে প্ৰতিষ্ঠাপন কৰি সামাজিক বিচ্ছিন্নতা বৃদ্ধি কৰা হৈছে । ইয়াৰ উপৰিও মানুহৰ মুখা-মুখি যোগাযোগ তীব্ৰ গতিত হ্ৰাস পোৱাৰ ফলত সামাজিক মাধ্যমৰ কৃত্ৰিম বাস্তৱতাই নিঃসংগতাক তীব্ৰ ৰূপ ধাৰণ কৰাইছে । FOMO(Fear of missing out) বা হেৰুৱাই পেলোৱাৰ শংকা, সামাজিক মাধ্যমৰ এনে এটা মানসিক অৱস্থা য'ত মানুহে যি কোনো এটা ৰোমাঞ্চকৰ বা মহত্বপূৰ্ণ ঘটনা,অনুভৱ অথবা উপলব্ধিৰ পৰা বঞ্চিত হৈ পৰাৰ চিন্তা অথবা ভয়, যি আনে কি কৰিছে সেয়া তেওঁ নিজৰ জীৱনত কৰিব নোৱৰাৰ এক ধৰণৰ মানসিক উদ্বেগ । ই মানুহক আধৰুৱা অথবা সম্পূৰ্ণ অকলশৰীয়া কৰি পেলায় । আকৌ বিভাজন আৰু ভুল তথ্য বিয়পোৱাত ইন্ধন যোগোৱা,বৈষম্য বা অসমনতা বৃদ্ধিৰ কাৰক তথা স্বয়ংক্ৰিয় কৰণৰ ফলত বৃদ্ধি পোৱা নিবনুৱা সমস্যাই বিকশিত প্ৰযুক্তিৰ অন্ধকাৰ দিশটোৰ কথা প্ৰকট কৰি

তুলিছে । এই সমগ্ৰ কথাখিনিয়ে প্ৰযুক্তিৰ দুমুখীয়া স্বৰূপটোক আমাৰ সন্মুখত স্পষ্ট ৰূপত উদঙাই দিয়ে। প্ৰগতিৰ এই অন্বেষণ যদি অনিয়িন্ত্ৰিত হয় — সহানুভূতি,ক্ষমা,উদাৰতা,সৃষ্টিশীলতা আৰু পাৰস্পৰিক সম্পৰ্কৰ দৰে মানৱীয় মূল্যবোধসমূহৰ ওপৰত বিপত্তিৰ ছাঁ পৰাৰ সম্ভাৱনা সন্নিকট ।

উদ্ভাৱনৰ নিৰন্তৰ গতিত অৰ্থপূৰ্ণ সম্পৰ্কৰ ক্ষতি হোৱাৰ সম্ভাৱনা থাকে। কাৰণ উৎপাদনশীলতাৰ দৌৰত মানসিক স্বাস্থ্যৰ অৱনতি ঘটে আৰু চিন্তা-চৰ্চাৰ কলা ম্লান হৈ পৰে । বৰ্তমান আমি মুখা-মুখি বাৰ্তালাপৰ পৰিৱৰ্তে স্ক্ৰীণত আৰু নিজৰ কামত গভীৰ মনোযোগ দিয়াৰ পৰিৱৰ্তে নিৰন্তৰ নোটিফিকেচনৰ সৈতে বুজাবুজি কৰিছোঁ । অন্যহাতে প্ৰযুক্তিয়ে বিভিন্ন সজুলি উপহাৰ দিছে যদিও ই ইয়াৰ অন্তৰ্নিহিত স্বভাৱ অনুসৰি উদ্দেশ্য বা নীতি শিক্ষাক অগ্ৰাধিকাৰ নিদিয়ে । উদাহৰণ স্বৰূপে, AI (আৰ্টিফিচিয়েল ইন্টেলিজেন্সি)ৰ ব্যৱস্থাসমূহ যিমানেই শক্তিশালী নহওক কিয় , সেইবোৰে আমাৰ পক্ষপাতিত্বসমূহকে প্ৰতিফলিত কৰে, যি নিৰপেক্ষতা আৰু দায়বদ্ধতাৰ ক্ষেত্ৰখনত উৎকণ্ঠা বৃদ্ধি কৰে ।

প্ৰগতিক পুনৰ কল্পনা কৰিবলৈ প্ৰযুক্তিক মানৱীয় মূল্যবোধৰ সৈতে একত্ৰিত কৰা প্ৰয়োজন। প্ৰযুক্তিৰ দায়িত্ব হোৱা উচিত মানৱতাক সেৱা কৰা, তাৰ বিপৰীত মুঠেও হোৱা উচিত নহয় । কৃত্ৰিম বুদ্ধিমত্তাৰ দৰে উদ্ভাৱনসমূহে স্বচ্ছতা,গোপনীয়তা আৰু অন্তৰ্ভুক্তিকৰণত অগ্ৰাধিকাৰ দিয়াটো প্ৰয়োজন।

ইন্টাৰনেটৰ কু-প্ৰভাৱ প্ৰতিৰোধ কৰিবলৈ দয়া,কৰুণা আৰু গঠনমূলক কথা-বতৰাক প্ৰোৎসাহিত কৰাৰ বাবে এখন মঞ্চ তৈয়াৰ কৰি ডিজিটেল সহানুভূতি বৃদ্ধি কৰাৰ প্ৰয়োজন ।

ডিজিটেল সাক্ষৰতাৰ সৈতে আবেগিক বুদ্ধিমত্তা,সৃষ্টিশীলতা আৰু সমালোচনাত্মক চিন্তাভাৱনাক মিশ্ৰণ ঘটাব পৰাকৈ শিক্ষা ব্যৱস্থা প্ৰস্তুত কৰাতো প্ৰয়োজন। মানৱতাৰ বিনিময়ত দেশৰ প্ৰগতি নাহে । প্ৰযুক্তিৰ সৈতে সহানুভূতি,সমানতা আৰু স্থিৰতাৰ মিশ্ৰণ ঘটাই আমি ভৱিষ্যতে এখন বুদ্ধিমান আৰু দয়ালু পৃথিৱী গঢ় দিব পাৰিম । যিহেতু আমি নিতৌ ন ন উদ্ভাৱন কৰি আছোঁ,আহকচোন আমি ক্ষন্তেক বৈ চিন্তা কৰোঁ — যদিহে প্ৰযুক্তিৰ এনে অগ্ৰগতিয়ে আমাক নিঃস্ব অনুভৱ কৰায় তেন্তে এনে প্ৰগতিৰনো অৰ্থ কি ?

*লেখক লক্ষীমপুৰ জিলা সাহিত্য সভাৰ বৰ্তমানৰ উপ সভাপতি। দূৰভাষ : **৯৪৩৫৫ - ৯৮৭৫৯***

# প্ৰথম অসমীয়া ছনেট স্ৰষ্টা হেমচন্দ্ৰ গোস্বামী

ৰীণা শইকীয়া

এটা জাতিৰ উন্নতিৰ পৰিচায়ক সেই জাতিৰ সাহিত্য। অসমীয়া সাহিত্যই অসমীয়া জাতিৰ পৰিচয় দাঙি ধৰে। অসমীয়া সাহিত্যক সমৃদ্ধিশালী কৰি তোলাত যিসকল মহান সাহিত্যিকে অৰ্হনিশে চেষ্টা কৰিছিল আৰু বিশ্বদৰবাৰত অসমীয়া ভাষা-সাহিত্যক প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছিল সেইসকল মহান সাহিত্যিকৰ ভিতৰত হেমচন্দ্ৰ গোস্বামী অন্যতম। অসমীয়া ভাষা-সাহিত্যৰ একনিষ্ঠ পূজাৰী, বৰেণ্য ব্যক্তি হেমচন্দ্ৰ গোস্বামী অসমীয়া কাব্য সাহিত্য জগতৰ প্ৰথম গৰাকী 'ছনেট'ৰ স্ৰষ্টা আছিল। তেখেতৰ দ্বাৰা ৰচিত প্ৰথম ছনেট কবিতাটো আছিল 'প্ৰিয়তমাৰ চিঠি'। তেখেতে ইটালীৰ গীতি কবি 'প্ৰেট্ৰাকীয়' অনুপ্ৰেৰণাৰে প্ৰথম ছনেট লিখিছিল। 'প্ৰিয়তমাৰ চিঠি'ত পেট্ৰাকীয় ছনেটৰ লক্ষণ দেখা পোৱা যায়। হেমচন্দ্ৰ গোস্বামীদেৱে ৰচনা কৰা 'প্ৰিয়তমাৰ চিঠি'ত উল্লেখিত প্ৰিয়তমাৰ কুকুৰাঠেঙীয়া আখৰ কেইটাত যি মোহিনী শক্তি আছে তাক প্ৰাকৃতিক চিত্ৰৰ সহায়েৰে অতি মনোমোহা আৰু আবেদনময়ী কৰি তুলিছে -

ফুল ফুলে, সৰি যায়, শুকাই বননি,
বসন্তৰ কুঁহিপাত ৰ'দত লেৰেলে।
তোমাৰ চিঠিয়ে প্ৰিয়ে জানে কি মোহিনী,
নিতৌ নোহোৱা বাহি ন ন ফুল মেলে।

অসমীয়া কাব্য সাহিত্যৰ প্ৰথম ছনেটৰ লিখক হেমচন্দ্ৰ গোস্বামীদেৱে ছাত্ৰ অৱস্থাতে গুণাভিৰাম বৰুৱা, বলি নাৰায়ণ বৰা, ৰত্নেশ্বৰ মহন্ত, বলদেৱ মহন্ত, ভোলানাথ দাস আদিৰ দৰে মহান সাহিত্যিকসকলৰ সান্নিধ্য আৰু সংস্পৰ্শ লাভ কৰি সাহিত্য চৰ্চাৰ প্ৰতি অনুপ্ৰাণিত হৈছিল। হেমচন্দ্ৰ গোস্বামীদেৱৰ ছাত্ৰ জীৱন আৰম্ভ হৈছিল গোলাঘাট জিলাৰ ঢেকীয়াল মৌজাৰ এখন গাঁৱৰ প্ৰাথমিক বিদ্যালয়ত। তেখেতে চৰকাৰৰ পৰা তিনিটকীয়া বৃত্তি লাভ কৰি প্ৰাথমিক শিক্ষা সাং কৰে। তাৰ পিছত তেখেতে 'উইলিয়ামচন মাইনৰ স্কুল'ত ভৰ্তি হয় যদিও নগাঁৱৰ চৰকাৰী হাইস্কুলৰ পৰা **১৯৮৮** চনত প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ উচ্চ শিক্ষা গ্ৰহণৰ বাবে কলিকতালৈ যায়। কলিকতাত 'প্ৰেচিডেন্সি কলেজ'ত এফ.এ. শ্ৰেণীত পঢ়ি থাকোতেই লগ পাইছিল অসমীয়া সাহিত্য আকাশৰ দুটা উজ্জ্বল জ্যোতিষ্ক সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা আৰু চন্দ্ৰকুমাৰ আগৰৱালাদেৱক। অসমীয়া সাহিত্য জগতত লক্ষ্মীনাথ বেজবৰুৱা, চন্দ্ৰকুমাৰ আগৰৱালা আৰু হেমচন্দ্ৰ গোস্বামীক 'ত্ৰিমূৰ্ত্তি' নামেৰে জনা যায়। কলিকতাত হেমচন্দ্ৰ গোস্বামীয়ে লক্ষ্মীনাথ বেজবৰুৱা আৰু চন্দ্ৰকুমাৰ আগৰৱালাদেৱক লগ পাই সাহিত্য চৰ্চাৰ প্ৰতি অধিক আগ্ৰহী হৈ উঠে আৰু তেখেতসকলৰ সান্নিধ্যত 'জোনাকী' কাকতৰ এজন উদ্যোক্তা আৰু পৃষ্ঠপোষক হৈ পৰে। গোস্বামীদেৱ 'অসমীয়া ভাষা উন্নতি সাধিনী সভা'ৰ অন্যতম প্ৰতিষ্ঠতা আছিল। এই সভাৰ উন্নতিকল্পে তেখেতে অক্লান্ত পৰিশ্ৰম কৰিছিল। এই গৰাকী অক্লান্ত সাহিত্যকৰ্মীয়ে 'জোনাকী' কাকতৰ দ্বিতীয় বছৰৰ সম্পাদকৰ দৰে দায়িত্বপূৰ্ণ পদত অধিষ্ঠিত হৈ কাকতখন সৰ্বাঙ্গসুন্দৰ কৰি তুলিবৰ বাবে অহোপুৰুষাৰ্থ চেষ্টা কৰিছিল। অসমীয়া কাব্য আন্দোলনৰ প্ৰথম খোজৰূপে চিহ্নিত হেমচন্দ্ৰ গোস্বামী কবিতাটি আছিল 'পুৰা'। এই কবিতাটিত

তেখেতৰ সংযত কল্পনা, গাম্ভীৰ্য আৰু আশাবাদেৰে মহিমামণ্ডিত হৈ আছে। হেমচন্দ্ৰ গোস্বামীদেৱে 'পুৰা' কবিতাটিৰ শেষত কেইশাৰী 'জোনাকী' কাকতৰ উদ্দেশ্যে এনেদৰে লিখিছিল -

বৰসা অনন্তকাল জ্ঞানৰ পোহৰ
জ্যোতিময়ী জোনাকী সৰিতা।
বজোৱা অনন্তকাল সঞ্জীৱনী বীণা,
বীণাপানী কোমল কবিতা।।

অসমীয়া সাহিত্যৰ ৰোমাণ্টিক কবিতাৰ অন্যতম প্ৰৱৰ্তক ৰূপে হেমচন্দ্ৰ গোস্বামীদেৱে বহু কেইটা উৎকৃষ্ট মানৰ কবিতা ৰচনা কৰিছিল। ইয়াৰ ভিতৰত "কাকো আৰু হিয়া নিবিলাওঁ", "পুৰা", "কাকুতি", "প্ৰিয়তমাৰ চিঠি", "বৰদৈচিলা" আদি প্ৰধান। তেখেতৰ এই কবিতাসমূহ 'জোনাকী', 'আসাম বন্ধু' আদি কাকতত প্ৰকাশ হৈছিল। উপৰোক্ত কবিতা সমূহৰ উপৰিও তেখেতৰ দ্বাৰা ৰচিত অন্যান্য কবিতাসমূহ সংলগ্ন কৰি "ফুলৰ চাকি" নামেৰে এখন কবিতা পুথি ৰচনা কৰে। হেমচন্দ্ৰ গোস্বামীৰ দ্বাৰা ৰচিত কেইটামান কবিতাত তেখেতৰ চালুকীয়া মনৰ পৰিচয় পোৱা যায়। কাৰণ এই কবিতাসমূহ তেখেতে **১৪/১৫** বছৰ মান বয়সত ৰচনা কৰিছিল। অৱশ্যে তেখেতে **১৮/২০** বয়সত যিবিলাক কবিতা ৰচনা কৰিছিল যেনেকৈ 'পুৰা', 'প্ৰিয়তমাৰ চিঠি' আদি কবিতাসমূহত কবিৰ অনুভূতি, কল্পনা আদিৰ পৈণতাৰ প্ৰকাশ পাইছে। হেমচন্দ্ৰ গোস্বামীদেৱৰ দ্বাৰা ৰচিত কবিতা সংখ্যাত অধিক নহ'লেও কবিতাসমূহত স্বদেশ প্ৰীতি, হাস্যৰস, প্ৰেম আদি তিনিটা ৰসৰ সুঁতিৰ দ্বাৰা ৰসসিক্ত হৈ আছে। কিন্তু কবিতাসমূহ যিহেতু কম বয়সত ৰচনা কৰিছিল সেইয়েহে ইয়াত ভাৱৰ গভীৰতা আৰু জীৱনোপলব্ধি যথেষ্ট তৰাং।

অসমী আইৰ সুযোগ্য সন্তান হেমচন্দ্ৰ গোস্বামীদেৱে কলিকতাত উচ্চ শিক্ষা গ্ৰহণ কৰি থকা অৱস্থাত "জোনাকী" কাকতৰ কামত অধিক মনোযোগ দিয়াৰ বাবে বি.এ. ডিগ্ৰী নোলোৱাকৈ চাৰি বছৰৰ অন্তত ঘৰৰ ল'ৰা ঘৰলৈ ঘূৰি আহি তেখেতে গুৱাহাটী সোনাৰাম হাইস্কুলৰ প্ৰধান শিক্ষক হিচাপে কৰ্ম জীৱনৰ পাতনি মেলে। কিছু দিনৰ পিছত প্ৰধান শিক্ষকৰ চাকৰি ত্যাগ কৰি শ্বিলঙৰ সচিবালয়ৰ চাকৰিত যোগদান কৰে। হেমচন্দ্ৰ গোস্বামীদেৱে নিজৰ কৰ্মদক্ষতা, ঐকান্তিক প্ৰচেষ্টাৰ বাবে **১৮৯৭** চনত চাবডেপুটি কলেক্টৰ আৰু পিছত একষ্ট্ৰা এছিষ্টেণ্ট পদলৈ উন্নতি হ'বলৈ সক্ষম হৈছিল। তেখেতে নিজকে কবিতাৰ কল্পনাময় ৰাজ্যৰ পৰা আঁতৰাই আনি প্ৰত্নতত্ত্ব আৰু বুৰঞ্জীৰ অনুসন্ধানত মনোনিৱেশ কৰে। এজন চৰকাৰী কৰ্মচাৰী হিচাপে তেখেতে **১৯১২-১৩** চনত পুৰণি অসমীয়া আৰু সংস্কৃত পুথিসমূহ উদ্ধাৰ আৰু সংগ্ৰহ কৰিবলৈ সক্ষম হয়। 'কামৰূপ অনুসন্ধান সমিতি'ৰ যোগেদি তেখেতে 'পুৰণি অসম বুৰঞ্জী' আৰু ভট্টদেৱৰ "কথাগীতা" সম্পাদনা কৰি প্ৰকাশ কৰে। হেমচন্দ্ৰ গোস্বামীদেৱে আশুতোষ মুখাৰ্জীৰ উৎসাহত উৎসাহিত হৈ "ভোলানাথ বৰুৱা"ৰ দানৰ টকাৰে সাতোটা খণ্ডত বিভক্ত "অসমীয়া সাহিত্যৰ চানেকী" সংগ্ৰহ আৰু সম্পাদনা কৰি প্ৰকাশ কৰে। তেখেতৰ দ্বাৰা সম্পাদিত এই গ্ৰন্থখনত ইতিহাসে ঢুকি পোৱা যুগৰ পৰা বৰ্তমানলৈকে অসমীয়া কবি-সাহিত্যিকসকলৰ ৰচনাৱলীৰ নিদৰ্শন পোৱা যায়। হেমচন্দ্ৰ গোস্বামীদেৱে কলিকতা বিশ্ববিদ্যালয়ৰ সহযোগত **১৯৩০** চনত 'অসমীয়া পুথিৰ তালিকা' নামৰ পুথিখন প্ৰকাশ কৰি উলিয়ায়। গোস্বামীদেৱে **১৯১৬** চনত শিশুসকলৰ বাবে 'অকণ' নামৰ এখন শিশু আলোচনী সম্পাদনা কৰি উলিয়াইছিল। অসমীয়া সাহিত্যজগতৰ এইজনা মহান মনিষীয়ে "চাৰ এডৱাড গেইট"ৰ সহায়ত প্ৰায় নষ্ট হোৱাৰ উপক্ৰম ঘটা প্ৰখ্যাত সাহিত্যিক হেমচন্দ্ৰ বৰুৱাদেৱৰ "হেমকোষ"খন বিভিন্ন বাধা-বিঘিনি অতিক্ৰমী অতি কৌশলেৰে চৰকাৰৰ খৰছত ছপা কৰি উলিয়াই অসমীয়া সাহিত্যৰ পৰম মঙ্গল সাধন কৰে।

গোস্বামীদেৱৰ এই মঙ্গলকাৰী কামত গেইট চাহাবৰ লগতে পি.আৰ.টি. গৰ্ডন চাহাবেও সহযোগিতা আগবঢ়াইছিল। সেই সময়ত প্ৰকাশ পোৱা “ঊষা”, “বাঁহী” আদি আলোচনীত গোস্বামীদেৱৰ বহুতো বুৰঞ্জীমূলক আৰু প্ৰত্নতত্ত্বমূলক প্ৰবন্ধ আৰু চমুজীৱনী প্ৰকাশ পাইছিল। এজন প্ৰত্নতাত্ত্বিক হিচাপে তেখেতে বহুতো ৰজাদিনীয়া পুৰণি ফলি উদ্ধাৰ কৰি প্ৰকাশ কৰিছিল যিয়ে অসম বুৰঞ্জী সমৃদ্ধিশালী কৰি তোলাত সহায় কৰিছিল। এইগৰাকী মহান সাহিত্যকৰ্মীয়ে **১৯২০** চনৰ তেজপুৰৰ চতুৰ্থ অসম সাহিত্য সভাৰ সভাপতিৰ পদ অলংকৃত কৰিছিল।

অসমীয়া সাহিত্যৰ প্ৰথম ছনেট লেখক তথা ৰোমাণ্টিক কবিতাৰ অন্যতম প্ৰৱৰ্তক আৰু অসংখ্য সম্পাদনা আৰু উদ্ধাৰ কাৰ্যৰে অসমীয়া সাহিত্যলৈ অতুলনীয় অৱদান আগবঢ়াই থৈ যোৱা এইজনা পুৰোধা পুৰুষৰ জন্ম হৈছিল গোলাঘাট জিলাৰ ঢেকীয়াল মৌজাৰ গৌৰঙ্গ সত্ৰত। তেখেতৰ সৌভাগ্যৱান পিতৃ আছিল ডম্বৰুধৰ গোস্বামী আৰু মাতৃ আছিল ঘনকান্তি দেৱী। অসমীয়া সাহিত্যৰ অপূৰণীয় ক্ষতি সাধন কৰি **১৯২৮** চনত হেমচন্দ্ৰ গোস্বামীদেৱে ইহলীলা সম্বৰণ কৰে গুৱাহাটীৰ নিজা বাসভনৰত। তেখেতৰ মৃত্যুৱে যদিও অসমীয়া সাহিত্যৰ অপূৰণীয় ক্ষতি সাধন কৰিলে কিন্তু তেখেতে আগবঢ়াই থৈ যোৱা মহান অৱদানে অসমীয়া জাতিক সমৃদ্ধিশালী কৰি থৈ গ’ল।

# অসমত অসমীয়া ভাষিক মান্যতাৰ ত্বৰণ

**ডিম্বেশ্বৰ ফুকন**

ভাষা হ'ল ভাব প্ৰকাশৰ মাধ্যম। এটা জনগোষ্ঠী বা জাতিৰ জাতীয় মৰ্যাদা ৰক্ষা কৰি একতা আৰু সংহতিৰে বান্ধি ৰখাত ভাষাই গুৰুত্বপূৰ্ণ ভূমিকা লৈ আহিছে। ভাষা বিজ্ঞানীসকলে গৱেষণা কৰি পাইছে যে **২০২৫** বৰ্ষত পৃথিৱীত **৭০০০** তকৈ অধিক জীৱিত ভাষা আছে। এই ভাষা সমূহৰ ভিতৰত উত্তৰ পূব ভাৰত অসম প্ৰদেশৰ মান্য ভাষা অসমীয়া - অন্যতম। অসমত বসবাস কৰা কিছু সংখ্যক লোকে ঘৰত ভাব বিনিময়ৰ মাধ্যম হিচাপে নিজা ভাষা ব্যৱহাৰ কৰিলেও বাহিৰত অসমীয়া ভাষাহে ব্যৱহাৰ কৰে। যিসকলে নিজকে অসমীয়া বুলি ভাবে আৰু অসমৰ বাবে কাম কৰিব বিচাৰে তেওঁলোকেই হ'ল বহুজনগোষ্ঠী সম্প্ৰদায়ৰ সমন্বয়ত প্ৰতিষ্ঠা লাভ কৰা অসমীয়া জাতি। এচিয়া মহাদেশৰ অষ্টিক, মঙ্গোলীয়, আৰ্য আৰু ভিন্ন অনাৰ্যমূলীয় লোক সকলে নদ-নদী, পৰ্বত-পাহাৰ অতিক্ৰম কৰি বিশেষকৈ জীৱন-জীৱিকাৰ সন্ধান, যুদ্ধ বিগ্ৰহ, প্ৰাকৃতিক দুৰ্যোগ আদি কাৰণবশতঃ ব্ৰহ্মপুত্ৰ উপত্যকালৈ আহি ইয়াতে বসবাস কৰিবলৈ লয়। নৃ-তাত্বিক গৱেষণাৰ পৰ পোৱা গৈছে যে অসমত ভাৰতীয় স্ৰোত আৰু দক্ষিণ পূব এচিয়াৰ স্ৰোতৰ মিলন ঘটিছে। আনুমানিক খৃঃ পূব চতুৰ্থ পঞ্চম শতিকাৰ পৰা খৃঃ চতুৰ্থ-পঞ্চম শতিকা মানলৈকে আৰ্যমূলীয় লোকসকল লগত লৈ অহা উন্নত লিপি, ভাষা-সাহিত্য, ব্যাকৰণ আদি স্থানীয় ভাষা-সংস্কৃতিৰ মাজত সোমাই পৰে। অসমত দুটা প্ৰধান ভাষা পৰিয়াল ক্ৰমে ইন্দোইউৰোপীয় আৰু চীন তীৰ্ব্বতীয় ভাষা পৰিয়ালৰ প্ৰশাখাৰ সমন্বয় ঘটিল। তীৰ্ব্বত বৰ্মী ভাষাৰ ধ্বনিতাত্ত্বিক আৰু ৰূপতাত্ত্বিক বৈশিষ্ট্য অন্তৰ্ভুক্তিৰে আৰ্যসকলৰ সংস্কৃত ভাষাৰ পৰা আহৰণ কৰা শব্দ, ব্যাকৰণ পদ্ধতিৰ আলমত লাহে লাহে ব্ৰহ্মপুত্ৰ উপত্যকাত এটি স্থানীয় ভাষা সৃষ্টি হ'ল। অসমীয়া ভাষাৰ মৌলিকতাৰ প্ৰাচীনত্ব অনস্বীকাৰ্য। হিউয়েনচাঙৰ টোকাত অসমীয়া ভাষা সেই সময়ৰ মধ্য ভাৰতৰ ভাষাৰ পৰা কিছু পৃথক আছিল বুলি লিপিবদ্ধ কৰিছিল। অসমত বসবাস কৰা মঙ্গোলীয়, আলপাইন, অষ্টিক আদি গোষ্ঠীসমূহৰ মাজত অসমলৈ অহা আৰ্যসকল সোমাই পৰিল আৰু তেজৰ সম্পৰ্ক গঢ়ি উঠাৰ ফলত অসমত বসবাস কৰা জনগোষ্ঠীসমূহক বিভাজন কৰা জটিলহৈ পৰিল। বহু পৰ্বত-পাহাৰ, নদ-নদীয়ে ভৰা ৰাজ্যখনত ৰাজনৈতিক, সামাজিক, সাংস্কৃতিক সমন্বয় সৃষ্টি কৰা সিমান সহজ নাছিল। সংস্কৃত ভাষা আৰু সংস্কৃত প্ৰভাৱিত লৌকিক ভাষাই অসমৰ আবাসীসকলৰ মাজত মানসিক ব্যৱধান হ্ৰাস কৰিলে আৰু ঐক্য, সংহতি বজাই ৰখাত সহায় কৰিলে। উল্লেখযোগ্য যে প্ৰাচীন অসমত ৰাজত্ব কৰা দত্ত, বৰ্মন, পাল বংশৰ বহু কেইজন ৰজাই ভাৰতত ৰাজত্ব কৰিছিল - বাবে সেই ৰাজ্য সমূহৰ সৈতে ভাষিক সম্পৰ্ক গঢ়ি উঠিছিল বাবে ভাষাকলৈ কোনো সংঘাত হোৱা নাছিল। আনকি সেই ৰজাসকলে বিজিত সকলৰ সংস্কৃতিকো আদৰি লৈছিল বাবে তেওঁলোকে শিলালিপি বা তাম্ৰলিপিবোৰ সংস্কৃত ভাষাতে খোদিত কৰাইছিল। কুমাৰ ভাস্কৰ বৰ্মাৰ সপ্তম শতিকাৰ তাম্ৰ ফলিতেই প্ৰথম অসমীয়া আখৰৰ নিদৰ্শন পোৱা যায়। পুৰাতাত্ত্বিক অনুসন্ধানৰ আধাৰত গোলাঘাটৰ নগাজৰী খনিকৰ গাঁৱত আৱিষ্কৃত শিলালিপি, দৈয়াং

ধনশিৰিত উদ্ধাৰ হোৱা ডুবৰানি শিলালিপিত অসমীয়া লিপিৰ নিদৰ্শন পোৱা অনুমান কৰা হৈছে। মধ্যযুগীয় ভাষিক স্তৰত পোৱা অসমীয়াত লিখিত তিনিটা লিপি পোৱা গৈছে - **(১)** গড়গঞা লিপি, **(২)** বামনীয় লিপি আৰু **(৩)** কানাই বৰশীবোৱা 'কাইথেলী' লিপি।

উত্তৰ-পূব ভাৰতত প্ৰচলিত ভাষাসমূহৰ ভিতৰত অসমীয়া, নাগামিজ, মণিপুৰী, টাই, বড়ো, মিচিং, ৰাভা, দেউৰী, তিৱা, মিজো, লুচাই, ডিমাচা, বিষ্ণুপ্ৰিয়া, টিৰাপ আদি উল্লেখযোগ্য। **২০০১** চনৰ লোক পিয়লৰ তথ্য মতে ভাৰতত মুঠতে **১৪৯৯** টা ভাষা প্ৰচলিত হৈ আছে। বৰ্তমান অসমত **২৩** টা জন-জাতীয় ভাষা জনজাতি লোকসকলে ব্যৱহাৰ কৰি আছে। অসমত বসবাস কৰা জনগোষ্ঠীসমূহৰ মাজত ভাব বিনিময়েৰে সমন্বয়ৰ বাতাবৰণ সৃষ্টি কৰিবৰ বাবে এটা সাধাৰণ ভাষা অপৰিহাৰ্য। বৰ অসমত অসমীয়া ভাষাই এই গুৰু দায়িত্ব পালন কৰি আহিছে। সাধাৰণতে জনগোষ্ঠীৰ বিভিন্ন গোটৰ মাজত ভিনভিন উপভাষা প্ৰচলিত হৈ থাকে। ইয়াৰ ভিতৰত যিটো উপভাষাই সৰ্বাধিক জনপ্ৰিয়তা লাভ কৰে সেই উপভাষাটোকেই মান্যভাষা হিচাপে গণ্য কৰা হয়। শিক্ষানুষ্ঠানত চৰকাৰী কামকাজত মান্যভাষা ব্যৱহাৰ কৰা হয় আৰু তেতিয়া সেই ভাষাক ৰাজভাষা বোলা হয়। ৰাজ্যভাষাৰ মৰ্যাদা পাবৰ বাবে ভাষা এটা মান্য ভাষালৈ উন্নীত হ'ব লাগিব। অসমতে জন্ম হোৱা অসমীয়া ভাষাই মান্যভাষা বা চৰকাৰী ভাষা হিচাপে পাবলগীয়া মান্যতা বিচাৰি যাওঁতে ভাষাটোক খোজেপতি শূলে বিন্ধিছে। **১৮২৬** চনৰ ইয়াণ্ডাবু সন্ধিৰ পৰা **১৮৩৬** চনলৈকে এই **১০** বছৰ কাল বৃটিছসকলে অসমত পাৰ্চী ভাষাক চৰকাৰী ভাষা হিচাপে ব্যৱহাৰ কৰিছিল। ইয়াৰ পাছত **১৮৩৬** চনৰ পৰা **১৮৭২** চনলৈকে বৃটিছসকলে অসমত অসমীয়া ভাষাক এলাগী কৰি বাংলা ভাষাক চৰকাৰী ভাষা হিচাপে ব্যৱহাৰ কৰিছিল।

অসমত অসমীয়া ভাষাই ঠন ধৰি উঠাত প্ৰধানতঃ ধৰ্ম প্ৰচাৰৰ বাবে অসমলৈ অহা মিছনেৰীসকলৰ অৱদান অনস্বীকাৰ্য। **১৯২৯** চনত মিছনেৰী জেমছৰে অসমৰ প্ৰশাসনৰ দায়িত্বত থকা ডেভিড স্কটৰ লগত লগলাগি **১৯৩০** চনত গুৱাহাটীত **১২** জন ছাত্ৰৰে এখন বিদ্যালয় প্ৰতিষ্ঠা কৰিছিল। তেতিয়ালৈকে অসমীয়া পুথি ছপাৰ ব্যৱস্থা নাছিল বাবে বাংলা ভাষাতে পাঠদান কৰাইছিল। তেওঁলোকে প্ৰথম অসমীয়া পুথি ছপা কৰাইছিল বাংলাদেশৰ শ্ৰীৰামপুৰত। তেওঁলোকে বাংলা আৰু অসমীয়াৰ বাবে একেখিনি আখৰকে ব্যৱহাৰ কৰাত পুৰণি অসমীয়া লিপিবোৰৰ প্ৰয়োগ প্ৰায় নোহোৱা হৈ পৰিছিল। **১৮৩৯** চনত আমেৰিকান মিছনেৰী উইলিয়াম ৰবিন্সনে A Grammar of Assamese Language নামে প্ৰথমখন অসমীয়া ব্যাকৰণ লিখি উলিয়াইছিল। **১৮৪৮** চনত ড° নাথন ব্ৰাউনে দ্বিতীয়খন ব্যাকৰণ Grammatical notices of Assamese Language, ড° ব্ৰন্সনে **১৮৬৭** চনত 'অসমীয়া ইংৰাজী অভিধান লিখি উলিয়ায়। **১৮৪৬** চনত মিছনেৰীসকলে শিৱসাগৰত প্ৰতিষ্ঠা কৰা প্ৰেছৰ পৰা মাহেকীয়া সংবাদপত্ৰ 'অৰুণোদই' প্ৰকাশ পাইছিল। **১৯৫৬** চনত ৰাজ্য পুনৰ গঠন আইন মতে ভাৰতীয় সংবিধানৰ অষ্টম অনুচ্ছেদ মতে অসমীয়া ভাষাৰ অসমত চৰকাৰী ভাষাৰ মৰ্যাদা দিয়া হৈছিল। কিন্তু শিক্ষানুষ্ঠানত শিক্ষাৰ মাধ্যম হিচাপে গ্ৰহণ কৰা নাছিল। অসমত বসবাস কৰা বঙালীসকলে ইয়াৰ বিৰোধীতা কৰি অসমত অসমীয়া ভাষাৰ গুৰুত্বহীন কৰি পেলায়। **১৯৬০** চনত অসমৰ বিদ্যালয়-মহাবিদ্যালয়ৰ পাঠ্যক্ৰমবোৰ অসমীয়া মাধ্যমত হ'ব লাগে বুলি দাবী কৰি অসমীয়া লোকসকল ৰাজপথলৈ ওলাই আহিব লগীয়া হ'ল। ভাষা আন্দোলনত শ্বহীদ হ'ল। **১৯৭৩** চনত অসমৰ শিক্ষানুষ্ঠানসমূহত অসমীয়া মাধ্যমত পাঠদান কৰাৰ সুবিধা পায় যদিও বৰাক উপত্যকাত বাংলা ভাষাই

চৰকাৰী ভাষাৰ মান্যতা পালে। **১৯৮৫** চনত ৰাজ্যভাষা আইনৰ মান্যতা সংশোধন কৰি বড়ো প্ৰধান এলেকাত বড়োভাষাক সহযোগী ভাষা হিচাপে ব্যৱহাৰ কৰাৰ আঁচনি ল'লে। বৰ্তমান অসম চৰকাৰে স্বায়ত্বশাসিত পৰিষদৰ অধীনত জনগোষ্ঠীয় ভাষাক মাতৃভাষা হিচাপে ব্যৱহাৰ কৰিবলৈ অনুমতি প্ৰদান কৰিছে। **২০২০** চনৰ নতুন ৰাষ্ট্ৰীয় শিক্ষানীতিত পঞ্চম শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈকে আঞ্চলিক ভাষাৰ প্ৰসাৰ আৰু বিকাশত গুৰুত্ব দি পাঠ্যক্ৰম প্ৰস্তুত কৰিছে।

বৰ্তমান অসমৰ বিভিন্ন ঠাইত সিচৰিত হৈ থকা জনগোষ্ঠী সমূহৰ মাজত জাতীয় চেতনা, ভাষা-সাংস্কৃতিক চেতনাৰ জাগৰণ ঘটিছে, সংস্থাৰ জন্ম হ'ল। অসমত প্ৰচলিত জনজাতীয় মান্যভাষা সমূহৰ প্ৰচাৰ আৰু প্ৰসাৰে অসমীয়া ভাষাৰ ক্ৰমবিকাশত পোনপটীয়াকৈ বাধা সৃষ্টি কৰা নাই যদিও এটা ভাষিক সংকটে দেখা দিছে যে বৰ্তমান অসমত ঘৰুৱাভাৱে বা সামাজিক ভাৱে অসমীয়া ভাষা ব্যৱহাৰ কৰা লোকৰ সংখ্যা দিনক দিনে কমি অহা পৰিলক্ষিত হৈছে। **২০২৫** চনলৈকে ভাৰতীয় সংবিধানে স্বীকৃতি দিয়া **২২** টা ভাষাৰ ভিতৰত অসমীয়া ভাষা অন্যতম। **২০২৪** চনৰ **৩** অক্টোবৰত অসমীয়া, বাংলা মাৰাঠী, পালি আৰু প্ৰাকৃত ভাষাই ধ্ৰুপদী ভাষাৰ স্বীকৃতি লাভ কৰে। অসমীয়া ভাষাই বিশ্বৰ ভাষা ৰাজ্যতো ভাষিক ইতিহাস সম্বলিত ভাষা হিচাপে চিনাকি দিব পাৰিছে যদিও ভাষাটোৰ জনপ্ৰিয়তাৰ পৰিসৰ সম্প্ৰসাৰণ আশানুৰূপ হোৱা নাই। সাধাৰণতে ভাষা এটাৰ প্ৰচাৰ-প্ৰসাৰ ঘটোৱাৰ দায়িত্ব ভাষাটো ব্যৱহাৰ কৰা লোকৰ ওপৰত ন্যস্তহৈ থাকে। পৰিসাংখিক তথ্য মতে অসমতেই অসমীয়া ভাষা-শুদ্ধকৈ কোৱা আৰু লিখিব পৰা লোকৰ সংখ্যা কমি অহাটো চিন্তনীয় বিষয়। অসমীয়া মানুহৰ চিন্তা-ভাৱনা, সভ্যতা-সংস্কৃতি অসমীয়া ভাষা-সাহিত্যই ধৰি ৰাখিছে। সেয়েহে ভাষাটোৰ সম্প্ৰসাৰণ আৰু জনপ্ৰিয়তা বৃদ্ধিৰ বাবে জনসাধাৰণ সচেতন হোৱাৰ উপৰিও চৰকাৰৰ সহযোগিতা, অসম সাহিত্য সভা, প্ৰকাশন পৰিষদ আদিৰ দৰে প্ৰতিষ্ঠানে অগ্ৰণী ভূমিকা ল'ব লাগিব। ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় ভাষালৈ অসমীয়া ভাষাত ৰচিত সাহিত্য সম্পদসমূহ অনুবাদ কৰাৰ প্ৰয়োজনীয়তা আহি পৰিছে। অসমীয়া ভাষাৰ অতীত ইতিহাস আৰু ভৱিষ্যতৰ স্থিতি সম্পৰ্কত অসমীয়া ভাষাৰ সৈতে অসমত বসবাস কৰা জনগোষ্ঠী সমূহৰ ভাষাৰ তুলনামূলক অধ্যয়ন আৰু গৱেষণাৰ প্ৰয়োজনীয়তা আছে। উত্তৰ পুৰুষে এই দায়িত্ব নিশ্চয় পালন কৰিব। অসমত বসবাস কৰা অসমীয়া তথা প্ৰবাসী অসমীয়া লোকে সকলে সদায় মনত ৰখা উচিত যে ধ্ৰুপদী ভাষাৰ মৰ্যাদা লাভকৰা অসমীয়া ভাষাক উপযুক্ত মান্যতা দিয়াত কৃপণালি নকৰে যাতে অসমীয়া ভাষিক মান্যতাৰ ত্বৰণে মন্থৰলৈ ৰূপান্তৰ নহয়।

ooooooooooooooooooooooooooo

# এৰাসুঁতি পাৰৰ কিছু স্মৃতি

## জীৱন চন্দ্ৰ দত্ত

আজি কেইবাবছৰো লক্ষীমপুৰ জিলা সাহিত্য সভাৰ মুখপত্ৰ "সোৱণশিৰি" নিয়মীয়াকৈ প্ৰকাশ পাই আহিছে। 'সোৱণশিৰি' নামটোৱে আমাক বহু কথাই সোঁৱৰাই তোলে। **১৯৫০** চনৰ **১৫** আগষ্টত হোৱা বৰভুঁইকপে পূৰ্বৰ নৈৰ গতি সম্পূৰ্ণ সলাই পেলালে। বৰ্তমান য'ত ৰাষ্ট্ৰীয় ঘাইপথৰ ওপৰত দলংখন আছে সেই ঠাইতে নদীৰ মাজত এটা কুঁৱা দেখিবলৈ পোৱা যায়। সেই কুঁৱাটো থকা ঠাইতে পথালিপাম এম.ই. স্কুলখন আছিল বুলি আমাৰ দেউতা আৰু শিক্ষাগুৰুসকলেও কোৱা শুনিছিলোঁ। সেইখন বিদ্যালয়কে তুলি আনি বৰ্তমান বগীনদী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ চৌহদতে বগীনদী এম.ই. স্কুল নাম দি **১৯৫১** চনত স্থাপন কৰে। কদম মৌজাৰ মৌজাদাৰ প্ৰয়াত হুকুম চাঁদ চায়েঙ্গীয়াই বিদ্যালয়খনৰ বাবে মাটি দান দিয়া বুলি জানো। পুৰণা নদীখন সম্পূৰ্ণৰূপে পোত গৈছিল। বানপানীয়ে সোৱণশিৰিৰ নামনি অংশত যথেষ্ট ক্ষয়-ক্ষতি কৰিছিল। ভূমিকম্পৰ **২৬** বছৰৰ পিছত মই এৰাসুঁতিৰ পাৰত স্থাপিত 'উজনি সোৱণশিৰি মিৰি হাইস্কুল' (বিলমুখ)ত **১৯৭৬** ৰ **১৯** আগষ্টত বিজ্ঞান-গণিতৰ শিক্ষক হিচাপে যোগদান কৰিছিলোঁ। **২০১৫** চনতে 'আমাৰ অসম'ৰ পাতত 'চাকৰি বিচৰা অভিজ্ঞতা' নামেৰে এটি প্ৰবন্ধ প্ৰকাশ হৈছিল। মোৰ চাকৰিৰ শেষৰ সময়ত প্ৰকাশ পোৱা লিখনিটোক পঢ়ুৱৈ সমাজে যথেষ্ট উৎসাহিত কৰিছিল। বহুতে মোক লিখিবলৈ অনুপ্ৰেৰণা দিছিল। এলাহতে লিখা নহ'ল। এতিয়া চাকৰিৰ অৱসৰৰ দহ বছৰৰ মানৰ পিছত সকলো কথা মনত পেলাব নোৱাৰা হৈছোঁ। 'মঙ্গলবোধ জাগৰণ কেন্দ্ৰ'ৰ সঞ্চালক ভাতৃ প্ৰতিম জিতেন বৰুৱাই খৰধৰকৈ সেই সোণোৱালী দিনবোৰৰ কথাকে দুশাৰীমান লিখিবলৈ কোৱাত হাতত কলম তুলি ল'লোঁ 'সোৱণশিৰি'ত প্ৰকাশ কৰিবলৈ।

উত্তৰ লক্ষীমপুৰ মহাবিদ্যালয়ৰ পৰা ডিগ্ৰী শিক্ষা সমাপ্ত কৰি ঘৰলৈ আহি দেউতাৰ অসুখীয়া অৱস্থাটো দেখি কিংকৰ্তব্যবিমূঢ়ত পৰিলোঁ। যিজন পিতৃয়ে মোক এমাহৰ আগতে আহোতে ঘৰৰ পৰা এবস্তা চাউল কান্ধত আনি বাচত তুলি দিছিল সেইজনক মই ঘৰলে আহি খোজকাঢ়িব, নোৱাৰা, মাত-বোল কৰিব নোৱাৰা, বহাতে বহি থকা দেখি অন্তৰ কঁপি উঠিল। যৎপৰোনাস্তি চিকিৎসা কৰি থাকোতে বি.এ.ছিৰ ফলাফল ওলাল। গণিতত অনাৰ্ছ লৈ পাছ কৰা নামটো দৈনিক জনমভূমি কাকতত দেখা পাই ভালো লাগিল। সেই সময়ত বিদ্যালয়সমূহত বিজ্ঞান শিক্ষকৰ বহুত অভাৱ আছিল। আজিকালি নিচিনাকৈ বি.টি.-বি.এড. ডিগ্ৰী লোৱাৰ কথাই নাছিল। তেতিয়া সোৱণশিৰি নদী পাৰ হৈ যোৱাৰ কথা ভাবিবই নোৱাৰো। সোণৱশিৰি দলংখন **১৯৬২-৬৩** চনতে নিৰ্মাণ কৰিলে যদিও মই দুবাৰমানহে বাছেৰে পাৰ হোৱা মনত আছে। চাকৰি বিচাৰি থাকোতে এদিন আমাৰ ঘৰত 'উজনি সোৱণশিৰি মিৰি উচ্চ মাধ্যমিক বিদ্যালয়'ৰ প্ৰধান শিক্ষকে মোলৈ

এখন ইংৰাজীতে চিঠি লিখি তেখেতৰ বিদ্যালয়লৈ যাবলৈ অনুৰোধ কৰি গ'ল। কথামতে উজনি সোৰণশিৰি উচ্চ মাধ্যমিক বিদ্যালয়লৈ সেই দিনা 'মা জেউতি' বাছেৰে গৈ বৰদৈবাম তিনিআলি পালোগৈ। বাছৰ পৰা নামোতে বিদ্যালয়ৰ কৰ্মচাৰী নন্দেশ্বৰ গগৈয়ে মোক বিদ্যালয়লৈ আগবঢ়াই নিবলৈ ধৰিলে। যাওঁতে সোঁফালে থকা সোৱণশিৰিৰ মৰা সুঁতিটো দেখুৱাই গৈছিল। সেইখনেই সোৰণশিৰি নদী আছিল। **১৯৫০** চনৰ বৰভূঁইকপে নদীখনৰ গতিপথ সলালে আৰু বৰ্তমান থকা ঠাইলৈ গতি কৰিলে। বিদ্যালয়তো প্ৰধান শিক্ষক প্ৰয়াত ভূৱন চন্দ্ৰ কামান ছাৰে মোলৈ অপেক্ষা কৰি আছিল। বিলমুখ এম.ই. স্কুলৰ চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী মতিকায়ে আমালৈ ভাতৰান্ধি থৈছিল। মই যোৱা লগেলগে উচ্চ মাধ্যমিক বিদ্যালয়ৰ চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী চলবাহাদুৰ তামাঙে মোক চেল্যুট দিছিল। জীৱনত প্ৰথম চেল্যুট লোৱা মুহূৰ্তটো মনৰ পৰা নাঁতৰে। বিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰীসকলৰ লগত কামান ছাৰে মোক চিনাকী কৰাই ভাত-পানী খাবলৈ এটা বৰ্ডিংঘৰলৈ আনিলে। খোৱা-বোৱাৰ অন্ততঃ ছাৰে কাৰ্যালয়ত মোক এখন নিযুক্তি পত্ৰ দিলে। আৰু শ্ৰেণী কোঠালৈ মোক লৈ গ'ল ছাত্ৰ-ছাত্ৰীসকলৰ লগত মোক চিনাকী কৰাই দিলে। ঘৰত দেউতাৰ অৱস্থা জানি ছাৰে সেইদিনা মোক ঘৰলৈ আহিবলৈ ক'লে আৰু কেইদিনমানৰ পিছত গ'লেও হ'ব বুলি কোৱাত মই পুনৰ ঘৰমুৱা হ'লোঁ। বৰদৈত 'মা জেউতি' বাছত উঠি সন্ধিয়া বগীনদীৰ ঘৰ পালোঁহি। জানি ভাল লাগে বৰ্তমান প্ৰয়াত ভূৱন চন্দ্ৰ কামান ছাৰৰ পুত্ৰ শ্ৰী প্ৰবীণ কামানে এইখন বিদ্যালয়ৰ অধ্যক্ষৰ দায়িত্ব পালন কৰি আছে। এওঁ মোৰে ছাত্ৰ আছিল।

আজিৰ পৰা প্ৰায় **৫০** বছৰৰ আগৰ ঠাইবোৰ কেনেকুৱা আছিল তাক বৰ্ণনা কৰিলে শুনিবলৈ ভাল নালাগে। অকল বিলমুখেই নহয় আমাৰ ৰাজ্যৰ প্ৰায়বোৰ বিদ্যালয়-মহাবিদ্যালয় কিছুসংখ্যক নিস্বাৰ্থ শিক্ষাপ্ৰেমীৰ বাবে সৃষ্টি হৈছিল। তেখেতসকলৰ অকৃত্ৰিম ভালপোৱা, অনগ্ৰসৰ অঞ্চলৰ মুক-মৌন জনতাক শিক্ষাৰ বাট দেখুৱাৰ কাৰণে নিজৰ জীৱনকো তুচ্ছ জ্ঞান কৰিছিল। বিলমুখত দেখা পাইছিলোঁ স্বৰ্গীয় ত্ৰৈলোক্য গগৈ ছাৰে ঘিলামৰাৰ পৰা খোজকাঢ়ি আহি বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীক ইংৰাজী বিষয়ত পাঠদান কৰিছিল, স্বৰ্গীয় যজ্ঞোৰাম চেতিয়াই আকৌ নিয়মীয়াকৈ ঢকুৱাখনাৰ ওচৰৰ ভগামুখৰ পৰা বাইচাইকেলেৰে অহা-যোৱা কৰিছিল। সেই সময়ত গোগামুখখনত কেইখনমান ব্যৱসায়িক প্ৰতিষ্ঠানহে গঢ়ি উঠিছিল, গোগামুখৰ পৰা ঢকুৱাখনালৈ সুদীৰ্ঘ পথচোৱা ঠেক আৰু কেঁচা ৰাস্তা আছিল। মই থকা জুপুৰিটোত চেতিয়াক মাজেসময়ে থাকিবলৈ অনুৰোধ কৰিছিলোঁ, কেতিয়াবা থাকে। তেতিয়া মই বৰ ভাল পাওঁ। মোৰ লগত থকা এডুত গাঁৱৰ ছাত্ৰ ধনাই পেগুৱে সদায় পোহৰতে ভাত ৰান্ধি শেষ কৰে। সন্ধিয়াৰ লগে লগে মহৰ উপদ্ৰৱ হয়। চাৰিওফালে হাবি জংঘলেৰে আগুৰা কাৰণে মহৰ উৎপাত বেছি। তেতিয়া বিলমুখত ইমান মহ আছিল যে বৰ্ডিঙত থকা ছাত্ৰসকলে আঁঠুৱাৰ তলত সোমাইহে পঢ়িব পাৰিছিল। মোক কেইবাজনো ছাত্ৰই কৈছিল - "ছাৰ আপুনি বেলেগ চাকৰি বিচাৰি যাওকগৈ, আমি গুচি গ'লে আপোনাক কোনে ৰখিব?" ঠাইখন বৰ নিৰ্জন, সন্ধিয়াৰ পিছত মানুহৰ মাত নুশুনি। চেতিয়া থাকিলে আবেলি বিলমুখ গাঁৱলৈ যাওঁ। তেতিয়া গাঁৱত চাহপানীৰ ব্যৱস্থা নাছিল বুলিলেই হয়। কিন্তু সন্ধিয়া কেতিয়াবা গ'লে গৃহস্থই সিজোৱা কুকুৰা কণীয়ে মোক আপ্যায়িত কৰিছিল আৰু চেতিয়াই বৰ তৃপ্তিৰে আপং (ছাঁই মদ) পিছিল। মিচিং সমাজত তেতিয়া আবেলি কোনোবা

আলহী গ'লে চাহ পানীৰ নিচিনাকৈ এবাতি ছাই আপঙে আপ্যায়িত কৰিছিল। মই আপং নাখাওঁ বুলি জানিলেও মোৰ ভাগতো আগবঢ়াই দিছিল আৰু চেতিয়াই দুয়ো বাতি খাইছিল। দেখা পাইছিলোঁ এবাতিৰ পিছত দ্বিতীয় বাতি ঘৰৰ কোনো ব্যক্তিয়ে খাবলৈ নিবিচাৰিছিল। সেই কাৰণে নিচা নহৈছিল আৰু হাই-কাজিয়াৰ কথাই নাছিল। অৱশ্যে মোৰ সুবিধা হোৱাকে হেডছাৰে ঢকুৱাখনা জালভাৰি গাঁৱৰ শ্ৰীযুত কমলা কান্ত দত্তক সহকাৰী শিক্ষক পদত নিযুক্তি দিছিল। তেখেতে পিছত জেংৰাইমুখ মহাবিদ্যালয়ৰ পৰা অধ্যক্ষ হিচাপে অৱসৰ গ্ৰহণ কৰে। পিছত কৃষ্ণগুৰু বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰি অৱসৰ লয়। তেখেতে বৰ্তমান ঢকুৱাখনা নগৰৰ নিবাসী।

সোৱণশিৰিয়ে এৰা সুঁতিটোৰ কাষেৰে বৰদৈবাম তিনিআলিটোৰ পৰা বিলমুখ, গা-ডাঙৰ চুক, পাতিচুক, কুম্বাং গাঁৱৰ মাজেৰে আলিমূৰ বেবেজীয়া-বাসুদেৱ থান দেৱালয় সংযোগী দীঘলীয়া এটা ঠেক ৰাস্তা। গাড়ী-মটৰ চলাচল নায়েই। বৰদৈৰ পৰা বিলমুখলৈ খোজকাঢ়িয়েই অহা-যোৱা কৰা হয়। যাওঁতে সোঁহাতে এৰাসুঁতি বিলমুখ, বাওঁহাতেৰে খেতি পথাৰৰ বহল ক্ষেত্ৰখন। ৰাস্তাৰ কাষত তৰাগছৰ জোপোহা, তাত বিভিন্ন প্ৰজাতিৰ অসংখ্য চৰাই, খেতি-পথাৰত চৰাই ৰখিবলগীয়া হয়। বৰদৈবাম, চুতীয়াকাৰী, ৰতোৱা আদি ঠাইতো বসতি ঘন। বৰদৈবামৰ মাজী গাঁৱত এখন আৰু বৰদৈবাম বাগানত আৰু এখন মাৰোৱাৰী দোকান দেখিছিলোঁ। বুঢ়া-মেথা অভিজ্ঞ ব্যক্তিসকলে মোক প্ৰায়েই মনৰ পৰা নোযোৱা সেই বিভীষিকাময় দিনটোৰ কথা কৈ চকুপানী টুকিছিল। কিমান যে আত্মীয় স্বজন হেৰুৱাবলগীয়া হৈছিল মনত পেলাই হুমুনিয়াহ কাঢ়িছিল। ভূমিকম্পৰ আগতে বৰদৈবামখন ব্যৱসায় বাণিজ্যৰ কেন্দ্ৰ আছিল। সোৱণশিৰিয়েদি জাহাজত বয়-বস্তু অনা নিয়া কৰিছিল। তেতিয়াও জাহাজৰ ভগ্নাংশবোৰ পৰি থকা বুলি জনাইছিল। বানপানীৰ পিছৰ পৰা পুনৰ সভ্যতা গঢ়িবলৈ আৰম্ভ কৰে। আমি সৰুৰে পৰা তাদাং, খলিহামাৰী, জেংৰাই, তাৰিয়নি, চৈধ্য মাইলত বসবাস কৰা মিছিং গাঁৱৰ মানুহখিনিৰ লগত পৰিচয় আছিল। কিন্তু বিলমুখলৈ গৈ বিলমুখ, গা-ডাঙৰ চুক আৰু মেদক গাঁৱৰ বাসিন্দাসকলৰ আতিথ্যত আপ্লুত হৈছিলোঁ। মেদক গাঁওখন এখন বৃহৎ গাঁও। মানুহবোৰ যৌথ ভাৱে থাকে। চাংঘৰবোৰ খেৰেৰে চোৱা। আমাৰ বিদ্যালয়খনো খেৰেৰে চোৱা আছিল। ওখ, আহল-বহল পকা মজিয়াৰ ঘৰটোত পাঠদান কৰি বৰ ভাল লাগিছিল। মোক ছাত্ৰসকলে কৈছিল - মেদক গাঁৱৰ একোটা দীঘলীয়া ঘৰৰ ভিতৰত চাইকেলো চলাই যাব পৰা হ'ব। পাছত গাঁওখন ফুৰোতে সেই বৃহৎ বৃহৎ চাংঘৰবোৰ দেখি তেওঁলোকৰ কথাবোৰত পতিয়ন গৈছিলোঁ। মাটিৰ ঘৰ নাছিলেই। মাত্ৰ প্ৰয়াত ঘন কামান আৰু আমাৰ ছাত্ৰী অনাতাঁৰ শিল্পী শ্ৰীমতী ৰীতাদেৱী মেদকহঁতৰ ঘৰটোহে মাটিৰ ঘৰ আছিল। অৱশ্যে প্ৰায় ঘৰতে ছাত্ৰ-ছাত্ৰীয়ে পঢ়িবৰ কাৰণে চৌহদত বৰ্ডিং টাইপৰ এটা সৰু মাটিৰ ঘৰ অভিভাৱকে বনাই দিছিল। মই দুই-এটা বৰ্ডিং ঘৰত ৰাতিও থাকি পাইছিলোঁ। ল'ৰাৰ সমানে ছাত্ৰীসকলৰো শিক্ষাৰ প্ৰতি ধাউতি আছিল। দূৰ-দূৰণিৰ বহু ছাত্ৰীয়ে এইখন বিদ্যালয়ত পঢ়িছিলহি। সেই সময়ত কুম্বাং গাঁৱৰ পৰা অহা ছোৱালীখিনিয়ে দুযোৰ সাজ ব্যৱহাৰ কৰিছিল। এযোৰ বোকা-পানীৰে আহিব লাগে কাৰণে বিদ্যালয়ৰ সমসাজযোৰ বান্ধি আনিছিল আৰু বিদ্যালয়ত সলাই তেওঁলোকে পাঠ গ্ৰহণ কৰিছিল। সেই ছাত্ৰ-ছাত্ৰীসকলৰ নাম মোৰ মনৰ পৰা এতিয়াও আঁতৰা নাই। বাংক্লেং, দক্ষিণ গাঁও, বৰদৈবাম, ম'হবল, চুতীয়াকাৰী আনকি আলিমূৰ

বাসুদেৱৰ ছাত্ৰয়ো এইখন বিদ্যালয়ত শিক্ষা লৈছিলহি। এইখন বিদ্যালয়তে মই চাকৰিৰ আদিচোৱাত প্ৰায় আঢ়ৈ বছৰ শিক্ষকতা কৰি মধুৰ স্মৃতি কঢ়িয়াই ফুৰিছোঁ।

এই বৃহৎ অঞ্চলটো শস্য-মৎস্য, গাখীৰ-কণীৰে ভৰপূৰ আছিল। আমি বাস কৰা বগীনদীতো মাছ-কাছই উভৈনদী আছিল। শিক্ষকতা কৰি থাকোতে ছাত্ৰসকলে মোক খোৱাৰ চাউল-পাতি যোগাৰ ধৰিছিল। মাছ-পুঠিও কেতিয়াবা বেপাৰীয়ে বিনা পইচাৰে দলিয়াই থৈ গৈছিল। সেই সময়ত শিক্ষকৰ দা-দৰমহা একেবাৰে কম কাৰণে তেওঁলোকে পইচাৰ কথা বৰকৈ চিন্তা নকৰিছিল। মাত্ৰ অঞ্চলটোৰ ছাত্ৰ-ছাত্ৰীক শিক্ষা দিয়াটোহে কামনা কৰিছিল। সৰুৰে পৰাই মই বগীনদী বজাৰত ডাঙৰ ডাঙৰ মাছ-কাছ দেখিছিলোঁ; কিন্তু উজানৰ সময়ত ইমান বৃহৎ কুঁঢ়িমাছ বিলমুখতহে দেখা পাইছিছিলোঁ। বৰদৈ, ম'হবলৰ মানুহখিনিয়ে উজান ধৰি ঘূৰি আহোতে মোক খাবলৈ দি যোৱা মাছ সঁচাই বিস্মৰণীয়। সংস্কৃতিৰ ক্ষেত্ৰতো বৃহৎ অঞ্চলটো আগবঢ়া আছিল। বিদ্যালয় সপ্তাহৰ সাংস্কৃতিক দিন দুটাত গাঁৱৰ মানুহ গোট খাইছিল। বিদ্যালয় গৃহতো মানুহে নধৰা হৈছিল। ছাত্ৰ-ছাত্ৰীয়ে নিজ নিজ প্ৰতিভাবোৰ দেখুৱাই সকলোকে আমোদ দিছিল। আমাৰ বগীনদীতো 'নটৰাজ থিয়েটাৰ' চাইছিলোঁ। দৰ্শকৰ ভিৰ হৈছিল কিন্তু এবাৰ গা-ডাঙৰ চুকত ভ্ৰাম্যমান থিয়েটাৰ এখনত মানুহ দেখি অবাক হৈছিলোঁ। তেতিয়া পৰাই সেই অঞ্চলটো সংস্কৃতিবান বুলি জানিছিলোঁ। মই থকা বৰ্ডিং ঘৰটো বিদ্যালয়ে বনাই দিয়া 'সেই জুপুৰীটো' বুলি এবাৰ এটা লেখা প্ৰকাশ কৰিছিলোঁ। ইকৰা বেৰ, লেপ নিদিয়া ঘৰটোত থাকো, দূৰলে নগ'লে দাং মাৰি যাওঁ। এবাৰ ঘৰলে আহোঁতে মোৰ জোতাযোৰ থৈ আহিছিলোঁ। চাৰিদিনমানৰ পিছত বিদ্যালয়লৈ ঘূৰি যাওঁতে এজন ম'হ গোৱালে মোক কৈছিল - ছাৰ, আপুনি জোতাজোৰ থৈ গৈছে, মই এইকেইদিন ম'হ ইয়াতে চৰাই আছো, এনেকৈ থৈ নাযাব। এনেকুৱা অন্তৰৰ মানুহ এতিয়া ক'ত পাম! কেতিয়াবা সেই অঞ্চলবোৰত হাই-কাজিয়াৰ কথা শুনিলে মোৰ এৰি অহা দিনবোৰলৈ মনত পৰে। তেতিয়াৰ সেই সহজ-সৰল মানুহবোৰৰ মুখ কেইখন মনত ভাহি উঠে। শান্ত স্বভাৱৰ লোভ-মোহ নথকা সাধাৰণৰ চহা জীৱনৰ মানুহবোৰে এখন সুখৰ পৃথিৱীত বাস কৰিছিল।

প্ৰায় চৈধ্য-পোন্ধৰ বছৰৰ মানৰ পিছত মই পুনৰ বিদ্যালয়সমূহৰ সহকাৰী পৰিদৰ্শক হৈ মোৰ মৰমৰ বিদ্যালয়খনলৈ **১৯৯২** চনত গৈছিলোঁ। কেইবাজনো মোৰে ছাত্ৰই সেই বিদ্যালয়ত শিক্ষকতা কৰিছেহি। দেখি ভাল পালোঁ। অঞ্চলটো যথেষ্ট আগবাঢ়িছে। আমাৰ বিদ্যালয়খনক গইনা লৈ বৃহত্তৰ অঞ্চলটোত কেইবাখনো উচ্চ মাধ্যমিক বিদ্যালয় গঢ়ি উঠিছে। এখন মহাবিদ্যালয়ো স্থাপন হোৱা দেখা পালোঁ। আমাৰ শিক্ষকতা কালৰ যিকেইজন ছাত্ৰ-ছাত্ৰীয়ে উচ্চ শিক্ষাৰে শিক্ষিত হৈছিল প্ৰায়সকলেই অসম চৰকাৰৰ চাকৰি কৰিছে। এতিয়া চাগে বহুতে অৱসৰ লৈছে। মই মোৰ পৰিবাৰ আৰু দুই সন্তানক লগত লৈ বাসুদেৱ থানলৈ দৰ্শন কৰিবলৈ যাওঁতে বিদ্যালয়ৰ সন্মুখত গাড়ী ৰখাই তেওঁলোকক বিদ্যালয়খন দেখুৱাইছোঁ। তেওঁলোকেও বৰ ভাল পায়। কথাবোৰ শুনিলে সাধু সাধু যেন পায়। কিন্তু সঁচা কথাবোৰ দ্বিতীয় প্ৰজন্মৰ কাৰণে ইতিহাসো হয়। সঁচাই অতীত ৰোমন্থন কৰিও ভাল লাগে।

*(লেখক অৱসৰপ্ৰাপ্ত জিলা শিক্ষা বিষয়া, লখিমপুৰ, ফোন ঃ ৯৪৩৫১৮১৫৭৫)*

# অসমৰ কেইটামান লোকনৃত্যৰ চমু আভাস

**মণি কোঁৱৰ**

নৃত্য হ'ল মানৱ মনৰ নান্দনিক প্ৰকাশ। লোকনৃত্য কোনো জাতি বা গোষ্ঠী বা অঞ্চলৰ সৰ্বসাধাৰণ নৃত্য। এই নৃত্য লোকমনৰ সৃষ্টি। অসম বিভিন্ন জাতি-উপজাতিৰ সংমিশ্ৰণত গঢ় লৈ উঠা জাতি বিশেষ। অসমত বসবাস কৰি থকা সকলো গোষ্ঠী বা জাতি বিশেষ। অসমত বসবাস কৰি থকা সকলো গোষ্ঠী বা জনগোষ্ঠীৰে নিজা নিজা লোক নৃত্য আছে। প্ৰত্যেক গোষ্ঠীয়েই নিজা নিজা নৃত্যক লৈ গৌৰৱ কৰাৰ সমল বিচাৰি পায়। অসমক লোকনৃত্যৰ যাদুঘৰ হিচাপে গণ্য কৰা হয়।

বিহুক অসমৰ জাতীয় উৎসৱ হিচাবে স্বীকৃতি দিয়াৰ বাবে এই বিহুৰ লগত জড়িত নাচ কেইটিকেই অসমৰ প্ৰধান লোকনৃত্য বুলি কোৱা হয়। বিহুনাচ অসমৰ সাধাৰণ শ্ৰেণীৰ লোকৰ বাহিৰেও বিভিন্ন জনগোষ্ঠী মিচিং, দেউৰী, সোনোৱাল কছাৰী, মৰাণ, তিৱা, ডিমাচা, বড়ো আদি প্ৰায়বোৰ গোষ্ঠীয়ে বিহুনাচ অথবা এই নাচৰ আৰ্হিৰ নাচ নাচে। অৱশ্যে গোষ্ঠীভেদে এই নাচ নচাৰ ৰীতি আৰু ইয়াৰ সময় ভিন ভিন হ'ব পাৰে।

**অসমীয়া লোকনৃত্য বিহু ঃ**

বিহু অসমৰ বাপতি সাহোন। বিহুনাচ বসন্ত উৎসৱৰ নাচ। ব'হাগ বিহুত এই নাচ নচা হয়। এই নাচ ডেকা আৰু গাভৰুৱে পৃথকে পৃথকে অথবা ডেকা, গাভৰু, চেমনীয়া, বুঢ়া-মেথা আদিয়ে মুঠ বান্ধি নাচে। বসন্তৰ আগমনে মনলৈ যি আশাৰ বতৰা আনে, প্ৰাণত যি স্পন্দন তোলে, শৰীৰত যি উন্মাদনাৰ সৃষ্টি কৰে বিহুনাচৰ মাজেদি তাৰেই প্ৰতিফলন ঘটে। হুচৰি আৰু বিহুনাচৰ সুৰত এই বিহু নাচ হয়। গতিকে বিহুনাচক প্ৰধানভাৱে দুটা ভাগত ভাগ কৰিব পৰা যায় - হুচৰি নাচ আৰু বিহুনামৰ নাচ। হুচৰি নাচত সাধাৰণতে প্ৰকৃতিয়ে আনি দিয়া উন্মাদনাৰ প্ৰকাশ ঘটে। যেনে -

হুচৰি এ চ'ত আমি বিহুমাৰো য'ত
দূৰৰি নগজে ত'ত।

হুচৰিত অৱশ্যে ধৰ্মীয় গীত-পদ আদি গোৱাৰ ৰীতিও আছে। বিহু নামৰ নাচৰ তুলনাত হুচৰিৰ নাচ কিছু সংযত। হুচৰি নাচৰ পিছত বিহুনামৰ নাচ নচা হয়। এই বিহু নামবোৰ বসন্তৰ উল্লাস, যৌৱনৰ উন্মাদনা, প্ৰণয়ৰ আবেগ, ভৱিষ্যতৰ সপোন আদিৰ বৰ্ণনাৰে ভৰপূৰ। গতিকে এই অংশৰ নাচ অধিক মুক্ত আৰু যৌৱন মতলীয়া। প্ৰকৃতিৰ অনুকৰণ আৰু যৌৱন চঞ্চল দেহ-ভঙ্গিমাৰে এই নাচ নচা হয়। কঁকালৰ ঘূৰণ, বিভিন্ন প্ৰকাৰৰ বুলন, বুকু আৰু তপিনাৰ প্ৰক্ষেপণ, উলাহ, হালি জাপ আদি এই নাচৰ লক্ষণ। ঢোল, পেঁপা, গগনা, টকা, তাল, সুতুলী আদিৰ চেৱে চেৱে এই নাচ নচাৰ নিয়ম। স্ত্ৰী আৰু পুৰুষ ভেদে নচাৰ ৰীতি পৃথক পৃথক।

**মিচিংসকলৰ লোকনৃত্য ঃ**

অসমৰ লোকনৃত্যলৈ মিচিংসকলৰ বিশেষ অৱদান আছে। মিচিংসকলৰ তিনিটা প্ৰধান উৎসৱ আছে, য'ত নৃত্য-গীতৰ বিশেষ প্ৰয়োগ হয়। সেই

কেইটা হ'ল - **১)** আলি-আই-লিগাং, **২)** পঃৰাগ বা নৰাচিগা বিহু, **৩)** ব'হাগ বিহু।

আলি-আই-লিগাং মিচিংসকলৰ প্ৰধান জাতীয় উৎসৱ। এই উৎসৱ কৃষি উৎসৱ হিচাবে পালন কৰা হয়। শস্যৰ বীজ ৰোপণৰ আৰম্ভণি দিনা এই উৎসৱ পতা হয়। বীজ ৰোপণৰ পিছতে ডেকা-গাভৰুহঁতে নাচ আৰম্ভ কৰে। এই নাচটোক গুমৰাগ নাচ বুলি কোৱা হয়। এই নাচৰ লগত গোৱা গীতক ঐনিতম্ বোলা হয়। এই ঐনিতমবোৰ বৰ মধুৰ। যৌৱনৰ উন্মাদনা, প্ৰেম, বিৰহ, কৰুণা, কামনা-বাসনা আদি এই ঐনিতমবোৰৰ মাজেদি প্ৰকাশিত হয়। গুমৰাগ নাচ কৃষিভিত্তিক হোৱাৰ বাবে এই নাচত কৃষি আৰু জনজীৱনৰ প্ৰায় সকলো কাৰ্য নৃত্যৰ ভঙ্গীমাৰে প্ৰকাশ কৰা হয়। ঢোলৰ চেৰে চেৰে কোম মৰা, গুটি সিঁচা, ভুঁই ৰোৱা, ধান কটা, ডাঙৰী অনা, ধান বনা, কাপোৰ ধোৱা, গা ধোৱা, প্ৰসাধন কৰা আদি কাৰ্য প্ৰদশন কৰা হয়। গুমৰাগ নাচ বৃত্তাকাৰে নচা হয়। নাচৰ লগত ঢোল, তাল, বৰকাঁহ, মাৰবং (পুৰণি কালৰ বাদ্য) আদি বজোৱা হয়। গুমৰাগ নাচৰ ঢোলৰ চেৰ অন্য নাচৰ ঢোলৰ চেৰতকৈ কিছু পৃথক।

পঃৰাগ উৎসৱত বিশেষ নাচ নাই। উৎসৱলৈ অহা আলহীক গুমৰাগ নাচেৰে আদৰি অনা হয়।

অসমত বসবাস কৰা অন্য লোকৰ দৰে মিচিংসকলেও ব'হাগ বিহু পাতে আৰু এই বিহুত হুচৰি গাই বিহু নাচ নাচে। এই হুচৰি এজনে লগাই দিয়ে আৰু বাকীসকলে হাতত ধৰাধৰি কৰি এবাৰ আগলৈ আৰু এবাৰ পিছলৈ গৈ বৃত্তাকাৰে নাচে। মিচিং বিহুনাচৰ গতি চঞ্চল নহয়। ইয়াত ভৰিৰ গতি বৰ মিহি। এই নাচৰ লাস্যভাৱৰ প্ৰয়োগ অধিক প্ৰকট। পেঁপা, গগনা, টকা, ঢোল আদি মিচিং বিহুনাচৰ প্ৰধান বাদ্য।

**সোনোৱাল কছাৰীসকলৰ লোকনৃত্য ঃ**

বিহুনাচেই সোনোৱাল কছাৰীসকলৰ লোকনৃত্য। এই সকলৰ বিহুনাচৰ কিছু নিজা বৈশিষ্ট আছে। সোনোৱাল কছাৰীসকলৰ হুঁচৰিত মহিলাৰ স্থান নাই। এওঁলোকৰ হুঁচৰিত টকা অপৰিহাৰ্য। সোনোৱাল কছাৰীসকলে নৰাচিগা বিহুও পাতে।

**দেউৰীসকলৰ লোক নৃত্য ঃ**

দেউৰীসকলৰ প্ৰধান লোকনৃত্য বিহু আৰু দেওধনী নাচ। দেউৰীসকলে বিহু সাতদিনীয়াকৈ পালন কৰে। তেওঁলোকে প্ৰথম থানত পূজা-পাতল দিহে বিহু নাচ নাচে। দেউৰীসকলৰ বিহুনাচ স্বকীয় বৈশিষ্টপূৰ্ণ। ঢোল, টকা, পেঁপা, তাল আদি লৈ বিহুনাচ নচা হয়।

দেওধনি নাচ বিহুৰ পূজাৰ লগত জড়িত। জক উঠা বা দেৱতাই ভড় কৰা এই নাচৰ লক্ষণ। পুৰুষ-স্ত্ৰী উভয়ে এই নাচ নাচে।

**তিৱাসকলৰ লোকনৃত্য ঃ**

বিহুনাচ আৰু বৰত পূজাৰ নাচ তিৱাসকলৰ প্ৰধান লোক নৃত্য। তিৱাসকলৰ বিহুনাচ অজনজাতীয় লোকসকলে নচা বিহু নাচৰ দৰে প্ৰায় একেই।

বৰত নাচ তিৱাসকলে বৰত পূজাৰ উপলক্ষে কৰা নাচ। পুৰুষ-স্ত্ৰী উভয়েই এই নাচত অংশ গ্ৰহণ কৰে। এই নাচত জীৱ-জন্তুৰ মুখা ব্যৱহাৰ কৰাৰ ৰীতি আছে। বৰত নাচৰ লগত বেউলা-লক্ষীন্দৰ আৰু ঊষা-অনিৰুদ্ধৰ কাহিনী ৰূপায়নৰ ব্যৱস্থা আছে।

একেদৰে 'লাঙখুন পূজা' তিৱাসকলৰ আন এটি উৎসৱ। ইয়াত পুৰুষ-মহিলাই হাতত বিচিত্ৰভাৱে সজ্জিত বাঁহ লৈ নৃত্য কৰাৰ নিয়ম।

তিৱাসকলে নাচত ব্যৱহাৰ কৰা বাদ্য হ'ল - মিন্দাই খাম (ঢোল), পাংচিং (বাঁহী), খোৰাং, ডগৰা আদি।

**ডিমাচাসকলৰ লোক নৃত্য ঃ**

বিহু আৰু পাথ্‌ৰি ডিমাচাসকলৰ প্ৰধান

লোকনৃত্য। বিহু উৎসৱক ডিমাচাসকলে 'বিচু' উৎসৱ বুলি কয়। গতিকে বিহু নাচটো ডিমাচাসকলৰ মাজত বিচুনাচ নামেৰে জনাজাত। ডিমাচাসকলৰ এই বিচু নাচটো অজনজাতীয়সকলৰ বিহুনাচতকৈ কিছু পৃথক। পুৰুষ আৰু স্ত্ৰী উভয়ে এই নাচটো বৃত্তাকাৰ হৈ নাচে।

পাথৰি নাচ দেওধনি নাচৰ আৰ্হিৰ। গাত দেও লম্ভা এই নাচৰ বিশেষ লক্ষণ। খ্ৰাম (ঢোল), মুৰি (এবিধ দীঘল বাঁহী) আৰু চুফিন্ ডিমাচাসকলৰ প্ৰধান বাদ্য যন্ত্ৰ।

**বড়োসকলৰ লোক নৃত্য ঃ**

লোকনৃত্যৰ ক্ষেত্ৰত বড়োসকলেই বোধ হয় আটাইতকৈ চহকী। বিভিন্ন উৎসৱ উপলক্ষে বড়োসকলে বিভিন্ন প্ৰকাৰৰ লোক নৃত্য প্ৰয়োগ কৰাৰ ৰীতি আছে। সেইবোৰৰ ভিতৰত খেৰাই পূজাৰ নাচ, বৈশাখু নাচ, হাৰা জানাই নাচ আৰু বাগৰুম্বা নাচ উল্লেখনীয়।

খেৰাই পূজা বড়োসকলৰ গুৰুত্বপূৰ্ণ পূজা। এই পূজাত ৰণ নাচ আৰু দৌদিনী অথবা দেওধনি নাচ নামৰ দুবিধ নাচৰ প্ৰয়োগ হয়। ইয়াৰ বাহিৰে দেওধনিয়ে বিভিন্ন দেৱতাৰ সন্তুষ্টিৰ বাবে ভিন ভিন ভঙ্গীৰে নাচ কৰে। গাত দেৱতা লম্ভি সৰ্বশৰীৰত কঁপনি উঠা এই নাচৰ অন্যতম বৈশিষ্ট্য। এই নাচত গীত-পদৰ প্ৰয়োগ নহয়।

বৈশাখু নাচ বসন্ত কালত নতুন বছৰৰ আৰম্ভণিতে প্ৰাকৃতিক সৌন্দৰ্য বৰ্ণনা কৰি এই নাচ নচা হয়।

হাৰাজানায় নাচ নৱ বিবাহিতা কন্যাক সান্ত্বনা দিবৰ কাৰণে অথবা দৰাৰ লগত ধেমালি কৰিবৰ কাৰণে এই নাচ নচা হয়। এক বিশেষ প্ৰকাৰৰ গীতৰ আধাৰত লাস্যপূৰ্ণভাৱে এই নাচ নাচে।

বাগৰুম্বা এক নাৰী কেন্দ্ৰিক নাচ। বসন্তই কঢ়িয়াই অনা মাদকতাত মত্ত হৈ পখিলাৰ দৰে উলাহেৰে জঁপিয়াই নচাটোৱেই এই নাচৰ বৈশিষ্ট। ফুলাম দখনা আৰু আলোৱান পৰিধান কৰি দুয়োখন হাত সম্পূৰ্ণ মেলি মেলি নচাটো এই নাচৰ ৰীতি। উলাহ আৰু হালি এই নাচৰ লক্ষণ। দলীয়ভাৱে আৰু বৃত্তাকাৰে এই নাচ নচা হয়। এই নাচ সম্পূৰ্ণ লাস্যধৰ্মী। খাম (দীঘল ঢোল), চিফুং (বাঁহী), ওৱা খোৱাং (টকা), ৰিঙি (বীণ) জথা চেৰজা আদি এই লোকনৃত্যত প্ৰয়োগ কৰা বাদ্য-যন্ত্ৰ।

**কাৰ্বিসকলৰ লোকনৃত্য ঃ**

কাৰ্বিসকলৰ প্ৰধান লোকনৃত্য হ'ল - চোমাংকান। এই নৃত্য মৃতকৰ শ্ৰাদ্ধ উপলক্ষে পালন কৰা হয়। এই নৃত্যত ডেকা-গাভৰু উভয়ে পৰম্পৰাগত পোছাক পিন্ধি বৃত্তাকাৰে ঘূৰি ঘূৰি নাচে। ছেং (ঢোল), মুৰি (পেঁপা), পংছি (বাঁহী). কুম (বেহেলা) ক্ৰংচুই (গগনা) আদি কাৰ্বিসকলৰ লোকবাদ্য।

**ৰাভাসকলৰ লোকনৃত্য ঃ**

ৰাভাসকলৰ প্ৰধান লোকনৃত্য হ'ল ফাৰকান্তি। এই নাচ মৃতকৰ শ্ৰাদ্ধৰ লগত জড়িত। এই নাচত ডেকা-গাভৰু উভয়ে অংশ গ্ৰহণ কৰে। তেওঁলোকে হাতত ঢাল আৰু তৰোৱাল লৈ এই নৃত্য প্ৰদৰ্শন কৰে। এই নৃত্যৰ মাজেদি বীৰ ৰসৰ প্ৰকাশ কৰাৰ চেষ্টা কৰা হয়। নৃত্যৰ লগত সঙ্গত কৰা বাদ্য-যন্ত্ৰ হ'ল - কানটুকুৰী নামৰ এবিধ সৰু তাল, খাম, কাঁহ, শিঙা, বাঁহী আদি।

# বৃত্তিমুখী শিক্ষা আৰু কৰ্ম সংস্থাপন

**হেমন্ত শইকীয়া**

সভ্যতা নিৰ্মাণৰ অন্যতম উপাদান তথা মৌলিক অধিকাৰ হ'ল শিক্ষা। এখন দেশত চৰকাৰী শিক্ষা ব্যৱস্থাত শিক্ষা খণ্ডত বৃহৎ পৰিমানৰ মূলধন বিনিয়োগ কৰে যাৰ জৰিয়তে মানৱ সম্পদ উৎপাদন কৰা হয়। এই উৎপাদন অনাগত ভৱিষ্যৎ বিশ্বখনৰ বাবে নৱ সম্পদৰূপে চিহ্নিত হয়। যিয়ে দেশ এখনৰ অৰ্থনৈতিক, সামাজিক আৰু বৌদ্ধিক দিশত আমূল পৰিৱৰ্তন আনিব পাৰে। সময় পৰিৱৰ্তন আৰু তথ্য প্ৰযুক্তিৰ উত্তৰণে পৰম্পৰাগত শিক্ষা ব্যৱস্থাৰ পৰিৱৰ্তন অৱশ্যাম্ভৱী। ২০২০ চনত প্ৰকাশিত ভাৰত চৰকাৰৰ ৰাষ্ট্ৰীয় শিক্ষানীতিৰ উপযুক্ত ব্যৱহাৰে ভাৰতৰ শিক্ষা ব্যৱস্থাত আমূল পৰিৱৰ্তন আনিব বুলি আমি আশাবাদী। আলোচ্য বিষয় বৃত্তিমুখী শিক্ষাৰ ক্ষেত্ৰত ভাৰত চৰকাৰৰ মানৱ সম্পদ উন্নয়ন মন্ত্ৰালয়ে ২০২০ চনৰ শিক্ষানীতি অনুযায়ী বৃত্তিমূলক শিক্ষাৰ পুনৰ কল্পনা কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। দ্বাদশ পঞ্চবাৰ্ষিক পৰিকল্পনা (২০১২-২০১৭) অনুসৰি ১৯-২৪ বছৰ বয়সৰ খুব কম সংখ্যক মানে ৫ শতাংশ তকৈ কম ছাত্ৰ-ছাত্ৰীয়ে বৃত্তিমূলক শিক্ষা লাভ কৰিছিল। আনহাতে আমেৰিকাৰ দৰে দেশত এই সংখ্যা ৫২ শতাংশ, জাৰ্মানীত ৭৫ শতাংশ, আৰু দক্ষিণ কোৰিয়াত ই ৯৬ শতাংশ পৰ্যন্ত। এই সংখ্যাই ভাৰতত বৃত্তিমূলক শিক্ষাৰ প্ৰসাৰৰ ক্ষিপ্ৰতাৰে কৰাৰ প্ৰয়োজনীয়তাৰ আৱশ্যকতাহে আঙুলিয়াই দিয়ে। ৰাষ্ট্ৰীয় শিক্ষানীতিয়ে এই কথাও সজোৰে উপস্থাপন কৰে - আগন্তুক দশকত পৰ্যায়ক্ৰমে সকলো বিদ্যালয় আৰু উচ্চ শিক্ষানুষ্ঠানত বৃত্তিমূলক শিক্ষা একত্ৰিত কৰিব। দক্ষতাৰ ব্যৱধান বিশ্লেষণ আৰু স্থানীয় সুযোগৰ মেপিঙৰ ভিত্তিত বৃত্তিমূলক শিক্ষাৰ বাবে কেন্দ্ৰীয় ক্ষেত্ৰসমূহ বাছনি কৰিব। এই প্ৰচেষ্টা চোৱাচিতা কৰিবলৈ MHRD এ বৃত্তিমূলক শিক্ষা সংহতিৰ বাবে এখন ৰাষ্ট্ৰীয় সমিতি (NCIVE) গঠন কৰাৰ পোষকতা কৰে, য'ত বৃত্তিমূলক শিক্ষাৰ বিশেষজ্ঞ আৰু উদ্যোগৰ সহযোগত সমগ্ৰ মন্ত্ৰণালয়ৰ প্ৰতিনিধি হিচাপে থাকিব। বিশ্বৰ শৈক্ষিক বাতাবৰণ চাই নিয়োগৰ সমস্যাৰ প্ৰতি লক্ষ্য কৰি ইতিবাচক চিন্তাৰে - সাম্প্ৰতিক সময়ত বৃত্তিমুখী শিক্ষা গ্ৰহণ অতি প্ৰয়োজনীয় বিষয় হৈ পৰিছে। ভাৰতবৰ্ষ স্বাধীন হোৱা ৭৯ বছৰ অতীত হ'ল। আমি ৰাজনৈতিকভাৱে স্বাধীন ভাৰতৰ নাগৰিক হ'লেও কৰ্ম সংস্কৃতিৰ দিশত আমি প্ৰতিয়মান হ'ব পৰাকৈ পাৰ্গত হোৱা নাই। সেয়েহে এতিয়াও বহু সামগ্ৰী উৎপাদনৰ ক্ষেত্ৰত পৰাধীন। ভাৰতৰ প্ৰেক্ষাপটত কোনো এখন ৰাজ্য বৃত্তিমুখী শিক্ষা বিকাশৰ বাবে কিছুমান আঁচনি গ্ৰহণ কৰিছে। আত্মনিৰ্ভৰশীল ভাৰত অভিযানৰ জৰিয়তে দেশৰ প্ৰজন্মক স্বনিয়োজনৰ বাবে উৎসাহিত কৰিবলৈ প্ৰযত্ন কৰিছে। ভাৰতত বৃত্তিমুখী শিক্ষা লওঁতাসকলৰ বাবে নিৰ্দিষ্ট ব্যৱসায় আৰু বৃত্তিৰ বাবে ব্যৱহাৰিক দক্ষতা আৰু জ্ঞান অন্বেষণৰ এক স্বৰ্ণিল পথ। বৃত্তিমুখী শিক্ষাই শিক্ষা আৰু কৰ্মশক্তিৰ মাজৰ ব্যৱধান দূৰ কৰে। ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠান, পলিটেকনিক আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়সমূহত বৃত্তিমুখী পাঠ্যক্ৰমৰ জৰিয়তে শিক্ষা প্ৰদান কৰা হৈছে। অৱশ্যে বৰ্তমান বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয় বিশেষত বৃত্তিমুখী বিষয় সংযোজিত হৈছে। আমাৰ নিচেই ওচৰৰ মাধৱদেৱ বিশ্ববিদ্যালয়তো কিছুমান নিৰ্দিষ্ট বিভাগত

বৃত্তিমুখী শিক্ষাৰ ব্যৱস্থা ৰূপায়ণ কৰিছে।

আমাৰ মাটিৰ সীমাতে প্ৰতিষ্ঠিত নাৰায়ণপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বিগত শতিকাৰ শেষ দশকত বৃত্তিমুখী শিক্ষাৰ পাঠ্যক্ৰমৰ এটি শাখা আৰম্ভ হৈছিল। বৰ্তমান এই বিদ্যালয়ত বৈদ্যুতিক ৰক্ষণাবেক্ষণ আভিযান্ত্ৰিক শিক্ষা, মাছ পালন, তথ্য প্ৰযুক্তি, পৰ্যটন আৰু আতিথ্য আদি বৃত্তিমুখী শিক্ষা গ্ৰহণৰ সুবিধা আছে। কিন্তু অভিভাৱক, সন্তান-সন্ততি আৰু সমাজৰ এচামৰ মাজত বৃত্তিমুখী শিক্ষাৰ প্ৰতি থকা অনীহাই ছাত্ৰ-ছাত্ৰীক এই শিক্ষাৰ ক্ষেত্ৰত নামভৰ্তি কৰাত অন্তৰায় সৃষ্টি কৰা যেন অনুমান হয়। বৃত্তিমুখী শিক্ষাই স্বাৱলম্বী হ'বলৈ জ্ঞান প্ৰদান কৰে। পৰম্পৰাগত অসমীয়া সমাজখনত চৰকাৰী চাকৰিৰ প্ৰতি এটা দুৰ্বলতা এচামৰ তেজত আছে। বিগত সময়ত চৰকাৰী চাকৰিৰ সেৱাবিধিৰ জৰিয়তে পোৱা সুবিধাসমূহৰ স্বাদ সমাজে এতিয়াও পাহৰিব পৰা নাই। চৰকাৰী চাকৰিৰ তিনি উত্তৰসুৰীলৈ লাভ কৰা সুবিধাৰ বিপৰীতে বৃত্তিমুখী শিক্ষাৰ কৰ্ম-সংস্কৃতি প্ৰসাৰতাত বাধা আহি পৰিছে। চৰকাৰী পুৰণি চাকৰিয়ালসকলৰ পেঞ্চন, মূল পেঞ্চনাৰৰ অবৰ্তমানত সহধৰ্মিনীয়ে পায়। সহধৰ্মীনীৰ অবৰ্তমানত অবিবাহিত জীয়ৰীয়ে লাভ কৰে। বৰ্তমান এই সেৱা চৰকাৰী চাকৰি পোৱা ক্ষেত্ৰখন পৰিৱৰ্তনমুখী হোৱাৰ বাবে ব্যক্তিগত পৰ্যায়ত উপাৰ্জন কৰাৰ এটি নব্য ঢৌৱে ক্ৰিয়া নকৰাকৈ থকা নাই। দিনক দিনে বৃদ্ধি পোৱা নিবনুৱা সমস্যাৰ প্ৰতি লক্ষ্য ৰাখি ছাত্ৰ-ছাত্ৰীসকলক বৃত্তিমুখী শিক্ষাৰ প্ৰতি আকৰ্ষিত কৰাৰ সময় সমাগত। আমি নিজেও বৃত্তিমুখী শিক্ষা গ্ৰহণ কৰি নিবনুৱা হৈ থকাৰ দিনত হাতৰ কামৰ জৰিয়তে অৰ্থনৈতিকভাৱে স্বাৱলম্বী হ'বলৈ প্ৰয়াস কৰিছিলোঁ। কামত সৰু বৰ নাই। নৈতিক দায়িত্ববোধেৰে কৰ্মক্ষেত্ৰত আগবাঢ়ি যাব পৰাটো এটা কলা। মানুহক ব্যৱহাৰিক দক্ষতাৰ ওপৰত গুৰুত্ব প্ৰদানে ব্যক্তি বিশেষক কৰ্মশক্তিত প্ৰত্যক্ষ প্ৰৱেশৰ বাবে প্ৰস্তুত কৰে। বৈচিত্ৰ্যময় পাঠ্যক্ৰমৰ প্ৰয়োজনীয়তা সাম্প্ৰতিক শিক্ষা ব্যৱস্থাত গুৰুত্বপূৰ্ণ ভূমিকা আছে। বিশেষকৈ তথ্য প্ৰযুক্তি, স্বাস্থ্য সেৱা, আতিথ্য, কৃষি আৰু অন্যান্য বৃত্তিমূলক পাঠ্যক্ৰমৰ লগত সাধাৰণ শিক্ষাৰ সৈতে একত্ৰীকৰণৰ কথা পূৰ্বে উল্লেখ কৰিছোঁ। ভাৰতৰ শিক্ষা মন্ত্ৰণালয়ৰ তথ্য অনুসৰি ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০-এ সাধাৰণ শিক্ষাৰ সৈতে বৃত্তিমুখী শিক্ষাৰ একত্ৰীকৰণক প্ৰসাৰিত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। ইয়াৰ আন এটা মূল লক্ষ্য হৈছে বৃত্তিমুখী প্ৰশিক্ষণক মূল সুঁতিলৈ অনা আৰু বৃত্তিমুখী শিক্ষাৰ ক্ষেত্ৰত চৰকাৰী ব্যৱস্থাত থকা আসোঁৱাহসমূহ দূৰ কৰা। সমগ্ৰ শিক্ষা অভিযান, ৰাষ্ট্ৰীয় দক্ষতা উন্নয়ন নিগমৰ দৰে কেবাখনো চৰকাৰী আঁচনিৰ পদক্ষেপে সমগ্ৰ দেশত প্ৰয়োগ আৰু ইয়াৰ প্ৰসাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰে। বৃত্তিমুখী শিক্ষা অবিহনে অনাগত দিনত নৱপ্ৰজন্মই অৰ্থনৈতিক বুনিয়াদ ৰচনা কৰা সম্ভৱ নহ'ব। দক্ষ কৰ্মশক্তি গঢ়ি তোলা, ভাৰতীয় অৰ্থনীতি বিকাশত অৰিহণা যোগোৱা অসংগঠিত খণ্ডৰ, প্ৰয়োজনীয়তাসমূহ পূৰ্ণ কৰাত বৃত্তিমুখী শিক্ষাইহে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব সেইটো নিশ্চিত। বৃত্তিমুখী পাঠ্যক্ৰমৰ আধাৰত প্ৰশিক্ষিত কৰ্মশক্তিৰ অধিকাৰী দক্ষতাসম্পন্ন লোকৰ বিপৰীতে উদ্যোগসমূহে দাবী কৰা দক্ষতাৰ মাজৰ ব্যৱধান দূৰ নহ'লে উপযুক্ত নিয়োগ সম্ভৱ নহয়। ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠানাসমূহে ইক্‌ট্ৰিচিয়ান, ফিটাৰ, মেকানিক আদি বিভিন্ন ব্যৱসায়ৰ ব্যৱহাৰিক প্ৰশিক্ষণ প্ৰদান কৰে। অন্যহাতে পলিটেকনিক, আভিযান্ত্ৰিক আৰু প্ৰযুক্তি প্ৰশিক্ষণ প্ৰতিষ্ঠানসমূহে যিহেতু ডিপ্ল'মা পাঠ্যক্ৰমৰ আধাৰত ডিপ্ল'মা প্ৰগ্ৰেম প্ৰদান কৰে। কাৰিকৰী ভূমিকাৰ বাবে বিশেষ দক্ষতা প্ৰদান কৰে। চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়সমূহত যোৱা শতিকাত বৃত্তিমূলক বিষয়সমূহ পাঠ্যক্ৰমত সংযুক্ত কৰে। গতিকে ছাত্ৰ-ছাত্ৰীয়ে কেৰিয়াৰ বিকল্পসমূহ উচ্চশিক্ষাৰ আৰম্ভণিতে অন্বেষণ

কৰিব পাৰে।

একবিংশ শতিকাৰ প্ৰথম দুটা দশকত বৃত্তিমূলক বিষয়সমূহৰ ওপৰত যিমান চৰ্চা চলিব লাগিছিল অসমত ইমান গুৰুত্বসহকাৰে লোৱা দেখা নগ'ল। যিমান কেইখন উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ভকেচনেল বিষয়ৰ পাঠ্যক্ৰম ব্যৱস্থা আছে সেই অনুপাতে ছাত্ৰ-ছাত্ৰীৰ সংখ্যা তেনেই নগণ্য। ব্যক্তিগত বৃত্তিমুখী প্ৰশিক্ষণ কেন্দ্ৰবিলাকত সৌন্দৰ্য আৰু সুস্থতা, স্বাস্থ্যসেৱা, তথ্য প্ৰযুক্তি, ইলেক্‌ট্ৰিকেল, ইলেকট্ৰনিক সামগ্ৰী মেৰামতি, অট'ম'বাইল, উইভিং আদি বিভিন্ন ক্ষেত্ৰত প্ৰশিক্ষণ প্ৰদান কৰে। চৰকাৰী-বেচৰকাৰী ক্ষেত্ৰখনত যিমানেই নৱ প্ৰযুক্তিৰ সৈতে বৃত্তিমুখী পাঠ্যক্ৰমৰ আধাৰত শিক্ষা প্ৰতিষ্ঠান নোখোলক কিয়; এটা কথা ঠিক যে- মানুহৰ মনস্তাত্বিক পৰিবৰ্তন হ'ব লাগিব। বৃত্তিমুখী শিক্ষাই যিহেতু স্বাৱলম্বী পথ প্ৰশস্ত কৰে, ব্যক্তি বিশেষৰ অনাগত ভৱিষ্যৎ কৰ্মক্ষেত্ৰ নিৰ্ধাৰণত **১০০** শতাংশ নিজৰ ওপৰত নিৰ্ভৰ কৰে। কৰ্ম-সংস্কৃতি অবিহনে এজন ব্যক্তি, এখন ঠাই, এখন দেশ উন্নতি জখলাত বগাব নোৱাৰে। ভকেচনেল শিক্ষাইহে মানুহৰ কৰ্ম-সংস্কৃতিৰ বুনিয়াদ গঢ় দিব পাৰে। এই প্ৰসঙ্গত অসমৰ এসময়ৰ ৰাজ্যপাল এছ কে সিনহাই **২৬** বছৰ আগতে কোৱা এষাৰ বক্তব্য উল্লেখ কৰিব বিচাৰোঁ। তেখেতে কৈছিল- The twenty first century will have no respect for formal degree but only for skill. হয়, মানুহ এতিয়া হাতে কামে পাকৈত হ'ব লাগিব। ডিগ্ৰী থাকিলেই নহ'ব। কৰ্মপটুতা সাম্প্ৰতিক যুগৰ অমোঘ অস্ত্ৰ। ক্ষেত্ৰ বিশেষে নিপুণ কৰ্মীক মানুহে বিচাৰে। এতিয়া সমাজত কেৱল প্ৰমাণপত্ৰৰ জৰিয়তে মানুহে উচ্চস্থান লাভ কৰা জটিল। তথ্য-প্ৰযুক্তিৰ যুগত প্ৰতিজন কলা-কুশলী কৰ্মপটু হ'ব লাগিব। এনে প্ৰেক্ষাপটত বৃত্তিমুখী প্ৰশিক্ষণ কাৰ্যসূচীসমূহ যাতে প্ৰাসংগিক আৰু বজাৰৰ চাহিদাৰ সৈতে মিল থকাটো নিশ্চিত কৰিবলৈ শিক্ষানুষ্ঠান আৰু উদ্যোগসমূহৰ মাজত ঘনিষ্ঠ সহযোগিতাৰ প্ৰয়োজন। অৱশ্যে উন্নয়নশীল দেশ হিচাপে ভাৰতবৰ্ষত বৃত্তিমুখী শিক্ষাৰ প্ৰয়োগ আৰু প্ৰচাৰ-প্ৰসাৰৰ ক্ষেত্ৰত কঠিন আইনৰ পোষকতা কৰোঁ।

বিশ্বৰ প্ৰেক্ষাপটত বৃত্তিমুখী শিক্ষাৰ কথা যদি ক'বলৈ যাওঁ, তেন্তে জাৰ্মানী, ছুইজাৰলেণ্ড, ফিনলেণ্ড, ছুইডেন আদিত বৃত্তিমুখী শিক্ষাৰ আসন সন্মানীয় আসনত অধিষ্ঠিত। পূব এছিয়াৰ দেশ বিশেষকৈ দক্ষিণ কোৰিয়া, জাপান, ছিংগাপুৰ, হংকং আদি দেশে বৃত্তিমুখী প্ৰশিক্ষণৰ ওপৰত গুৰুত্ব দিয়ে। যাৰ ফলস্বৰূপে এই দেশসমূহত তেওঁলোকৰ শিক্ষা ব্যৱস্থাত ইতিবাচক প্ৰভাৱ পৰিলক্ষিত হৈছে।

জাৰ্মানীৰ শিক্ষা ব্যৱস্থাত বৃত্তিমুখী শিক্ষাৰ স্থান বহু ওপৰত। স্কুলীয়া শিক্ষাৰ শ্ৰেণী কোঠাৰ শিক্ষাৰ সৈতে কোম্পানীসমূহৰ ব্যৱহাৰিক শিক্ষা আৰু চাকৰিৰ সময়ত, হোৱা প্ৰশিক্ষণৰ সংমিশ্ৰণ ঘটায়। ছাত্ৰ-ছাত্ৰীসকলক নিৰ্দিষ্ট কেৰিয়াৰ প্ৰস্তুত কৰাৰ ক্ষেত্ৰত বৃত্তিমুখী শিক্ষা ফলপ্ৰসূভাৱে প্ৰয়োগ কৰা হয়। ছুইজাৰলেণ্ডত বৃত্তিমুখী শিক্ষাৰ ফলশ্ৰুতিক সোণৰ দৰে মূল্যৱান হিচাপে উল্লেখ কৰা হয়। চুইজাৰলেণ্ডৰ ছাত্ৰ-ছাত্ৰীয়ে সময়ৰ উল্লেখযোগ্য অংশ কৰ্মক্ষেত্ৰত শিক্ষণত কটায়। সেইবাবেই বিভিন্ন বৃত্তিত ব্যৱহাৰিক অভিজ্ঞতা লাভ কৰে। স্কাণ্ডিনেভিয়ান দেশসমূহে স্পষ্ট শিক্ষণ ফলাফল আৰু অংশীদাৰসকলৰ সংযোগৰ ওপৰত গুৰুত্ব আৰোপ কৰি বৃত্তিমূলক প্ৰশিক্ষণকে ধৰি শিক্ষাৰ ক্ষেত্ৰত পৰম্পৰাগতভাৱে শক্তি প্ৰদৰ্শন কৰিছে। অষ্ট্ৰেলিয়া আৰু ব্ৰিটেইনৰ বৃত্তিমুখী শিক্ষা ব্যৱস্থা সুবিকশিত। উদ্যোগ-প্ৰাসংগিক পাঠ্যক্ৰম আৰু শক্তিশালী গুণগত নিশ্চয়তাৰ পৰিকাঠামোৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। কানাডা আৰু আমেৰিকা আদি দেশত বৃত্তিমূলক বিষয়সমূহৰ প্ৰশিক্ষণ কাৰ্যসূচীৰ বাবে বিশেষভাৱে পৰিচিত। য'ত শাসন, ব্যক্তিগত খণ্ডৰ

অংশীদাৰিত্ব আৰু বজাৰ নেতৃত্বাধীন আৰ্হিৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। ইজৰাইল, ৰাছিয়া, পোলেণ্ড আদি দেশে বৰ্তমান বৃত্তিমুখী শিক্ষাৰ ক্ষেত্ৰত অগ্ৰগতি লাভ কৰিছে।

অসম চৰকাৰে বৃত্তিমুখী শিক্ষাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। বৃত্তিমুখী শিক্ষাৰ বাবে চৰকাৰী প্ৰতিষ্ঠানসমূহৰ ভিতৰত আভিযান্ত্ৰিক মহাবিদ্যালয়, পলিটেকনিক, প্ৰতিষ্ঠান, চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয় আদি উল্লেখযোগ্য। তদুপৰি অসম চৰকাৰে বৃত্তিমুখী শিক্ষাৰ বাবে বিভিন্ন আঁচনি আৰু কাৰ্যসূচী ৰূপায়ণ কৰি আহিছে। আঁচনি একোখন চৰকাৰে ৰূপায়ণ কৰাৰ ওপৰত সাৰ্থকতা নাহে। ইয়াক যথোপযুক্ত প্ৰয়োগে কৰিব পাৰিব লাগিব। অসমীয়া মানুহৰ চৰকাৰী চাকৰি প্ৰিয়তা পৰম্পৰাগত। ব্যৱসায়ীতকৈ চৰকাৰী চাকৰিয়ালৰ প্ৰতি বিশ্বাস আৰু মান্যতা বেছি। আনকি গ্ৰাম্য জীৱনত চৰকাৰী চাকৰিয়ালক চাহ কাপৰ সোৱাদটো অলপ বেলেগকৈ দিব বিচৰাৰ প্ৰৱণতা লক্ষণীয়। ছোৱালী বিয়া দিয়াৰ বেলিকা বৰৰ ক্ষেত্ৰত প্ৰথম আৰু প্ৰধান প্ৰশ্ন- কি চাকৰি কৰে? শুদ্ধ আৰু সত্য দায়িত্ববোধেৰে মানৱীয় কৰ্ম কৰা প্ৰতিজনকে আমি সমমৰ্যাদা প্ৰদান কৰাৰ অভ্যাস কৰিবৰ হ'ল। Dignity of labour- বাক্যশাৰী বাস্তৱ জীৱনৰ লগত খাপ খোৱাই নল'লে শ্ৰমিকক আমি উপযুক্ত মৰ্যাদা দিব নোৱাৰিম। বৃত্তিমুখী শিক্ষাই কৰ্ম সংস্থাপন নিজেই সুনিশ্চিত কৰিব। কেৱল এনেধৰণৰ শিক্ষা ল'বলৈ ছাত্ৰ-ছাত্ৰীসকলক আমি অনুৰোধ কৰিব লাগিব। ৰাজ্যখনত উদ্যোগ প্ৰতিষ্ঠাৰ জৰিয়তে সংস্থাপন বাঢ়িলে ভৱিষ্যৎ প্ৰজন্মৰ উন্নতি অৱশ্যম্ভাবী। কাৰিকৰী শিক্ষা বৰ্তমান যুগৰ ছাত্ৰ-ছাত্ৰীৰ সহজলভ্য। বিশেষকৈ ইণ্টাৰনেট আৰু ছ'চিয়েল মিডিয়াৰ জৰিয়তে বহু ধৰণৰ কাৰিকৰী বিদ্যা গ্ৰহণৰ সুযোগ আছে। বহু ছাত্ৰ-ছাত্ৰীয়ে ইতিমধ্যে অনুসৰণ কৰি এনেধৰণৰ কৰ্মসূচী গ্ৰহণ কৰা দেখা গৈছে।

# অসমীয়া লিপিৰ আৰম্ভণি - এক চমু অৱলোকন

বন্দনা দেৱী

অসমীয়া লিপি হৈছে অসমীয়া ভাষাৰ লিখন পদ্ধতি, যাৰ এক দীঘলীয়া ঐতিহাসিক পটভূমি আছে। এই লিপিৰ বিকাশ কেৱল ভাষাগত পৰিৱৰ্তনৰ ফল নহয়, বৰং অসমৰ সামাজিক, সাংস্কৃতিক আৰু ধৰ্মীয় ইতিহাসৰ সৈতে গভীৰভাৱে সম্পৰ্কিত। অসমীয়া লিপিৰ আৰম্ভণি বুজিবলৈ হ'লে ভাৰতীয় লিপি পৰম্পৰা আৰু বিশেষকৈ পূব ভাৰতৰ ব্ৰাহ্মী লিপিৰ বিকাশৰ দিশটোলৈ লক্ষ্য কৰিব লাগিব।

ভাৰতীয় লিপিসমূহৰ মূল উৎস হিচাপে ব্ৰাহ্মী লিপিক ধৰা হয়। খ্ৰীষ্টপূৰ্ব তৃতীয় শতিকাত মৌৰ্য সম্ৰাট অশোকৰ শিলালিপিসমূহত ব্ৰাহ্মী লিপিৰ প্ৰমাণ পোৱা যায়। সময়ৰ সৈতে ব্ৰাহ্মী লিপিয়ে বিভিন্ন আঞ্চলিক ৰূপ গ্ৰহণ কৰে। এই আঞ্চলিক ৰূপ সমূহৰ ভিতৰত পূব ভাৰতীয় গৌড়ী লিপিৰ পৰা ক্ৰমে অসমীয়া, বঙালী আৰু ঊড়িয়া লিপিৰ বিকাশ ঘটে বুলি ভাষাবিদসকলে মত প্ৰকাশ কৰিছে। খ্ৰীষ্টীয় সপ্তম অষ্টম শতিকাৰ পৰা কামৰূপ ৰাজ্যত ব্যৱহৃত লিপিক 'কামৰূপী লিপি' বুলি কোৱা হয়। এই কামৰূপী লিপিয়েই পৰৱৰ্ত্তী সময়ত অসমীয়া লিপিৰ ভিত্তি হিচাপে গঢ় লৈ উঠে। দেৱপাল, ভাস্কৰবৰ্মা আদি কামৰূপৰ ৰজাসকলৰ তাম্ৰফলকত আৰু শিলালিপিসমূহত এই লিপিৰ নিদৰ্শন পোৱা যায়। এই লিপিসমূহত ব্যৱহৃত আখৰ সমূহ আজিৰ অসমীয়া লিপিৰ সৈতে যথেষ্ট সাদৃশ্যপূৰ্ণ।

দশম শতিকাৰ পৰা দ্বাদশ শতিকালৈকে কামৰূপী লিপিত পৰ্যায়ক্ৰমে পৰিৱৰ্তন আহে। আখৰসমূহ অধিক গোলাকাৰ আৰু সহজৰূপ ল'বলৈ আৰম্ভ কৰে। এই পৰিৱৰ্তনৰ পিছত পাতত লিখাৰ প্ৰথা। তালপাত নতুবা ভোজপাত ব্যৱহাৰৰ প্ৰভাৱ আছিল বুলি ধৰা হয়। পাথৰত খোদিত কৰা আখৰৰ তুলনাত পাতত লিখিবলৈ গেলাকাৰ আখৰ অধিক সুবিধাজনক আছিল। ফলস্বৰূপে লিপিৰ গঠনো সলনি হয়। চতুদৰ্শ আৰু পঞ্চদশ শতিকাত অসমীয়া লিপিৰ বিকাশত বৈষ্ণৱ আন্দোলনৰ গুৰুত্ব অপৰিসীম। শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱে অসমীয়া ভাষাত ভক্তিমূলক সাহিত্য ৰচনা কৰি লিপিটোক জনসাধাৰণৰ মাজলৈ লৈ আহে। তেওঁলোকে ৰচনা কৰা অমূল্য সম্পদ বৰগীত, অংকীয়া নাট, কীৰ্ত্তন ঘোষা আদি গ্ৰন্থত ব্যৱহৃত লিপি আজিৰ অসমীয়া লিপিৰ প্ৰায় পূৰ্ণ ৰূপ বুলি ক'ব পাৰি। এই সময়ছোৱাত লিপিৰ আখৰসমূহ অধিক স্থিৰ আৰু মান্যৰূপ পায়।

আহোম যুগত অসমীয়া লিপিৰ ব্যৱহাৰ আৰু বিকাশ অধিক ব্যাপক হয়। বুৰঞ্জীসমূহত ৰাজকাৰ্যৰ নথি-পত্ৰ আৰু সাহিত্যিক ৰচনাসমূহত এই লিপিৰে প্ৰচলন বৃদ্ধি পায়। আহোমসকলে প্ৰথমে টাই ভাষা ব্যৱহাৰ কৰিছিল যদিও পিছলৈ অসমীয়া ভাষা আৰু লিপিক ৰাজ্যভাষা হিচাপে গ্ৰহণ কৰে। ইয়াৰ ফলত অসমীয়া লিপিৰ মান্যতা আৰু প্ৰচাৰ অধিক বৃদ্ধি পায়। ঊনবিংশ শতিকাত মিছনেৰীসকলৰ আগমনৰ সৈতে অসমীয়া লিপিত মুদ্ৰণ প্ৰযুক্তিৰ প্ৰৱেশ ঘটে। **১৮৪৬** চনত প্ৰকাশিত 'অৰুণোদই' সংবাদপত্ৰই আধুনিক অসমীয়া লিপিৰ মান্য ৰূপ নিদ্ধাৰণত বিশেষ ভূমিকা পালন কৰে। এই সময়ছোৱাত বানান, আখৰৰ পঠন আৰু ছপাৰ

নিয়মসমূহ অধিক সুসংগঠিত হ'বলৈ ধৰে।

সংক্ষেপে ক'ব পাৰি যে অসমীয়া লিপিৰ আৰম্ভণি ব্ৰাহ্মী লিপিৰ পৰা আৰম্ভ হৈ কামৰূপী লিপিৰ জৰিয়তে আধুনিক ৰূপলৈ বিকাশ লাভ কৰিছে। এই বিকাশ প্ৰক্ৰিয়াত অসমৰ ৰাজনৈতিক ইতিহাস, ধৰ্মীয় আন্দোলন, সাহিত্যিক পৰম্পৰা আৰু প্ৰযুক্তিগত পৰিৱৰ্তনে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। অসমীয়া লিপি কেৱল লিখন পদ্ধতি নহয়, ই অসমীয়া জাতিৰ ঐতিহ্য, সংস্কৃতি আৰু পৰিচয়ৰ এক অবিচ্ছেদ্য অংগ। কামৰূপী লিপিৰো প্ৰধানকৈ ব্যৱহাৰ হৈছিল ৰাজকাৰ্য আৰু প্ৰশাসনিক ক্ষেত্ৰত। কামৰূপৰ ৰজাসকলে ভূমিদান, কৰমুক্তি, মন্দিৰ নিৰ্মাণ আদি বিষয়ত যিবোৰ তাম্ৰফলক প্ৰদান কৰিছিল, সেই সমূহত এই লিপিত লিখা হৈছিল। ভাস্কৰবৰ্মা, দেৱপাল, ৰত্নপাল আদি ৰজাসকলৰ তাম্ৰফলকসমূহত কামৰূপী লিপিৰ স্পষ্ট উদাহৰণ পোৱা যায়। এই দলিলসমূহে সেই সময়ৰ শাসন ব্যৱস্থা, সমাজব্যৱস্থা আৰু অৰ্থনৈতিক অৱস্থাৰ বিষয়ে মূল্যবান তথ্য প্ৰদান কৰে। ধৰ্মীয় ক্ষেত্ৰতো কামৰূপী লিপি ব্যৱহৃত হৈছিল যদিও বেছিভাগ লিখনি সংস্কৃত ভাষাত হ'লেও লিপিৰ আখৰ বিন্যাস স্থানীয় ভাষাৰ প্ৰভাৱ বহন কৰিছিল।

এই লিপিৰ ব্যৱহাৰে অসমীয়া লিপিৰ বিকাশৰ পথ মুকলি কৰে। কামৰূপী লিপিৰ বহু আখৰ আধুনিক অসমীয়া লিপিৰ আখৰৰ সৈতে সাদৃশ্যপূৰ্ণ। সেয়ে ক'ব পাৰি যে কামৰূপী লিপি হৈছে অসমীয়া লিপিৰ প্ৰাচীন ৰূপ। কমৰূপী লিপিৰ ব্যৱহাৰ মূলত ৰাজকাৰ্য, ধৰ্মীয় কাৰ্য আৰু সামাজিক দস্তাবেজত সীমাবদ্ধ আছিল যদিও ইয়াৰ ঐতিহাসিক গুৰুত্ব অপৰিসীম। এই লিপিয়ে প্ৰাচীন অসমৰ ইতিহাস সংৰক্ষণ কৰাৰ লগতে আধুনিক অসমীয়া লিপিৰ ভেটি।

# সাহিত্য অমৃতৰ উৎস

## ভাগ্যলক্ষী ডেকা

সাহিত্য অমৃতৰ উৎস। সাহিত্যৰ অমৃত হৈছে পৰম জ্ঞানৰ উপলব্ধি। সাহিত্যৰ পৰম প্ৰাপ্তিৰ বাট সাধনাৰ বাট। একাগ্ৰতা, মানসিক দৃঢ়তা, সমাজ সচেতনতাৰ তথা জাতীয় দায়িত্ববোধৰ শৃংখলিত বাট। সমুদ্ৰ মন্থনৰ জৰিয়তে অমৃত প্ৰাপ্তি যি জটিল, দীৰ্ঘসূত্ৰী কাম আছিল, ঠিক সেইদৰে সাহিত্যৰ অমৃত প্ৰাপ্তিও সৰল অথবা সহজ পৰিক্ৰমা নহয়। সহজ অচিলাৰে সাহিত্যৰ মন্থনে অমৃতৰ সলনি গৰলৰ সন্ধান দিয়াটোহে স্বাভাৱিক। উৎসৰ নিৰ্মলতাই সাহিত্যক সাহিত্য হৈ থকাত সহায় কৰাই নহয়, ইয়াৰ ব্যাপকতাৰ ক্ষেত্ৰতো ইতিবাচক মঞ্চ প্ৰস্তুত কৰাৰ লগতে সাহিত্যক অনাগতলৈ সমৃদ্ধ কৰে। সাহিত্যৰ ভেঁটিত সাহিত্যৰ সৌধ গঢ়ি সাহিত্যক জাতীয় সম্পদৰ পৰা বিশ্বমুখীতা প্ৰদান কৰাৰ বাবে উৎস পৰিচ্ছন্ন ৰখাটো কেৱল প্ৰয়োজনেই নহয়, সাম্প্ৰতিক সময়ত ই এক প্ৰত্যাহ্বানো হৈ পৰিছে।

সাহিত্য হৈছে জীৱন আৰু সমাজৰ প্ৰকৃত সমৃদ্ধি। সকলো মানুহেই স্বভাৱ সুলভভাৱে জীৱনটো সমৃদ্ধ হোৱাটো বিচাৰে। ব্যক্তিগত তথা সামাজিক জীৱন স্বচ্ছল হোৱাটো বিচাৰে। এয়া মানুহৰ স্বাভাৱিক প্ৰবৃত্তি। কোনোৰে ধন ঐশ্বৰ্য বিভূতিৰে সমৃদ্ধ হোৱাৰ বিপৰীতে কোনোৰে নিৰানন্দ জীৱন এটাৰে বাট বুলি এক অন্য (?) জগত এখনৰ বাসিন্দা বুলি স্বীকৃতি দি সমৃদ্ধ হ'ব খোজে। এনে বহু ধৰণেৰে বহুতেই নিজক সমৃদ্ধ বুলি প্ৰকাশ কৰি ভাল পায়। কিন্তু সমৃদ্ধি তেতিয়াহে প্ৰকৃত অৰ্থৰ কাষ চাপে যেতিয়া সেই সমৃদ্ধিয়ে সমাজ তথা জাতীয় জীৱন তথা প্ৰজন্মক সমৃদ্ধ কৰে। সাহিত্য হৈছে জীৱন আৰু সমাজৰ প্ৰকৃত সমৃদ্ধি। সাহিত্য চৰ্চা, সাহিত্যৰ সাধনাৰ প্ৰকৃত অনুশীলনে জীৱনক মহাজীৱনলৈ আগুৱাই নিব পাৰে। এনেদৰে জীৱন-সমাজ পৰিক্ৰমাৰে সাহিত্যই প্ৰজন্মৰ পৰা প্ৰজন্মলৈ বিকশিত কৰিব পাৰে সভ্যতাৰ বহ্নিমান যাত্ৰা। প্ৰাচীন ভাৰতীয় সাহিত্যৰ কৃতিস্বৰূপ মহাকাব্যদ্বয়, বেদ, উপনিষদ, পুৰাণ আদি মহত্বতম সৃষ্টিয়ে আধুনিক পৃথিৱীৰ লগত ফেৰ মাৰিব পৰাকৈ ভাৰতবৰ্ষক নিকপকপীয়াকৈ গঢ়ি তুলিছে। ভাৰতীয় সাহিত্যৰ গৌৰৱোজ্জ্বল অগ্ৰগতিয়ে নিঃসন্দেহে আজিৰ ভাৰত ৰাষ্ট্ৰ নিৰ্মাণ কৰিলে আৰু অনাগত অসীম সময়লৈকে ভাৰতবৰ্ষৰ সুস্থ সামাজিক বাতাবৰণক পোষকতা কৰি থাকিব।

জীৱন স্বল্পাৰ্থত ক্ষণভংগুৰ। অধিকাংশ মানুহেই ভোগ বিলাস অস্থাৱৰ সম্পত্তি আদিৰ মাজত জীৱনৰ আনন্দ বিচাৰি অনায়াসে জীৱন পাৰ কৰে আৰু ধন্য জীৱনৰ গৰাকী বুলি পৰিচয় ৰচে। কিন্তু সেয়া বাস্তৱিকতে জীৱনৰ অস্থায়ী মোহ অথবা বিলাসৰ বাদে একো নহয়। ব্যক্তিগত সুখ-সম্ভোগে জীৱনত ক্ষণিক আনন্দ দিব পাৰে। কিন্তু সেই আনন্দ অস্থায়ী যাৰ কোনো মহত্ব সময়ে ৰাখি নথয়। কোৱা বাহুল্য যে প্ৰকৃততে স্থায়িত্ব কিম্বা অমৰত্বক সাহিত্যই বহু ক্ষেত্ৰত প্ৰতিনিধিত্ব কৰে। কিয়নো জীৱনৰ সুন্দৰতম দিশটোৰ বন্দনা আৰু আকৰ্ষণ সৰ্বদা থাকে। য'তেই সত্য, সুন্দৰতা, ইতিবাচকতাৰ প্ৰেমময় আবেদন থাকে তাতহে স্থায়ীত্বই নিজস্বতাৰ ইতিহাস গঢ়ে, যি ইতিহাসে সৰ্ব সময়ক প্ৰতিনিধিত্ব কৰি মহাজীৱনৰ সোপান গঢ়ে। সৃষ্টিৰ অপৰূপ তাড়নাৰে সাহিত্যৰ মধু গুঞ্জনত সত্য আৰু সুন্দৰৰ সংমিশ্ৰণেৰে

আলোকিত হোৱা সময়ে যুগে যুগে স্থায়ীত্ব আৰু বিমল আনন্দ বহন কৰে। কোনো এটা জাতিৰ অস্তিত্বক প্ৰৱলভাৱে বিশ্বমুখী কৰাত সাহিত্যৰ ভুমিকা অনস্বীকাৰ্য। সাহিত্যই জাতিৰ সাহ, পৰাক্ৰম, ঐশ্বৰ্য, বৈভৱৰ সৌৰভ পৰিধিবিহীন ভাৱে সমগ্ৰ জগতত বিলাই দিব পাৰে। ইংৰাজ এটা অতি বিচক্ষণ, পৰাক্ৰমী, সময় সচেতন, বিশ্বমুখী জাতি এই কথা বিশ্বই জানে। লগতে বিশ্বই ইংৰাজী সাহিত্যৰ স্থায়িত্ব, মহত্ব, সুন্দৰ তথা সুৰুচীপূৰ্ণ দিশটোৰ বিষয়েও বিদিত। এনে বহু দেশ আছে যিবোৰ দেশে ইংৰাজী সাহিত্যৰ বহুমূলীয়া গ্ৰন্থৰাজী নিজ ভাষালৈ অনুবাদৰ জৰিয়তে নিজৰ দেশৰ বিকাশৰ ধ্বজা উৰুৱাবলৈ সক্ষম হৈছে। নিঃসন্দেহে ইংৰাজী সাহিত্য বিশ্বৰ বহু দেশৰ সাহিত্যৰ বাবে অনুপ্ৰেৰণাৰ অমল স্ৰোত। এই অৰ্হতা অৰ্জন কৰাতেই নিশ্চয়কৈ ইংৰাজী সাহিত্যৰ সফলতা।

অনবদ্য ভুমিকাৰে সাহিত্যই আমাৰ জীৱন পৰিক্ৰমা সোণালী কৰে। ওপৰত উল্লেখ কৰা হৈছে যে এই পৰিক্ৰমা সহজ নহয়। সাহিত্যৰ গভীৰ অধ্যয়ন, বিষয়বস্তুৰ ওপৰত জ্ঞানলব্ধ অভিজ্ঞতা, শ্বাশ্বত অনুভৱ ইত্যাদিৰ অবিহনে সাহিত্যৰ জগতখনৰ প্ৰকৃত সদস্য হোৱাটো সম্ভৱ নহয়। সহজ সাহিত্য (?)ই প্ৰকৃত সাধকৰ অসুবিধা সৃষ্টি কৰাই নহয় সমাজৰ নেতিবাচক দিশটোকো সাৰ পানী দিয়ে। সাহিত্য অধ্যয়ন আৰু চৰ্চা জীৱনৰ বাবে অত্যাৱশ্যকীয় বুলি ভাবিব পৰাটোতেই জীৱনৰ পৰম প্ৰশান্তিৰ বাট উন্মুক্ত হয় ।

যাৰ সান্নিধ্যই আমাক মহাজীৱনৰ মন্ত্ৰ শিকাই, যি প্ৰশান্তিৰ বাটেৰে আমাক বাট দেখুৱাই সেই সাহিত্য আজি সঠিক দিশেৰে গতি কৰিছেনে? বিশ্বৰ অন্য সাহিত্যৰ বিষয়টো আছুতীয়া কৰি যদি আমাৰ অসমীয়া সাহিত্যৰ বিষয়ে কওঁ অথবা ভাৱোঁ তেন্তে এই প্ৰশ্নই আমাক আমনি নকৰেনে, যে কোন দিশে আমাৰ সাহিত্য? অসমীয়া ভাষাত প্ৰথম লিখিত সাহিত্য চৰ্যাপদসমূহৰ পৰা আৰম্ভ কৰি অপ্ৰমাদী কবি মাধৱ কন্দলী, অসমীয়া গদ্য সাহিত্যৰ জনক ভট্টদেৱকে ধৰি সেই সময়ৰ পুৰোধা পণ্ডিতসকল তথা আমাৰ গুৰু দুজনাৰ অমৰ সৃষ্টিৰ পৰা আধুনিক অসমীয়া সাহিত্যৰ কাণ্ডাৰী পদ্মনাথ গোহাঞি বৰুৱা, হোমেন বৰগোহাঞি, ৰেৱতী মোহন দত্ত চৌধুৰীকে প্ৰমুখ্য কৰি আজিৰ অসমীয়া সাহিত্যৰ লেখত ল'বলগীয়া লেখক সাহিত্যিকসকলৰ সৃজনীশীলতা, অধ্যৱসায়, দায়িত্ববোধৰ ফচল স্বৰূপে অসমীয়া সাহিত্যই আজি বিশ্বমুখী যাত্ৰাৰ সহযাত্ৰী বুলি কোৱাৰ সময়তো বহু প্ৰশ্ন মনত ৰৈ গৈছে। অসমীয়া সাহিত্যৰ বাবে অহোপুৰুষাৰ্থ কৰা শ্ৰদ্ধাৰ লেখক সাহিত্যিকসকলৰ বিপৰীতে সাহিত্যক সহজ কলা তথা সহজ পৰিচয়ৰ (?) মাধ্যম হিচাপে গণ্য কৰি আমাৰ সাহিত্যৰ স্বৰ্ণীল ভেটিত বৰ্জ্য দ্ৰব্যৰ সৃষ্টি কৰাটো আমাৰ জাতিৰ বাবে, সাহিত্যৰ ক্ষেত্ৰখনৰ বাবে দুৰ্ভাগ্যৰ বিষয় নহয়, ই গৰিহনাৰো বিষয়। সাহিত্য সাধনা বা চৰ্চা কৰা এক কথা আৰু কলমৰ অপৰিপক্কতাৰে বঁটা বাহনৰ প্ৰতিযোগিতাৰে ৰাতিৰ ভিতৰতে সাহিত্যিক (?) হ'বলৈ কৰা অপচেষ্টাৰে আত্মপ্ৰচাৰৰ বাবে সাহিত্য সৃষ্টিয়ে সাহিত্যৰ অমৃত উৎসক বিষময় কৰাৰ সম্ভাৱনা অধিক।

একো একোটা ভাষাক মহীয়ান কৰে সেই ভাষাৰ সাহিত্যই। সাহিত্য হৈছে ভাষা-সংস্কৃতিৰ প্ৰকৃত বাহক। সাহিত্যৰ জৰিয়তে ভাষা সমৃদ্ধ হয়, লগতে সংস্কৃতিৰ পৰিশুদ্ধ স্বৰূপকো জীয়ন দিয়ে। এবিধ মূল্যৱান গহনাৰ আকৰ্ষণীয় শৈলীক যদি সংস্কৃতি অথবা গহনাবিধত ব্যৱহৃত মণি মুকুতাবোৰ যদি ভাষা বুলি ধৰা হয় তেন্তে সেই গহনা নিৰ্মাণৰ বাবে ব্যৱহাৰ কৰা মূল্যৱান ধাতুবিধেই হ'ব সাহিত্য। যিদৰে সাহিত্য হৈছে ভাষা-সংস্কৃতিৰ বাহক বা ধাৰক, তাৰ অনুৰূপ সহৃদয় পাঠক সমাজেই হৈছে সাহিত্যৰ বাহক যিয়ে সাহিত্যৰ অমৃতেৰে নিজৰ জীৱন ধন্য কৰাৰ লগতে সাহিত্য পুষ্ট মানসিকতাৰে সমাজ জীৱনত সুস্থিৰ বাতাবৰণ সৃষ্টি কৰাত অৰিহণা যোগায়। অৰ্থাৎ পাঠক

লেখকৰ সমৰূপ আগ্ৰহ, প্ৰচেষ্টাৰে সাহিত্য সমৃদ্ধ হয় আৰু সুস্থ পৰিৱেশৰ সূচনা কৰি কাললৈ বৰ্তি থাকে সাহিত্যৰ সেউজ যাত্ৰা। সেয়েহে সাহিত্যৰ বন্দনা কেৱল লেখক বা সাহিত্যিকৰে দায়িত্ব নহয়, এই বন্দনাক যুগান্তৰলৈ মুখৰিত কৰাত পাঠকৰ কৰ্তব্য কোনো গুণে কম নহয়। সাহিত্যৰ প্ৰকৃত বন্দনাত জাতিৰ শক্তি নিহিত হৈ আছে। কেৱল গ্ৰন্থ লিখি প্ৰতিষ্ঠিত হোৱাতেই সাহিত্যৰ বন্দনা কৰা নুবুজায়। সাহিত্যৰ চিৰ শ্বাশ্বত প্ৰীতিক প্ৰজন্মৰ পৰা প্ৰজন্মলৈ প্ৰকৃত সোঁতেৰে আগুৱাই নিয়াতহে সাহিত্যৰ আয়ুস নিৰ্ধাৰিত হয়। সাহিত্য মুখ্যতঃ বৌদ্ধিক কচৰৎ যদিও ইয়াক সৰ্বসাধাৰণ মানুহৰ বোধগম্যতাৰে আৰু প্ৰিয়ভাজন কৰাৰ উদ্দেশ্যেৰে সৃষ্ট সাহিত্য যুগলৈ বিকশিত হৈ থাকে। সাহিত্যৰ এনে বিকাশৰ সৌৰভ যেতিয়ালৈকে সুশোভিত হৈ থাকিব তেতিয়ালৈকে সাহিত্যৰ অপমৃত্যু হ'ব নোৱাৰে।

সাহিত্যৰ আস্বাদন জীৱনৰ মহত্বপূৰ্ণ প্ৰাপ্তি...এই উপলব্ধিয়ে হৃদয়ত পোষণ কৰা সাহিত্য প্ৰীতিয়ে ব্যক্তিৰ পৰা সমষ্টিৰ উত্তৰণৰ সোপান গঢ়ে। সমাজ-সংস্কৃতিৰ অগ্ৰগতিৰ খতিয়ান হৈ সাহিত্য পৰমতম সম্পদ ৰূপে আমাৰ জীৱন, প্ৰজ্ঞা, সুস্থিৰতা ইত্যাদিৰ পৃষ্ঠপোষকতা কৰে। জীৱনবোধৰ শৃঙ্খলিত শৈলী নিৰ্মাণত সাহিত্যৰ ভুমিকাই যুগে যুগে ইতিহাস ৰচিছে আৰু অনাগত সময়তো সাহিত্যৰ অমল চানেকিয়ে মানৱ সমাজক সৰ্বোত্তম সৃষ্টিশীলতাৰ বিমলানন্দ যাচিব যদিহে সাহিত্য সৃষ্টিৰ উদ্দেশ্য সদায় অমলিন হৈ থাকে। ইয়াৰ সিংহভাগ দায়িত্বও লেখক সাহিত্যিক তথা সদাশয় পাঠক সমাজৰ ওপৰতে ন্যস্ত হৈ আছে। এই দায়িত্বক দায়িত্বশীলতাৰে কান্ধ পাতি লোৱাটো উপৰুক্ত দুই শ্ৰেণীৰে পৰম তথা আপাতকালীন কৰ্তব্য।

(পৌৰাণিক কাহিনী)

# পৰীক্ষা

## মাণিক চন্দ্ৰ সোনোৱাল

পুৰণি দিনৰ কথা। ভাৰতবৰ্ষৰ পশ্চিম দিশত মধুবন নামে এখন ঠাইত এখন আশ্ৰম আছিল। আশ্ৰম খনত থাকি বহুতো শিষ্যই শিক্ষা গ্ৰহণ কৰিছিল। আশ্ৰমখনৰ গুৰুদেৱৰ নাম আছিল- জ্ঞাননিষ্ঠ। জ্ঞাননিষ্ঠৰ এগৰাকী কন্যা আছিল। নাম- বিদ্যাৱতী। পিতৃৰ আশ্ৰমত থাকি শিক্ষা গ্ৰহণ কৰা বিদ্যাৱতী সকলো শাস্ত্ৰতে পাৰ্গত হৈ পৰিল। পিতৃৰ লগতে বিদ্যাৱতীয়ে মাজে সময়ে শিষ্যসকলক শিক্ষা দান দিছিল।

গুৰু জ্ঞাননিষ্ঠ বয়স হৈ অহাত আশ্ৰমখন তদাৰক কৰিবলৈ এজন কৰ্মচাৰী প্ৰয়োজন হৈ পৰিল। কৰ্মচাৰীজন হ'ব লাগিব- ধন টকা পইচাৰ প্ৰতি লোভ নথকা। যাতে আশ্ৰমৰ ধন সম্পত্তিবোৰ কোনো হৰণ-ভগণ নহয়।

পিতৃ আৰু কন্যাই দুয়ো আলোচনা কৰি কথাটো শিষ্যসকলক অৱগত কৰিলে। আশ্ৰমখনৰ দায়িত্বভাৰ ল'বলৈ সকলোবোৰ শিষ্য ৰংমনে আগুৱাই আহিল। পিছে ইমানবোৰ শিষ্যৰ মাজত কেনেকৈ এজন সৎ জ্ঞানী কৰ্মচাৰী বাচি উলিওৱা হয়- তাৰ বাবে গুৰু জ্ঞাননিষ্ঠ চিন্তিত হৈ পৰিল।

বিদ্যাৱতীয়ে শিষ্যসকলৰ মাজত এটা পৰীক্ষা ল'বলৈ পিতৃক উপদেশ দিলে। পৰীক্ষা লোৱাৰ আগতে শিষ্যসকলক কি বুলি ক'ব লাগিব, সেইবোৰ কথাও শিকাই দিলে। পিছদিনা বিদ্যাৱতীয়ে শিকাই দিয়া মতে গুৰু জ্ঞাননিষ্ঠই শিষ্য সকলক ক'লে-

"শিষ্যগণ, আমাৰ আশ্ৰমখন চলিবলৈ এতিয়া ধন- টকা পইচাৰ অভাৱ হৈছে। আমাৰ ঘৰবোৰ পুৰণি হৈ আহিছে। বৰষুণ দিলে তোমালোকে কষ্ট পাবা। ঘৰবোৰ বনাবলৈ ধন লাগে। আনকি দানা-পানী দিব নোৱাৰাৰ বাবে গাইবোৰ ক্ষীণাই গৈছে। যাৰ ফলত আগৰ দৰে গাখীৰ আমি নোপোৱা হৈ আহিছোঁ। সেয়ে, তোমালোককো গাখীৰ দৈ আদি খুৱাব পৰা নাই। গতিকে আশ্ৰমখন টনকিয়াল কৰিবলৈ আমাক ধনৰ প্ৰয়োজন হৈছে। তোমালোকে গাৱঁত গৈ চুৰ কৰি ধন গোটাই আনিব লাগে। কিন্তু এটা কথা। তোমালোকে যে ধন-সোণ আনিবা, সেইবোৰ কথা কোনেও গম পাব নেলাগিব। যদি মানুহে গম পাই, তেতিয়া আশ্ৰমখনৰ বদনাম হ'ব। তোমালোকক এই কামটো কৰিবলৈ এমাহ সময় দিয়া হৈছে। যিজনে বেচি ধন-সোণ চুৰ কৰি আনিব পাৰিব, সেইজনক আশ্ৰমখন চলাবলৈ দায়িত্ব দিয়া হ'ব"।

গুৰুদেৱৰ কথা শুনি শিষ্যসকলে যেতিয়াই মন যায়, তেতিয়াই দিনে ৰাতিয়ে যিকোনো সময়ত ওলাই গৈ ধন- সোণ, মণি- মুকুতা আদি চুৰ কৰা কামত ব্যস্ত হৈ পৰিল।

ইফালে বিদ্যাৱতীয়ে প্ৰতিজন শিষ্যৰ নামত একোটা মোনা চিলাই কৰি, মোনাবোৰত শিষ্যসকলৰৰ নাম লিখি শাৰী শাৰী কৈ সজাই থ'লে। শিষ্যসকলে চুৰ কৰি অনা ধন-সোণবোৰ নিজৰ নিজৰ মোনাত ভৰাই ৰাখি গ'ল।

চুৰ কৰিবলৈ দিয়া এমাহ সময় পাৰ হ'ল। এদিন গোটেই শিষ্যবোৰক মাতি আনি মোনাবোৰ খুলি কোনে কিমান গোটাব পাৰিলে হিচাপ কৰিব ধৰিলে। কোনোবাই একুৰি, কোনোবাই দুকুৰি, কোনোবাই পাঁচ কুৰিকৈ বহুতে বহুত ধন-সোণ গোটালে। তাৰে মাজতে কোনজনক আশ্ৰমখন চলাবলৈ দায়িত্ব দিব সেই কথা মনতে ভাৱি শিষ্যসকলে উৎকণ্ঠাৰে অপেক্ষা কৰিব ধৰিলে।

ইমানবোৰ ধন-সোণৰ মাজত এটা মোনাত মাত্ৰ এটা সোণৰ মুদ্ৰা পালে। সেই এটা সোণৰ মুদ্ৰা থকা

শিষ্যজনৰ নাম - সত্যব্রত। তাকে দেখি লগৰীয়া বোৰে হাঁহিব ধৰিলে।

গুৰুদেৱে সত্যব্রতক মাতি সুধিলে- "সত্যব্রত, তোমাৰ লগৰীয়াবোৰে ইমানবোৰ ধন-সোণ গোটাব পাৰিলে তুমি কিয় নোৱাৰিলা?"

তেতিয়া সত্যব্রতে বিনয়েৰে ক'লে- "গুৰুদেৱ, মই আপোনাৰ শিষ্য। আপুনি মোৰ গুৰু। গতিকে গুৰুদেৱৰ পদমৰ্য্যাদাক শ্ৰদ্ধা কৰি চুৰ কাম কৰিবলৈ মোৰ সৎ নগ'ল।"

সত্যব্রতৰ কথা শুনি গুৰুদেৱে অলপ খং কৰি ক'লে- "ইমানবোৰ শিষ্যই ধন-সোণ চুৰ কৰি আনিলে, তুমিহে নোৱাৰিলা। তুমি বৰ অকৰ্মণ্য আৰু এলেহুৱা"।

তেতিয়া সত্যব্রতে ক'বলৈ ধৰিলে- "গুৰুদেৱ, এদিন ৰাতি মই এঘৰ মানুহৰ ঘৰত মূদ্ৰা চুৰ কৰিবলৈ সোমাই গ'লোঁ। তেতিয়া ঘৰৰ মানুহবোৰ শুই নিঃপালি দি আছিল। মই মনে মনে পেৰা খুলি কেইবাটাও মূদ্ৰা হাতত তুলি ল'লোঁ। তেতিয়াই আপুনি দিয়া শিক্ষা আৰু উপদেশবোৰলৈ মোৰ মনত পৰিল"।

"মই কি উপদেশ দিছিলোঁ সত্যব্রত?" গুৰুদেৱে গহীনাই সুধিলে।

"গুৰুদেৱ, আপুনি কৈছিল- অসৎ উপায়েৰে ধন নঘটিবা। অহিত চিন্তা কৰি আনৰ মনত দুখ নিদিবা। আপোনাৰ সেই উপদেশ মনত পৰাৰ লগে লগে পুনৰ মূদ্ৰা কেইটা পেৰাত ভৰাই মই গুচি আহিলোঁ। মানুহ ঘৰে মোৰ উপস্থিতিৰ কথা গমেই নেপালে"।

"কিন্তু, তোমাক যে মই চুৰ কৰি ধন-সোণ গোটাব দিছিলোঁ, সেই কথা কিয় উলংঘা কৰিলা? তোমৰ লগৰ সকলোৱে মোৰ বাক্য পালন কৰি ধন-সোণ আনিলে কেৱল তুমিহে নোৱাৰিলা"।

"গুৰুদেৱ, আপোনাৰ বাক্য উলংঘা কৰাৰ বাবে মোৰ দোষ হৈছে সঁচা। তাৰ বাবে আপোনাৰ যিকোনো শাস্তি মূৰ পাতি ল'বলৈ মই প্ৰস্তুত। কিন্তু, আপোনাৰ বাক্য পালন কৰি যদি মই চুৰ কৰিলোঁহেঁতেন, তেতিয়া আপুনি আমাক দিয়া শিক্ষাৰ মূল্য নেথাকিব। আপোনাৰ শিক্ষাক অমান্য কৰি মই যদি চুৰি বিদ্যা গ্ৰহণ কৰোঁ, তেতিয়া আপোনাৰ শিষ্য সত্যব্রত চোৰ হ'ল বুলি সমাজে আপোনাক হাঁহিব। সমাজত আপোনাৰ পদমৰ্যাদা লাঘৱ হ'ব। সমাজত আপোনাক মই হাঁহিয়াতৰ পাত্ৰ হ'ব দিব নোৱাৰোঁ গুৰুদেৱ। জনমানসত আপুনি সদায় এজন নমস্য ব্যক্তি হৈ থকাতো মই কামনা কৰোঁ। সেই কথা ভাৱিয়েই মই চুৰি কাৰ্যৰ পৰা বিৰত থাকিলোঁ"।

সত্যব্রতৰ কথা শুনি সত্যব্রতক উপলুঙা কৰা শিষ্যবোৰ গহীন হৈ পৰিল। সত্যব্রতৰ যুক্তিক কোনেও খণ্ডন কৰিব নোৱাৰিলে। বিদ্যাৱতীয়ে কথাবোৰ শুনি বৰ আনন্দ পালে। আনন্দ পালে গুৰু জ্ঞাননিষ্ঠইও।

"পিছে তুমি এই মূদ্ৰাটো আনিলা ক'ৰ পৰা?" গুৰুদেৱে সত্যব্রতক পুনৰ সুধিলে।

তেতিয়া সত্যব্রতেনো কেনেকৈ এই মূদ্ৰাটো লাভ কৰিছিল, সেই কথা জানিবলৈ হ'লে কাহিনীটো হ'ব এনেধৰণৰ-

এদিন দুপৰীয়া সত্যব্রতে পথাৰৰ মাজত থকা এজোপা গছৰ তলত বহি, কেনেকৈ চুৰ নকৰাকৈ ধন গোটাব পাৰি সেই কথা ভাৱি আছিল। তেতিয়া পথাৰত ফাণ্ড পাতি চৰাই ধৰি থকা এজন চিকাৰী ল'ৰাই তাক দেখা পালে। চিকাৰী ল'ৰাজনে আহি সত্যব্রতে কিয় মন মাৰি বহি আছে সেই কথা সুধিলে। তেতিয়া সত্যব্রতে সকলোবোৰ কথা খুলি ক'লে। সত্যব্রতৰ কথা শুনি চিকাৰী ল'ৰাজনৰ বেজাৰ লাগিল। আশ্ৰমত থাকি তাৰো পঢ়িবৰ বৰ মন আছিল। কিন্তু তাৰ পঢ়াৰ সৌভাগ্য নহ'ল। আশ্ৰমখনলৈ অনুদান এটি আগবঢ়াবলৈ তাৰ মন গ'ল। চিকাৰী ল'ৰাজনে নিজৰ নাম অঙ্গদ বুলি পৰিচয় দি সত্যব্রতৰ নাম সুধিলে। সত্যব্রতে নিজৰ নাম ক'লে। এতিয়া দুয়ো বন্ধু হৈ পৰিল। অঙ্গদে সত্যব্রতক তাৰ ঘৰলৈ

লৈ গ'ল।

অঙ্গদৰ দেউতাক সৰুতে ঢুকাল। ঘৰখনত দুজন মানুহ। অকল মাক আৰু সি। মাকৰ নাম সুনীতি। সুনীতিয়ে যাৰে-তাৰে ঘৰত কাম কৰি পুতেকৰ স'তে কোনোমতে খাইবৈ জীয়াই আছে। অঙ্গদে মাকক সকলোবোৰ কথা ক'লে। আশ্ৰমখন নতুনকৈ নিৰ্মাণ কৰিব বুলি জানি সুনীতিয়েও আনন্দ পালে। সুনীতিয়ে বিয়া হৈ আহোঁতে কেইটামান সোণৰ মুদ্ৰা দেউতাকে দি পঠিয়াইছিল। তাৰে দুটামান মুদ্ৰা অঙ্গদৰ দেউতাকক চিকিৎসা কৰোঁতে গ'ল। এতিয়া মাত্ৰ এটা মূদ্ৰাহে আছে। সেই মূদ্ৰাটোকে অঙ্গদৰ মাকে সত্যব্ৰতৰ হাতত তুলি দিলে। আৰু সেইটোৱেই এইটো সোণৰ মূদ্ৰা বুলি কৈ সত্যব্ৰত মৌন হৈ ৰ'ল।

সত্যব্ৰতৰ মুখে কথাবোৰ শুনাৰ পিছত বিদ্যাৰতীয়ে পিতৃগুৰু জ্ঞাননিষ্ঠৰ লগত আলোচনা কৰি ঘোষণা কৰিলে যে- আজিৰ পৰা আশ্ৰমখন পৰিচালনা কৰাৰ দায়িত্ব সত্যব্ৰতক দিয়া হ'ল।

শিষ্যসকলে প্ৰতিবাদ কৰিলে- যিজন শিষ্যই মাত্ৰ এটা মূদ্ৰা আনিছে তেওঁ কেনেকৈ আশ্ৰমৰ দায়িত্ব পাব? যিজন শিষ্যই বেচি ধন সংগ্ৰহ কৰিছিল, আচলতে সেইজনেহে আশ্ৰমখনৰ দায়িত্ব পাব লাগে।

তেতিয়া গুৰু জ্ঞাননিষ্ঠই বুজাই দিলে যে- "আচলতে সত্যব্ৰতে যি মাত্ৰ এটা মূদ্ৰা আনিছে, সেই মূদ্ৰাটো সৎ পথেৰে সংগ্ৰহ কৰি আনিছে। তাকো সেয়া কোনোবাই অনুদান দিছে। সেই অনুদান সংগ্ৰহ কৰাটো দোষণীয় নহয়। ইয়াতে সত্যব্ৰতৰ সৎ মনোভাৱ পৰিস্ফুট হৈ উঠিছে। আচলতে আশ্ৰমখন চলাবলৈ এজন সৎ নিষ্ঠাবান ব্যক্তি লাগে। আমি আজি প্ৰমাণ পালোঁ যে- সত্যব্ৰত এজন সৎ ব্যক্তি। তেওঁ ভৱিষ্যতে অসৎ কৰ্ম কৰি আশ্ৰমৰ ধন- সম্পত্তিবোৰ আত্মসাত কৰিব বুলি আমাৰ মনে নকয়।

নীতিগত কিছুমান নিয়ম মানি পৰীক্ষা লৈ কৰ্মত নিযুক্তি দিয়াটো ভাল। এইবোৰ কথা চিন্তা কৰিয়েই তোমালোকৰ মাজত এই পৰীক্ষাটো লোৱা হৈছিল। যিটো পৰীক্ষাত সত্যব্ৰত উত্তীৰ্ণ হৈছে।"

অৱশ্যে তোমালোকেও আশ্ৰমৰ ধন সম্পত্তি আত্মসাৎ নকৰা বুলি আমাৰ বিশ্বাস। তোমালোকে কথাবোৰ গভীৰ ভাৱে চিন্তা নকৰি গুৰুৰ বাক্য পালন কৰি আশ্ৰমখনৰ উন্নতিৰ বাবে ধন-সোণ চুৰি কৰি আনিছা। ইয়াত তোমালোকৰ দোষ নাই।

তেতিয়া শিষ্যসকলে নিজৰ ভুল বুজিব পাৰি অনুশোচনা কৰিব ধৰিলে। ইমানবোৰ শিষ্যৰ মাজত এজন সৎ নিষ্ঠাবান পৰিচালক বিচাৰি পাই সকলো শিষ্যই আনন্দ মনে হৰ্ষধ্বনি দি হাতচাপৰি বজাই সত্যব্ৰতক আদৰণি জনালে।

পিছত গুৰু জ্ঞাননিষ্ঠই শিষ্যসকলক চুৰ কৰি অনা ধন-সোণবোৰ নিজা নিজা গৃহস্থক ঘূৰাই দিবলৈ উপদেশ দিলে। সেইমতে শিষ্যসকলে ধন-সোণবোৰ নিজা নিজা গৃহস্থক ঘূৰাই দিলগৈ।

ইফালে গুৰু জ্ঞাননিষ্ঠই সুনীতিৰ পুত্ৰ অঙ্গদৰ শিক্ষাৰ প্ৰতি ধাউতি থকা বুলি জানি অঙ্গদক মাতি আনি আশ্ৰমত শিষ্য হিচাপে অন্তৰ্ভুক্ত কৰাই ল'লে। ঘৰত সুনীতি অকলশৰীয়াকৈ থাকিব লগা হোৱাৰ বাবে সুনীতিকো আশ্ৰমত আশ্ৰয় দিলে। সুনীতিয়ে বিভিন্ন কামকাজ কৰি আশ্ৰমখন পৰিস্কাৰ কৰি ৰাখিবলৈ যত্ন কৰিলে। সত্যব্ৰতৰ সুদক্ষ পৰিচালনাত আশ্ৰমখন দিনকদিনে শ্ৰীবৃদ্ধি পাই আহিব ধৰিলে। গুৰু জ্ঞাননিষ্ঠ আৰু বিদ্যাৰতীৰ তত্ত্বাৱধানত শিষ্য সকলে আনন্দমনে শিক্ষা গ্ৰহণ কৰি সকলোৱে এদিন একোজন বিদ্বান পণ্ডিত হৈ পৰিল।

*বিঃদ্ৰঃ ইংৰাজী ভাষাত থকা এটা ক্ষুদ্ৰ গল্পক অনুবাদ কৰি কিছু সাল-সলনি ঘটাই সুনীতি আৰু অঙ্গদ নামৰ দুটা চৰিত্ৰ সৃষ্টি কৰি কাহিনীভাগ দীঘল কৰা হৈছে।*

# ৰাসক্ৰীড়া

## প্ৰতিমা চেতিয়া

ৰাসক্ৰীড়াৰ মূল উৎস ঋগ্‌বেদ যদিও ভাসৰ বালচৰিত, হৰিবংশ, বিষ্ণুপুৰাণ, ব্ৰহ্মবৈৱৰ্তপুৰাণ আৰু ভাগৱত পুৰাণ আদিতো ইয়াৰ উল্লেখ পোৱা যায়। যুগপৰিবৰ্তনৰ লগে লগে যিকোনো মতবাদ বা আখ্যানসমূহে নতুন নতুন ৰূপ পৰিগ্ৰহণ কৰে। বৈদিক যুগত ঋগ্‌বেদত উল্লেখিত সমন নামৰ আধ্যাত্মিক নৃত্য-গীত প্ৰধান অনুষ্ঠান এটাই সেইদৰে পৰৱৰ্তী কালছোৱাত পৰিৱৰ্তিত ৰূপত ৰাসক্ৰীড়া নামেৰে জনপ্ৰিয়তা লাভ কৰিলে। প্ৰাচীন ভাৰতীয় সাহিত্যৰ আধাৰত গঢ় লৈ উঠা ৰাসক্ৰীড়া অসমীয়া সমাজত জনপ্ৰিয় হৈ পৰিল অনুদিত ভাগৱত পুৰাণ আৰু শংকৰদেৱৰ দ্বাৰা ৰচিত কীৰ্তনৰ যোগেদি। এইখিনিতে এটা কথা উল্লেখনীয় যে ঋগ্‌বেদৰ সমন শব্দৰ ঠাইত পৰৱৰ্তী সময়ত অন্যান্য পুৰাণসমূহত বিভিন্ন নামেৰে উল্লেখ কৰা হ'ল। ভাসৰ বালচৰিতত হল্লীশ, ভৰত মুনিৰ নাট্যশাস্ত্ৰত হল্লীশ আৰু ৰাস, ভাগৱত পুৰাণ আৰু বিষ্ণুপুৰাণত ৰাস, হৰিবংশত হল্লীশ আৰু ছালিক্য শব্দ প্ৰয়োগ কৰা দেখা যায়। হল্লীশ, ছালিক্য আৰু ৰাস যি শব্দই প্ৰয়োগ নকৰক কিয় ইয়াৰ আদিমতম ৰূপ যে ঋগ্‌বেদৰ সমন উৎসৰ তাত সন্দেহৰ থল নাই। সমন শব্দৰ ঠাইত উক্ত শব্দকেইটা প্ৰয়োগ কৰাৰ লগতে অন্যান্য পুৰাণসমূহত এই নৃত্য-গীত প্ৰধান অনুষ্ঠানটো কিছু কিছু ক্ষেত্ৰত পৰিৱৰ্তিত ৰূপত দেখা গ'ল।

ঋগ্‌বেদত উল্লেখিত সমন উৎসৱত ইন্দ্ৰাণী নামৰ এগৰাকী কামনাৰ দেৱীক উপাসনা কৰা হয়। এই উপাসনাৰ উদ্দেশ্য আছিল ঐহিক সম্পদ লাভ। ভক্তই যি মনোবাঞ্চাৰে এই দেৱীক উপাসনা কৰে সেই মনোবাঞ্চা দেৱীয়ে পূৰণ কৰে। উপাসনাৰ মাধ্যম হ'ল নৃত্য আৰু গীত। এই অনুষ্ঠানত পুৰুষ আৰু নাৰী উভয়ে অংশগ্ৰহণ কৰে। দিনত ৰথ আৰু ঘোঁৰা দৌৰ, নিশাভাগত হাতে হাতে ধৰি নৃত্য-গীত পৰিবেশন কৰে। এই অনুষ্ঠানৰ লক্ষ্য পাৰ্থিৱ ভোগবাদৰ মাজতে সীমাবদ্ধ। পৰৱৰ্তী সময়ত পুৰাণসমূহত এই অনুষ্ঠানৰ বৰ্ণনাত পাৰ্থক্য পৰিলক্ষিত হ'লেও হৰিবংশত বৰ বিশেষ পৰিবৰ্তন দেখা নাযায়। হৰিবংশৰ বৰ্ণনাত শৰৎ কালত শ্ৰীকৃষ্ণই বলোৰাম, তেওঁৰ পত্নী, যাদৱগণ আৰু সহস্ৰ গণিকাৰে সৈতে সমুদ্ৰ যাত্ৰা কৰে। সমুদ্ৰৰ তীৰত শ্ৰীকৃষ্ণই তেওঁলোকৰ সৈতে নানা ধৰণৰ নৃত্য-গীত কৰে আৰু তাত নাৰদ মুনিৰ লগতে স্বৰ্গৰ বহু অপ্সৰা নামি আহি সেই অনুষ্ঠানত অংশগ্ৰহণ কৰে। এই নৃত্য-গীত প্ৰধান অনুষ্ঠানত কৃষ্ণ আৰু গোপীগণৰ মাজত উৎকট যৌন সম্বন্ধও ঘটা দেখা যায়। হৰিবংশত উল্লেখিত এই অনুষ্ঠানটোৱে বিষ্ণুপুৰাণ, ব্ৰহ্মব্ৰহ্মবৈৱৰ্তপুৰাণ আৰু ভাগৱত পুৰাণতো গুৰুত্ব লাভ কৰিলে। অৱশ্যে ৰাতিৰ নৃত্য-গীতেহে প্ৰাধান্য পালে, তাৰ পৰিৱৰ্তে দিনৰ খেলধেমালি গুৰুত্বহীন হৈ পৰিল। লগতে গোপী-কৃষ্ণৰ এই নৃত্য-গীত প্ৰধান অনুষ্ঠানটো বিষ্ণুপুৰাণত হৰিবংশ আৰু ব্ৰহ্মবৈৱৰ্ত পুৰাণতকৈ ভক্তিবাদৰ প্ৰভাৱ দেখা যায়। ভাগৱত পুৰাণত আকৌ তাতোকৈ অধিক ভক্তিবাদী ৰূপত ৰাসক্ৰীড়াৰ বিৱৰণ পোৱা যায়। ইয়াত কৃষ্ণক পৰমাত্মা আৰু গোপীগণক জীৱাত্মা হিচাপে দেখুৱাই ব্ৰহ্মতত্ব, জীৱতত্ব আৰু মায়াতত্বৰ ব্যাখ্যাৰে ৰাসক্ৰীড়াক গভীৰ দাৰ্শনিক তথ্যসমৃদ্ধ কৰা হ'ল। লগতে গোপীসকলৰ কৃষ্ণপ্ৰেমক লৌকিক প্ৰেমৰ পৰা উত্তৰণ ঘটাই

আধ্যাত্মিক প্ৰেমলৈ ৰূপান্তৰ ঘটোৱা দেখা গ'ল।

ভক্তিবাদী ধৰ্মৰ প্ৰৱৰ্তক আৰু প্ৰচাৰক মহাপুৰুষ শংকৰদেৱে ৰাসক্ৰীড়া খণ্ডটি প্ৰধানকৈ ভক্তিবাদী পুৰাণ হিচাপে পৰিগণিত ভাগৱত পুৰাণৰ পৰাই গ্ৰহণ কৰিছে। অৱশ্যে গোপী কৃষ্ণৰ মণ্ডালাকাৰে নৃত্য কৰা আৰ্হিটো বিষ্ণুপুৰাণ আৰু ভাগৱত পুৰাণ দুয়োখনৰ পৰাই গ্ৰহণ কৰিছে। লগতে হৰিবংশত বৰ্ণিত গোপী কৃষ্ণৰ কামগন্ধযুক্ত বৰ্ণনাটোও শংকৰদেৱে কীৰ্তনত গ্ৰহণ কৰিছে। বিষয়ৰ দিশত কীৰ্তনৰ ৰাসক্ৰীড়া অন্যান্য পুৰাণ সমূহৰ পৰা গ্ৰহণ কৰিলেও ভাৱবস্তুৰ দিশত পাৰ্থক্য বিৰাজমান। বাহ্যিক দৃষ্টিত কৃষ্ণই গোপীগণৰ সৈতে ৰতিক্ৰিয়াত লিপ্ত হোৱা যেন লাগিলেও কৃষ্ণ কিন্তু ৰতিক্ৰিয়াত লিপ্ত হোৱা নাই। কীৰ্তনত বৰ্ণিত কৃষ্ণ সাধাৰণ মানৱ নহয়, তেওঁ নিৰাকাৰ, নিৰঞ্জন পূৰ্ণব্ৰহ্মাস্বৰূপ। সেয়ে গোপীসকল কৃষ্ণপ্ৰেমত যিদৰে মোহাচ্ছন্ন, কৃষ্ণ কিন্তু তেওঁলোকৰ প্ৰতি সেইদৰে মোহাচ্ছন্ন হোৱা নাই।

শৰৎ কালৰ আহিন মাহৰ শুক্লা ত্ৰয়োদশী তিথিৰ নিশা কৃষ্ণই ৰাসলীলা কৰাৰ মানসেৰে বৃন্দাবনৰ শ্ৰীৰাস মণ্ডললৈ গ'ল। চাৰিওফালে ফলে-ফুলে জাতিষ্কাৰ সেই ৰাসমণ্ডল অতি বিতোপন। তাত নানা ধৰণৰ গছ যেনে- কদম, চন্দন, অগৰু, বেল, আম, জাম, কঁঠালৰ লগতে গোলাপ, গন্ধৰাজ, বকুল, জবা, চামেলি, শেৱালি, মালতী, সূৰ্যমুখী, চন্দ্ৰমুখী, কৃষ্ণচূড়া, গোৱালচি আদি ফুলৰ শাৰী। শাৰী শাৰী গছ-বন আৰু ফুলৰ মাজত থকা সৰোবৰত আছে নানা ধৰণৰ মাছ আৰু কাছ। বৰ্ণনাৰে বুজাব নোৱাৰা অতি মনোৰম সেই ৰাসমণ্ডল। কৃষ্ণই ভালদৰে জানে যে তেওঁৰ বাঁহীৰ সুৰত গোপিনীসকল অতিশয় মুগ্ধ। বাঁহীৰ শব্দ শুনি গোপীগণে দহোবন কাতি কৰি কৃষ্ণৰ প্ৰেমত মতলীয়া হয়। আনকি গোপীসকলে তেওঁক স্বামী ৰূপত পাবলৈও মানস কৰে। দিনটোৰ ভিতৰত ৰাধাই কৃষ্ণক এবাৰ দেখা নাপালে উন্মাদিনী হৈ পৰে। কৃষ্ণই জানিছিল যে গোপীসকল তেওঁৰ ৰূপ আৰু কাৰ্যৰ প্ৰতিহে মুগ্ধ। সেয়ে নিশা কৃষ্ণৰ বাঁহীৰ মাত শুনি তেওঁলোকে কি কৰে, কৃষ্ণক কিয় ভাল পাইছে, প্ৰকৃততে তেওঁনো কোন আৰু কি ভাবে ভাল পালে মুক্তি পাব পাৰি সেই শিক্ষা দিবলৈকে কৃষ্ণৰ ৰাসলীলাৰ আয়োজন। কৃষ্ণই ৰাসমণ্ডলৰ পৰা সেই উদ্দেশ্যে বাঁহী বজালে। সেই সময়ত ব্ৰজবাসী নিদ্ৰাত মগ্ন। কিন্তু কৃষ্ণৰ প্ৰেমত মতলীয়া গোপীসকলে বাঁহীৰ সুৰ শুনি ব্যাকুল হৈ গৃহকাৰ্য, পুত্ৰাদি এৰি কৃষ্ণৰ ওচৰলৈ ঢাপলি মেলিলে। সেই কথা কীৰ্তনত এনেদৰে কোৱা হৈছে-

বনকো দেখিল চন্দ্ৰৰশ্মিয়ে ৰঞ্জিত।<br>
সুস্বৰ মধুৰ কৰি হৰি গাইল গীত।।<br>
শুনি কামে উত্ৰাবল হুয়া গোপীগণে।<br>
দিলেক লৰড় গীত-ধ্বনি নিৰীক্ষণে।। **৮০৯**

ৰাধাই বাঁহীৰ মাত শুনাৰ লগে লগে উত্ৰাৱল হৈ একেজাপে বিছনাৰ পৰা উঠি বাঁহীৰ মাত শুনা ঠাইলৈ দৌৰ মাৰিলে। লগতে অন্যান্য গোপীসকলেও বাঁহীৰ মাত শুনি নিজৰ কৰ্ম এৰি কৃষ্ণৰ ওচৰলৈ লৰ ধৰিলে। খৰ-ধৰ কৰোঁতে কোনোবাই খোপা বান্ধিবলৈ পাহৰিছে, কোনোবাই ভৰিত পিন্ধা অলংকাৰ ডিঙিত পিন্ধিছে, কোনোৱে আকৌ স্তনপান কৰোৱাই থকা সন্তানক তাতে এৰিলে, কোনোৱে কৃষ্ণক খুৱাবলৈ মাখন লৈছে, কোনোৱে পূজা কৰিবলৈ ফুল-তুলসী, ধূপ-চাকি লৈছে আৰু কোনোৱে গাই খীৰাই কৃষ্ণলৈ গাখীৰ লৈছে। কিছুমানে নিশা শোৱা পোছাক পিন্ধিয়েই কৃষ্ণৰ ওচৰলৈ দৌৰ মাৰিছে। সাৰে থকা দুজনীমান গোপিনীয়ে আপ্যায়িত আলহীক তাতে এৰিছে; কোনোবাই আকৌ স্বামী আক মাক-দেউতাকৰ বাধা নেওচি গৈ কৃষ্ণৰ ওচৰত সমবেত হ'ল। সহস্ৰ গোপিনীয়ে কৃষ্ণৰ মনোহৰ ৰূপ দৰ্শন কৰি, গাখীৰ, মাখন যিয়ে যি নিছিল খুৱালে, পূজা-সেৱা কৰিবলৈ যোৱাসকলে পূজা আগবঢ়ালে। তেতিয়া কৃষ্ণই গোপিনীসৱক কুশল বাৰ্তা সুধিলে আৰু তেওঁলোকৰ

বাবে তেওঁ কি প্ৰিয় কাৰ্য কৰিব পাৰে সেই কথা সোধাৰ লগতে প্ৰশ্ন কৰিলে কৃষ্ণৰ ওচৰলৈ তেওঁলোক অহাৰ কাৰণ কি?

চাকৰি পাবলৈ হ'লে পদপ্ৰাৰ্থীয়ে যেনেকৈ প্ৰথমে নিৰ্দিষ্ট পৰীক্ষাত অৱতীৰ্ণ হ'ব লাগে আৰু চাকৰিত নিয়োজিত হোৱাৰ পাছত আকৌ সেই চাকৰি নিগাজী হ'বলৈ আৰু প্ৰমোচন পাবলৈ যেনেদৰে খাপে খাপে বিভিন্ন পৰীক্ষাত অৱতীৰ্ণ হ'ব লাগে তেনেদৰে ভগৱানৰ চৰণ-যুগলৰ পদপ্ৰাৰ্থীয়েও পদে পদে পৰীক্ষা দিব লাগিব। পূৰ্বতে গোপীসকল বস্ত্ৰহৰণ পৰীক্ষাত অৱতীৰ্ণ হৈছিল যদিও সেই পৰীক্ষাত উত্তীৰ্ণ হ'ব নোৱাৰিলে বাবে ভগৱৎ প্ৰাপ্তিও সম্ভৱ নহ'ল। সেয়ে ৰাসক্ৰীড়াত গোপীসকল পুনৰ পৰীক্ষাত অৱতীৰ্ণ হ'ব লগাত পৰিল।

কিছুমান বিষয়ৰ পৰা নিবৃত্ত কৰিবলৈ হ'লে প্ৰথমে ভয় দেখুৱাব লাগে। মানুহৰ ঘাইকৈ তিনিটা ডাঙৰ ভয় থাকে। সেয়া হ'ল- প্ৰাণভয়, লোকভয় আৰু ধৰ্মভয়। কৃষ্ণইও গোপীসকলৰ তেওঁৰ প্ৰতি থকা অনুৰাগ পৰীক্ষা কৰাৰ উদ্দেশ্যে এই তিনিভয় দেখুৱালে। প্ৰথমে প্ৰাণভয় দেখুৱাই গোপীসকলক স্ব-গৃহলৈ উভতি যাবলৈ ক'লে-

দুৰ্ঘোৰ ৰজনী প্ৰেত পিশাচৰ গতি।
ঐত নাথাকিবা তোৱাসব স্ত্ৰী মতি।।
চৰে বাঘ ঘোঙ বৰাহৰ হুকহুকি।
পুৰুষৰে ভয় ভালুকৰ শুনি উকি।। দশম

কিন্তু গোপীসকলে কৃষ্ণৰ সান্নিধ্য পাবলৈ নিজৰ প্ৰাণকো তুচ্ছজ্ঞান কৰিলে।

ভক্তই যেতিয়া ভগৱন্তক পাবলৈ নিজৰ জীৱন উৎসৰ্গা কৰিবলৈ কুণ্ঠাবোধ নকৰিব তেতিয়া ভগৱৎ প্ৰাপ্তিৰ অধিকাৰী হ'ব। অৱশ্যে এই পৰীক্ষা কেৱল গোপীসকলৰ ক্ষেত্ৰতে প্ৰযোজ্য নহয়, ভগৱন্তক পাবলৈ আকাংক্ষা কৰা সকলো ভক্তৰ ক্ষেত্ৰতে প্ৰযোজ্য হয়। গোপীসকল এই পৰীক্ষাত উত্তীৰ্ণ হ'ল। এইবাৰ কৃষ্ণই গোপীসকলক লোকভয়ৰ কথা ক'লে-

তোমাসাক নেদেখিয়া পিতৃ মাতৃ ভাই।
পতিপুত্ৰচয় চাই ফুৰে ঠাই ঠাই।।
লাগ নাপাই মনে বৰ মিলিবে সংশয়।
পালটি গুচায়ো গৈয়া তাসম্বাৰ ভয়।। দশম

কিন্তু গোপীসকল অটল হৈ ৰ'ল। ভগৱন্তই তেওঁলোকক ব্যৱহাৰিক কৰ্তব্যৰ পৰা বিচ্যুত হোৱাৰ ভয় দেখুৱালে অৰ্থাৎ লৌকিক ব্যৱহাৰ ডাঙৰ নে, কৃষ্ণ ডাঙৰ সেই কথা পৰীক্ষা কৰিলে। এই পৰীক্ষাতো তেওঁলোক উত্তীৰ্ণ হ'ল। তাৰ পাছত কৃষ্ণই গোপীসকলক ধৰ্ম ভয়ৰ কথা অৱগত কৰিলে যে- আৰ্য হিন্দু ৰমণীৰ ধৰ্ম হ'ল-বিনয়, লজ্জাশীলতা, নম্ৰতা আৰু গৃহকাৰ্যত অনুৰাগ স্বাভাৱিক ভূষণ প্ৰাণতকৈও বহুগুণে ওপৰত। শাস্ত্ৰবিধি মতে তিৰোতাৰ পতিয়েই সৰ্বস্ব, পতিসেৱাই তিৰোতাৰ ধৰ্ম, ইয়াৰ পৰিৱৰ্তে আন ধৰ্মানুষ্ঠান তিৰোতাৰ বাবে নিষ্ফল। কৃষ্ণই এইবোৰ কথা কোৱা সত্বেও গোপীসকলে কৃষ্ণ যে তেওঁলোকৰ বাবে সেইবোৰতকৈ বহুগুণে ওপৰত তাকে প্ৰমাণ কৰি দেখুৱালে। গতিকে কৃষ্ণৰ এই পৰীক্ষাতো গোপীসকল উত্তীৰ্ণ হ'ল আৰু ভগৱৎ প্ৰাপ্তি তেওঁলোকৰ বাবে সহজসাধ্য হৈ পৰিল।

ৰাসক্ৰীড়াৰ তাত্বিক দিশৰ প্ৰতি লক্ষ্য কৰিলে দেখা যায় বেদান্ত দৰ্শনৰ ব্ৰহ্মবাদ আৰু মায়াবাদৰ যোগেদি গীতাৰ ভক্তিবাদৰ প্ৰকাশ ঘটিছে। পূৰ্ণব্ৰহ্মা স্বৰূপ কৃষ্ণই ৰাসক্ৰীড়াত মায়াৰ জাল সৃষ্টি কৰি গোপীসকলক মায়াবিষ্ট কৰি ৰাখিছে। দুগৰাকী গোপীৰ মাজত একোজনকৈ কৃষ্ণই স্থিতি লৈ ক্ৰীড়া কৰা কাৰ্যই কৃষ্ণ যে পৰমব্ৰহ্মা সেই কথা প্ৰতিপন্ন হৈছে। এই কথা কীৰ্তনত এনেদৰে পোৱা যায়-

দুহো গোপী মাজে এক ভৈলন্ত মাধৱ।
প্ৰৱৰ্তিল তথা ৰাসক্ৰীড়া মহোৎসৱ।। **১৩১**

কিন্তু মায়াত আবদ্ধ গোপীগণে সেই কথা বুজি নাপায়। গোপীসকলে যমুনাৰ তীৰত কৃষ্ণৰ সৈতে

লীলাকেলি কৰি থকাৰ সময়ত তেওঁলোকৰ স্বামীয়ে নিজ পত্নীক নিজৰ কাষতে পাইছে। মায়াত মোহাচ্ছন্ন জীৱই যে মায়াৰ খেলা বুজি নাপাই সেই কথা ৰাসক্ৰীড়াত এনেদৰে কৈছে-

ভকতৰ পদে আপুনি হৰি।
ক্ৰীড়ীলা ৰঙ্গে নৰদেহা ধৰি।। **১৬**

ভাৰতীয় অধ্যাত্মিক দৰ্শন অনুসৰি মায়াই জীৱৰ মাজত ভ্ৰমৰ সৃষ্টি কৰে আৰু ভ্ৰমত পৰি জীৱই অজানিতে অহংকাৰ কৰিবলৈ ধৰে। অহংকাৰে জীৱক দুৰ্ভোগ ব যাতনা ভোগায়। গোপীসৰৰ মাজেদি ৰাসক্ৰীড়াত এই তত্বকথাৰ সম্ভেদ পাব পাৰি পৰমব্ৰহ্মাস্বৰূপ কৃষ্ণৰ ভূবন মোহন ৰূপ আৰু তেওঁৰ বাঁহীৰ সুৰত মোহাবিষ্ট গোপীসকলে নাজানে কৃষ্ণ যে পৰমব্ৰহ্ম। সেয়ে তেওঁলোকে অজানিতে কৃষ্ণক পাই গৰ্বিত অনুজ কৰে। আনকি গৰ্বিত ৰাধাই কষ্ণৰ কান্ধত উঠিবলৈও কণ্ঠৰোধ নকৰিলে। কৃষ্ণই তেওঁলোকৰ গৰ্ব চূৰ্ণ কৰাৰ মানসেৰে সেয়ে হঠাৎ অন্তৰ্ধান হয়। অৱশ্যে ৰাধা তথা অন্যান গোপীসকলে তেওঁলোকৰ ভুল বুজিব পাৰি অনুশোচনাত দগ্ধ হয়। অজানিতে কৰ তেওঁলোকৰ ভুলৰ ক্ষমা-প্ৰাৰ্থনা বিচাৰি বিভিন্ন ধৰণেৰে কাকৃতি মিনতি কৰিবলৈ ধৰাত কৃষ্ণই তেওঁলোকৰ আগত পুনৰ ধৰা দিয়ে। কিন্তু কৃষ্ণক ৰাসক্ৰীড়াত জিতেন্দ্ৰিয় ৰূপতা দেখা গেছে। অৰ্থাৎ কৃষ্ণ পৰমাত্মা আৰু পৰমাত্মা কেতিয়াও ইন্দ্ৰিয়াসক্ত নহয়। সেইকথা কীৰ্তনৰ ৰাসক্ৰীড়াত এনেদৰে কৈছে-

পৰম ঈশ্বৰে কৰে অকৰ্ম।
তেজস্বীত কিছু নাহি অধৰ্ম।।
সৰ্বভক্ষ বহ্নি সবাকো শোষে।
তথাপিতো যেন নোছোৱে দোষে।। **১৬৩**

প্ৰথমাৱস্থাত সেইকথা গোপীসকলৰ অজ্ঞ আছিল, তেওঁলোকৰ কৃষ্ণৰ প্ৰতি যি আকৰ্ষণ সেই আকৰ্ষণ আছিল দৈহিক। কৃষ্ণই দৰ্পচূৰ্ণ কৰাৰ পাছতহে কৃষ্ণৰ মাহাত্ম্যৰ কথা তেওঁলোকে উপলব্ধি কৰিব পাৰিলে। ইয়াৰ পৰা এটা কথা প্ৰতীয়মান হয় যে পৰমব্ৰহ্মাস্বৰূপ কৃষ্ণক পাবলৈ হ'লে যি ভাবেৰে নিবিচাৰক কিয় সেই পথ হ'ব লাগিব সৎ আৰু শুদ্ধ। নহ'লে তেওঁৰ সান্নিধ্য পোৱাত পলম হোৱাৰ লগতে কষ্টও পাব লাগিব।

গীতাৰ তত্ব অনুসৰি মহৎ ত্যাগৰ দ্বাৰাহে মহৎ প্ৰাপ্তি সম্ভৱ সেই কথা ৰাসক্ৰীড়াত সুন্দৰভাৱে প্ৰতিপন্ন হৈছে গোপীসকলৰ যোগেদি। ত্যাগৰ জৰিয়তে যে ভোগৰ আনন্দ লাভ কৰিব পাৰি, সেইকথা ঈশোপনিষদৰ প্ৰথম শ্লোকতে উল্লেখ পোৱা যায়। ৰাসক্ৰীড়াৰ গোপীসকলৰ কৃষ্ণ প্ৰেমকো দৈহিক প্ৰেমৰ পৰা ক্ৰমান্বয়ে আধ্যাত্মিক প্ৰেমলৈ উত্তৰণ ঘটাওতে সেইকথা তেওঁলোকক লাহে লাহে উপলব্ধি কৰোৱা দেখা যায়। গোপীসকলে যেতিয়া নিজৰ ঘৰ-সংসাৰ পতি-পুত্ৰ সকলো ত্যাগ কৰি নিজকে কৃষ্ণৰ ওচৰত আত্মসমৰ্পণ কৰে তেতিয়া কৃষ্ণই তেওঁলোকক উদ্দেশ্যি ক'ব পাৰিলে 'ভকতেসে মোৰ সুহৃদ প্ৰাণ'। গোপীসকলৰ কৃষ্ণৰ প্ৰতি থকা কামগন্ধযুক্ত প্ৰেমক ইন্দ্ৰিয়াতীত প্ৰেমলৈ ৰূপান্তৰ ঘটোৱাৰ লগতে সাধাৰণ মানৱৰ পৰা ভগবৎভক্তলৈ পৰিৱৰ্তিত কৰা হৈছে।

গভীৰ তত্বসমৃদ্ধ ৰাসক্ৰীড়াত বাহ্যিক দৃষ্টিত প্ৰাকৃত শৃংগাৰ ৰসৰ আৱৰণ আছে। সেয়ে অজ্ঞজনে ইয়াক অশ্লীল আখ্যা দিয়ে। কিন্তু এই আখ্যা অমূলক। কাৰণ ৰাসক্ৰীড়াৰ প্ৰণেতা, বক্তা আৰু শ্ৰৱণ কৰোঁতালৈ লক্ষ্য কৰিলে সেই কথা অনুধাৱন কৰিব পাৰি। এই ৰাসক্ৰীড়াৰ প্ৰণেতাজন সাধাৰণ লোক নহয়। তেওঁ হ'ল সত্যৱতীসুত মহৰ্ষি কৃষ্ণ দ্বৈপায়ন বেদব্যাস, যি নেকি বেদ বিভাগ কৰিছিল, চাৰিবেদৰ অনেক শাখা কৰিছিল, বেদান্ত দৰ্শনৰ প্ৰণয়ন কৰিছিল আৰু মহাভাৰতৰ লগতে ওঠৰ পুৰাণ ৰচনা কৰিছিল, যাক কীৰ্তনত বিষ্ণুৰ চতুবিংশতি অৱতাৰৰ এজন বুলি কোৱা হৈছে-

ব্যাস নামে ভৈলা সত্যৱতীৰ সন্ততি।
দেখিলাহা প্ৰজা ভৈলা আতি অল্পমতি।।

কৰিলা অনেক শাখা চাৰিও বেদৰ।
পুৰাণ ভাৰত শাস্ত্ৰ নিৰ্মিলা বিস্তৰ।।

ৰাসক্ৰীড়াৰ বক্তা হ'ল মহাভক্ত মহাযোগী জীৱন্মুক্ত পুৰুষ, বিষয়ত বিৰাগী শুকদেৱ। শুকদেৱে ব্যক্ত কৰা এই ৰাসক্ৰীড়াৰ শ্ৰোতা হ'ল ব্ৰাহ্মণৰ অভিশাপত অভিশপ্ত, অনুতাপগ্ৰস্ত, মুক্তিকামী মৃত্যুৰ সমীপত উপবিষ্ট মহাৰাজ পৰীক্ষিত। এই তিনিটা কথালৈ লক্ষ্য কৰিলে ভাবিব পাৰিনে যে ৰাসক্ৰীড়াত বাহ্যিকভাৱে দেখা পোৱা গোপীকৃষ্ণৰ প্ৰেমলীলা অশ্লীল? লোকমুক্তিৰ নিমিত্তে অৱতাৰ ধৰোঁতা ব্যাসদেৱে তেনে অশ্লীল কাৰ্য লিখিবনে বা মৃত্যুমুখী অভিশপ্ত পৰীক্ষিতৰ আগত আকৌ পৰোপকাৰী শুকদেৱে তেনে অশ্লীল বিলাসৰ বৰ্ণনা শুনোৱাতো বিশ্বাসযোগ্যনে? এই কথাৰ অৱসান ঘটাবলৈ আমি মহাপুৰুষ শংকৰদেৱৰ মূল ধৰ্মতত্বলৈ আঙুলিয়াব পাৰো। শংকৰদেৱৰ ভক্তিতত্ত্ব প্ৰকাশক গ্ৰন্থ ভক্তি ৰত্নাকৰত মায়াবিষ্ট হৈ মানুহৰ জীৱন কিদৰে মুমূৰ্ষ হৈ পৰে আৰু সেই অৱস্থাত কিদৰে ভগৱানৰ কৰুণা লাভ কৰি মুক্তিলাভ কৰিব পাৰি সেই কথা প্ৰতিপাদিত হৈছে। শ্ৰৱণ, কীৰ্তন, স্মৰণ, বন্দন, দাস্য, সখীত্ব, অৰ্চন, পদসেৱন আৰু দেহ অৰ্পণ এই নৱবিধ ভক্তিৰ আশ্ৰয়ত ভগৱানৰ কৃপা লাভ কৰি জীৱই যে পৰম পদ লাভ কৰিব পাৰে সেই কথাৰ সুন্দৰ ব্যাখ্যা গ্ৰন্থখনত আগবঢ়াইছে। এই নৱবিধ ভক্তিৰ ভিতৰত শ্ৰৱণ আৰু কীৰ্তনক উচ্চ স্থান দিয়া হৈছে। গতিকে ইয়াত শুকদেৱৰ দ্বাৰা কীৰ্তন আৰু পৰীক্ষিতৰ দ্বাৰা শ্ৰৱণ এই কথালৈ লক্ষ্য ৰাখি ৰাসক্ৰীড়া যে অশ্লীল সেই কথা ভাবিব নোৱাৰি। বৰঞ্চ ইয়াৰ মাজত ধানৰ বাকলিৰ ভিতৰত চাউল সোমাই থকাৰ দৰে গভীৰ তত্ত্বহে বিদ্যমান।

# মাৰাৰ অলংকাৰ থোৱা কাটি কৰি

## প্ৰণীতা শইকীয়া বৰা

বিবাহ হ'ল অসমীয়া সংস্কৃতিৰ বিষাদ-মধুৰ এক সামাজিক উৎসৱ। "জন্ম বিবাহ আৰু মৃত্যুক" অদৃষ্টৰ নিবন্ধন বুলি কৰি অহা বিশ্বাসৰ আধাৰতেই গঢ় লৈ উঠিছে বিবাহৰ আনুষ্ঠানিক প্ৰক্ৰিয়া। এই মাঙ্গলিক অনুষ্ঠানটি অনুষ্ঠিত কৰিবলৈ পৰম্পৰাগত ভাৱে কিছুমান ৰীতি-নীতি প্ৰচলিত হৈ আহিছে।এক কথাত ক'বলৈ গ'লে এই বিবাহ অনুষ্ঠানটিৰ সৌন্দৰ্যবৰ্দ্ধন কৰিছে নাৰীৰ হৃদয়ৰ গভীৰ বেদনা প্ৰকাশ কৰি ৰচনা কৰা বিয়ানামবোৰে। যেনেদৰে 'বৰগীত'ক অখ্যাত কবিৰ বিখ্যাত ৰচনা বুলি কোৱা হয়, ঠিক সেইদৰে বিয়ানামবোৰো কোনো অখ্যাত চহা মহিলাৰ আপুৰুগীয়া ৰচনা। মেধাৱী বুলি এই কাৰণেই কোৱা হৈছে যে বিয়ানামসমূহ ইমান সুন্দৰকৈ বিভিন্ন পৰিৱেশ পৰিস্থিতিৰ লগত ৰজিতা খুৱাই নিৰ্মাণ কৰা হৈছে যেন কোনো এখন তথ্যচিত্ৰৰ চলন্ত বিৱৰণীহে। তাৰোপৰি বিয়ানাম সমূহত ৰামায়ণ, মহাভাৰত আৰু পুৰাণৰ কাহিনী সমূহৰ পৰা ৰাম-সীতা, ৰাধা-কৃষ্ণ, হৰ-গৌৰী, শিৱ, ৰুক্মিণী আদি চৰিত্ৰসমূহ দৰা-কইনা, দৰাৰ মাক, কন্যাৰ মাকৰ প্ৰতীক হিচাপ সন্নিৱিষ্ট কৰিছে। যিটো কথাই প্ৰতিপন্ন কৰিছে যে বিয়ানামৰ ৰচয়িতা সকল ৰামায়ণ, মহাভাৰতৰ কথা সুন্দৰকৈ আয়ত্ব কৰিব পৰা আৰু সেইবোৰৰ সুন্দৰ ব্যাখ্যাও আগবঢ়াব পৰাকৈ প্ৰখৰ স্মৃতি আৰু মেধাৰ অধিকাৰী নাৰী। ইমানেই নহয়, এই বিয়ানাম সমূহৰ সুৰ সংৰচনাৰ ক্ষেত্ৰতো তেওঁলোকৰ পাৰদৰ্শিতাৰ উমান পোৱা যায়।নাৰী হৃদয়ৰ কোমল অনুভৱবোৰ করুণ ৰসেৰে ওপচাই বিষাদৰ বৰষুণত সকলোকে জুৰুলী-জুপুৰীকৈ তিয়াই পেলাব পৰা দক্ষতা আছে আয়তীসকলৰ। বিবাহ অনুষ্ঠান আৰু বিয়ানামৰ সম্পৰ্ক ফুল আৰু সুগন্ধিৰ দৰেই। এৰাব নোৱাৰা। অসমীয়া লোক সংস্কৃতিৰ লখিনী ভঁৰালত এই বিয়ানামসমূহ নজহা-নপমা এক মায়াময় সম্পদ। আমাৰ ৰূপকোঁৱৰৰ আদৰণীয় মাতৃ কিৰণময়ী দেৱীয়েও অসমীয়া লোকসংস্কৃতিৰ ভিতৰুৱা আই নাম, বিয়া নাম, ধাই নাম আদিৰ মৌলিক সুৰবোৰ চৰ্চা কৰিছিল। এই অনুপম সুৰীয়া গীতবোৰে তেখেতক মুগ্ধ কৰিছিল, যাৰ ফলশ্ৰুতিত আমাৰ ৰূপকোঁৱৰে পাছলৈ তেওঁৰ সৃষ্টি সমূহত এই গীতবোৰৰ প্ৰতিফলন ঘটাইছিল।

বিবাহ অনুষ্ঠান মানেই হ'ল আয়তীৰ মঙ্গল উৰুলী ধ্বনি আৰু সুমধুৰ কণ্ঠৰ বিয়ানামেৰে ৰভাখন মুখৰিত কৰি তোলা এক প্ৰাণময় অনুষ্ঠান। আমাৰ পিতৃপ্ৰধান সমাজ ব্যৱস্থাত চেনেহৰ জীয়ৰীজনীক অন্য এখন ঘৰলৈ উলিয়াই দি.াৰ পৰম্পৰা অতি প্ৰাচীন। বিবাহ অনুষ্ঠানটি হৈবাটাও পৰ্যায়েৰে সম্পন্ন হয়। জোৰোণেৰে বিবাহ কাৰ্যৰ আৰম্ভণি হয়। ইয়াৰ পিছত পানীতোলা, দৰা-কইনাক নোওৱা, মড়লৰ কাষত দৰা-কইনাক সজোৱা, অধিবাস, গাঁঠিয়ন খুন্দা, দৈয়ন দিয়া, বৰযাত্ৰা, দৰা আদৰা, সুৱাগুৰি তোলাশৰাই বিচৰা, ৰভাৰ তলত দৰাৰ প্ৰৱেশ, কইনা খোজা, হোম-যজ্ঞত বহা, সম্প্ৰদান পৰ্ব, আখৈ দিয়া, কটাৰী সলোৱা, বিদায় পৰ্ব, দুৱাৰ ধৰা, বাহী বিয়াত দৰা ঘৰত দৰা-কইনাক আদৰা, আদি কাৰ্যৰে বিবাহ এখন সম্পন্ন হয়। এই প্ৰতিটো পৰ্বতে বিয়ানামেৰে সেই সময়ৰ গুৰুত্ব বৰ সুন্দৰকৈ প্ৰকাশ কৰে। জোৰোণত আনিবলগীয়া সকলো বস্তু লৈ দৰা-ঘৰীয়াই কন্যাৰ

ঘৰলৈ আহি কইনাক আ-অলংকাৰেৰে বিভূষিতা কৰি তোলে। দৰাৰ মাকে কইনাৰ শিৰত সেন্দুৰ বুলাই কপালত এটি ডগমগীয়া বেলি আঁকি দি অলংকাৰ পিন্ধোৱা সময়ত আয়তীসকলে জাউৰিয়ে জাউৰিয়ে মঙ্গল উৰুলি দি গাবলৈ আৰম্ভ কৰে—

"মাৰাৰ অলংকাৰ থোৱা কাটি কৰি
ঐ ৰাম দেউতাৰাৰ অলংকাৰ থোৱা হে
ৰামে দি পঠাইছে সুৱৰ্ণৰ অসংকাৰ
ঐ ৰাম হাত যোৰে কৰি লোৱা হে।"

"বকুল ফুলৰ মালাধাৰি তগৰ ফুলৰ মালা
আজিৰ পৰা আইদেউ তুমি ৰামৰ ভাৰ্যা হ'লা।"

এই বিয়ানাম কেই ফাঁকিয়ে যেন ক'ব খুজিছে যে মাক দেউতাকৰ চেনেহৰ পুতলীজনী আজিৰ পৰা আৰু লোকৰ হ'ল। তেওঁলোকে যতনাই গঢ়ি দিয়া হাতৰ-কাণৰ অলংকাৰবোৰ খুলি থৈ ৰামচন্দ্ৰৰূপী স্বামীয়ে দিয়া অলংকাৰ পৰিধান কৰি লোকৰ হ'ল। বিষাদৰ চকুলোৱে মাক-দেউতাকৰ লগতে কন্যা আৰু আত্মীয়সকলৰ বুকু ভৰাই তোলে।

দুদিনীয়া বিয়াবোৰত দৰা-কন্যা উভয় ঘৰতে ৰাতি পানী তুলিব লাগে। দৰা ঘৰৰ পৰা অনা চাউল দুনৰীত ভৰাই ধূপ-চাকি জ্বলাই অৰিহণা দিয়ে আৰু কাষত ঘট লৈ দৰা আৰু কন্যাৰ মাকে ৰাইজৰ ওচৰত সেৱা লৈ ঢোলে-ডগৰে পানী তুলিবলৈ যায়। এই ক্ষেত্ৰত দৰা আৰু কন্যাৰ মাকক দৈৱকীৰূপে অভিহিত কৰি আয়তী সকলে উৰুলি দি গায়—

"ঢোল-ডগৰ বজোৱা, দুনৰি ঘট সজোৱা
পানী তুলিবলৈ দৈৱকীক উলিওৱা।"

ৰাজহুৱা পুখুৰী বা নৈত পানী তুলিবলৈ নামি লগত নিয়া তামোল পাণ, পইচা পানীলৈ দলিয়াই পানীত সেৱা কৰি কটাৰীৰে পুৰণ চিন দি পানী কাটিব লাগে। সাম্প্ৰতিক সময়ত ৰাজহুৱা পুখুৰী বা নদীত পানী তোলাৰ পৰিৱৰ্তে চুবুৰীৰ কোনো এঘৰৰ কুঁৱাতে পানী তোলা কাৰ্য সমাপন কৰা হয়। এনেদৰে পানী তুলিবলৈ লওঁতে মাকৰ সৈতে আৰু দুগৰাকী আয়তীয়ে ঘটটো কাতি কৰি লৈ পানী কাটোতে তিনিবাৰ উৰুলি দিয়ে আৰু এগৰাকীয়ে সোধে—

কি দেখি আহিলা?
হৰ-গৌৰীৰ বিয়া দেখি আহিলো।
কি সাজে কি বৰণ?
ধুৰলী-কুঁৰলী সীতাৰ নিৰ্মালি
আইদেউৰ পানী কাটো কটাৰী ধৰি।

এইদৰে তিনিবাৰ সুধি কলচীটো ভৰাই পাছলৈ নোচোৱাকৈ ঘৰমুৱা হয়। তেতিয়া আয়তীসকলে আকৌ গায়—

"পানী তুলি আহি পাছলৈ নাচাবা
সাগৰো আহিব ভাগি।"

ইয়াৰ পাছতে নিৰ্দিষ্ট নিয়মেৰে কন্যাক গা ধুৱাই অধিবাস কৰি গাঁঠিয়ন খুন্দে। মড়লৰ কাষত শিলৰ পটা এখনত গাঁঠিয়ন, মুঠা গন্ধ বিৰিনা থৈ কইনাক ধৰি সাতোগৰাকী আয়তীয়ে পটাগুটি ধৰি নামৰ মাজে মাজে গাঁঠিয়ন খুন্দে। সাতোগৰাকী আয়তীৰ মুৰৰ ওপৰত চাদৰ এখন থাকে।

"উজনি ৰাজ্যৰ গন্ধে গাঁঠিয়নে
নামনি ৰাজ্যৰ পটা
সাতো আয়তীয়ে গাঁঠিয়ন খুন্দিছে
উৰুলি এজোকা দিয়া।"

বিয়াৰ দিনা পালন কৰা এটি লোকাচাৰ হৈছে দৈয়ন দিয়া। শোৱনি কোঠাৰ দুৱাৰদলিত দৈয়ন দিয়া হয়। পোহৰ হোৱা পূৰ্বেই দুৱাৰ মুখত পীৰা এখন পাৰি কাষতে বাটি এটাত দৈ, আগ গুৰি নকটা পাণ, এটা বাটিত মিঠাতেল লোৱা হয়। পৰ্দাৰ ভিতৰ ফালে কইনা বহে আৰু বাহিৰ ফালে থকা পটাগুটিত ভৰি থয়। প্ৰথমে মাকে পাণ দুখিলাত দৈ লগায় কইনাৰ দুয়োগাল, আঁঠু আৰু ভৰিত লগায়। উৰুলিৰ লগে লগে আয়তীয়ে গায়—

"দৈয়ন দিয়া দৈয়ন দিয়া
চেনেহৰে আই
ভাল কৰি দৈয়ন দিয়া

হৃদয় জুৰাই যায়।”

কেচুঁৱাৰে পৰা তুলি তালি মাক গৰাকীয়ে নিজ হাতেৰে চেনেহৰ জীয়ৰীক লোকৰ ঘৰলৈ পঠাবলৈ প্ৰস্তুত কৰি তোলে। গভীৰ মমতাৰে জীয়ৰীক দুগালত দৈয়ন সানি দি পৱিত্ৰ বিবাহ বান্ধোনৰ বাবে সাজু কৰি তোলে।

বিয়াৰ দিনাও জোৰোণৰ দিনাৰ দৰে পানী তুলি আনি গা-ধুৱায়। গা-ধুই হোৱাৰ পিছত তিনিগৰাকী আয়তীয়ে হাতত চাউল লৈ মুৰৰ ওপৰত হাত থৈ নাম গায় আৰু চাউল দিয়ে—

“আগে দিয়া পাছে দিয়া পঞ্চো আয়তীয়ে।
দুৰ্বাঘাটৰ পানী আনি আইদেউৰ মুৰত দিয়ে।”

ইয়াৰ পাছতে আহি পৰে হোমৰ গুৰিলৈ নিবৰ বাবে কইনাজনীক সজোৱা -পৰোৱা মূহুৰ্ত। কইনা আৰু কইনাজনীক সজোৱা গৰাকীক জোকায় বহুতো বিয়ানাম আৰু নামবোৰত লুকাই থাকে হাস্যমধুৰ ৰস। লগতে আন কিছুমান বিয়ানামত ফুয়ি উঠে কইনা গৰাকীৰ নতুন ঘৰখনত কৰিবলগীয়া দায়িত্ব আৰু কৰ্তব্য পালনৰ প্ৰতি পৰামৰ্শমূলক নিৰ্দেশনা।

“তাঁতৰ দোৰেপতি নাচনী জৰী
কোনে মোক তুলিলে নানা দুখ কৰি
দহমাহ দহদিন গৰ্ভত লৈ
মায়ে জন্ম দিলে নানা কষ্ট কৈ।”

“কিয় দেউতা বিয়া দিছে লোকৰ
ঘৰলৈৰাখক দেউতা ৰাখকচোন মোক কাউৰী খেদিবলৈ।
দিনৰ দিনটো কাউৰী খেদি থাকিম য'তে ত'তে
গধূলি মই পৰি থাকিম বাৰাণ্ডাৰ চুকতে।”

“শাহুৰ আদৰৰ হ'বা বোৱাৰী
কালিলৈ পাবাগৈ লোকৰ ঘৰখনী
নাভাৱিবা তুমি লোকৰ ঘৰ বুলি
সাৱতি ধৰিবা নিজৰ ঘৰ বুলি।”

আন এক লোকাচাৰ হৈছে সুৱাগ তোলা। দৰা আহি কলাতল পাওঁতে কইনাৰ মাকে নিৰ্দিষ্ট নিয়মেৰে সুৱাগ তোলে আৰু আয়তীসকলে এনেদৰে গায়—

“সুৱাগ তুলিবলৈ ওলালে দৈৱকী
কাষতে কলচী লৈ
আয়তীসকলে কৰা সুমঙ্গলে
সুৱাগৰে কুলা লৈ।”

কইনাৰ ভনীয়েকে দৰাক ভৰি ধুওৱাৰ পিছতে মাকে আদৰি আনি হোমৰ গুৰিত বহুৱাই। হোম যজ্ঞত ব্ৰাহ্মণৰ মুখৰ মঙ্গল মন্ত্ৰৰে দৰা-কইনা দুয়োকে দাম্পত্য জীৱন সুখময়, মধুময় হোৱাৰ আশীৰ্বাদ দিয়ে। আয়তীসকলে নামেৰেই কইনাজনীক কয়—

ইমানদিনে দেউতাৰ ঘৰত আছিলা আলহী
আজি দেউতাই গতাই দিব জীৱন লগৰী।”

হোম যজ্ঞ চলি থাকোতেই সমাপন হোৱা পৰ্ব কেইটা হ'ল দৰাবৰণ উচৰ্গা, সম্প্ৰদান, লগুণ গাঁঠি, আখৈ দিয়া আদি।

কইনাৰ ভায়েকে কইনাৰ হাতত আখৈ তুলি হোমাগ্নিক প্ৰদান কৰে, তেতিয়া আয়তীসকলে গায়—

“আখৈ দিয়া আখৈ দিয়া চেনেহৰে ভাই
আজিৰ পৰা তোমাৰ বাইদেউৰ গুণ চিঙি যায়।”

ইয়াৰোপৰি চেনেহৰ জীয়ৰীয়ে মাক-দেউতাকৰ পৰা বিদায় লোৱা মুহুৰ্তত যি বিয়ানাম গোৱা হয়, তাৰেই নাৰীৰ জীৱনৰ আটাইতকৈ কৰণ মূহুৰ্তক প্ৰকাশ কৰে। সজীৱ হৈ উঠে ওপজা ঘৰখনৰ চেনেহৰ ডোল চিঙি আঁতৰি যোৱাৰ বেদনা—

“হাতত পাণে বটা বাইদেউ তামোল কাটা
তাৰে এখনি দি তোমাৰ দেউতাক মাতা।
পুৱালে ৰজনী লওক তামোলখনি
আজিৰপৰা দেউতা নকৰো আমনি।”

বুকুৰ আমঠু জীয়ৰীয়ে এৰি থৈ যায় চেনেহৰ ঘৰখন। পৰি গৃহলৈ যাওঁতে পাছলৈ ঘুৰি চাব নাপায়

বুলি এক জনবিশ্বাস আছে। সেয়ে কইনাই হাতত দিয়া চাউলমুঠিৰ পৰা চাৰিবাৰ ঘৰৰ ফালে নোচোৱাকৈ ছটিয়াই ঘুচি যায় ঘৰলৈ উভতি নোচোৱাকৈ। যেন চিঙি থৈ যায় চেনেহৰ জৰী, লগে লগে বিষাদৰ বৰষুণে ছাটি পেলায় সকলোকে। বিয়ানামত গায়—

"চাউল ছটিয়াই দিয়া হে লখিমী
পাছলৈ নাচাবা ঘুৰি।
জনকৰ জিয়াৰী দশৰথৰ বোৱাৰী
সবাৰো সুমঙ্গল চিন্তি।"

ওপজা ঘৰৰ মোহ এৰি কইনাজনীয়ে নতুন জীৱনৰ পাতনি মেলেগ স্বামী গৃহৰ কলতলৰ পৰাই। দৰা কইনাক দৰাৰ ভনীয়েকে ভৰি ধুৱাই, মাকে ধূপ-চাকি জ্বলাই নির্দিষ্ট নিয়মেৰে আদৰি নিয়ে লখিমী বোৱাৰীক। দুৱাৰমুখত পানী পূৰ্ণ কলহ এটাত পইচা আৰু চাউল এখৰাহীৰ মাজত আঙুঠি থয়। কইনাই হাত ভৰাই বিচাৰি আনে। পাতনি মেলে যুগ্ম জীৱনৰ।

দেউতাকৰ কণমানি পৰিজনী এদিন যৌৱনমতী হয় আৰু আগন্ত হয় স্বামী গৃহলৈ যোৱাৰ প্ৰস্তুতি। এই যাত্ৰাৰ আঁৰত থাকি যায় বহু অপ্ৰকাশ্য বেদনা, যিবোৰৰ প্ৰকাশ পায় নাৰী হৃদয়ৰ আবেগ-অনুভূতি আৰু কোমলতাৰে সমৃদ্ধ বিয়ানামবোৰৰ জৰিয়তে। তাৰোপৰি কিছুমান অসমীয়া আধুনিক গীতৰ মাধ্যমেৰেও এই বেদনামধুৰ সময়বোৰ সুন্দৰভাৱে প্ৰতিফলিত হয়।

ময়ুৰপংখী চেতিয়াই গোৱা মনজ্যোৎস্না মহন্তৰ গীত "মোৰ বুকুৰ পিতাই"য়ে প্ৰতিগৰাকী জীয়াৰীৰ মনৰ বেদনা, দেউতাকৰ প্ৰতি থকা মৰমৰ বহিঃপ্ৰকাশ ঘটাইছে। গ্ৰামাঞ্চলত সততে ব্যৱহাৰ হৈ থকা কিছুমান শব্দৰ ব্যৱহাৰে গীতটো অধিক প্ৰাণৱন্ত কৰি তুলিছে। তেনেদৰে দ্বীজেন্দ্ৰ মোহন শৰ্মা ডাঙৰীয়াৰ "টোপ টোপ ৰভাৰ তলীত পুৱাৰ নিয়ৰ সৰে"আৰু "বেছিদিন লগতে নাথাকো" শীৰ্ষক গীত দুটি শ্ৰদ্ধাৰ গায়িকা বিউটি শৰ্মা বৰুৱাৰ কণ্ঠত প্ৰাণ পাই উঠিছে। গীত দুটিত বিবাহ শব্দটোৰ অনুভৱ কম কথাৰে এনেদৰে পৰিৱেশন কৰিছে যেহৃদয়বান সকলে চকুলো লুকুৱাই ৰাখিব নোৱাৰিব। মাক-দেউতাক-ককায়েকৰ অতি আদৰৰ ছোৱালীজনীয়ে কেনেকৈ নিজৰ জন্মঘৰখনৰ পৰা আঁতৰি থাকিব লাগিব, কেনেকৈ হোম শেষ হোৱাৰ পাছতে অনামীয় পুৰুষজনৰ লগত উলিয়াই পঠিয়াব এইবোৰৰ অতি কৰুণ উপস্থাপন বিবাহ তথা বিবাহৰ লগত সংগতি থকা বিয়ানাম আৰু আধুনিক গীতসমূহে সুন্দৰভাৱে প্ৰকাশ কৰিছে। অসমীয়া লোক সংগীতৰ এক অনুপম সম্পদ হ'ল বিয়ানাম। এই বিয়ানামবোৰে আমাৰ সমাজজীৱনৰ বিষাদমধুৰ ছবিখন সুন্দৰভাৱে ফুটাই তুলিছে। এই মৌখিক গীতবোৰৰ চৰ্চা আৰু সংৰক্ষণে লোক সংগীতৰ ক্ষেত্ৰখন অধিক উজ্বল কৰি তুলিছে।

ঃঃ অনুভৱৰ কৰণি ঃঃ

# জীৱনৰ উপপাদ্য

## স্মিতা হাজৰিকা

"তোমালোকে কিবা এটা কৰাৰ সিদ্ধান্ত লোৱাৰ আগতে এবাৰ মা-দেউতাৰ মুখখন লৈ মনত পেলাবাচোন। দেখিবা লাহে লাহে তোমালোকে ল'ব বিচৰা সিদ্ধান্তবোৰ কিঞ্চিৎ হ'লেও সলনি হ'ব। আমাৰ জীৱনত মা-দেউতাতকৈ আপোন কোনোৱেই নাই। আমাৰ ভাল হোৱাটো বিচৰা সকলৰ মাজত তেওঁ লোকৰ স্থান প্ৰথম।"

একাদশ মানৰ শ্ৰেণীকোঠাত নীতি শাস্ত্ৰৰ পাঠটো বুজায় থকাৰ সময়তে তৃতীয় বেঞ্চত বহি থকা এগৰাকী ছোৱালীৰ অন্যমনস্কতাই মোৰ মনোযোগ আকৰ্ষণ কৰিলে। তাই ইফালে সিফালে চাই কাষৰ জনীক কিবা এটা ফুচফুচাই কৈ থকাত, চকুৰ ইংগিতেৰে কি হ'ল জানিব বিচাৰিলো। তাই চুচুক-চামাক কৰি,থেৰো-গেৰোকৈ ক'লে ,

"মেম আপোনাক কথা এটা ক'বলৈ আছে---"

"অকণমান ৰ'বা, ক্লাছটো শেষ কৰি লওঁ, তাৰপিছত ক'বা।"

"নহয় মেম, এতিয়াই ক'বলৈ মন গৈছে।"

"হয় নেকি, তেনেহ'লে ক'বা বাৰু..."

তাই হাতঘড়ীটোলৈ এপলক চালে, আৰু বিশ মিনিট আছিল।

তোমালোকক মই বাকীখিনি পাছত ক'ম দেই। তাই ছাত্ৰ ছাত্ৰী সকলক উদ্দেশ্যি কথাষাৰ কৈ ছোৱালী জনীৰফালে চাই ক'লে, এতিয়া কোৱাচোন। কি ক'ম বুলি ভাবিছিলা?

প্ৰায় এশৰ ওচৰা-ওচৰি মান ছাত্ৰ-ছাত্ৰী বহি থকা কোঠাটোত থিয় হৈ তাই প্ৰথমে সেপ ঢুকি শুনা-নুশুনা কৈ, তাৰপিছত স্পষ্টভাবে মোৰফালে চাই ক'লে- "মেম আজিকালি পঢ়িলে মোৰ একো মনত নৰয়। পঢ়াটো মনোযোগ নাথাকে, মনটো কিবা কিবা লাগি থাকে। অলপো ভাল নালাগে।"

ঠিক আছে, আৰু কিবা...

"আচলতে কি জানে বাইদেউ, মই ক্লাছ এইট লৈকে পঢ়া-শুনাত ভালেই আছিলোঁ। তেনে সময়তে সেই যে কৰোণা মহামাৰীৰ কাৰণে স্কুললৈ যোৱা আমাৰ বন্ধ হ'ল। প্ৰথমতে স্কুললৈ যাবলৈ নাপায় অলপ ভালেই লাগিছিল। কিন্তু তাৰপিছত লাহে লাহে বৰ আমনিদায়ক হৈ পৰিল, কিন্তু উপায়ো নাই। দেশৰ পৰিস্থিতি যিহে হৈছিল জীয়াই থাকিম নে নাই, উত্তৰেই নাছিল। এতিয়াও মনত পৰিলে গাটো শিয়ৰি উঠে। আপুনিটো জানেই তেতিয়াই অনলাইন ক্লাছৰ ব্যৱস্থা কৰা হ'ল। প্ৰথমে তেতিয়া মাৰ ম'বাইলতে ক্লাছ কৰিবলৈ ল'লো , তেনেকৈয়ে অনলাইন ক্লাছ কৰি পৰীক্ষাও দিলোঁ। কি জানে মেম, ম'বাইলত যে বিভিন্ন ৰীল, ভাল- বেয়া ভিডিঅ' আৰু গেম খেলিব পাৰি আগতে নাজানিছিলোৱেই, জনাৰ পৰা পঢ়াত কৈ এইবোৰ চাবলৈ ল'লো। মনটো অনবৰতে লিকলিকাই থাকে,মাৰ পৰা কেনেকৈ ফোনটো লও তাৰ বাহানা বিচাৰি ফুৰো, কিমান যে মিছা কথা ক'লো তাৰ ঠিকনা নাই। মায়েও পঢ়িবলৈ লাগে বুলি ক'লে বৰ বিশেষ আপত্তি নকৰি ফোনটো দি দিয়ে। মায়েটো চাগৈ নিজেই নাজানে ফোনত যে এখন বেলেগ দুনিয়া আছে, গোটেই বিশ্বখন যে আমাৰ হাতৰ মুঠিত আছে, হয়তো ভাবিবয় নোৱাৰে। সেই সুবিধাতে মই বহুত গেম চেম খেলা হ'লোঁ। কেইবাটাও একাউন্ট খুলিলো, মাৰ ইমেইল আইডিৰে। লগৰবোৰৰ লগত

ঘন্টা ঘন্টা মেচেজ কৰিলোঁ, মায়ে ফোনটো বিচাৰি আহিলে লিখা-পঢ়াৰ অভিনয় কৰোঁ, মায়ে এইবোৰ একো বুজি নাপায়, মই পঢ়ি বা লিখি আছোঁ বুলিয়েই বিশ্বাস কৰে।ফোনটো চাওঁতে চাওঁতে অলপ বেলেগ বেলেগ ফালটু ধান্দাও আহিল। ইফালে মেট্ৰিক পৰীক্ষা আহি পালেহি, মা- দেউতাই যিমান পাৰে সকলো সুবিধা কৰি দিলে। তিনিটাকৈ বিষয়ত ঘৰুৱা শিক্ষকৰ ব্যৱস্থা কৰিলে। ক্লাছ টেনত তিনিমাহ মান স্কুললৈ গ'লো। তাৰপাছত ছেগা-চোৰোকাকৈ স্কুল যোৱা হ'লো। আচলতে মোৰ মনমগজু অকল ম'বাইলৰ চিন্তাতে থকা হ'ল, শিক্ষকে কি পঢ়ায় মোৰ মূৰত একো নোসোমাই। মা-দেউতাৰ তত্বাৱধানত ভালকৈয়ে মেট্ৰিক পাছ কৰিলোঁ বাৰু। মা- দেউতাই কিমান যে কষ্ট কৰিলে মোৰ বাবে। সেই বোৰ সকলো পাহৰি আকৌ আগৰ দৰেই হ'লো। ফাষ্ট ইয়েৰতো একো নপঢ়িলোঁ মই। একোৱেই নপঢ়িলোঁ, বিশ্বাস কৰক। মা-দেউতাহঁতে মোক বেয়া পোৱা হ'ল। সদায়েই গালি পাৰে।মায়ে মাৰিছেও কেইবাদিনো। কিন্তু আপুনি যে ক্লাছত কৈ থাকে তোমালোকৰ মাজত বহু আকৰ্ষনীয় প্ৰতিভা আছে, যিবোৰৰ কথা হয়তো নিজেই নাজানা। বহু ভাল গুণ আছে যিবোৰক তোমালোকে টুকুৰিয়াই চোৱাই নাই কোনোদিনে, মাথোঁ সদা নোৱাৰো, নকৰোঁ,নাখাওঁ এই আপদীয়া- আহুকলীয়া শব্দকেইটাৰ পাছত লাগি থাকা... তোমালোক বহুত ভাল হয়, তোমালোকৰ মাজত প্ৰচুৰ সম্ভাৱনা আছে, এবাৰ মাথোঁ পাৰিম বুলি ভাবি লোৱা। দেখিবা সকলো সহজ হৈ পৰিব। কিন্তু তোমালোকৰ কাৰোলৈ ভয় নকৰা আৰু কাকো পাত্তা নিদিয়া মনোভাৱটোক জীয়ন দি আছা বাবেই সকলো ওলট-পালট হৈ যায় ।এই দৃষ্টি ভংগীয়ে তোমালোকৰ যে অহিত হৈ আছে তাক তোমালোকে বুজি নুঠা অলপো। মই জানো, তোমালোক সকলো ভাল, সকলোৱে ভাল চিন্তা কৰা, আচলতে তোমালোকৰ মাজত থকা ভাল বোৰক দেখুৱাবই পৰা নাই। সেয়ে সকলোৱে তোমালোকক বেয়া বুলি ভাবে আৰু কয়।কিন্তু তোমালোকে মনত ৰাখিবা "You have the best person inside you."

আকৌ সেই দিনা আপোনাক প্ৰশ্নোত্তৰ কৰি চাবলৈ দিওঁতে মোক যে ক'লে, এনেকৈ চাল- বাকটি নোহোৱাকৈ মোক কপি চেক কৰিবলৈ নিদিবা, মই নাচাওঁ। কভাৰ লগাই নাম লিখি সুন্দৰ কৈ দিবাচোন,চাবা তোমাৰ বহীখন দেখিলেই মনটো ভাল লাগিব, টেবুলখন সুন্দৰ হ'ব, মই চাই ভালপাম। তোমাক এজন চিনচিয়েৰ ছাত্ৰ বুলি ভাবিম ইত্যাদি,অৰ্থাৎ সকলো ইতিবাচক হৈ পৰিব। তেনেদৰে দিয়াৰ পাছত আপুনি যে মোক বৰ ভাল হৈছে বুলি ক'লে, মোৰ যে কিমান আনন্দ লাগিছিল, মই বুজাব নোৱাৰিম, কাৰণ আজি বহু দিনৰ পৰাই ঘৰে বাহিৰে সকলোৱে মোক বেয়া বুলিয়েই কয়। নকবনো কিয়, ম'বাইল, স্কুটি বিচাৰি মই ঘৰত কমখন অভদ্ৰামি, অশান্তি কৰিলোঁনে... এইবোৰ চুবুৰীৰ সকলোৱে জানে। আকৌ মোক দেখি মোৰ লগৰ কেইজনীয়ে জানো হাত উজান দিয়া নাই।

আপুনি মোক ভাল হৈছে বুলি কোৱাৰ পাছত অনুভৱ কৰিছো ,মোক কিমান দিনৰ মূৰত যে কোনোবাই ভাল বুলি কৈছে। মই ভাবি লৈছিলোঁ মই সঁচাকৈয়ে বেয়া হৈ গলো। এতিয়া মনত ঠিৰাং কৰিছো, আকৌ মই ভাল হ'ম। মা-দেউতাই বিচৰা ধৰণে সকলো কৰিম আজিকালি ঘৰত মই পঢ়িছোঁ, মাক মৰমেৰে মাতিছো, নুবুজাবোৰ শ্ৰেণীত শিক্ষকক সুধিছোঁ, পুৱা - গধূলি নিয়মীয়াকৈ পঢ়া-শুনা কৰিছোঁ, ফোনটো যিমান পাৰোঁ কমাই ব্যৱহাৰ কৰিছোঁ।মোৰ পৰিবৰ্তন দেখি কালি মায়ে গধূলি মোৰ মূৰত হাত বুলাই মোক কৈছে- ক্টএনে ধৰণৰ হোৱাটোৱেই আমি কামনা কৰিছিলো, তই আকৌ আমাৰ ভাল ছোৱালীজনী হৈ গ'লি।"
জানে বাইদেউ, মই মাৰ বুকুত সোমাই কান্দি দিছোঁ। মই আপোনাৰ কথা কৈছোঁ মা-দেউতাক। এদিন

আপোনাৰ ওচৰলৈ আহিব । আজি মোক তেওঁ লোকৰ হৈ আপোনাক ধন্যবাদ জনাবলৈ কৈছে। এইখিনিয়েই ক'ব আছিল বাইদেউ। ইমান সময়ে হেঁচা মাৰি থোৱা চকুপানী খিনি তাইৰ পাৰ ভাঙি বৈ আহিল। নীৰৱ শ্ৰেণীকোঠাত চাৰিওকোণৰপৰা উচুপনিৰ শব্দ ভাহি আহিল। স্থিতপ্ৰজ্ঞৰদৰে থকা মই তাইৰ ওচৰলৈ গৈ সাৱটি ধৰিলো। তাই মোৰ আবেষ্টনীত অলপ জোৰকৈ কান্দি উঠিল। মই নিজক নিয়ন্ত্ৰণ কৰি ক'লো , "আত্মসংশোধনতকৈ আৰু উৎকৃষ্ট পথ একোৱেই নাই।" তোমালোকে প্ৰথমে এই কথাটো বুজি পালেই সকলো সমস্যা সমাধান হয়। জন্মতে কোনো বেয়া হৈ নাহে নহয়, পৰিবেশ,সংগদোষ,আত্ম অহংকাৰী মনোভাৱ আদিবোৰেহে আমাক বেয়া কৰি তোলে। সেয়ে আনক বেয়া বুলি কোৱা বা ভবাৰ আগতে এই দিশবোৰ চালি জাৰি চোৱাটো অতি প্ৰয়োজন। এটা কথা তোমালোকে সদায়েই মনত ৰাখিবা মা-দেউতাতকৈ আমাৰ কোনো শুভাকাংক্ষী নাই।"
কথা কেইটা কৈ মই ৰেজিষ্টাৰখন লৈ ওলাই আহিলোঁ। ক্লাছ শেষ হোৱাৰ ঘন্টা ইতিমধ্যেই পৰিছিল।

মনটো ফৰকাল লাগিল, বুজিলোঁ- মৰমত যি শক্তি, সেয়া আন একোতেই নাই। একোতেই নাই।

ºººººººººººººººººººººººººººº

(কবিতাৰ শিতান)

# ৰঙা বিয়াল্লিছৰ বিছ ছেপ্তেম্বৰ

**প্ৰশান্ত কুমাৰ নাথ**

তেজৰঙা বিয়াল্লিছৰ বিছ ছেপ্তেম্বৰ
লিখা আছে ইতিহাস
মৃত্যু গছকি জয় জিনা
সপ্তদশ শ্বহীদৰ।

ধন্য গহপুৰ - ঢেকীয়াজুলি
গৌৰৱ ৰঞ্জিতা শ্বহীদ নগৰী।
শোণিত সিক্তেৰে পবিত্ৰ তীৰ্থ হ'ল
থানাৰ বাকৰি।

বাজিল ৰণ দুন্দুভি মুকুতি যুঁজৰ
আগুৱান মুক্তি পিয়াসী জন সমদল
'কৰেঙ্গে য়া মৰেঙ্গে'
'স্বাধীনতা ধন নতুবা মৰণ'
মহামন্ত্ৰে জপে দীক্ষিত জনতা জাগে
অগ্ৰজ বীৰ সেনাপতি তুমি মনবৰ
চিঙিলা ঝন্ ঝন্ জিঞ্জিৰি দাসত্বৰ
মৃত্যুপণত দীক্ষিত হৈ
উৰুৱালা বৃটিছ থানাত ত্ৰিৰঙ্গ পতাকা
কৰিলা ভাৰত ভূমি গৌৰৱ ৰঞ্জিতা।

সপ্ত সহস্ৰ জন সমদলৰ অগ্ৰস্থানত
সুশোভিত মনবৰ বীৰ সাজে সাজি
আয়তীয়ে কৰি মঙ্গল উৰুলি
পিন্ধালে তোমাক বিজয় তিলক
ৰক্ত চন্দনৰ ...
সুশোভিত ৰঙাজবাৰ পুষ্পমালা।
অগ্নিবৰষা জ্যোতিৰ গীতত
তেজ উতলা লুইতপৰীয়া
নগএগ্রা ডেকা তুমি
মৃত্যু বাহিনীৰ অজেয় বীৰ সেনাপতি
সবাতো আগে দিবলৈ প্ৰাণ বলিদান
স্বাধিকাৰৰ বাবে কৰিলা মৃত্যুপণ
গাই মুকুতিৰ গান
বন্দিনী ভাৰত মাতৃৰ
তুমি ৰাখি গ'লা মান।

মুকুতি গীতৰ ছন্দে ছন্দে
মুক্তি সেনানী হ'ল আগুৱান
ভেদকৰি বেৰেক বগা বঙালৰ
ৰচি গ'লা মুকুতিৰ ৰঙা ইতিহাস।

ৰণ নাদে বাজিল মুক্তি ভেৰী
দাৰোগা মহীধৰে ভেদে হুংকাৰী
কমলাকান্ত সখাই কৰে তৰ্কবাণী
গোলোক নেওগ সাৰথি সঙ্গে
মনবৰ তুমি জখলা বগাই
থানা মুধচৰ ইউনিয়ন জেক্
মুচৰি খহাই
পৰাধীনতাৰ কালিমা তুমি দিলা দলিয়ায়।
উৰুৱালা স্বাধীনতাৰ বিজয়ী নিচান
আকাশে বতাহে ঘোষিলা নিনাদে
'বন্দে মাতৰম্
বন্দে মাতৰম্
বন্দে স্বৰাজ ভাৰতম্'

নিয়তিৰ কি কুটিল পৰিহাস !
ৰক্ত লোলুপ বৃটিছ চিপাহীৰ
নিমিষে গৰজিল বন্দুকৰ গুলি
কৰিলে চালনী তোমাৰ সুকোমল বুকু।
মূধচৰ পৰা বাগৰি খহি
তেজৰ তুম্‌ৰলিত ডুব গ'ল

তোমাৰ নিথৰ দেহ।

জীৱনৰ ৰূপালী বসন্ত পৰশা
মনবৰ তোমাৰ বুকুৰ তেজেৰে ধোৱাই
মুক্তি কৰিলা বন্দিনী জননী
আত্মত্যাগেৰে হে' দধীচি
ধন্য হ'লা শ্বহীদ বৰণ কৰি।

থমকি নৰ'ল বন্দুকৰ গুলি
সঙ্গীনৰ খোঁচতো কতৰ প্ৰাণ গ'ল!
ঢেকীয়াজুলিৰ থানা বাকৰিত
নিথৰ দেহ হৈ পৰি ৰ'ল
শ্বহীদ মনবৰ-কুমলী-কণিকা-খহুলী
মণিৰাম - মহীৰাম- মঙ্গল- তিলেশ্বৰী
ৰতন-লেৰেলা-দয়াল-সৰুনাথ
'ভিক্ষাৰী' কৰ্ক গোড়, 'সন্ন্যাসী' ছোট নাথ।
সংগীনৰ খোঁচত গুলিবিদ্ধ চন্দ্ৰ নাথ
কাললৈ খিয়াতি হ'ল
অভিধা মাথো শ্বহীদ খিয়াতি ৰ'ল।
ঢেকীয়াজুলি বীৰ গাঁথাৰে
চিৰ প্ৰবাহিনী হ'ল।

গহপুৰত যোড়শী কনকলতাই
সমদলৰ অগ্ৰস্থানে ধৰি ত্ৰিৰঙ্গ নিচান
মুকুন্দ কাকতি সঙ্গে হৈ আগুৱান
উৰুৱাব থানাত জাতীয় পতাকা
গহপুৰ জিনিবলৈ দিলা প্ৰাণ বলিদান
বৰিলা শ্বহীদৰ নাম।

ধন্য গহপুৰ-ঢেকীয়াজুলি
গৌৰৱ ৰঞ্জিতা শ্বহীদ নগৰী
সপ্তদশ শ্বহীদৰ তেজে ধোৱা
মোৰ দেশৰ মাটি
মুক্ত কৰিলা বন্দিনী ভাৰত জননী।

তেজৰঙা বিয়াল্লিছৰ বিছ ছেপ্তেম্বৰ
লিখা আছে ইতিহাস সপ্তদশ শ্বহীদৰ
আকাশে বতাহে গালে মুকুতিৰ গান
ব'লৈ পাৰ ভাঙি তেজৰ তুফান
উৰুৱাই স্বাধীনতাৰ বিজয়ী নিচান
লিখি গ'লা বীৰ গাঁথা
মুকুতিৰ ৰঙা ইতিহাস।

ধন্য গহপুৰ-ঢেকীয়াজুলি
ধন্য মনবৰ নাথ- 'ৰাষ্ট্ৰবীৰ' তুমি
হে' শ্বহীদ
প্ৰণামো তোমাক
শ্বহীদ প্ৰণামো তোমাক।।

**টোকা ঃ-**

* মহীধৰ - মহীধৰ বৰা (ঢেকীয়াজুলি থানাৰ দাৰোগা)

* কমলাকান্ত - কমলাকান্ত দাস (শান্তি বাহিনীৰ প্ৰথম দলপতি)

<u>কবিতাটোত উল্লেখিত শ্বহীদৰ সম্পূৰ্ণ নাম</u>

**ঢেকীয়াজুলি থানাত -**

১) মনবৰ - মনবৰ নাথ, কচুপীত, জন্মস্থান - জামুগুৰি (নগাঁও)
২) কুমলী - কুমলী দেৱী, ঘটুৱা, জন্ম স্থান - গাভৰুপাৰ
৩) কণিকা - কণিকা দেৱী, জহামাৰী ন-পাম, মৌজা - বৰগাঁও
৪) খহুলী - খহুলী নাথ, কাটনী গাঁও, (ঠেলামৰা), জন্মস্থান - ডুমডুমীয়া (ধিং)
৫) মণিৰাম - মণিৰাম কছাৰী, **১** নং বৰপুখুৰী
৬) মহীৰাম -মহীৰাম কোঁচ, কেহেৰুখন্দা, মৌজা - বৰচলা
৭) মঙ্গল - মঙ্গল কুৰ্মী, কমাৰপথাৰ, (মিছামাৰি চাহ বাগিচাৰ প্ৰাক্তন বনুৱা)
৮) তিলেশ্বৰী - তিলেশ্বৰী বৰুৱা, নিজবৰগাঁও, মৌজা - বৰগাঁও
৯) ৰতন - ৰতন কছাৰী, **১** নং বৰপুখুৰী,
১০) লেৰেলা - লেৰেলা কছাৰী, কেহেৰুখন্দা, মৌজা - বৰচলা
১১) দয়াল - দয়াল দাস পাণিকা, কাঠনিবাৰী, মৌজা- নাহৰবাৰী
১২) সৰুনাথ - সৰুনাথ চুতীয়া, পতিয়াপুখুৰী, (ঘটুৱা)
১৩) 'ভিক্ষাৰী' (বৃটিছৰ নথিত) বুলি চিনাক্ত - কৰ্ক গোড়, মিজিকাবাৰী চাহ বাগিচাৰ বনুৱা), মৌজা - নাহৰবাৰী,
১৪) 'সন্ন্যাসী' (বৃটিছৰ নথিত) বুলি চিনাক্ত - ছোট নাথ, কচুপীত গাঁও, (ন-নৈ), থানা - নগাঁও, জন্ম - **১৯১৯** চন।
১৫) চন্দ্ৰ নাথ ওৰফে চন্দ্ৰকান্ত নাথ, ঠেলামৰা, পামঘৰ - জহামৰী।

**গহপুৰ থানাত -**

১৬) কনকলতা - কনকলতা বৰুৱা, বৰঙাবাৰী, গহপুৰ
১৭) মুকুন্দ কাকতি - মুকুন্দ কাকতি, সোণকানি গাঁও, নলবাৰী।

# মোৰ বিয়াখন

-দয়ানন্দ গোস্বামী

ভালে আছা অপৰাজিতা
মাততো অচিনাকি যেন লাগিছে
লগতো স্বাভাৱিক।
ভয়ো খাইছা চাগে?
দেশত যিহে হ'বলৈ লৈছে কাণ্ডকাৰখানা
ৰঙাঘৰৰ আলহী , চিধা  জেইলখানা ।
টিভি, ম'বাইল খুলিবই নোৱাৰি
গাৰ নোম সিয়ৰি উঠে
শুনিবা প্ৰেমিক প্ৰেমিকাৰ অন্তৰ্দ্বন্দ্ব
আকৌ প্ৰেমিকে প্ৰলোভিত কৰি
প্ৰেমিকাক ধৰ্ষণ, নিৰ্যাতন চলাই শেষত হত্যা।
নাবালিকাও বৃদ্ধৰ কামনাৰ বলি।
কোনোবা প্ৰেমিকে প্ৰেমিকাক প্ৰেম প্ৰত্যাখ্যান।
থানা , ক'ৰ্টত কেচ ৰুজু।
ফোনত অচিনাকি নাম্বাৰে  সঘনাই কৰে আমনি
এইবোৰ নহয় শুভলক্ষণ, নিন্দনীয় ।
তেনে প্ৰেক্ষাপটত অপৰিচিত মাতত ফোন ক'ল ।
সেই,  মই আকৌ -
কলেজত যে লাজুকীয়া ল'ৰাটো -
ঐ তগৰ, ঐ তগৰ বুলি
তোমালোকে ভেক ভেককে হাঁহিছিলা।
অপৰাজিতা বহুত বছৰৰ মূৰত তোমালৈ মনত পৰিল
কৃষ্ণচুড়া ফুলে হাঁহে
ৰাধাচুড়া ফুলে মাতে ।
মোৰ বিয়াখন পাতিবৰ সময় হ'ল নহয় অ'
তোমাক দুৰৈৰ পৰা আলেঙে আলেঙে চাই আছিলো।

খবৰ ৰাখিছিলো তোমাৰ বিয়াখন হোৱা নাই।
চাবলৈ মা দেউতা যাব।
বুজিছা,ফুচ ফুচিয়া কথাপতাৰ দিন নাই খোলাখুলি।
আমাৰ এতিয়া বিয়াপতাৰ উপযুক্ত বয়স।
নাভাবি নিচিন্তি বিয়া পতা বহু বিয়াত লাগিছে কেনা।
সাংসাৰিক জীৱন হৈছে ধেনা।
আমি ৰাহি জোৰা চাইহে পাতিম বিয়া
তেতিয়াহে সমাজে আমাক বহিবলৈ পাৰি দিব পিৰা ।
অ' মোক যৌতুক নালাগে
অপৰাজিতা তোমাকহে লাগে।
দুয়োটাই মিলি সোণৰ সংসাৰ গঢ়িম।
আধ্যাত্মিক শিক্ষাৰ পাতনি মেলিম ।
আজিকালি ল'ৰা বুঢ়া কোনেও কাকো নমনা হৈছে
ফাকি কথা  কোৱা লোকৰ সংখ্যা বাঢ়িছে
প্ৰলোভনকাৰীৰ দপদপনিত দলিচাখন ফাটিছে
অপকৰ্মত লিপ্ত লোকে
বাগিছাখনৰ ফুলবোৰ চিঙি থান - বান কৰিছে
অপৰাজিতা -
মালা গাঁঠিব পাৰিবা নহয়?
মোৰ প্ৰত্যয় আৰু প্ৰত্যাশা পাৰিবা,
তুমি সমল ব্যক্তি।
কথা বহুত থাকিল
সময় নাটনি।
ফোন কৰিবা
দুই এদিনতে লগ হ'ম কিজানি।

# শিল্প বিপ্লৱ

**- কুঞ্জবুজৰ বৰুৱা**

আকৌ আহিম মই
সান্নিধ্যত জ্যোতিৰূপা
শিল্পদণ্ড হাতত লৈ ...

আকৌ আহিম ঘোলা হোৱা
লুইতৰ পানী বগাকৈ বোৱাবলৈ
শতৰু দেশক কম চিঞৰি
মোৰ দেশক, মোৰ মাটিক
তাচ্ছিল্য নকৰিবি তই,

আকৌ আহিম - মই
সান্নিধ্যত জ্যোতিৰূপা
শিল্পদণ্ড হাততলৈ
কাৰেঙৰ লিগিৰিক দি যাম,
শিল্প সংগ্ৰামৰ স্বত্ব

হেঁপাহৰ চেনেহৰ জয়মতী
ৰাণী হৈ ৰাজপাটত নহয়
যুগ যুগ মানুহৰ হৃদয়ৰ
ৰাজপাটত ...

মোৰ আখৰ সিহঁত অনাখৰী
নাথাকিব নিমাতী কন্যা হৈ
শ্ৰম আৰু জীৱনৰ মূল্য
সুন্দৰক গঢ়া তহঁতৰ
ময়েই আকৌ আহি
লিখিম তহঁতৰ জীৱন বুৰঞ্জী।

# তুমি

**চন্দ্ৰ কুমাৰ দত্ত**

তুমি কৈ দিলেই
নামি আহে
সপোন ভৰা
এসাগৰ বৰষুণ

তুমি হাঁহি দিলেই
কমলাৰঙী আঘোণে
মনৰ বাতৰি দিয়ে

তুমি চাই দিলেই
বুকুত বাজে
অবুজ প্ৰেমৰ অনুৰণন

যি
অনাদি অনন্ত কাল
বৈ থাকে
পলসুৱা সোৱণশিৰিৰ
বুকুৱে বুকুৱে
ঠিক জীৱনজুৰি...

# বন্যপ্ৰাণী ঈশ্বৰৰ আশীৰ্বাদ

**উত্তম বৰা**

প্ৰাচীন কালৰে পৰা প্ৰকৃতিৰ প্ৰতিটো প্ৰাকৃতিক সম্পদৰ ওপৰত মানৱ জাতি নিৰ্ভৰ কৰি আহিছে। এই বৈচিত্ৰ্যপূৰ্ণ সম্পদসমূহৰ ভিতৰত বন্যপ্ৰাণী মানুহৰ বাবে আশীৰ্বাদ। বন্যপ্ৰাণী আৰু মানুহৰ মাজত পাৰস্পৰিক সম্পৰ্ক আছে। পৃথিৱীত পাঁচ বিলিয়নতকৈও অধিক প্ৰজাতিৰ উদ্ভিদ আৰু প্ৰাণী আছে। আজিলৈকে প্ৰকৃতিত জন্ম লোৱা সকলো জীৱৰ ভিতৰত বিভিন্ন প্ৰজাতিৰ প্ৰাণী হেৰাই গৈছে, আৰু কিছুমানে বিলুপ্তিৰ ভয়ত জীয়াই আছে। গতিকে আমি বন্যপ্ৰাণী সংৰক্ষণ কৰিব লাগিব। মানৱতাই ক্ৰমান্বয়ে বন্যপ্ৰাণীৰ প্ৰয়োজনীয়তা পূৰণ কৰি আছে যদিও এতিয়াও ই বহুত কম। আমি যেনেকৈ অতীতত প্ৰকৃতিৰ সুন্দৰ সৃষ্টিৰ পৰা জীৱ-জন্তুবোৰ হেৰুৱাই পেলাইছিলোঁ, আজিও যদি আমি সেইবোৰ সংৰক্ষণৰ ব্যৱস্থা গ্ৰহণ নকৰোঁ তেন্তে ভৱিষ্যতে মানৱতাই সংকটৰ সন্মুখীন হ'ব লাগিব।

## বিলুপ্তপ্ৰায় প্ৰাণী -

যি প্ৰজাতি যাৰ সংখ্যা ক্ৰমান্বয়ে হ্ৰাস পোৱাক বিপন্ন প্ৰজাতি বুলি কোৱা হয়। যেনে- চৰাইৰ মাজত শগুন, হাঁহ (বিভিন্ন প্ৰজাতিৰ), পেলিকান, ঈগল,  বাদুলি ইত্যাদি আছে। জীৱ-জন্তুৰ ভিতৰত ৰেণ্ডিয়াৰ, নাহৰফুটুকী, গঁড়, সোণালী বান্দৰ আদি দেখা যায়।কিন্তু কেৱল জীৱ-জন্তু আৰু চৰাইকে বন্যপ্ৰাণী বুলি গণ্য কৰা নহয়। সাপ, বেং, কাছ আদিকো বন্যপ্ৰাণী বুলি গণ্য কৰা হয়।

প্ৰাকৃতিক দুৰ্যোগ, ক্ৰমাৎ বৃদ্ধি পোৱা খাদ্যৰ নাটনি, আৰু মানুহৰ অত্যাচাৰৰ বাবে বন্যপ্ৰাণী বিলুপ্ত হৈ আহিছে। বন্যপ্ৰাণী বিলুপ্তিৰ প্ৰধান কাৰণ মানুহ, কাৰণ আজি আমি প্ৰকৃতিক নিজৰ ইচ্ছামতে ব্যৱহাৰ কৰি আছো, যাৰ বাবে প্ৰাকৃতিক পৰিবেশ ধ্বংস হৈছে।

প্ৰকৃতিৰ ধ্বংসৰ বাবে বন্যপ্ৰাণীও বিপদত পৰিছে। প্ৰাকৃতিক পৰিৱেশৰ ওপৰত নিৰ্ভৰ কৰি নিৰ্দিষ্ট ঠাইত নিৰ্দিষ্ট প্ৰজাতিৰ প্ৰাণী পোৱা যায়। কিন্তু বনাঞ্চল সংৰক্ষণৰ অভাৱত বন্যপ্ৰাণীৰ অৱস্থা ভয়াৱহ হৈ পৰিছে। বন্যপ্ৰাণী বিলুপ্তিৰ কিছুমান প্ৰধান কাৰণ হ'ল- বনাঞ্চলৰ অভাৱ, পুখুৰী বা বিলৰ অভাৱ, ওখ আৰু ডাঙৰ গছৰ অভাৱ, খেতি, চিকাৰ, বায়ু প্ৰদূষণ, পানী প্ৰদূষণ, শব্দ প্ৰদূষণ, মাটি প্ৰদূষণ, সিঁচৰতি হৈ থকা জাবৰ, বন্যপ্ৰাণীৰ প্ৰয়োজন হোৱা আন্ধাৰৰ অভাৱ, বিৰূপ প্ৰতিক্ৰিয়া, ধ্বংস চৰাইৰ কণী আৰু বাহ, নিৰ্মাণৰ কাম (ঘৰ, উদ্যোগ), বানপানী, অন্ধ বিশ্বাস, এচিড বৰষুণ। আন বহুতো কাৰণ আমি উপেক্ষা কৰি লওঁ।

বন্যপ্ৰাণী নোহোৱা হ'লে মানুহ নোহোৱা হ'লহেঁতেন, কাৰণ আমি পৰস্পৰৰ ওপৰত নিৰ্ভৰশীল। নিজ নিজ পৰিৱেশত বিভিন্ন প্ৰজাতিৰ প্ৰাণীৰ মাজত হোৱা পাৰস্পৰিক ক্ৰিয়াক পৰিৱেশ তন্ত্ৰ বুলি কোৱা হয়, যিয়ে প্ৰাকৃতিক ভাৰসাম্য ৰক্ষা কৰে। কিন্তু বন্যপ্ৰাণীৰ হ্ৰাসে প্ৰাকৃতিক ভাৰসাম্য বিঘ্নিত কৰে। খাদ্য সম্পদ ইয়াৰ এক উদাহৰণ: হৰিণ, বাঘ আৰু মানুহ। ঘাঁহৰ অভাৱৰ বাবে হৰিণৰ অভাৱ। বাঘে খাদ্যৰ বাবে হৰিণ বিচাৰি নাপায়। সেয়ে আজিকালি বাঘে খাদ্যৰ বাবে মানুহক আক্ৰমণ কৰে।

এসময়ত এশিঙীয়া গঁড়ে অসমক বিশ্বজুৰি

বিখ্যাত কৰি তুলিছিল। কিন্তু লোভী মানুহে কাজিৰঙাক গঁড়ৰ মৃত্যু অঞ্চললৈ ৰূপান্তৰিত কৰিছে। কাজিৰঙাতো বানপানীয়ে তাণ্ডৱ চলাইছে। এইবোৰ মাত্ৰ কেইটামান নেতিবাচক প্ৰভাৱ। বন্যপ্ৰাণীক যদি আমি তেওঁলোকৰ মৃত্যুৰ ফালে ঠেলি দি যাওঁ তেন্তে মানৱতাৰ আটাইতকৈ বেয়া সময়বোৰ বহু দূৰত নহয়।

কেৱল আমি মানুহেহে কৰিব পাৰোঁ। কিছুমান সমাধানৰ ভিতৰত বন সংৰক্ষণ, জৈৱিক কৃষি, গোপন চিকাৰ, বন সুৰক্ষা, সীমিত সম্পদ আহৰণ, আৰু গছ কটা আদিকটা, প্ৰদূষণ ৰোধ, জনসংখ্যা নিয়ন্ত্ৰণ, শিক্ষা, অন্ধবিশ্বাস ভংগ, বন্যপ্ৰাণীৰ ক্ষতি নকৰাকৈ নিৰ্মাণ কাৰ্য সম্পাদন কৰা, আমাৰ পূৰ্বপুৰুষৰ দৰে প্ৰকৃতিক পূজা কৰা, চৰাইৰ বাহ আৰু বাহ ধ্বংস নকৰা, বন্যপ্ৰাণী সুৰক্ষাক আইনত পৰিণত কৰা, পুখুৰী আৰু পথাৰ বৃদ্ধি কৰা, জনসচেতনতা সৃষ্টি কৰা।

**মানৱৰ কল্যাণৰ ক্ষেত্ৰত প্ৰকৃতিৰ অৱদান ঃ**

বন্যপ্ৰাণী ঈশ্বৰৰ আশীৰ্বাদ। বন্যপ্ৰাণীৰ এই হত্যাকাৰী মানৱতাৰ চূড়ান্ত শত্ৰু। ইয়াক বন্ধ কৰাটো আমাৰ কৰ্তব্য। সদৌ শেষত এটা কথা কব লাগিব - "এবছৰৰ চিন্তা হ'লে ধান খেতি কৰক। দহ বছৰ হ'লে গছ ৰোপণ কৰক। কিন্তু এশ বছৰৰ চিন্তা কৰিলে জনসাধাৰণক শিক্ষিত কৰক।"

# সেউজীয়া সপোন

**দিপালী চেতিয়া মজুমদাৰ**

আয়ে আলফুলে বাচি থোৱা সঁচ
জেঠৰ দোমাহীত পিতাইয়ে সিঁচি দিলে
আহাৰৰ বৰষুণজাকত কঠিয়াবোৰ লহপহকৈ বাঢ়িলে
শাওনত আই আৰু মইয়ে গুজি থৈ আহিলোঁ
সেই দিনাই আয়ে নাম দিছিল আঘোণ
চিন্তাতযে পিতাইৰ টোপনি নাই
আয়ে আশ্বাস দিয়ে
আঘোণক ভদীয়া বানে নিব নোৱাৰে
সঁচাকৈয়ে গাঢ় সেউজীয়া কঠিয়াৰ পোখাবোৰে
আইৰ ভৰসাত খামুচি ধৰিলে।
আহিনৰ এদিন আবেলি
নদীৰ পাৰৰ কঁহুৱা ফুল আনিব যাওঁতে
দেখা পালোঁ আঘোণ গাভৰু হ'ল
আইক আহি কাণে কাণে ক'লো
আইৰ হাঁহিত পদূলিৰ শেৱালি জোপাইও
মিচিকিয়াইছিল
কাতিৰ কুঁৱলী সনা এটি কোমল পুৱাত
পিতায়ে বাঁহনিলৈ যাওঁতে
পিতাইৰ চকুত পৰিল আঘোণ অন্তঃসত্বা
ল'ৰি আহিল পিতাই
পহিলা কাতিতে আয়ে গৈ পথাৰত বন্তি জ্বলালে
কীট-পতঙ্গই নষ্ট নকৰিবলৈ,
আৰু এদিন কোনেও নজনাকে
আঘোণে প্ৰসৱ যন্ত্ৰণা পাৰ কৰিলে
সেউজীয়া পথাৰখন সোণোৱালী হ'ল
আইৰ আশ্বাস, পিতাইৰ সপোন পূৰণ হ'ল।

# তীজ উৎসৱ আৰু গোৰ্খা নাৰী

**মঞ্জু দেৱী শৰ্মা**

অসমীয়া সংস্কৃতি সমন্বয়ৰ সংস্কৃতি। নানা জাতি উপজাতি আৰু জনগোষ্ঠীৰ সাংস্কৃতিক মহামিলনৰ ফলত বাৰেৰহনীয়া বৃহত্তৰ অসমীয়া সংস্কৃতিৰ জন্ম হৈছে। সমন্বয়ৰ মাজেৰেই অসমীয়া সংস্কৃতিৰ বৰভেটি নিৰ্মাণ হৈছে যদিও অসমত বসবাস কৰি অহা জাতি-উপজাতিৰ প্ৰত্যেকৰে সুকীয়া জীৱন-শৈলী, সংস্কৃতি, ভাষা-সাহিত্য সামাজিক নীতি-নিয়ম, ধৰ্ম-বিশ্বাস লোকাচাৰ আদি আছে। অসমীয়া সমাজৰ এক অভিন্ন অংগ হৈছে অসমত বসবাস কৰা গোৰ্খাসকল। এই গোৰ্খাসকল জাতীয় কলা-কৃষ্টি, নৃত্য-গীত, আচাৰ-ব্যৱহাৰ, ভাষা-সংস্কৃতি, ৰীতি-নীতি, ধৰ্মীয় পৰম্পৰা আদিৰে সমৃদ্ধ এটা জাতি।

অতীতৰে পৰা গোৰ্খাসকলৰ গো-পালনৰ লগতে কৃষিকাৰ্যই জীৱন ধাৰণৰ প্ৰধান আহিলা আছিল যদিও সময়ৰ পৰিবৰ্তনৰ লগে লগে মানুহৰ চিন্তাধাৰা, কৰ্ম আৰু সমাজ ব্যৱস্থাৰো পৰিবৰ্তন হ'ল। ফলত গোৰ্খাসকলৰো জীৱনশৈলীৰ পৰিবৰ্তন হ'ল। গোৰ্খাসকলে স্বকীয় বৈশিষ্ট্য থকা পৰম্পৰাগত অনুষ্ঠান- পাৰ্বন পালন কৰাটো জাতীয় ধৰ্ম হিচাপে পালন কৰি আহিছে। তেওঁলোকৰ বহুতো উৎসৱ-পাৰ্বন আৰু সাংস্কৃতিক পৰম্পৰাই এতিয়াও নিজস্ব অস্তিত্ব বজাই ৰাখিছে। গোৰ্খাসকলে বিহুৰ উপৰি বছৰি বিভিন্ন উৎসৱ-পাৰ্বণ পালন কৰে যদিও প্ৰধানকৈ দশেই, তিহাৰ, তীজ, মাঘেসংক্ৰান্তি উল্লেখনীয়। গোৰ্খাসম্প্ৰদায়ে পালন কৰা উৎসৱ-পাৰ্বনবোৰৰ ভিতৰত 'তীজ' অতি উল্লেখযোগ্য কিয়নো 'তীজ' উৎসৱ ধৰ্মীয় তথা সম্পূৰ্ণ নাৰীকেন্দ্ৰিক উৎসৱ হিচাপে স্থান আছে গোৰ্খা সমাজত। এই তীজ পৰ্ব ভাদ মাহৰ শুক্লপক্ষৰ দ্বিতীয়া তিথিৰ পৰা আৰম্ভ কৰি পঞ্চমীলৈকে চাৰিদিনীয়া কাৰ্যসূচীৰে পালন কৰা হয়। বিশেষকৈ বিয়া দিয়া জীয়ৰীসকলক এই উৎসৱৰ সময়ত ককায়েক-ভায়েক নতুবা দেউতাকে গৈ নিজৰ ছোৱালী বা ভনীয়েকক মাকৰ ঘৰলৈ লৈ আহে। 'তীজ' উৎসৱৰ অন্যতম দিশ হ'ল---ব্ৰত পালন, ৰাজহুৱা নৃত্য, বিভিন্ন খাদ্য -সম্ভাৰ আৰু সমূহীয়া স্নান কৰা, গীত-মাত আদিৰ যোগদি তিৰোতাসকলে পৰস্পৰে মনৰ ভাৱ বিনিময় কৰা ইত্যাদি। ভাদ মাহৰ শুক্লপক্ষৰ দ্বিতীয়া তিথিত মাতৃগৃহত বিভিন্ন খাদ্য সম্ভাৰেৰে সকলোৱে মিলি একেলগে এসাঁজ খায়।

পিছদিনা অৰ্থাৎ শুক্লপক্ষৰ তৃতীয়া তিথিত গোৰ্খা সম্প্ৰদায়ৰ মহিলাসকলে নিজৰ স্বামীৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰি অনাহাৰে মুখত এটুপি পানী নিদিয়াকৈ ভগৱান শিৱৰ আৰধনা কৰি 'হৰিতালিকা' (তীজ) ব্ৰত পালন কৰে। সেইদিনা গোৰ্খা মহিলাসকলে শিৱ-পাৰ্ৱতীক উদ্দেশ্য কৰি পূজা-অৰ্চনা কৰে। পূজাৰ বাবে শিৱ-পাৰ্ৱতীৰ মূৰ্তিক প্ৰতীকি ৰূপত স্থাপন কৰি লোৱা হয়। প্ৰথমে শিৱ-পাৰ্ৱতীক বালিৰে স্থাপন কৰি, গণেশক নাৰিকল ৰঙা কাপোৰেৰে মেৰিয়াই স্থাপন কৰা হয়। পৌৰাণিক তথ্য অনুসৰি হিমালয়ৰ কন্যা পাৰ্ৱতীয়ে শিৱক আৰধনা কৰি তেওঁক স্বামী ৰূপে পাবলৈ উপবাসে থাকি ব্ৰত পালন কৰি বালিৰে শিৱৰ মূৰ্তি সাজি পূজা-অৰ্চনা কৰিছিল বুলি প্ৰবাদ আছে। সেয়েহে গভীৰ বিশ্বাস, প্ৰেম আৰু ত্যাগেৰে মহিলাসকলে জাতীয় সাজ পৰিধান কৰি সকলো বান্ধবী, আত্মীয়-স্বজনৰ লগত কোনো এক ধৰ্মীয় স্থানত একত্ৰিত হৈ স্বামীৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰি শিৱক পূজা কৰে,

বিধৱা মহিলাসকলে পুত্ৰৰ মংগল কামনা কৰি আৰু অবিবাহিত জীয়ৰীসকলে উপযুক্ত বৰ পাবলৈ কামনা কৰি এই ব্ৰত পালন কৰে। শেষত সকলোৱে মিলি সংগিনী নৃত্য পৰিবেশন কৰে। একান্ত বিশ্বাস, প্ৰেম আৰু ভক্তিৰে পালন কৰা এই হৰিতালিকা ব্ৰতৰ পৰা গোৰ্খা মহিলসকলৰ ঈশ্বৰৰ সঙ্গ লাভ কৰি সাংসাৰিক সমস্যাক পৰাজয় কৰিব পৰা মানসিকতা দেখিবলৈ পোৱা যায়। তীজ উৎসৱৰ এই ব্ৰতক হৰিতালিকা ব্ৰত বুলিও কোৱা হয় কিয়নো 'হৰিত' আৰু 'আলিকা' শব্দৰ সন্ধিৰ যুক্তাক্ষৰ। তীজ সম্বন্ধীয় আখ্যানমতে পাৰ্বতীক তেওঁৰ দেউতাই ভগৱান বিষ্ণুৰ লগত বিয়া দিব খোজা কাৰ্যৰ বিৰুদ্ধে গৈ তাইক যাতে বিষ্ণুৱে বিয়া দিব নোৱাৰে সেই উদ্দেশ্যে তাইৰ এজনী বান্ধবীয়ে পাৰ্বতীক অৰণ্যত লুকুৱাই ৰাখিছিল বুলি প্ৰবাদ আছে। পাৰ্বতীক হৰণ কৰি ৰাখি এই ব্ৰত পালন কৰাৰ কাৰণে এই ব্ৰতক হৰিতালিকা ব্ৰত বুলিও কোৱা হয়।

তীজ পৰ্বৰ চতুৰ্থ দিনা বিশেষ একো নিয়ম নাই যদিও পঞ্চমী তিথিৰ পূজা বিধিৰ বাবে মহিলাসকলে নিৰামিষভোজন গ্ৰহণ কৰি বিভিন্ন যা-যোগাৰ সম্পন্ন কৰে। পঞ্চমী তিথিৰ দিনা নাৰীসকলে কৰা পূজা-অৰ্চনাক 'ঋষি পঞ্চমী' বুলি কোৱা হয়। এই ঋষি পঞ্চমীত পালন কৰা ৰীতি-নীতিৰ মাজত নাৰীসকলৰ কিছুমান সংস্কাৰ জড়িত হৈ আছে। এই ঋষি পঞ্চমী তিথিত গোৰ্খা মহিলা সকলৰ আত্মিক বিশ্বাস জড়িত হৈ আছে। মহিলাসকলে ঋতুস্ৰাৱৰ দোষ নিবাৰণৰ কাৰণে এই পৰ্ব পাতে। ঋতুস্ৰাৱৰ সময়ত বছৰটোত অজানিতে কৰা দোষত্ৰুটিবোৰৰ মাৰ্জনা বিচাৰি ঋষিপঞ্চমীৰ পুৱা বেলা নাৰীসকলে সংস্কাৰমূলক কৰ্ম কৰাৰ পাছত নদীত গৈ গা-পা ধুই নদীৰ পাৰতেই সপ্তঋষি আৰু অৰুন্ধতীক পূজা কৰে। বছৰৰ বিভিন্ন সময়ত জ্ঞাতে-অজ্ঞাতে কৰা ভুল বা স্পৰ্শ দোষৰ প্ৰায়শ্চিত্ত হয় বুলি লোকবিশ্বাস আছে।

এয়ে হৈছে গোৰ্খা মহিলা সকলে পৰম বিশ্বাস আৰু আত্মীয়তাৰে পৰিয়ালৰ সকলো সদস্যৰ লগত একেলগ হৈ ভোজ-ভাত খাই পূজা-অৰ্চনা কৰি মহা মিলনৰ প্ৰতীক ৰূপে পালন কৰা তীজ পৰ্ব।

আমি যদি তীজ উৎসৱৰ পৰম্পৰা আৰু ৰীতি-নীতিবোৰ ফঁহিয়াই চাওঁ, তেতিয়াহলে এটা কথা স্পষ্টভাবে দেখিবলৈ পাওঁ যে, জাপানী জীৱন কলা! জীৱনশৈলী যাক 'ইকিগাই' বুলি কোৱা হয়, এই পদ্ধতি কিন্তু অতীজৰে পৰা গোৰ্খা সমাজত নাৰীৰ ক্ষেত্ৰত যৎকিঞ্চিৎ হলেও আছিল বুলি আমি ভাবিব পাৰো। কিয়নো নাৰীসকলে বছৰৰ বিভিন্ন সময়ত সাংসাৰিক দায়িত্ব, সমস্যা, জা-জঞ্জাল আদিত ব্যস্ত হৈ থাকিলেও বছৰৰ চাৰি দিন সাংসাৰিক দায়িত্বৰ পৰা আতৰি নিজাববীয়াকৈ বান্ধবীসকলৰ লগত মনে বিচৰাধৰণে ৰং-ধেমালি কৰি উপভোগ কৰিবলৈ যি সুবিধা আছিল ই তাৰেই বাৰ্তা বহন কৰে। এই ৰং-ধেমালি আৰু আনন্দই সাংসাৰিক বিভিন্ন সমস্যাৰ পৰা আঁতৰাই মনলৈ নতুন উদ্যম আৰু সাহস যোগাই দুগুণ উৎসাহেৰে নিজৰ দায়িত্ব সমূহ পালন কৰি আগুৱাই যোৱাত সহায় কৰে তাৰেই আশা কৰা হয়। তীজ পৰ্বৰ লগত সংস্কাৰ আৰু সংস্কৃতি জড়িত হৈ আছে, কিয়নো আনন্দ আৰু ৰং-ধেমালিৰ লগতে তেওঁলোকক সোঁৱৰাই দিয়া হৈছে প্ৰেম, দায়িত্ব আৰু কৰ্তব্যৰ কথা। সেয়েহে স্বামীৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰি ব্ৰত লোৱা বিধিয়ে ইয়াৰেই অৰ্থ প্ৰকাশ কৰিছে। পৃথিৱীৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ পৰা এটা বিশিষ্ট স্থানত গোৰ্খা নাৰীসকলক এই 'তীজ' উৎসৱে প্ৰতিষ্ঠিত কৰিছে।

ভাৰতীয় সমাজ-জীৱনত অতীতৰ পৰা বৰ্তমানলৈকে নাৰীয়ে পালন কৰি অহা সাংসাৰিক ধৰ্ম, কৰ্ম, পৰিৱেশ্য-কলা, লোকাচাৰ উপস্থাপনৰ সৰলতা, জনকল্যাণকামী মনোভাৱৰ মাজেৰে সৃষ্টিৰ আদিতমা প্ৰেয়সী নাৰীৰ মোহময়ী প্ৰকাশ প্ৰতিভাত হৈ নাৰীক প্ৰতিষ্ঠিত কৰিছে অন্যতম স্থানত। ইয়াৰ মাজেদিয়েই জনসাধাৰণে সময়ে সময়ে প্ৰত্যক্ষ কৰি আহিছে হাস্যময়ী, লাস্যময়ী, সুখদায়িনী, বৰদায়িনী, কল্যাণকামী নাৰীৰ মোহনীয়া ৰূপ।।

# শিশুৰ শিক্ষা আৰু সমাজৰ দায়বদ্ধতা

**মামনি গগৈ**

মানৰ সৃষ্ট এই জগতত শিক্ষাই হৈছে 'আদি মূল'। এই শিক্ষা বিভিন্ন উৎসৰ পৰা আহৰণ কৰিব পৰা যায়। সাহিত্য হৈছে শিক্ষাৰ অন্যতম উৎস। এটি নৰজাতক ভূমিষ্ঠ হোৱা মাত্ৰকে শিশুৰ বৌদ্ধিক বিকাশৰ বাবে প্ৰয়োজন হয় 'শিক্ষা আৰু জ্ঞানৰ।'

'ছাত্ৰ না অধ্যয়নং তপঃ' অৰ্থাৎ অধ্যয়নেই হৈছে ছাত্ৰ জীৱনৰ তপস্যা। অন্যথা জীৱন বিপথগামী। আজি এটি শিশুৰেই কালিলৈ কৈশোৰ, তাৰ পাছতেই হ'বগৈ দেশৰ ভবিষ্যতৰ নাগৰিক। গতিকে প্ৰতিগৰাকী শিশুকেই গুণগত শিক্ষাৰ প্ৰয়োজন।

ড° এ. পি. জে আব্দুল কালামে কৈছিল, 'তুমি যদি সূৰ্যৰ দৰে জিকিলিব খোজা, তেন্তে প্ৰথমেই তুমি নিজেই জ্বলিব পাৰিব লাগিব, তেতিয়াহে তোমাৰ পোহৰে জগতক উজ্বলাব পাৰিব।' সেয়েহে শিশুৰ পৰাই ছাত্ৰ হোৱাৰ লগেলগে অধ্যয়নৰ প্ৰয়োজন। কিয়নো অধ্যয়ন বা তপস্যাৰ জৰিয়তেহে এটি শিশুৱে এদিন এখন সমাজৰ বা এখন দেশৰ সম্পদ হিচাপে নিজকে গঢ় দিবৰ বাবে সক্ষম হ'ব পাৰিব।

সাধাৰণতে এগৰাকী ছাত্ৰ বা ছাত্ৰীক সৎ আৰু সুস্থ কৰি ৰাখিবৰ বাবে প্ৰত্যেক জন পিতৃ-মাতৃ, শিক্ষাগুৰু, দীক্ষাগুৰুৰ লগতে পৰিয়ালৰ বা সমাজৰ সকলোৰে বিশেষ বিশেষ কিছুমান দায়িত্ব আৰু কৰ্তব্য থাকে। সেয়েহে শিক্ষক সকলে নিজ নিজ দায়িত্ব পালন কৰাৰ ক্ষেত্ৰত বহু অভিভাবকে আ'ক হেঙাৰ হিচাপে থিয় দিয়াও দেখা যায়। এইয়া কিন্তু সকলোৰে বাবে অতি দুখৰ আৰু পৰিতাপৰ বিষয় হৈ পৰিছে। কিয়নো শিক্ষকৰ দৃষ্টিত সকলো ছাত্ৰ-ছাত্ৰী সমান। ইয়াৰোপৰি তেওঁলোকক নিজ সন্তানৰ দৰেই জ্ঞান কৰা দেখা যায়।

সৰুৰ পৰাই জানি আহিছিলোঁ-

১। ছাত্ৰ-ছাত্ৰীৰ মূল পঢ়াশালি হৈছে- 'ঘৰখন'।
২। শিক্ষা সদায়ে 'ছেকনি'ৰ আগত।
৩। ভয়েই ভক্তি।
৪। গুৰুক আৰু বয়োজ্যেষ্ঠ সকলক সদায়ে ভকতি কৰিব লাগে।

কিন্তু আজি এই প্ৰবাদবোৰ যেন হেৰাই যাব খুজিছে। বৰ্তমান ডিজিটেলৰ যুগত হাতে হাতে ম'বাইলত শিক্ষা আহি পৰিছে। ফোনৰ যোগেৰে আজি সকলোৱে পৃথিবীত ভিন্ন ভিন্ন তথ্য সংগ্ৰহ কৰিব পাৰিছে, ইয়ো এক সত্য। কিন্তু আজি প্ৰশ্ন হয়। কিমান জনে ম'বাইলৰ দ্বাৰা উপকৃত হ'ব পাৰিছে? কিমানজনে পাঠ্য-পুথি দিশক উৰ্দ্ধমুখী কৰিব পাৰিছে? তাক গঢ় হিচাপত উলিয়াবলৈ হয়তো যথেষ্ট জটিল। কিয়নো ম'বাইলত ধনাত্মক আৰু ঋণাত্মক দুয়োটা দিশেই সন্নিবিষ্ট। সেয়েহে ধনাত্মক দিশটিক কিমানজনে আকোঁৱালি সৎ পথে পৰিচালিত কৰিব পাৰিছে।

অৱশ্যে এইয়াও সত্য যে আজি এই বিশ্বায়নৰ যুগত ছাত্ৰ-ছাত্ৰীসকলে শিক্ষা আহৰণ কৰিবলৈ তেনেই সহজ হৈ পৰিছে। কিয়নো বিভিন্ন মাধ্যম সৃষ্টি হোৱাৰ ফলত, এই মাধ্যমৰ জৰিয়তেই ছাত্ৰ-ছাত্ৰীয়ে প্ৰয়োজনীয় প্ৰায় সকলো জ্ঞানেই তেনেই সহজেই আহৰণ কৰিব পাৰে। ঘৰতে বহি বহিয়েই আজি সমগ্ৰ বিশ্বৰ বা-বাতৰি, খা-খবৰ য'ত যিমান তথ্যপাতি সকলোবোৰকেই ম'বাইলৰ

জৰিয়তেই সংগ্ৰহ কৰিব পৰা হৈছে। তাৰোপৰি শিশু অৱস্থাৰ পৰাই স্কুলত বিভিন্ন খেলা-ধূলা সামগ্ৰীৰ পৰা আৰম্ভ কৰি ইন্টাৰনেট, ৱেবচাইড আদিকে ধৰি অভিজ্ঞ শিক্ষকৰ সৈতে পোনপটীয়াভাৱে যোগাযোগ কৰি জ্ঞান আহৰণ কৰিব পৰা ব্যৱস্থা আছে। তৎস্বত্তেও, ছাত্ৰ-ছাত্ৰীসকলক আজি বিপথে পৰিচালিত হোৱাহে পৰিলক্ষিত হৈছে। কিয়নো ম'বাইলত অপ্ৰয়োজনীয় দিশৰ প্ৰতিহে বহু ছাত্ৰ-ছাত্ৰীয়ে আকৃষ্ট বা অত্যন্ত গুৰুত্ব প্ৰদান কৰে বুলি ক'লেও হয়তো ভুল কোৱা নহ'ব। এই ম'বাইল ফোনৰ বাবেই আনকি ঘৰৰ আত্মীয় স্বজনকে আদি কৰি নিজৰ তেজ-মঙহৰ প্ৰতিও, আন্তৰিকতা, শ্ৰদ্ধা-ভক্তি মায়া-মোহ লুপ্ত পোৱা পৰিলক্ষিত হ'ব ধৰিছে।

আজি শিক্ষাগুৰুসকলৰ হাতৰ ছেকনি হেৰাই যোৱাৰ বাবে শিক্ষাগুৰু সকলেও যেন বিভিন্ন দিশত বিভিন্ন সমস্যাৰ সন্মুখীন হ'ব লগা হৈছে। কিয়নো কিছুমান বিশেষ মূহুৰ্তত বিশেষভাৱে বহু সময়ত ছাত্ৰ-ছাত্ৰীক নিয়ন্ত্ৰণলৈ অনাৰ ক্ষেত্ৰত যথেষ্ট জটিলতা সন্মুখীন হোবা দেখা যায়। বহু ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীক দেখা পোৱা যায়, গুৰু আৰু ছাত্ৰ-ছাত্ৰীৰ মাজৰ যি শ্ৰদ্ধা ভক্তি, যি ব্যৱধান তাক পাহৰি কেৱল সতীৰ্থহে জ্ঞান কৰা দেখা যায়। অৱশ্যে সকলোৰে ক্ষেত্ৰত তেনে নহয়। আৰু এই সতীৰ্থ জ্ঞানৰ বাবেই হয়তো এচাম শিক্ষকে নিজ ছাত্ৰীৰ ওপৰত সুযোগ সুবিধাৰে শিক্ষাগুৰু জগতখনক কলুষিত কৰিব বিচাৰিছে। তদুপৰি ছেকনিক পৰিহাৰ কৰি মাক-দেউতাকেই হওঁক বা শিক্ষাগুৰুৱেই হওক সীমা চেৰাই যোৱাকৈ মৰমেৰে আকোৱালি ল'ব খোজাৰ বাবেই হয়তো আজি শিক্ষানুষ্ঠান সমূহতো ঘাটকৰ সৃষ্টি হৈ বিদ্যা মন্দিৰকো কলংকিত কৰি, এই পবিত্ৰ অনুষ্ঠান সমূহকো অধঃপতনে পৰিচালিত কৰিছে। শিক্ষাজগতক বিশৃংখলতাৰ ব্যাধিয়ে গ্ৰাস কৰাত আজি এই গুণগত শিক্ষাজগতখনি বিপথে পৰিচালিত হৈছে।

এই ছেকনিবিহীন গুৰুসকলৰ প্ৰতি ছাত্ৰ-ছাত্ৰীৰ যি শ্ৰদ্ধা, ভয়, ভক্তি সকলো আজি নিঃশেষ হ'ব ধৰিছে। অৱশ্যে এই গুণগত শিক্ষা বিপথে পৰিচালিত হোৱা কাৰণ কেৱল ছেকনি বুলি ক'ব পৰা নাযায়। কিয়নো ইয়াত আৰু অনেক কাৰণো সন্নিবিষ্ট হৈ আছে।

যেনে -

**১।** বিদ্যালয়সমূহত শ্ৰেণী অনুসৰি শিক্ষকৰ নাটনি।
**২।** সঘনাই শিক্ষকৰ বিভিন্ন প্ৰশিক্ষণ।
**৩।** পাঠদানৰ উপৰিও বিভিন্ন চৰকাৰী কাম কাজত শিক্ষক সকলক প্ৰয়োগ ইত্যাদি, ইত্যাদি।

কোনো কোনো মুহুৰ্তত দৃষ্টিগোচৰ হৈছে দেশৰ স্বচ্ছতাৰ হকে, ৰজা মহাৰজাৰ পৰা আৰম্ভ কৰি হালোৱা-জালুৱালৈকে সকলোৰে হাতে হাতে 'ঝাৰু' লৈ উঠি পৰিৱেশ নিষ্কাষণৰ কামত হাত উজান দিয়া। কিন্তু এইদৰে দেশ স্বচ্ছ কৰিব পৰাটো সম্ভৱনে? কিয়নো আমি আমাৰ ঘৰখনকে পৰিষ্কাৰ কৰিব নাজানি, শোৱনি কোঠালৈকে জাবৰেৰে ভৰাই পেলাওঁ। অৰ্থাৎ নিজৰ ঘৰখনকে স্বচ্ছ কৰাত ব্যৰ্থ হওঁ। তেনেস্থলত ? ইয়াৰোপৰি অভিভাৱক হিচাপেও ছেকনিৰ বিপৰীতে অত্যন্ত অনুশাসন আৰু অত্যন্ত মৰমৰ এনাজৰীৰে মেৰাই মেৰাই সন্তানক বান্ধিব খোজা বাবেই সময়ৰ সোঁতত, আজি সমাজত বৃদ্ধাশ্ৰমৰ সংখ্যা বৃদ্ধি পাব ধৰিছে।সেয়েহে আমি তাকে নকৰি যদি শিশুৰ পৰাই ছাত্ৰ-ছাত্ৰীক বা নিজৰ সন্তানক মনৰ মলি, মনৰ বোকা, জাৱৰ আদিবোৰ ধুই পখালি, প্ৰত্যেকেই নিজৰ অন্তৰক নিকা বা স্বচ্ছ কৰি ৰাখিব খোজো, তেন্তে বাৰু সমাজ বা দেশখন কেনে হ'ব? যদি এই কথা এবাৰলৈ অনুধাৱন কৰিব পৰা যায়, তেন্তে নিশ্চয়, নিজৰ লগতে দেশখন যথেষ্ট উপকৃত হ'ব।

এইখিনিতে আৰু এটা কথা উল্লেখ কৰিব পৰা যায় যে কোনো এটা ভাল বিষয়-বস্তু প্ৰচাৰৰ ক্ষেত্ৰত শব্দৰ ঢৌৰে যিমান বেগত গতি ল'ব পাৰে, বেয়া বিষয়বস্তু এটা প্ৰচাৰৰ ক্ষেত্ৰত দুগুণ বেগত গতি

ধাৰণ কৰা দেখা যায়। এনে ক্ষেত্ৰত আমাৰ সমাজত বিশেষকৈ কিছুমান লোকৰ ক্ষেত্ৰত দেখা পোৱা যায়, ম'বাইল অৰ্থাৎ ফেচবুক, ইনস্‌ট্ৰাগ্ৰাম, ইউটিউৱ আদি বৈদ্যুতিক মাধ্যমৰ জৰিয়তে অশ্লীল আৰু কুৎচিত কিছুমান ৰীলচ বা নীলা ছবিয়ে ছাত্ৰ-ছাত্ৰী সকলৰ মন-মগজুত উচ্ছৃংখল আৰু যথেষ্ট ক্ষতি সাধন কৰিছে। অৱশ্যে এনেবোৰ কাৰ্যক কিয় প্ৰচাৰত গুৰুত্ব প্ৰদান কৰে?

অৱশ্যে গ্ৰাম্যাঞ্চলত ঠায়ে ঠায়ে অলিয়ে গলিয়ে মাদক দ্ৰব্য সেবন বা অন্যান্য ৰাগিয়াল বস্তু সেবন, জুৱাখেল ইত্যাদিও বহু পুৰুষৰ ক্ষেত্ৰতো দৃষ্টিগোচৰ নোহোৱা নহয়। এইবোৰৰ পৰাও বহু ছাত্ৰ-ছাত্ৰী ধ্বংসমুখী হোৱা দেখা যায়। এইখিনিতে এটা বিশেষ মন কৰিবলগীয়া বিষয় যে, 'যিসমূহ বিপথগামী ছাত্ৰ-ছাত্ৰী, সেই সকল হৈছে আমাৰ নিজৰেই সন্তান।' আজিৰ যুগত বহু ছাত্ৰ-ছাত্ৰীয়ে শিষ্টাচাৰ কি বুজি নাপায়। শ্ৰদ্ধা-ভক্তি কি তাকো বুজি নাপায়। এইটো কিন্তু এটা গুৰুত্বপূৰ্ণ দিশ। কিয়নো বহু ছাত্ৰ ছাত্ৰীয়েই ভাৱে যে, কেৱল পাঠ্য-পুথিৰ জ্ঞানেৰে পৰীক্ষাত উত্তীৰ্ণ হৈ লাভ কৰা চাৰ্টিফিকেট খনিয়েই প্ৰকৃত পৰিচয়। অৱশ্যে হয়, কিন্তু তাৰ ভিতৰতো প্ৰকৃত পৰিচয় নিৰ্ভৰ কৰে মানুহৰ চলন-ফুৰণ, আচাৰ-ব্যৱহাৰ অৰ্থাৎ ব্যক্তিৰ শিষ্টাচাৰৰ ওপৰতহে।

যিকি নহওঁক, স্বামী বিবেকানন্দই কৈছিল, 'যি শিক্ষাই চৰিত্ৰ গঠন, বৌদ্ধিক বিকাশ আৰু আত্মনিৰ্ভৰশীলতাৰ পাঠ শিকায়, সেই শিক্ষাহে আমাৰ কাম্য।' সেয়েহে চৰিত্ৰ গঠন বৌদ্ধিক বিকাশ আৰু আত্মনিৰ্ভৰশীল পাঠ শিকাৰ ক্ষেত্ৰত শিক্ষক, ছাত্ৰ আৰু অভিভাৱকসকল সদায়ে একমুঠি হ'ব লাগিব। ইয়াৰোপৰি ছাত্ৰ জীৱনত অধ্যয়নেই হৈছে প্ৰধান তপস্যা। এই কথা ছাত্ৰ-ছাত্ৰীয়ে সদায়ে পণ হিচাপে ল'ব লাগিব। তেতিয়াহে নিজৰ লগতে দেশৰ উন্নতি সাধন কৰিব পৰা যাব।

# অনাগত কণ্ঠ

**শিৱ প্ৰসাদ বৰা**

উত্তৰণৰ সেউজী পথাৰত
অনাগত কণ্ঠই
জনতাৰ মহাকোলাহল।
সুধাৰ্ত জনতাৰ কল্লোল
উপকৰণৰ নিৰূপণ জৰীপৰ
বৈচিত্ৰৰ অভ্যন্তৰত মহাসাক্ষৰ।
নিৰ্দিষ্ট সূচাংকৰ সফলতাই
আনি দিয়ে অনিশ্চিত ভৱিষ্যত
দক্ষ প্ৰৱণতাৰ জাগ্ৰত প্লাৱন।
সাক্ষৰ পদূলিত সচেতন মোকাবিলা
যোগাত্মক পৰিধিয়ে তৰাত্মক নিগমন
জাগ্ৰত জনতাৰ মধুৰ আৰ্তনাদ।
দুহাতেৰে অঞ্জলি বিলাই
গাঠনিত গুণগত মহাসংযোগে
তৃষ্ণাতুৰ হৈয়ো নাতিশীতোষ্ণ
মনোগ্ৰাহী নীতিকথাবোৰ হৈ পৌৰাণিক
শৰীৰত তেজ ৰঙা নিগৰিত ভাণ্ডাৰ।
অপৈণত কদৰ্যতাই
নোৱাৰে তৰিব আন্ধাৰ ফালি
পোহৰ ওলায়েই থাকিব।

# শ্ৰীমন্ত শংকৰদেৱৰ এক অনুপম অৱদান ঃ গায়ন- বায়ন

### অনুজ কুমাৰ ভূঞা

একেশ্বৰীবাদী, নাম ধৰ্ম প্ৰচাৰক, সমাজ সংস্কাৰক, কবি, নাট্যকাৰ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অনুপম অৱদান গায়ন-বায়ন। অসমীয়া বৈষ্ণৱ সত্ৰীয়া পৰম্পৰা এক ধৰ্মীয় পৰিৱেশন। শংকৰদেৱৰ অমূল্য সৃষ্টি খোল-তালেৰে গায়ন-বায়ন পৰিৱেশন যুটিত যিজনে হাতত তাল লৈ গীত গায় তেওঁক গায়ন আৰু যিজনে কান্ধত খোল লৈ বাদ্য বজায় তেওঁক বায়ন বোলা হয়। গীত গোৱাজনে হাতত তাললৈ গীত পৰিৱেশন কৰাৰ বিপৰীতে বায়নজনে বাদ্য বজোৱাৰ উপৰিও বিভিন্ন ভঙ্গীমাৰে নৃত্য পৰিৱেশন কৰে। যাৰ ফলস্বৰূপে উপস্থিত দৰ্শকসকলে আনন্দ অনুভৱ কৰে। ই এক সমন্বিত পৰিৱেশন। গায়ন-বায়ন ভাওনা সংস্কৃতিৰ এক অবিচ্চেদ্য অংগ ভাওনাৰ দৰে গায়ন-বায়নৰ সাজসজ্জাত ছোঁ ঘৰতে আৰম্ভ হয়। গায়ন-বায়নৰ সকলো বস্ত্ৰই বগা। বগা ৰঙে আধ্যাত্মিকতা আৰু বিশুদ্ধতা বুজায়। গায়ন-বায়নসকলে বগা চাপকন, মূৰত পাগ, ঠোৰ মৰা চুৰীয়া, কপালত বগা চন্দনৰ ফোঁট আৰু মূল বায়নজনৰ মূৰৰ পাগৰ ওপৰত বকুল/তুলসী মালা পৰিধান কৰে। এই মালা সাধাৰণতে সত্ৰাধিকাৰ সকলে আশীৰ্বাদ স্বৰূপে তেওঁলোকক প্ৰদান কৰে। গায়ন-বায়নসকলে বিশেষ অলংকাৰ পৰিৱেশন নকৰে যদিও বৰ বায়নজনে ডিঙিত গুটিৰ জপমালা পৰিধান কৰে। বৰ্তমান সময়ত নিজকে সজ্জিত কৰিবৰ বাবে প্ৰত্যেকেই গুটি মালা জাতীয় অলংকাৰ পৰিৱেশন কৰা দেখা যায়। ভাওনা সংস্কৃতি অন্য এক অতি গুৰুত্বপূৰ্ণ অংগ। গায়ন-বায়নকো সম্পূৰ্ণ ভাওনা পৰম্পৰাৰে আদৰা দেখা যায়। নামঘৰৰ সন্মুখত ধেনুভিৰীয়াকৈ কামিত ন-গছি শলাবন্তি জ্বলোৱা স্থানত উপস্থিত হৈ আৰম্ভ কৰে। এই বন্তি জ্বলোৱা অনুষ্ঠানটোক অগ্নিগড় বোলা হয়। কোনো কোনো ঠাইত ছোঁ ঘৰৰ পৰাই গায়ন-বায়ন যোৱাক আদৰি আনে। আঁৰ কাপোৰৰ ভিতৰৰ পৰা শ্লোক আৰম্ভ কৰে। শ্লোকৰ অন্তত সকলোৱে একেলগে হৰিধ্বনি দিয়ে। নামঘৰৰ ভিতৰত দেৱ বাদ্যসমূহ বাজি উঠে। ইয়াৰ লগে লগে বগা কাপোৰ আঁতৰাই দিয়া হয়। আঁৰ কাপোৰখনক ভগৱন্তৰ মায়াৰ শক্তি প্ৰতীক বুলি ধৰা হয়। গায়ন-বায়নৰ আগে আগে দুজন লোকে শুভ্ৰ পোছাক পিন্ধি আৰিয়া লৈ আহে। আৰিয়া হ'ল দুটা বাঁহৰ চুঙাত তেল ভৰাই মুখত কাপোৰৰ সোফা দি জ্বলাই পোহৰ কৰি আনে। ইয়াক হাতে ধৰা পোহৰ সঁজুলি হিচাপে ধৰা হয়। গায়ন-বায়ন নামঘৰৰ ভিতৰত সোমাই নিৰ্দিষ্ট স্থান পোৱা পাছত আৰিয়া ধৰা দুজন লাহে লাহে পিছলৈগৈ নামঘৰৰ পৰা আঁতৰি যায়। গায়ন-বায়নে ঘোষা বাজনা বজায় নামঘৰৰ ভিতৰত এপাক ঘূৰি নিৰ্দিষ্ট ব্যৱধানৰ লগতে নিৰ্দিষ্ট তালত পদ চালনা কৰি উপস্থিত ৰাইজক মোহিত কৰে। ইয়াক ধেৰাপাক বোলা হয়। কোনো কোনো ঠাইত সাত পাক দি সপ্ত বৈকুণ্ঠৰ স্মৰণ কৰা হয় বুলি পোৱা যায়। গায়ন-বায়নৰ মুখ্য আকৰ্ষণীয় দিশ হৈছে বাদ্য চালনাৰ লগে লগে হস্ত মুদ্ৰাৰ, ভৰি চালনাৰে নামঘৰত সকলোৰে দৃষ্টি নিবদ্ধ কৰে। বাদ্য চালনাৰ মাজে মাজে গায়ন-বায়ন যোৱাই ধেমালি পৰিৱেশন কৰে।

ভাওনাৰ প্ৰাৰম্ভণিতে গায়ন-বায়ন যোৱাই এনেদৰে গীত-ৰাগ ধেমালিৰে শ্ৰোতা দৰ্শকক

আপ্যায়িত কৰাৰ উপৰিও এটি অতি গহীন আৰু পবিত্ৰ পৰিৱেশ সৃষ্টি কৰে। এই ধেমালিক কেইবাটাও ভাগত ভগোৱা দেখা যায়। ন-ধেমালি, নাট-ধেমালি, ৰাগ ধেমালি, সৰু ধেমালি, বৰ ধেমালি আৰু ঘোষা ধেমালি। এই ধেমালিৰ মাজেৰে গায়ন-বায়ন শেষ কৰা হয়। বহু ঠাইত দেৱ ধেমালি পৰিৱেশন কৰা দেখা যায়। এনেদৰে অতি আকৰ্ষণীয়ভাৱে পৰিসমাপ্তি হোৱাক যোৰা উঠা বুলি কোৱা হয়। সামৰণি সময়ত ডবা-কাহ-ঘণ্টা- শংখ পৰিৱেশন কৰাৰ লগতে উপস্থিত আয়তীসকলে উৰুলি ধ্বনিৰে মাঙ্গলিক পৰিৱেশ সৃষ্টি কৰে। সাধাৰণতে এক সুন্দৰ কণ্ঠৰ অধিকাৰী কেইবাগৰাকীক গায়নৰ দায়িত্ব অৰ্পণ কৰে। সুমধুৰ কণ্ঠই গীত পৰিৱেশনৰ লগে লগে বায়নসকলে সুন্দৰকৈ খোল বাদ্য বজাই এক অপূৰ্ব মনোমোহা দৃশ্য অৱতাৰণা কৰে। সঁচা অৰ্থত গায়ন-বায়ন যোৰাই হৈছে ভাওনাৰ প্ৰকৃত সম্পদ। কিয়নো গায়ন-বায়ন যোৰা যেতিয়াই নামঘৰৰ ভিতৰত উপস্থিত হয় মঙ্গলময় ধ্বনিৰে গোটেই নামঘৰ ভাগ বৈকুণ্ঠপুৰীলৈ পৰিৱৰ্তিত হয়। বহু ঠাইত ঘোষা ধেমালিৰ অন্তত গুৰুঘাত বজায় গুৰুজনা শ্ৰীমন্ত শঙ্কৰদেৱক সভক্তিৰে সন্মান কৰি শ্ৰদ্ধাৰে স্মৰণ কৰে। গায়ন-বায়নত বৰ বায়নজনৰ গুৰুত্ব অধিক। সকলো দিশ তেওঁ ওপৰতে নিৰ্ভৰ কৰে। বিশেষভাৱে পৰিৱেশিত হোৱা ধেমালি অনুষ্ঠান পৰিচালনাৰ সম্পূৰ্ণ দায়িত্ব বৰ বায়ন গৰাকীৰ। সেই বাবে বৰ বায়ন গৰাকীৰ দায়িত্ব অধিক দায়িত্বশীল ব্যক্তিৰ ওপৰত ন্যস্ত কৰা হয়। তেখেতৰ বাদ্য পৰিৱেশনৰ লগতে নেতৃত্ব দিব পৰা দক্ষতা থাকিব লাগিব। কিয়নো গায়ন-বায়ন হ'ল ভাওনা ভাগৰ আৰম্ভণি। সেইবাবে গায়ন-বায়নক নাটকৰ পূৰ্বৰংগ বুলি কোৱা হয়। অন্যহাতে গায়ন-বায়নৰ সমগ্ৰ পৰিৱেশন এক আধ্যাত্মিক সেৱা স্বৰূপ। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে পোনপ্ৰথমে গায়ন-বায়ন আৰম্ভ কৰে যদিও পৰৱৰ্তী সময়ত শ্ৰীশ্ৰী মাধৱদেৱ, গোপালদেৱ, অনিৰুদ্ধদেৱ আদি কৰি শিষ্যসকলে সত্ৰ আৰু নামঘৰ স্থাপন কৰি গোটেই অসমত এই গায়ন-বায়নৰ লগতে ভাওনা সংস্কৃতিৰ প্ৰচাৰ আৰু প্ৰসাৰ ঘটায়।

গায়ন-বায়ন কেৱল ধৰ্মীয় অনুষ্ঠানতহে পৰিৱেশন কৰা হয় যদিও বৰ্তমান ইয়াৰ পৰিসৰ বৃদ্ধি হৈছে। নামঘৰ আৰু নিৰ্দিষ্ট বয়সৰ ভিতৰত সীমাবদ্ধ হৈ থকা এই গায়ন-বায়নৰ প্ৰতি যুৱকসকল অধিক আকৰ্ষিত হোৱা দেখা গৈছে। ই কেৱল গুৰুজনাৰ প্ৰতি সন্মান জনোৱাই নহয় গায়ন-বায়ন অসমৰ বাহিৰতো দৰ্শকৰ মন আকৰ্ষিত কৰিবলৈ সক্ষম হৈছে। ই আমাৰ বাবে এক শুভ লক্ষণ। বয়োজ্যেষ্ঠ মাজতে সীমাবদ্ধ নাথাকি যুৱ সমাজ আনকি বহু শিশুৱেও গায়ন-বায়নৰ প্ৰশিক্ষণৰ প্ৰতি আগ্ৰহী হৈছে। অভিভাৱক সকলেও ইয়াৰ প্ৰকৃত গুৰুত্ব অনুধাৱন কৰি শিশুসকলক খোল-তাল বাদ্য বজাবৰ বাবে আগুৱাই নিয়াটো অসমবাসীৰ বাবে গৌৰৱৰ কাৰণ। গুৰুজনাই পাঁচশ বছৰৰ আগতেই দি যোৱা অমূল্য সম্ভাৰ প্ৰতিজন অসমীয়াই এতিয়া অনুধাৱন কৰিছে। যাৰ ফল স্বৰূপে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে অথবা ব্যক্তিগতভাৱে বহুলোকে প্ৰশিক্ষণ অথবা সত্ৰীয়া বিদ্যালয়ৰ মাধ্যমেৰে নৱ প্ৰজন্মক আগুৱাই নিছে। সেয়েহে পৰিৱেশৰ লগত খাপখোৱাকৈ বিভিন্ন অনুষ্ঠানত গায়ন-বায়ন প্ৰদৰ্শন কৰি ৰাইজৰ প্ৰশংসা বুটলিবলৈ সক্ষম হোৱা লগতে গুৰুজনাৰ অনুপম অৱদানক জনমানসত প্ৰতিষ্ঠা কৰিছে। ই সঁচাকৈয়ে এক সুন্দৰ পদক্ষেপ। জয় গুৰু শংকৰ।।

# চিৰ চেনেহী আমাৰ ভাষা জননীয়ে জগত সভাত স্থিতি লাভ কৰিলে

**ধনদা বৰুৱা**

বহুতদিন অপেক্ষা কৰাৰ অন্তত যোৱা **৩** অক্টোবৰ **২০২৪** তাৰিখৰ দিনটোৱে অসমীয়া ভাষা-সাহিত্যৰ জগতখনত এক নতুন দিগন্তৰ সূচনা কৰিলে। এনে এটা শুভ বাৰ্তাই সকলোকে আনন্দমুখৰ কৰি তুলিলে। অসমীয়া ভাষা-সাহিত্যৰ প্ৰতি শ্ৰদ্ধাশীল আৰু অনুৰাগ থকা সকলোলোকেই অসমীয়া ভাষাক ধ্ৰুপদী ভাষাৰূপে স্বীকৃতি দিয়াৰ বাবে সন্তুষ্টি লাভ কৰিছে। ভাৰতীয় জনতা পাৰ্টিৰ শাসনাধিষ্ঠ চৰকাৰৰ প্ৰধানমন্ত্ৰী মাননীয় নৰেন্দ্ৰ মোডী ডাঙৰীয়াৰ নেতৃত্বাধীন কেন্দ্ৰীয় মন্ত্ৰীসভাৰ কেবিনেটে ডেৰ হাজাৰ বছৰৰো অধিক কাল পুৰণি অসমীয়া ভাষাক দেশখনৰ ধ্ৰুপদী ভাষা হিচাবে স্বীকৃতি প্ৰদান কৰিলে। এতিয়া অসমীয়া ভাষা ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটত মজবুট হৈ পৰিল।

সেয়েহে অসমৰ জনসাধাৰণে ভাষাটোৰ প্ৰসাৰ আৰু উন্নত কথন, লিখনৰ জৰিয়তে সৃষ্টিশীল কৰ্মত আত্মনিয়োগ কৰি লেখক-সাহিত্যিকসকলে ভাষাটোৰ প্ৰায়োগৰ বাবে যৎপৰোনাস্তি যত্ন অব্যাহত ৰাখিব লাগে। এটা ভাষ্য জীয়াই ৰাখিবলৈ হ'লে ভাষাৰ সৎ প্ৰয়োগ, কথন, চিন্তন, লিখন শৈলী, শুদ্ধ বানান আৰু শুদ্ধ সৃষ্টিশীল চেতনা ভাৱনা আদি বহু দিশৰ কথা অন্তৰ্নিহিত হৈ থাকিব লাগে। ভাষাৰ যথোপযুক্ত প্ৰয়োগে জন সাধাৰণৰ সঠিক ৰূপ প্ৰদৰ্শন কৰা আৰু সুন্দৰ বাৰ্তা প্ৰদান কৰা হ'লেহে আন্তৰাষ্ট্ৰীয় পৰ্যায়ত মান্যতাৰ যোগ্য হ'ব পাৰিব। অসমীয়া ভাষাটো কাজে কামে যথোপযুক্ত প্ৰয়োগৰ নিৰন্তৰ প্ৰয়াস অব্যাহত থাকিলেহে অসমীয়া ভাষাৰ প্ৰসাৰতা লাভ কৰিব পাৰিব বুলি আশা কৰিব পাৰি।

ইতিমধ্যে স্বৰাজোত্তৰ কালত কংগ্ৰেছ দলৰ শাসনাধিষ্ঠিত কেন্দ্ৰীয় চৰকাৰে বিভিন্ন সময়ত সাংবিধানিক ভাবে স্বীকৃতি দিয়া ভাষা সমূহৰ ভিতৰত সংস্কৃত, তামিল, তেলেগু, কান্নাড়া মালায়ম আৰু উড়িয়া এই ছটা প্ৰাচীন ভাষাক ধ্ৰুপদী ভাষাৰ স্বীকৃতি প্ৰদান কৰিছিল। সাম্প্ৰতিক শাসনাধিষ্ঠ দলৰ কেন্দ্ৰীয় চৰকাৰে একে তাৰিখতে অসমীয়া ভাষাৰ লগতে বাংলা, মাৰাঠী, প্ৰাকৃত পালী, এই পাঁছটা ভাষাৰ প্ৰাচীনত্বক মান্যতা দি এইকেইটাক ধ্ৰুপদী ভাষাৰ স্বীকৃতি আগবঢ়ায়। অসমীয়া ভাষাৰ এই স্বীকৃতি প্ৰাপ্তিত অসম সাহিত্য সভা আৰু প্ৰকাশন পৰিষদৰ লগতে ৰাজ্যখনৰ মাননীয় মুখ্যমন্ত্ৰীৰ ভূমিকাও উল্লেখযোগ্য। অসমীয়া ভাষা যে প্ৰায় ডেৰ হাজাৰ বছৰৰ পূৰ্বৰ পৰা এক স্বতন্ত্ৰ ভাষা হিচাপে বিকশিত হোৱা এক প্ৰাচীন ভাষা ইয়াক প্ৰতিপন্ন কৰি অসম সাহিত্য সভাই আশাশুধীয়া প্ৰচেষ্টাৰে তথ্য সমৃদ্ধ এক বৃহৎ প্ৰতিবেদন কেন্দ্ৰিয় সাংস্কৃতিক মন্ত্ৰালয়ক স্বীকৃতি লাভৰ বাবে প্ৰায় এটা বছৰৰ পূৰ্বে দাখিল কৰিছিল। ৰাজ্য চৰকাৰৰ নিয়ন্ত্ৰাধীন অসম প্ৰকাশন পৰিষদেও এক বিস্তৃত তথ্য বছৰটোৰ আগভাগতে দাখিল কৰিছিল। এই সকলোবোৰৰ বিনিময়ত অসমীয়া ভাষাই ধ্ৰুপদী ভাষা ৰূপে স্বীকৃতি লাভ কৰিলে।

আমাৰ দেশখন পৰাধীন অৱস্থাত বৃটিছ ঔপনিবেশক প্ৰশাসনে উনৈশ শতিকাত **১৮৩৬** পৰা **১৯৭৩** চনৰ আগভাগলৈকে প্ৰায় ছয়ত্ৰিশ বছৰতকৈয়ো অধিককাল প্ৰশাসনীয় সুবিধাৰ অজুহাত লৈ একাংশ বৃটিছ প্ৰশাসকে সেই সময়ৰ বংগ

প্ৰেছিডেন্সীৰ অন্তৰ্গত হৈ থকা অসমত পূৰ্বৰ পৰা এই প্ৰশাসনৰ লগত পৰিচিত আৰু কাম-কাজত অভিজ্ঞ বঙালী বিষয়া কৰ্মচাৰী সহযোগত অসমৰ আদালতত আৰু কাৰ্যালয়ত বঙলা ভাষা প্ৰচলন কৰাৰ লগতে পঢ়াশালিতো এই ভাষাৰ শিক্ষাৰ মাধ্যম কৰি অসমীয়া ভাষা-সাহিত্যক জগতলৈ অন্ধকাৰ নমাই আনিছিল। আনহাতে স্বৰাজোত্তৰ কালতো অসমীয়া ভাষা বিদ্বেষী এটা কু-চক্ৰৰ লগতে ইংৰাজী ভাষাৰ প্ৰতি এটা বিশেষ প্ৰীতিভাৱ পোষণ কৰি অসমীয়া ভাষা বা ৰাজ্যিক সংযোগী ভাষাৰ অৱহেলা কৰা একাংশ শিক্ষিত অসমীয়া মানুহৰ উদাসীনতা, ৰাজ্য চৰকাৰৰ ৰাজ্য ভাষা প্ৰয়োগত সোপাধৰা নীতি আদি এশ-এবুৰি লেঠাৰ প্ৰভাৱত ৰাজ্যখনত অসমীয়া ভাষাৰ ব্যৱহাৰ আৰু প্ৰচলনত প্ৰতিবন্ধকতা সৃষ্টি কৰিছিল।

বৃটিছ উপনিবেশক প্ৰশাসনে আমাৰ দেশৰ স্কুল-কলেজ, আদালত, কাৰ্যালয়ত বঙালী ভাষা প্ৰচলন কৰি দেশখন শাসন কৰিছিল। সেই সময়ত অসমৰ সিংহ পুৰুষ পদ্মনাথ গোহাঞিবৰুৱাই অসমীয়া ভাষাক স্কুল-কলেজ সকলোতে প্ৰচলন কৰিবলৈ যৎপৰোনাস্তি চেষ্টা কৰিছিল। তেওঁ মাতৃভাষাক মূল সম্বল বুলি ভাবি লৈ পঢ়াশালিত অসমীয়া মাতৃভাষাৰে শিক্ষাদান দিবলৈ প্ৰথমজন অসমীয়া পাঠ্যপুথি ৰচনা কৰা অসমীয়া ভাষাৰ কাণ্ডাৰী পানীন্দ্ৰ নাথ গগৈ এই কামত তেখেতৰ প্ৰধান সহযোদ্ধা আছিল। তেওঁ প্ৰাথমিক পৰ্যায়ৰ পৰাই শুদ্ধ ভাষা ভেটি স্থাপন কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছিল। অসমীয়া ভাষা-সাহিত্যৰ দুৰ্যোগৰ সময়ত পদ্মনাথ গোহাঞিবৰুৱাই স্কুলীয়া পাঠ্যপুথি আৰু অন্য সাহিত্যপুথি ৰচনা কৰি সময়ৰ অভাৱ পূৰ কৰিছিল। কলিকতা শিক্ষানুষ্ঠানৰ পৰা উভতি আহি অসমৰ বিদ্যালয়সমূহৰ দুৰৱস্থা দূৰ কৰিবলৈ উদ্দেশ্যে বন্ধুবৰ পানীন্দ্ৰ নাথ গগৈ সৈতে লগলাগি অসমীয়া পাঠ্যপুথি ৰচনা কৰিবৰ বাবে দৃঢ় প্ৰতিজ্ঞ হৈছিল।

হিন্দী সাহিত্যৰ প্ৰখ্যাত ভাষাবিদ মহাবীৰ প্ৰসাদ দ্বিবেদীয়ে মাতৃভাষা গুৰুত্বৰ প্ৰসংগত কৈছিল- ‘মাতৃ-মাতৃভাষা, মাতৃভূমি সমান গুৰুত্বপূৰ্ণ।’ মাতৃয়ে অনেক দুখ যন্ত্ৰণা সহ্য কৰি সন্তান জন্ম দিয়ে। মাতৃভূমিয়ে অন্ন, বাসস্থান,  কৰ্মভূমি প্ৰদান কৰে। মাতৃভাষা, আইৰ মুখৰ ভাষা। হাঁহি, কান্দোন আনন্দ উল্লাস, ভাৱ-অনুভূতি, সুখ-দুখ কেৱল মাতৃভাষাৰে নিভাঁজকৈ প্ৰকাশ কৰিব পাৰি। প্ৰকৃত জীৱনৰ স্বৰূপ অনুভৱ কৰিব পাৰি, প্ৰকাশ কৰিব পাৰি কেৱল মাতৃভাষাৰে। জন্মৰ পৰা মৃত্যুলৈকে মাতৃভাষাৰ লগতে আমাৰ জীৱনৰ গুৰুত্বপূৰ্ণ কাম-কাজসমূহ সংপৃক্ত হৈ আছে। কিন্তু বৰ দুখ আৰু পৰিতাপৰ বিষয় এয়ে যে আজি আমাৰ সমাজৰ এচাম লোকৰ মাতৃভাষাৰ প্ৰতি অনীহা মনোভাৱ পৰিলক্ষিত হৈছে। নিজৰ ল'ৰা-ছোৱালীক আমি মাতৃভাষাৰ মাধ্যমেৰে শিক্ষাগ্ৰহণ কৰিবলৈ নিদিয়া হ'লোহঁক। ইংৰাজী মাধ্যমেৰ স্কুলত পঢ়িবলৈ এৰি দিছোঁ। আনকি আমাৰ মৰমৰ সম্বোধনবোৰো বিজতৰীয়া কৰি পেলাইছো। আগৰ পিতাদেউ, দেউতা, ককাইদেউ, দদাইদেউ, পেহাদেউ, পেহীদেউ, খুৰাদেউ, খুৰীদেউ, জেঠাই, জেঠপেহা, তাৱৈ, আমৈ, আদি সম্বোধন আজি দিনৰ ল'ৰা-ছোৱালীয়ে ব্যৱহাৰ নকৰে। তাৰ ঠাইত, পাপা, দেদি, মামী, আংকুল, আন্টি, ব্ৰাদাৰ, চিষ্টাৰ, আদি অন্য ভাষাৰ সম্বোধন কৰে। লক্ষ্মীনাথ বেজবৰুৱাই কৈছিল-অসমীয়া মাত-কথা ইমান শুৱলা, ৰসিক, মাততে মৌ বৰষে, কথাতে মৰম ওপজা। সুন্দৰকৈ কথা ক'ব জনাটো এটা কলা। নিজৰ ভাষাত নিজৰ কথাখিনি যিমান শুৱলাকৈ ক'ব পাৰি, আন ভাষাত ক'ব নোৱাৰি। দৈনন্দিন ব্যৱহাৰ্য কাম বা কথা আমি মাতৃভাষাতে কওঁ বা কৰোঁ। সেয়ে যেনিবা শুদ্ধ পৰিমাৰ্জিতভাৱে ক'ব লাগে। আমি অন্য ভাষা শিকিবই লাগিব, স্কুল-কলেজত ল'ৰা-ছোৱালীয়ে পঢ়িবই লাগিব। কিন্তু নিজৰ ভাষাটো অৱহেলা কৰিব নালাগিব। আমি বিজতৰীয়া প্ৰয়োগেৰে আৰু কিছুমান ভুল-ভ্ৰান্তি প্ৰয়োগেৰে চিৰ চেনেহী আমাৰ

আপোন ভাষাটো সৰ্বনাশ কৰিবলৈ আগুৱাই গৈ আছো। আমি প্ৰণয়ণ কৰা কিছুমান কিতাপ-পত্ৰটো অনিচ্ছাকৃতভাবে কিছুমান ভুল-ভ্ৰান্তি ৰৈ যায়। অৱশ্যে প্ৰেছত শুধৰাই দিয়াৰ পাছতো একেদৰে ছপা হৈ ওলায়। এইটো এটা প্ৰধান ভুলৰ ভিতৰতে পৰে। আমি আমাৰ মাতৃভাষাৰ দায়বদ্ধতা প্ৰকাশ কৰি উপযুক্ত প্ৰয়োগেৰে সন্মান কৰিব পাৰিব লাগিব। তেতিয়াহে ভাষা জননীৰ উন্নতি সাধন কৰা হ'ব।

বহুদিনৰ আগতে ভাষা সাহিত্যৰ ত্ৰাণকৰ্তা ড° মাইলছ ব্ৰনচন চাহাবে অসমীয়া ভাষাৰ স্থায়িত্বৰ প্ৰতি সুদৃঢ় মন্তব্য প্ৰদান কৰি কৈছিল- 'অসমীয়া ভাষা ব্ৰহ্মপুত্ৰ গতিৰ দৰে অবাধে গতি কৰি থাকিব। ইয়াক বাধা দিবলে কাৰ সাধ্য আছে?' অন্যহাতে জ্যোতিপ্ৰসাদ আগৰৱালা দেৱেও কৈ গৈছিল- যি অসমীয়া ভাষাৰ মাধ্যমেদি শ্ৰীমন্ত শংকৰদেৱে মানৱৰ এক সৰ্বোচ্চ সাংস্কৃতিক ৰূপ অনায়াসে প্ৰকাশ কৰিব পাৰিছিল, যি অসমীয়া ভাষা-সাহিত্যৰ দ্বাৰা মানৱ জীৱনৰ মধুময় ৰূপ আৰু প্ৰকৃতিৰ বিনন্দীয়া সুন্দৰ সৌন্দৰ্যক বৰ্ণনা কৰি ৰূপে, ৰসে অনুপম মাধুৰ্যক পূৰ্ণ সৃষ্টি কৰাব পাৰিছিল, সেই ভাষা-সাহিত্য কেতিয়াও-অবহেলিত হ'বই নোৱাৰে। সেই ভাষা-সাহিত্যক আমি বিকশিত কৰি ভাষা-সাহিত্যৰ উন্নত চেতনাৰে আগুৱাই নিব পাৰিব লাগিব। তেহে অসমীয়া ভাষা-সাহিত্যই বিশ্বসভাৰ সন্মানৰ আসনত অধিস্থিত হ'ব পাৰিব। ই ধ্ৰুৱ সত্য। জ্যোতিপ্ৰসাদ আগৰৱালাই আৰু কৈছিল - 'কামৰূপা মোৰ/সুৰদিসুৰীয়া অসমীয়া ভাষা জগত সভালৈ যাব/উজ্জ্বল/সমুজ্বল/কহিনুৰ পিন্ধি/হাঁহি হাঁহি জ্যোতিৰূপা হ'ব।' জ্যোতিপ্ৰসাদৰ এই ভৱিষ্যত বাণী যোল্ল অনাই বাস্তৱত পৰিণত হ'ল।

অসমখন বিভিন্ন জনগোষ্ঠীৰ মিলনভূমি। অসমত নানা ভাষা-ভাষী, নানা গোষ্ঠীৰ জনসাধাৰণে, বসবাস কৰি আহিছে। কিছুমান জনগোষ্ঠীয় মানুহে দৈনন্দিন জীৱনৰ কাম-কাজ বা কথা-বতৰাত একোটা নিজা ভাষা প্ৰয়োগ কৰে। নিজাকৈ কিছুমান দোৱানীয়া বা প্ৰচলিত নিজাভাষা আছে যিবিলাক তেওঁলোকে ব্যৱহাৰিক জীৱনত প্ৰয়োগ কৰে। কিন্তু অন্য ভাষাৰ জনসাধাৰণৰ মাজত যোগাযোগৰ সূত্ৰ হিচাবে আধুনিক অসমীয়া ভাষাটো প্ৰয়োগ কৰে। কিয়নো অসমীয়া ভাষা সকলোৱে বুজি পায়। অৱশ্যে আজিকালি সকলো জনগোষ্ঠীৰ ছাত্ৰ-ছাত্ৰীসকলে কম-বেছি পৰিমাণে লেখিব পঢ়িব জানে। তেওঁলোকে হয়তো স্কুল-কলেজত আয়ত্ব কৰিছে।

অসমীয়া ভাষা ক'বলৈ উজু, লিখিবলৈ টান। যিকোনো ভাষাৰ বা জনগোষ্ঠীৰ মানুহে অতি কম সময়ৰ ভিতৰতে অসমীয়া ভাষাত কথা ক'ব পৰা হয়। মৌখিকভাৱে সকলো কথাৰে অৰ্থ বুজি কথা কয়। কিন্তু লিখিতভাৱে ভাষাটো বা শব্দবোৰ আয়ত্ত কৰিব নোৱাৰে। অসমীয়া ভাষাৰ যুক্তাক্ষৰৰ জোঁটনি সহজ নহয়। ভালদৰে নিশিকিলে ভুল হ'বই। অসমীয়া ছাত্ৰ-ছাত্ৰী যিসকলে ইংৰাজী মাধ্যমৰ স্কুলত পঢ়িছে, তেওঁলোকে অসমীয়া ভাষাটো ভালদৰে শিকি বুজি ল'ব লাগে। সাধাৰণতে দেখা যায় একোজন ছাত্ৰ-ছাত্ৰীয়ে নিজৰ নামটোকে অসমীয়াত শুদ্ধকৈ লিখিব নাজানে। সেইবাবে অভিভাৱকসকল সচেতন হ'ব লাগে।

স্বদেশ আৰু স্বজাতিৰ উন্নতিৰ আৰু জ্ঞান মন্দিৰৰ সিংহ দুৱাৰ হৈছে মাতৃভাষা। এনে মাতৃভাষাৰ সেৱক হৈ দেহ মনৰ সকলো ক্ষমতা প্ৰতিভা সম্পৰ্ণ কৰি মাতৃভাষাৰ হকে একনিষ্ঠভাৱে কাম কৰি গ'লে মাতৃভাষা নিশ্চয় উন্নতি শিখৰত অৱতীৰ্ণ হ'ব। আমাৰ মাতৃভাষা সমুজ্জ্বল। অসমীয়া ভাষা-সাহিত্য জাকত জিলিকা, অসমীয়া ভাষা গুৰি ধৰোতা বেজবৰুৱাদেৱে কৈ গৈছে- নিভাঁজ অসমীয়া কথা ক'বলৈ শিকিবা। অসমীয়া ভাষাটো নিভাঁজকৈ লিখিবা। নিভাঁজ অসমীয়া সাজপাৰ পৰিধান কৰিবা। অসমীয়া আ-অলংকাৰ পিন্ধিবা। তেহে অসমীয়াৰ স্বাভিমান ৰক্ষা হ'ব।

ভাষা কোনো এটা জাতিৰ জাতীয় জীৱনৰ গুৰিৰ পৰা আত্মপ্ৰকাশ আৰু আত্মজীৱন চৰিত। সেই জাতিৰ ভিতৰুৱা সকলো শ্ৰেণী মানুহৰ পৰা আচাৰ-ব্যৱহাৰ ৰীতি-নীতি ভাৱ-অনুভূতি চিন্তা-চৰ্চা আদিৰ সাঁচ মচ নোযোৱাকৈ ভাষা-সাহিত্যৰ যোগেদি ধৰি ৰাখিব পাৰি। জাতীয় জীৱনৰ চানেকী ভাষা-সাহিত্যৰ মাধ্যমেদি দেখিবলৈ পোৱা যায়।

ভাষা-সাহিত্যক ভালপোৱা সেৱক-সেৱিকাসকলে সাহিত্যৰ অটল সমূদ্ৰত বুৰ মাৰি সাতুৰি-নাদুৰি সমুদ্ৰ তলিৰ পৰা মণি-মুকুতা, নানা ৰত্ন সম্ভাৰ বুটলি আনি ভাষা-সাহিত্যৰ কাৰেংঘৰ সজাব পাৰে। নন সৃষ্টিশীলতাৰে ভাষা জননীৰ শৌৰ্য-বীৰ্য উজ্বল কৰি মুখ উজ্জ্বলাব পাৰে। প্ৰকৃতি জগতখনৰ গছ-গছনি, চৰাই-চিৰিকতি, জীৱ-জন্তু সকলো স্থাৱৰ জঙ্গম প্ৰাণীৰে উপকাৰ সাধন সংবেদনশীলতাৰে পালন কৰিব পাৰে। কাৰণ সকলোৰে প্ৰাণ আছে। শান্তি-সুখ আৰু নিৰাপত্তা সকলোৱে বিচাৰে। সকলোৰে ভাষা মানুহে বুজি পায়। গতিকে ভাষাই সকলোকে ওচৰ চপাই শান্তি দিয়ে। ভগৱানৰ সৃষ্টিত সকলো আছে। আমিহে পঢ়িব আৰু লিখিব নাজানো।

গতিকে ভাষা হ'ল মনৰ সংবেদনশীলতাৰ মাপকাঠি। ভাষাক সঠিক ৰূপত ৰূপায়ণ কৰি সকলো দিশত আগুৱাই গ'লে এটা জাতি, এখন সমাজ নিশ্চয় প্ৰগতি পথত আগবাঢ়িব পাৰিব। অসমীয়া ভাষা আমাৰ শিৰৰ মুকুট। অসমীয়াৰ স্বাভিমান। এই ভাষাক আমি উজ্জীৱিত কৰি ৰাখিব লাগিব।

"জয়তু চিৰ চেনেহী মোৰ ভাষা জননী।"

লক্ষীমপুৰ জিলা সাহিত্য সভাৰ দ্বাৰা **২০২৫-২৭** বৰ্ষত প্ৰকাশিত গ্ৰন্থ -

**১)** সংগৃহীত সাক্ষ্য - বিষ্ণু প্ৰসাদ কটকী
**২)** ডেকাগিৰি (নাট্য সংকলন) - মাণিক সোনোৱাল
**৩)** টোপাটোপে সৰা হৃদয়ৰ বাসনা - মামনি গগৈ শইকীয়া
**৪)** নিৰৱে কথা কয় অনুভৱে - মৃদুস্মিতা হাজৰিকা
**৫)** চিন্তা লহৰ - নয়নমণি দাস
**৬)** প্ৰবন্ধ গৰিমা - প্ৰফুল্ল ভাগৱতী
**৭)** স্মৃতিৰ সঁফুৰা - ধনদা বৰুৱা

(ঐতিহাসিক গল্প)

# সাক্ষী চিলাপৰ্বত

## ভৰত ৰাজখোৱা

যুদ্ধক্ষেত্ৰৰ কুটনীতিয়ে ইতিহাস সলনি কৰিব পাৰে, কোনো এক সভ্যতাৰ পৰিসমাপ্তি ঘটাব পাৰে, এটা জাতি নিঃশেষ কৰি দিব পাৰে বা হাজাৰ হাজাৰ জীৱন বিনাশ কৰিব পাৰে। ইয়াৰ বাবে বৰ দীঘলীয়া পৰিকল্পনা নালাগে। উৰ্বৰ মগজু সৃষ্ট এযাৰ কথা মাত্ৰ। সেয়াই যথেষ্ট।

পালি সেনাপতি খুমটাই ফুকনৰ মনত পৰিল এটা কাহিনী। হালধীয়া দেউৰ মুখত শুনিছিল। ফুকনহঁত তেতিয়া চেমনীয়া। তেওঁলোকৰ ঘৰলৈ দেউ মাজে মাজে আহিছিল। ৰাতিও থাকিছিল। চোতালত খুটি মাৰি ভাত ৰান্ধি খাইছিল। দেউৰে ৰন্ধা ভাত ফুকনহঁতকো দিছিল অকণ অকণ। কলপাতত দিয়া সেই ভাত কেইটা অমৃত যেন লাগিছিল।

দেউৰ আচল নাম কোনেও নাজানে। এখন হালধীয়া ধুতী আৰু গাত এখন হালধীয়া চাদৰ। কান্ধত ওলোমাই লৈ ফুৰা মোনাটোও হালধীয়া। সেইবাবে তেওঁৰ নাম হালধীয়াদেউ। কেইদিনমান চহৰ ফুৰি আকৌ যায়গৈ। নামনিৰ ফালে দেউৰ ঘৰ।

দেউৱে ভাত ৰন্ধাৰ সময়ত ফুকনহঁত ওচৰতে বহি থাকে। নাহৰ গুটি জ্বলাই ঠাই ডোখৰ পোহৰ কৰি ৰখা হয়। সেইখিনি সময়তে দেউৱে সাধুকথা কয়, মহাভাৰত-ৰামায়ণৰ কাহিনী কয়।

তেনেকুৱা এটা কাহিনী আজি খুমটাই ফুকনৰ মনত পৰিছে। কুৰুক্ষেত্ৰ যুদ্ধৰ বাবে কৌৰৱ পক্ষই তেতিয়ালৈকে সেনাপতি নিৰ্বাচন কৰা নাই কিন্তু ভিতৰি ভিতৰি কথা এটা ওলাইছে যে গুৰুপুত্ৰ অশ্বত্থমাকে সেনাপতি পতাৰ সম্ভাৱনা দেখা গৈছে। তেনেকৈ ভবাৰ দুটামান যুক্তিও নথকা নহয়। প্ৰথম কথা হ'ল অশ্বত্থমাৰ মৃত্যু নাই। তেওঁ সকলোকে বধিব পাৰিব কিন্তু তেওঁক কোনেও নোৱাৰে। দ্বিতীয়তে তেওঁ প্ৰচণ্ড যোদ্ধা।

দ্বৈত যুদ্ধত অশ্বত্থমাৰ লগত তিষ্ঠিব পৰা পাণ্ডৱ পক্ষৰ একমাত্ৰ যোদ্ধা হ'ল 'অৰ্জুন'। কিন্তু অশ্বত্থমাই এপাট ব্ৰহ্মাস্ত্ৰ ৰাখি থৈছে অৰ্জুনক বধ কৰিবৰ বাবে। তৃতীয়তে তেওঁ ব্ৰাহ্মণ। ব্ৰাহ্মণ অবধ্য।

সকলো ফালৰ পৰা বিবেচনা কৰি অশ্বত্থমাকে প্ৰথম সেনাপতি বৰণ কৰিবৰ বাবে দুৰ্যোধনে চিন্তা-চৰ্চা কৰি আছে।

শ্ৰীকৃষ্ণই দেখিলে যে যদি সঁচাকৈয়ে অশ্বত্থমাক সেনাপতি পাতে তেতিয়া পঞ্চপাণ্ডৱক বচোৱাই টান হৈ পৰিব। গতিকে গকুল নন্দনে এটা খেল খেলিলে দেখাত সামান্য কিন্তু ইতিহাস সলনি কৰা খেল।

দুয়োপক্ষৰ বীৰ সকলে কুৰুক্ষেত্ৰ পথাৰখন যুদ্ধ উপযোগী কৰি তুলিবলৈ ভাগে ভাগে কামত লাগি আছে। সেই মুহূৰ্তত কৌৰৱ পাণ্ডৱ, শত্ৰু-মিত্ৰ বুলি একো কথা নাই। মহাৰাজ দুৰ্যোধনো আছে। যুধিষ্ঠিৰো আছে। শ্ৰীকৃষ্ণ অশ্বত্থমা সকলোৰেই আছে।

হঠাৎ দুৰ্যোধনৰ কাণত পৰিল শ্ৰীকৃষ্ণৰ কণ্ঠস্বৰ। এটা চিনাকী কণ্ঠ। কৃষ্ণৰ কণ্ঠস্বৰ আন কাৰোৱে কণ্ঠৰ লগতেই তুলনা নহয়।

"গুৰুপুত্ৰ, অকণমান লগ পাম" - কৃষ্ণই অশ্বত্থমাক মাতিছে। দুৰ্যোধনৰ কৌতুহল হ'ল। কি কাৰণেনো কৃষ্ণই অশ্বত্থমাক মাতিব লগা হ'ল।

কৃষ্ণৰ সেই অমোঘ আহ্বান কোনেও নেওচিব

নোৱাৰে। অশ্বত্থমাইও নোৱাৰিলে। তেওঁ কৃষ্ণৰ কাষ চাপি গ'ল। কৃষ্ণই তেওঁৰ কুশল বাৰ্তা সুধিলে। তাৰ পাছত অশ্বত্থমাৰ পিঠিত মৰমেৰে ঢকিয়াই ক'লে, "বুজিছা গুৰুপুত্ৰ, ধানত চাউল আছে পতানত একো নাই।" অশ্বত্থমাই বুজি নাপায় আকৌ সুধিলে,

"কি ক'লে যদুপতি...?"

"ক'লো যে ধানত চাউল আছে পতানত একো নাই।" কথাষাৰ কৈ কৃষ্ণই হাঁহিলে। কথাষাৰৰ তাৎপৰ্য একো বুজি নাপালেও এয়া যদুপতিৰ ৰগৰ বুলি অশ্বত্থমাইও হাঁহিলে।

দুৰ্যোধনে আঁতৰৰ পৰা চাই আছিল। কৃষ্ণ আৰু অশ্বত্থমাই কি পাতিলে তেওঁ শুনা নাছিল। কিন্তু কৃষ্ণৰ কথা পতাৰ ভংগীমাত কিবা এটা ৰহস্যৰ গোন্ধ পালে।

কৃষ্ণ নেদেখা হোৱাৰ পাছত দুৰ্যোধন অশ্বত্থমাৰ কাষলৈ গ'ল। দুৰ্যোধনৰ মতে শত্ৰু পক্ষৰ মন্ত্ৰণাদাতা কৃষ্ণই কি ক'লে সেইষাৰ ক'বলৈ অশ্বত্থমা নিজেই আহিব লাগিছিল।

"গুৰুপুত্ৰ, কি ক'লে গোৱালৰ পুত্ৰই ...." পোনপটীয়াকৈ সুধিলে দুৰ্যোধনে।

"নাই। একো কোৱা নাই ..." অশ্বত্থমাৰ সহজ উত্তৰ।

"গুৰুপুত্ৰ .... আসৈ নামাতিব...। মই দেখি আছো। দুয়ো কথা পাতিছে।" দুৰ্যোধনৰ খং উঠিল।

অশ্বত্থমাই দুৰ্যোধনৰ মুখলৈ চালে আৰু ধীৰে ধীৰে ক'লে -

"কৃষ্ণই মোক ক'লে 'ধানত চাউল আছে পতানত একো নাই' সিমানেই।"

"কি ক'লে কলীয়াই ..." চিঞৰি সুধিলে দুৰ্যোধনে।

"ক'লে 'ধানত চাউল আছে পতানত একো নাই ..." আকৌ ক'লে গুৰুপুত্ৰই।

"মিছলীয়া ... চূড়ান্ত মিছলীয়া ... ধানত চাউল আছে পতানত একো নাই এই কথাষাৰ ক'বৰ কাৰণে কৃষ্ণ আপোনাৰ কাষ চাপি আহিছিল। ভ্ৰম বকিবলৈ কলীয়া কৃষ্ণ বাতুল হোৱা নাই আৰু আপোনাৰ এই কথাষাৰ বিশ্বাস কৰিবলৈ ময়ো বিবেকশূন্য হোৱা নাই। আপুনি কলীয়া কৃষ্ণৰ মন্ত্ৰণাত মুগ্ধ হৈ কণা হাঁহক পতান ধান দিবলৈ আহিছে। আপুনি বিশ্বাসৰ অযোগ্য। গুৰুপুত্ৰ। আপুনি উৎকোচ লোভী, নিৰ্লজ্জ ... মই এই মুহূৰ্ততে আপোনাক কুৰুক্ষেত্ৰ যুদ্ধৰ সাম্ভাৱ্য সেনাপতিৰ পদৰ পৰা বহিষ্কাৰ কৰিছো। আপুনি গুচি যাওক মোৰ সন্মুখৰ পৰা..."

"মহাৰাজ ...." অশ্বত্থমাই কিবা এষাৰ ক'বলৈ চেষ্টা কৰিছিল।

"গুছি যাওক ...." নিয়ন্ত্ৰণহীন দুৰ্বাৰ খঙত চিঞৰি উঠিল দুৰ্যোধন।

অশ্বত্থমাই বুজি পালে, দুৰ্যোধনক কৈ একো লাভ নহ'ব। ভাগি যোৱা বিশ্বাস আৰু ঘূৰি নাহে। তেওঁ ধীৰে ধীৰে দুৰ্যোধনৰ কাষৰ পৰা আঁতৰি গ'ল। আৰু অশ্বত্থমাক সেনাপতি ভাঙি দিয়াৰ লগেলগে কুৰুক্ষেত্ৰৰ যুদ্ধৰ ইতিহাস সলনি হৈ গ'ল।

মোগল শিবিৰৰ পৰা উৰি অহা কাঁড়দালত বান্ধি থোৱা চিঠিখনৰ বিষয় বস্তু জানিবলৈ পোৱাৰ পাছতে খুমটাই ফুকনৰ হালধীয়া দেউৰ মুখত শুনা কাহিনীটো মনত পৰিছিল।

আঁতৰত মোগল শিবিৰ। শাৰী শাৰী কৈ উৰুৱাই ৰখা হৈছে মোগল সাম্ৰাজ্যৰ পতাকা। পাগুৰী মৰা, দীঘল চোলা পিন্ধা মোগল সৈন্যবোৰ সোমাইছে ওলাইছে আৰু আহোম শিবিৰৰ ফালে ডিঙি মেলি মেলি চাইছে।

তেনে সময়তে অসমীয়া সৈন্যৰ চকুত পৰিল মোগল সৈন্য এটা ধনু-শৰ লৈ অলপ আগবাঢ়ি আহিছে। আহোম সেনা বাহিনী জোকোৱা বৰলৰ বাঁহটোৰ দৰে জাঙুৰ খাই উঠিলেই। পাছে নহয়। সৈন্যটোৱে বগা কাপোৰ এডোখৰ জোকাৰি দেখুৱালে। তাৰ মানে সি শত্ৰুতাৰ ভাৱেৰে অহা নাই।

মোগল সৈন্যটোৱে তাৰ ধনুখনত দীঘল কাঁড় এদাল লগাই লৈ গাৰ জোৰেৰে টানি ওপৰলৈ মাৰি পঠিয়ালে। কাঁড়ডালতো বগা ৰং দিয়া আছিল।

বহুত ওপৰেদি কাঁড়ডাল সো সোঁৱাই আহি থাকিল। এজন পাকৈত সৈনিক আগবাঢ়ি গ'ল আৰু কাঁড়ডালক লক্ষ্য কৰি ইফাল-সিফাল কৰি থাকিল আৰু মাটিত পৰাৰ আগমুহূৰ্তত কাঁডডাল ওপৰতে থাপ মাৰি ধৰি পেলালে।

আহোম সেনাপতি আৰু সৈন্য দলৰ মাজত কিছুমান নিয়ম কানুন আছে। শত্ৰুপক্ষৰ কোনো ব্যক্তি আহিলে, সন্দেহজনক অচিনাকী ব্যক্তি আহিলে আঁতৰতে ৰাখি পিন্ধা কাপোৰ আৰু শৰীৰ পৰীক্ষা কৰাৰ পাছত সেনাপতিৰ ওচৰত উপস্থিত কৰোৱা হয়। তাক কি সোধে সেয়া সেনাপতিয়েহে সুধিব পাৰে। কোনো ফুকন, ৰাজখোৱা বা আন পালি সেনাপতিয়ে তাৰ লগত কথা পাতিব নোৱাৰে। ঠিক তেনেকৈ পাৰৰ পাখি বা কাঁড়ৰ যোগেদি কিবা সংবাদ প্ৰেৰণ কৰিলে সেই পত্ৰ সসন্মানেৰে প্ৰধান সেনাপতিক অৰ্পণ কৰাহে নিয়ম। আনে সেই পত্ৰ খুলিব বা পঢ়িব নোৱাৰে।

কাঁডডাল থাপ মাৰি ধৰা ভাৱেই সৈন্যটো বৰফুকনৰ বাহৰৰ ফালে আগবাঢ়িল। লগে লগে আৰু কেইজনমান সৈন্য।

সেই সময়তে বৰফুকনে পালি সেনাপতি দুজনমানৰ লগত যুদ্ধ সম্পৰ্কীয় আলোচনা কৰি আছিল।

সৈন্যটোৱে আঁতৰতে সেৱাঁলৈ মাত লগাগে, "বৰফুকন দেউতা, সেৱা ল'ব।" তাৰ লগত অহা সৈন্য কেইজনেও আঠু ল'লে।

"কি হ'ল, কচোন তহঁতৰ ...." বৰফুকনে জানে, সাধাৰণ সৈন্য এনেয়ে তেওঁৰ ওচৰলৈ নাহে।

"বঙালৰ সম্বাদ, বৰফুকন দেউতা ...." সৈন্যটোৱে ক'লে।

"সিহঁতে কাঁড়ত বান্ধি এইখন আমাৰ শিবিৰলৈ মাৰি পঠিয়াইছিল।"

সি কাঁডপাত আগবঢ়াই দিলে।

বৰফুকনে কাঁড়পাত হাতত লৈ ক'লে, "তহঁত এতিয়া যা...।"

মোগল সেনাপতিৰ চিঠিখন পঢ়ি বৰফুকনে হাঁহিলে। লগৰ সেনাপতি কেইজনৰ লগত ৰগৰ কৰিলে। "মই সেনাপতি। সুণীয়া সঁফুৰা অসমখনৰ নিৰাপত্তাৰ দায়িত্ব মোৰ ওপৰত। সি বঙালে মোক ধনেৰে কিনিবলৈ আহে।"

ৰামসিংহই বৰফুকনক এটা প্ৰস্তাৱ দিছিল। ৰাজপুত ৰামসিংহই তেনে চতুৰালিৰে ভালেমান ভাৰতীয় ৰাজ্য দখল কৰিছে। সেই একেটা বুদ্ধিকে ৰামসিংহই লাচিত বৰফুকনৰ বেলিকাও প্ৰয়োগ কৰিছে। কিন্তু কথাটো বৰফুকনে ভবাৰ দৰে নহয়। ৰামসিংহই সেই চিঠিখন তেনেদৰে দিয়াৰ উদ্দেশ্য বেলেগ আছিল।

চিঠিখনত ৰাম সিংহই লিখিছিল, "বৰফুকন ডাঙৰীয়া, অযথা এখন যুদ্ধ কৰি কিয়নো নিজৰ মানুহবোৰ মাৰিব লাগে। দিল্লীৰ বাদশ্বাহে কিন্তু যুদ্ধতকৈ সন্ধিহে বিচাৰিছে। আপুনি সন্ধি কৰক, আপোনাক এক লাখ টকাৰ বক্চিচ দিয়া হ'ব।"

চিঠিখন পঢ়ি লাচিত বৰফুকনে পালি সেনাপতি সকলৰ সন্মুখত ৰগৰ কৰিলেও ভিতৰি খঙত অমূৰ্তক হৈ পৰিল। বঙালৰ ইমান স্পৰ্ধা!! অসমৰ বৰ সেনাপতিক উপঢৌকনেৰে কিনিব বিচাৰে?

ৰামসিংহৰ লগত লাচিত বৰফুকনৰ চিঠি আৰু কথাৰ আদান-প্ৰদান আগতেও হৈছে। সেইবোৰত তুচ্চ-তাচ্ছিল্যৰ প্ৰভাৱ বেছি আছিল।

অম্বৰৰ ৰজা ৰামসিংহই যেতিয়া দিল্লীৰ সেনাপতিৰ দায়িত্ব লৈ পূৰ্ব নিৰ্দ্ধাৰিত সীমা মানাহ পাৰ হৈ আহি কোঠ মাৰিলেহি তেতিয়া ৰাম চৰণ কটকীক পঠাই লাচিতে ৰাম সিংহক জনালে।

"শত্ৰুতা মোগলৰ লগতহে, অম্বৰৰ অধিপতি যুদ্ধলৈ আহিল সেইটো একো বুজি নাপালো।"

খুমটাই ফুকন বৰফুকনৰ অতি বিশ্বাসী আছিল। বৰফুকনৰ বিনা অনুমতিত পালি সেনাপতি

ফুকনৰ মুখ কেতিয়াও মেল নাখাইছিল।
লাগিলে মূৰ যাব কিন্তু কথা নুলাব। সেয়েহে ফুকনে সৰ ভিতৰুৱা কথা গম পাইছিল।

বৰফুকনৰ সৰল পোনপটীয়া পত্ৰৰ উত্তৰত ৰামসিংহই তাচ্ছিল্যহে কৰিহে লিখিলে। ৰামসিংহই চাগে এয়া বৰফুকনৰ দুৰ্বলতা বুলি ভাবিলে। সেই সম্বাদলৈ বৰফুকনৰ ওচৰলৈ আহিল মীৰাক, ৰামহৰি কাজী আৰু পণ্ডিত ৰাই।

"পূৰ্বৰ বন্দোবস্তমতে গুৱাহাটী বাদচাহৰ ৰাজ্য। গতিকে গুৱাহাটী এৰি দিয়ক। নহ'লে দুই ঘড়ীমান যুঁজি চাব পাৰে আৰু তাৰ বাবে যদি অসমৰ তীৰ-বন্দুক নাই, তেওঁক খুজিলে তেওঁ তাকো দিব পাৰে।"

পত্ৰখন পাই বৰফুকনে ফুকন ৰাজখোৱাকে ধৰি সেনাপতি সকলৰ লগত আলোচনা কৰিলে। স্বৰ্গদেৱলৈ নজনালে। কাৰণ যুদ্ধ আৰু গুৱাহাটী ৰক্ষাৰ সম্পূৰ্ণ ক্ষমতা বৰফুকনক দি থোৱা আছে।

ৰামসিংহৰ চিঠিৰ প্ৰত্যুত্তৰত কটকীৰ আগত বৰফুকনে কৈ পঠালে, "শুনিছো, ৰামসিংহ অম্বৰৰ অধিপতি। মান্ধাতাৰ বংশৰ জয় সিংহৰ পুত্ৰ। আৰু ক্ষত্ৰিয় বংশৰ গৌৰৱ স্বৰূপ। এনেকুৱা মানুহৰ মুখত ইমান সৰু কথা কেনেকৈ ওলাল। দুই ঘঁড়ীমান যুঁজাৰ কথা যে কৈছে, দুই চাৰি বছৰ যুঁজিবলৈ সাহস নাই নেকি? আৰু যে তীৰ-বন্দুক দিয়াৰ কথা ক'লে, সেইখিনি তেওঁৰ ওচৰতে থাওক, পাচত লাগিলে অনা হ'ব। গুৱাহাটী আমাক ঈশ্বৰে দিছে। কদাপি এৰি দিয়া নহ'ব।"

সেইবোৰ আগৰ কথা। গুৱাহাটী ৰক্ষাৰ সমস্ত অধিকাৰ দি থোৱাৰ বাবে ৰামসিংহৰ লগত চিঠি কটা-কটি হোৱাৰ এই সৰু সৰু খবৰবোৰ বৰফুকনে স্বৰ্গদেৱক নজনালে।

কিন্তু এইবাৰ ৰামসিংহই বৰফুকনক এক লাখ টকা উপঢৌকন দিবলৈ ওলোৱা কথাষাৰ স্বৰ্গদেৱৰ কাণত পৰিল।

স্বৰ্গদেও চক্ৰধ্বজ সিংহ চিন্তাত পৰিল। ৰাজমন্ত্ৰী বৰগোহাঁই ডাঙৰীয়াই কথাষাৰ অধিক গুৰুত্বপূৰ্ণ কৰি তুলিলে। তেওঁ লাচিতক পেটে পেটে ঈষা কৰিছিল। সেয়া আছিল ব্যক্তিগত আখেজ। বৰগোহাঁইৰ পুত্ৰ কমলো আছিল লেখৰ অসি যোদ্ধা। কিন্তু সততে লাচিতৰ প্ৰতি অসন্তোষ পোষণ কৰি থকাৰ বাবে কমলে যুদ্ধলৈকো নিমন্ত্ৰণ নাপালে। এনেবোৰ কাৰণত বৰগোহাঁই লাচিতৰ প্ৰতি নাৰাজ।

বিশাল মোগল বাহিনীৰ লগত মুখামুখিকৈ যুদ্ধ কৰাৰ ইচ্ছা লাচিতৰ নাছিল। সেয়েহে লাচিতে নিজৰ সৈন্য দল সাজু কৰি সুযোগলৈ অপেক্ষা কৰিছিল। পাৰিলে এদল সৈন্য পাছফালে পঠিয়াই দুই দিশৰ পৰা আক্ৰমণ কৰাৰ কথা চিন্তা কৰিছিল। দিহা পৰামৰ্শ কৰি, মোগল বাহিনীৰ ৰেহৰূপ চাই বৰফুকনে সুযোগলৈ অপেক্ষা কৰিছিল।

কিন্তু ৰামসিংহই বৰফুকনক এক লাখ টকাৰ উপঢৌকন যচাৰ কথা জানিব পাৰি স্বৰ্গদেউ চক্ৰধ্বজ সিংহ খঙত জ্বলি উঠিল। আৰু সেই জ্বলা জুইত ঘি ঢালিলে বৰগোহাঁই ডাঙৰীয়াই।

"হয় স্বৰ্গদেউ, মানুহক বিশ্বাস কৰা কঠিন কাম। টোপ গিলিবলৈ কেতেপৰ। সেয়ে হোঁহুকা পিচলাখন কৰি থকা নাইতো?"

লাচিতৰ পৰা কোনো ধৰণৰ স্পষ্টীকৰণ বিচৰাৰ প্ৰয়োজন বোধ নকৰিলে স্বৰ্গদেৱে। লাচিতৰ দেশ প্ৰেমৰ ওপৰত অগাধ বিশ্বাস ৰখা স্বৰ্গদেৱে অবিবেচকভাৱে সেই বিশ্বাস হেৰুৱাই পেলালে আৰু লাচিত বৰফুকনৰ নৈতিক চৰিত্ৰৰ প্ৰতি স্বৰ্গদেৱে আঙুলি টোৱালে।

স্বৰ্গদেও চক্ৰধ্বজ সিংহই বৰ সেনাপতি লাচিতলৈ এখন চিঠি লিখিলে। অত্যন্ত কঠোৰ ভাষাৰে।

"এই চিঠি পোৱাৰ লগে লগে মুহূৰ্ত অপেক্ষা নকৰি আলবৈ পাহাৰত ৰৈ থকা মোগল বাহিনীক আক্ৰমণ কৰিবলৈ নিৰ্দ্দেশ দিয়া হ'ল। নিৰ্দ্দেশৰ চুলিমান হেৰফেৰ হ'লেও দেশদ্ৰোহী হিচাপে গণ্য কৰা হ'ব।

বন্দী কৰা হ'ব আৰু তিৰোতাৰ সাজ পিন্ধাই প্ৰজাক দৰ্শন কৰোৱাই কুঠাৰেৰে ফালি হত্যা কৰা হ'ব।"

চিঠিখন পোৱাৰ পাছত কিছু সময় থৰ লাগি বহি থাকিল লাচিত। প্ৰিয় সেনাপতিজনৰ সেই ম্ৰিয়মান ৰূপটো দেখি খুমটাই ফুকনৰ অন্তৰত আঘাত লাগিল। বৰফুকনৰ মতে দেশ বুলিলে আদেশ নালাগে। সেই ভাবেৰেই বৰফুকনে প্ৰতিনিয়ত, প্ৰতিমুহূৰ্ত পাৰ কৰিছে। তাৰ পিছতো যদি স্বৰ্গদেৱে তেনেকৈ ভাৱে তেতিয়া হ'লে কি উৎসাহত, কাৰ বাবে কাম কৰিবলৈ মন যাব।"

"ফুকন ...." গহীন কণ্ঠেৰে মাত লগালে বৰফুকনে।

"বৰফুকন দেউতা ...."

"সাজু হ'ব লাগে। কাইলৈ কাহিলি পুৱাতেই মোগলক আক্ৰমণ কৰিব লাগিব।"

সেইদিনা আবেলিটোতেই ফুকন, ৰাজখোৱা আদি সেনাপতি সকলক মাতি আনি আলোচনা কৰিলে আৰু পাছদিনা কাহিলি পুৱাতে মোগল বাহিনীয়ে তৎ ধৰিবলৈ নৌ পাওঁতেই আক্ৰমণ কৰাটো থিৰাং কৰা হ'ল। সৈন্য পৰিচালনাৰ দায়িত্ব দিলে দিখৌমুখীয়া ৰাজখোৱা, দৈয়ঙীয়া ৰাজখোৱা, নামদঙীয়া ৰাজখোৱা আৰু পেলন পানীফুকনক। লাচিত বৰফুকনে নিজে আন এদল সৈন্যলৈ যিকোনো মুহূৰ্তত সহায় দিব পৰাকৈ সাজু হৈ থাকিব আৰু তেওঁৰ লগত থাকিব খুমটাই ফুকন।

কথা মতেই কাম। সেই নিশা বৰফুকন শুব পৰা নাই। অপমানবোধতো দৃঢ় হৈ গৈছে। বিছনাত পৰিছে, উঠিছে, তম্বুৰ বাহিৰতগৈ খোজ কাঢ়িছে।

খুমটাই ফুকনৰো চকু মুদ খোৱা নাই। সেনাপতিৰ এই অৱস্থাত ফুকননো শুৱে কেনেকৈ। গোটেই ৰাতি ঘূৰা ঘূৰি কৰি সেনাপতি সকলে যুদ্ধৰ পৰিকল্পনা কৰি সেই ধৰণে সৈন্য সাজু কৰি পেলালে।

এটা গধুৰ ভয়াল ৰাতি পাৰ হ'ল। শেষ নিশাৰ পৰা বৰফুকন উৎসাহিত হৈ পৰিল।

"আমাৰ জয় অনিবাৰ্য ফুকন ..." বৰফুকনে ক'লে।

"হয় দেউতা ...." খুমটাই ফুকনে ক'লে।

সেই বিশেষ দিনটোৱে ভুমুকি মাৰিলে। সেইদিনা ১৬৫৯ খৃঃৰ ৫ আগষ্ট।

পোহৰৰ জিলিঙনি আকাশত দেখা পোৱাৰ লগে লগে বিশাল অসমীয়া বাহিনী আগবাঢ়িল। হাতত নাচি থকা অস্ত্ৰ, বুকুত অদম্য সাহস আৰু শত্ৰুৰ ৰক্তেৰে দেশ মাতৃৰ পূজা কৰাৰ দুৰ্বাৰ পিয়াহ। যেন 'মৃত্যু গৰকি জয় জিনি' অহাৰ অভিযান।

অসমীয়া সৈন্য বাহিনী মূলতঃ আহোম আৰু অন্যান্য খিলঞ্জীয়া জনজাতিৰ লোকেৰে গঠিত। এই সন্মিলিত বাহিনীত মিচিং, দৰঙী, ৰাভা, বড়ো, গাৰো, তিৱাৰ যুঁজাৰুও আছিল। প্ৰায় চল্লিশ হেজাৰ সৈন্যৰ এক বিশাল বাহিনী।

আলাবৈ পাহাৰৰ নামনিত এখন বিশাল মুকলি পথাৰত মোগল বাহিনীয়ে কোঠ মাৰি আছিল। পাছফালে আলাবৈ পাহাৰ। পাহাৰৰ পৰা পাহাৰৰ নামনিলৈকে মোগলৰ কোঠ বিয়পি আছিল। কোঠৰ দক্ষিণে বৰলুইত আৰু পশ্চিমে চেঁচা নৈ। আৰু কিছু নামনিলৈ আগিয়াথুৰি পাহাৰ।

বৰ সেনাপতি লাচিতৰ যুদ্ধ পৰিকল্পনা অতি নিখুঁত আছিল। তেওঁ এই বিশাল বাহিনীটো চাৰিটা ঢাল (শাৰী)ত আগবাঢ়িবলৈ দিছিল। আগত যোৱা তিনি শাৰী সৈন্য ঢাল তৰোৱাল, বন্দুক-বাৰুদ আৰু ধনু-কাঁড়েৰে সজ্জিত আছিল। চতুৰ্থ ঢাল (শাৰী)ৰ যুঁজাৰুখিনিৰ হাতত আছিল একোডালকৈ সুতীক্ষ্ণ যাঠী আৰু তেওঁলোকৰ লগত কোৰেৰে সজ্জিত এদল সেনা।

আগফালে যুদ্ধ আৰম্ভ হোৱাৰ লগে লগে কোৰ লোৱা সৈন্যখিনিয়ে ডাঙৰ আৰু দ গাত খান্দিব। যদি অশ্বাৰোহী সৈন্যই কেনেবাকৈ সন্মুখৰ সৈন্যখিনি অতিক্ৰম কৰি পাৰ হৈ আহে যাঠী লোৱা সৈন্যখিনিয়ে তৎক্ষণাত গাতত সোমাই পৰিব আৰু খালটো জাপ মাৰি পাৰ হ'ব বিচৰা ঘোঁৰৰ পেটত

যাঠীৰে আঘাত কৰিব।

"জয় স্বৰ্গদেও চক্ৰধ্বজ সিংহৰ .... জয় ....."

"জয় লাচিত বৰফুকনৰ .... জয় ..... "

"জয় আই অসম "

"জয় আই অসম..."

মেঘৰ গাজনিৰ দৰে বজ্ৰ নিনাদেৰে আগবাঢ়িছে অসমীয়া সৈন্য। পেলন ফুকন আৰু দৈয়ংগীয়া ৰাজখোৱা একেবাৰে আগত। বাকী দুজন ৰাজখোৱা দুই কাষে। চাৰিটা শাৰীৰ প্ৰত্যেকটোত দহহেজাৰ মানকৈ যুঁজাৰু আছে।

সন্মুখৰ শাৰীটোৰ গাত যেন ৰণ চণ্ডীহে লম্ভিছে। মাৰিম কিম্বা মৰিম বুলি আগবাঢ়িছে। অকুতোভয় যোদ্ধা সকলো। অস্ত্ৰাঘাতলৈ ভয় নাই। শত্ৰুক নিপাত কৰিবলৈ দৌৰিছে সৈন্য বাহিনী।

মোগল সৈন্যই কিছু সময় তধা লাগি চাই ৰ'ল। বাৰিষা তেতিয়াও শেষ হোৱা নাই। ফৰকাল বতৰ। ঢাঁহি-মুহি বান আহিছে নেকি সেয়া। ধেনুভিৰীয়াকৈ আগবাঢ়ি আহিছে সিহঁতৰ ফালে।

জয়ধ্বনি আৰু ৰণশিঙাৰ শব্দত ক্ষন্তেকতে মোগল সৈন্যৰ ভুল ভাগিল। বানপানী নহয়, অসমীয়া .. সৈন্যহে। লগে লগে মীৰ নবাবৰ সুদক্ষ পৰিচালনাত "আল্লা হু আকবৰ..." ধ্বনি দি মোগল সৈন্য আগবাঢ়ি আহিল।

পৰম আক্ৰোশত দুখন ধাৰমান সাগৰৰ দৰে দুয়োটা বাহিনী দৌৰিছে শত্ৰু সৈন্যৰ ওপৰত জপিয়াই পৰিবলৈ। তীৰন্দাজ সকলে তীৰ এৰিছেই। হোহোৱাই যোৱা কাঁড়বোৰে কাৰোবাৰ ঢালত আঘাত কৰিছে, কাৰোবাৰ বুকুত। আৰু দুটামান মুহূৰ্তৰ পাছতেই দুয়োখন সাগৰ একাকাৰহৈ গ'ল। আৰম্ভ হ'ল হত্যাৰ নৃত্য।

চিঞৰ-বাখৰ, আৰ্তনাদেৰে ভৰি পৰিল আকাশ। অস্ত্ৰৰ ঝনঝননি, মৃতুমুখীৰ আৰ্তনাদ, ঘোঁৰাৰ চিঞৰে আকাশ কঁপাই তুলিলে। এদল পাকৈত অশ্বাৰোহী সৈন্য লৈ বৰফুকন ৰৈ আছে নিৰ্দিষ্ট দূৰত্বত। প্ৰয়োজনবোধ কৰিলে সহায় কৰিব পৰাকৈ। কাষত খুমটাই ফুকন।

অসমীয়া সৈন্যই নাংমূলা গাভৰুৰ কাহিনী শুনিছে। স্বামীৰ মৃত্যুত বেদনাহত হৈ প্ৰচণ্ড বিক্ৰমেৰে তুৰ্বকৰ বিৰুদ্ধে অস্ত্ৰ ধৰিছিল। সেয়া আছিল দেশপ্ৰেম।

কিন্তু এতিয়াও অসমীয়া সৈন্যই যুঁজ কৰিবলৈ অহা এগৰাকী অশ্বাৰোহী মহিলাক দেখা পালে। এই গৰাকীৰতো দেশপ্ৰেম নহয়, তেওঁ চাগে মানুহ মৰাৰ নিচাতে আহিছে। এই গৰাকী ৰণাংগনাৰ নাম মদনাবতী। মুখখনত ৰং বিৰঙেৰে ভয়ংকৰ ৰূপ এটা লৈ মদনাবতীয়ে যুদ্ধক্ষেত্ৰত প্ৰৱেশ কৰিছিল। পাছে বেছি সময় যুঁজ কৰিবলৈ নাপালে। হেংদানৰ ঘাপত টুকুৰা টুকুৰ হৈ পৰিল মদনাবতীৰ দেহ।

বেলি ভালকৈ ওপৰলৈ উঠিবলৈ নাপালেই। কোমল দুপৰীয়াতে যুদ্ধ শেষ হ'ল। মীৰ নবাব বন্দী হ'ল। সেনাপতিসকলে মীৰনবাবক হত্যা কৰা কৰাৰ কথা নাভাৰিলে। স্বৰ্গদেৱৰ ওচৰত হাজিৰ কৰাব লাগিব।

মোগল সৈন্য ক্ৰমে পাছুৱাই গৈ থাকিল আৰু আলাবৈৰ সিপাৰলৈ গুছি গ'ল। অসমীয়া সেনা যুদ্ধজয়ৰ আনন্দত মতলীয়া হৈ পৰিল।

মোগল সৈন্যই শিবিৰত এৰি থৈ যোৱা অস্ত্ৰ-শস্ত্ৰ আৰু অন্যান্য বস্তু লুট কৰিলৈ অসমীয়া সৈন্য হাঁহি স্ফুৰ্তিৰে লঠিয়া পাহাৰৰ নামনিত থকা নিজৰ শিবিৰলৈ ওলটি খোজ ল'লে। বন্দী মীৰ নবাবক বেঢ়িলৈ প্ৰায় দহ হেজাৰ সৈনাই জয়ধ্বনি দি প্ৰত্যাৱৰ্তন কৰিছে। সৰহখিনি সেনা আগে আগে ঘূৰিল।

বৰফুকনেও নিজৰ অশ্বাৰোহী বাহিনীটো লৈ শিবিৰলৈ উলটি আহিল। মীৰ নবাৰক লৈ যোৱা বাহিনীটো মুকলি পথাৰত। তেতিয়াই অশ্বাৰোহী মোগল বাহিনী এটাই আলবৈ পাহাৰৰ দাঁতিয়েদি আগবাঢ়ি আহি অসমীয়া সেনাক আগছি ধৰিলে। প্ৰত্যেকৰে হাতে হাতে দীঘল দীঘল বৰ্শা। দুয়ো ফালে

ধাৰ থকা বৰ্শা দুপৰৰ ৰ'দত চিকমিকাই উঠিছে।

হঠাৎ হোৱা এই আক্ৰমণ চক্ৰান্তালি লোৱাটোৱেই অসমীয়া সেনাৰ বাবে টান হৈ পৰিল। তথাপিতো মৰোজীউকৈ হাতত তৰোৱাল লৈ অসমীয়া সেনাই ফেৰপাতি ধৰিলে। কিন্তু মোগল সৈন্যই ওখ ঘোঁৰাৰ পিঠিৰ পৰা দীঘল বৰ্শাৰে অসমীয়া সেনা বধি গ'ল। হাতত খোলা তৰোৱাল লৈয়ে মৃত্যু বৰণ কৰিলে অসমীয়া সৈন্যই। প্ৰগাঢ় দেশ প্ৰেমেৰে উদ্বুদ্ধ সেই দহ হেজাৰ সেনাৰ এজনেও পলোৱাৰ কথা নাভাৱিলে। মৃত-অৰ্দ্ধমৃত অসমীয়া সেনাক ঘোঁৰাৰে গছকি মোগল সৈন্যই নিজৰ জিঘাংসা পূৰণ কৰিলে। মীৰ নবাবক মুক্ত কৰি লৈ গ'ল। অসমীয়া সেনাৰ এটিও থিয় হৈ থকালৈকে মোগল অশ্বাৰোহী বাহিনী আলাবৈ পথাৰত দৌৰি থাকিল। বৰ নৃশংস ভাৱে হত্যা কৰা হ'ল দহ হেজাৰ সেনানীক।

এঘণ্টাতকৈ কম সময়ৰ ভিতৰত এই যুদ্ধখন শেষ হৈ গ'ল। ইতিমধ্যে বৰফুকন শিবিৰ পাইছিলগৈ। বৰফুকন আৰু শেষত অহা দহ হেজাৰ সৈন্যৰ মাজত আছিল ৰণ ক্ষেত্ৰৰ পৰা বিজয় গৌৰৱেৰে ওলটি অহা বিছ পছিশ হেজাৰ সেনাৰ বিৰাট সমদল।

খবৰ পোৱাৰ পিছত বৰফুকনৰ অশ্বাৰোহী বাহিনীটো বিজুলী বেগেৰে গৈ আলাবৈ পাহাৰৰ জীয়া শ্মশানত উপস্থিত হৈছিল। তেতিয়া তাত মোগল সৈন্য নাছিল। নিৰ্মম ভাৱে পদাতিক বাহিনীটো বধ কৰি মোগল অশ্বাৰোহী বাহিনী আগিয়াথুৰী পাহাৰৰ সিপাৰলৈ গুছি গৈছিল।

তেজৰ সাগৰত ডুব গৈ থকা মৃত অৰ্দ্ধমৃত নিজৰ বিশ্বাসী সেনানী আৰু বিৰল দেশপ্ৰেমিক যোদ্ধাখিনি দেখি লাচিত জাপ মাৰি ঘোঁৰাৰ পৰা নামি দিছিল। ইটোৰ কাষৰ পৰা সিটোৰ কাষলৈ দৌৰিছিল। লাচিত বৰফুকনক দেখা পাই মুমুৰ্ষ অৱস্থাতো দুজনমানে 'জয় আই অসম' উচ্চাৰণ কৰিছিল।

বৰফুকনে মৃত সৈনিকৰ মাজত আঁঠুকাঢ়ি বহি দুই হাতৰ তলুৱাৰে মুখ ঢাকি চিঞৰি উঠিছিল - 'ভুল হৈ গ'ল ... ভুল হৈ গ'ল ..."

খুমটাই ফুকনৰো দুই চকু সেমেকি উঠিছিল। গতিশীল ইতিহাসৰ ছন্দ হঠাৎ হেৰাই গৈছিল। পুৱাৰ উৎফুল্লিত হাঁহিবোৰ সমাধিৰ চিতা ভষ্মলৈ পৰিণত হৈছিল। ভয়াবহ ভাৱে পৰি ৰৈছিল যুঁজাৰু সেনাৰ মৃত দেহবোৰ।

খুমটাই ফুকন বৰ সেনাপতি লাচিতৰ কাষত থিয় হৈ আছিল। একো ক'বলৈ সাহস কৰা নাছিল। বৰফুকনে অস্ফুট শব্দেৰে তেতিয়াও বিৰবিৰাই আছিল।

'ভুল হৈ গ'ল ...'। কি ভুল হৈ যোৱাৰ কথা কৈছিল বাৰু তেওঁ।

ৰামসিংহৰ চিঠিখনৰ কথাখিনি সদৰী কৰি ভুল কৰিলে নেকি?

স্বৰ্গদেও চক্ৰধ্বজ সিংহই তৎকালীন ভাৱে আক্ৰমণ কৰিবলৈ নিৰ্দেশ দিয়েই ভুল কৰিলে নেকি?

স্বৰ্গদেৱৰ অপমানজনক পত্ৰখন পাই বৰফুকনে কিছু অভিমানী হৈ যুদ্ধত নামিছিল। সেয়াই ভুল হ'ল নেকি?

অশ্বাৰোহী বাহিনীটো লৈ শিবিৰলৈ আগতীয়াকৈ বৰফুকন উলটি গৈছিল। সেয়াই ভুল হ'ল নেকি?

যুদ্ধৰ পৰিকল্পনা সদায় বৰ সেনাপতিৰ। শত্ৰুপক্ষৰ ৰেহৰূপ চাইহে আক্ৰমণ। কিন্তু ৰাজধানীৰ পৰা অহা নিৰ্দেশে সব উলট-পালট কৰি দিলে।

বৰফুকনে প্ৰায়ে কোৱা এষাৰ কথা খুমটাই ফুকনৰ মনত পৰিল।

"যুদ্ধ ক্ষেত্ৰত এজন যুঁজাৰু সৈনিক একোটা হাতীৰ সমান" সেয়েহে আকস্মিক ভাৱে হেজাৰ হেজাৰ বীৰ সেনানীৰ অপমৃত্যুত বৰফুকন ভাঙি পৰাতো স্বাভাৱিক।

এটা সময়ত বৰফুকন থিয় হ'ল। মুখত পূৰ্বৰ

দৃঢ়তা আৰু উচ্চলতা। খুমটাই ফুকনলৈ চাই ক'লে, "ফুকন, চন্দ্ৰ-সূৰ্য থাকে মানে অসমীয়া সেনাৰ এই দেশ প্ৰেমৰ কাহিনী থাকি যাব। তেওঁলোকৰ আত্মবলিদান অথলে নাযায়। তুমি নিজে দায়িত্ব লৈ এই বীৰ সেনাসকলৰ বীৰ দেহ সৎকাৰ কৰা মই আছো।"

হেজাৰ হেজাৰ চিতা জুই হৈ সেই নিশা আলাবৈ পাহাৰ ৰঙা হৈ জ্বলিল। ঘোঁৰাত উঠি চাৰিফালে ঘূৰি থাকিল যুদ্ধক্ষেত্ৰৰ দেৱতা স্বৰূপ বৰফুকন।

বুঢ়া লুইত আজিও সাক্ষী হৈ আছে সেই যুদ্ধৰ। সাক্ষী হৈ আছে আগীয়া থুৰী পাহাৰ, আলাবৈ পাহাৰ।

আৰু

চিলা পৰ্বত।।

(অণুগল্প)

# অহেতুক

## ড° ৰমেশ কুমাৰ কাকতি

- ধনমণি গাঁওবুঢ়া ঢুকাল।

- খবৰটো গোটেই অঞ্চলতে বিয়পি পৰিল।

হস্পিতালৰ পৰা শদেহ চোতাল পোৱাৰ লগে লগে গোটেই চোতাল মানুহে বিৰদি-বাট নোপোৱা হ'ল। গাঁওবুঢ়াৰ একমাত্ৰ পুত্ৰ ৰতন দেউতাকৰ শটোৰ কাষতে বহি পৰিল।

- কেইজনমানে ৰতনক সান্ত্বনা জনালে, তই চিন্তা নকৰিবি। আজিৰ পৰা গিয়াতি ভোজলৈকে সকলো কামৰ দায়িত্ব আমাৰ। খবৰটো পায়েই ৰাইজখনে সকলো দায়িত্ব ঠিক কৰি পেলালে।

-ৰতনৰ মনটোৱে হাহাঁকাৰ কৰি উঠিল। দুদিন ধৰি দেউতাকৰ প্ৰয়োজনীয় ঔষধ কেইটা সি যোগান ধৰিব নোৱাৰিলে। দিন-হাজিৰা কৰা মানুহ। কাম নকৰিলেই দুবেলা-দুসাজ খাবলৈ নাটে। তথাপি সি পথাৰৰ পকা ধাননিডৰাকে বন্ধকত থৈ দেউতাকৰ চিকিৎসা কৰাইছিল।

- যোৱা দুটা দিনত প্ৰয়োজনীয় ঔষধ কেইটা আৰু তেজখিনি সংগ্ৰহ কৰিব নোৱাৰি সি ভাগি পৰিছিল। অভাৱে তাক কোঙা কৰি পেলাইছিল। দেউতাকৰ মুখখন চাই সি চিঞৰি চিঞৰি কান্দি দিব বিচাৰিছিল।

- আজি মানুহবোৰৰ সান্ত্বনাবোৰত তাৰ হিয়াখন চূৰমাৰ হৈ গ'ল। তাৰ সমগ্ৰ দেহাটো কঁপিবলৈ ধৰিলে। তথাপি সি ধৈৰ্য নেহেৰুৱালে।

- মনতে ভাৱিলে, শদেহ সৎকাৰ কৰা বা সকাম পাতি সহায় কৰিবলৈ অহা মানুহখিনিয়ে কেইটামান অৰ্থসাহায্য দিয়া হ'লে তাৰ দেউতাক আজিও জীয়াই থাকিলহেঁতেন। এতিয়া মৃতকৰ কাজ-কৰ্মবোৰ তাৰ মনত অৰ্থহীন।

# লক্ষীমপুৰ জিলা সাহিত্য সভাৰ সম্পাদকৰ প্ৰতিবেদনঃ

অসম সাহিত্য সভাই অসমীয়া ভাষা আৰু সাহিত্যৰ বিকাশত যুগে যুগে অৰদান আগবঢ়াই আহিছে। ভাষা, সাহিত্য, সংস্কৃতি সংৰক্ষণ তথা উন্নয়নৰ ক্ষেত্ৰত অসম সাহিত্য সভাৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। এই মহান পৰম্পৰাক আগবঢ়াই নিবলৈ **২০২৫—২০২৭** বৰ্ষৰ বাবে লক্ষীমপুৰ জিলা সাহিত্য সভাৰ সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰাটো মোৰ বাবে গৌৰৱ আৰু দায়িত্ববোধৰ বিষয়। অসম সাহিত্য সভাৰ আদৰ্শ, উদ্দেশ্য আৰু সাহিত্যিক চেতনাক আগত ৰাখি ভাষা-সাহিত্যৰ উন্নতিত অৰদান আগবঢ়াবলৈ আগন্তুক দিনবোৰত সদায় প্ৰচেষ্টা চলাই যাম।

ইংৰাজী **২/৩/২৫** তাৰিখে জিলা সাহিত্য সভাৰ মৈদমীয়াত স্থিত লক্ষী বিলাস শইকীয়া ভৱনত যুটীয়া বৈঠক অনুষ্ঠিত কৰি সভাত কাৰ্য নিৰ্বাহক সমিতি গঠন কৰি সঞ্জীৱ উপাধ্যায়ক সভাপতি আৰু আমাক সম্পাদকৰ দায়িত্ব দিয়ে।

৪/৩/২৫ তাৰিখে আমি পাভ শাখাৰ সভাপতি, সম্পাদক, সদস্য সকলৰ লগত কাৰ্য নিৰ্বাহক পতাৰ বিষয়ে আলোচনা কৰোঁ।

**২০/৩/২৫** তাৰিখে আমি পাছিঘাটলৈ গৈ আয়ুক্তক লগ কৰি লুম্মেৰ দাই প্ৰতিমূৰ্ত্তি নিৰ্মাণ সম্পৰ্কত মাটি ঠিক কৰি গিৰিণ তামুলী দেৱক দায়িত্ব দি আহো।

**৯/৩/২৫** তাৰিখে যোৰহাটৰ কেন্দ্ৰীয় কাৰ্যালয়ত কেন্দ্ৰৰ যুটীয়া বৈঠক অনুষ্ঠিত হয়।

**২৫/৩/২৫** তাৰিখে সুৰভি শাখা সাহিত্য সভাৰ প্ৰতিনিধি সভা অনুষ্ঠিত হয়।

**২৬/৩/২৫** তাৰিখে উত্তৰ লক্ষীমপুৰ শাখাৰ কাৰ্যালয়ত লক্ষ্মীনাথ বেজবৰুৱাৰ **৮৭** সংখ্যক মৃত্যু দিৱস সাহিত্য দিৱস উদ্‌যাপন কৰা হয়। নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকে তিলক চন্দ্ৰ ডেকা দেৱ।

**২৯/৩/২৫** তাৰিখে ঘূণাসূতি শাখা সাহিত্য সভাত প্ৰতিনিধি সভা আছিল। তাত নতুন সমিতি গঠন কৰা হয় আজিৰ দিনটোতে সোৱণশিৰি আৰু দক্ষিণ তেলাহী শাখাটো প্ৰতিনিধি সভা হয়। **৯/১২/২৫** ডিচেম্বৰ তাৰিখে যোগেন টাইদৰ দিৱস পতাৰ সিদ্ধান্ত লোৱা হয়।

**৩১/৩/২৫** তাৰিখে পহুমৰা শাখা সাহিত্য সভাৰ নতুন সমিতিক দায়িত্ব অৰ্পণ আৰু শাখাৰ পত্ৰিকা উন্মোচনী সভা আছিল। গ্ৰন্থ উন্মোচন কৰে সঞ্জীৱ বৰাই । উদ্ধোধক হিচাপে মই উপস্থিত আছিলো। উত্তৰ পিছলা শাখাতো এক প্ৰতিনিধি সভা আছিল । পৰ্যবেক্ষক হিচাপে আছিল উপেন হাজৰিকা।

**১১.৪.২৫** লক্ষীমপুৰ আঞ্চলিক কাৰ্যালয়ত লুম্মেৰ দাইৰ স্মৃতি দিৱসৰ ওপৰত অনুষ্ঠিত কৰা এখন সভাত উপস্থিত থাকো।

**১২/৪/২৫** পাভ শাখাৰ আতিথ্যত লালুক মাৰ্কাজ একাডেমীত প্ৰথম খন কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। পুৱা গছপুলি ৰোপণ পতাকা উত্তোলন, স্মৃতি তৰ্পণ, অন্তৰংগ আলাপ আৰু **১০—৩০** বজাৰ পৰা মূল সভা আৰম্ভ হয়। তাতে কৰ্ণধাৰ সমিতি, পৰামৰ্শ দাতা সমিতি আৰু প্ৰচাৰ উপসমিতি গঠন কৰি অনুমোদন লোৱা হয়।

লৈ

**১৫/৪/২৫** নিজৰ দিন উপলক্ষে ৰাজ্যিকৰ পৰা জিলাৰ কেইবাজনো গুণী ব্যক্তিক সম্বৰ্ধনা জনোৱা

হয়।

**১৬.৪.২৫** তেলাহী কমলাবৰীয়া শাখা সাহিত্য সভাৰ ঘৰুৱা মেলৰ ৰূপালী জয়ন্তী উৎসৱৰ অনুষ্ঠান ভাগি প্ৰশান্ত কুমাৰ নাথ দেৱৰ ঘৰত অনুষ্ঠিত হয় তাত মই উদ্বোধকৰ ভাষণ প্ৰদান কৰো।

**৪.৫.২৫** তাৰিখে দিনৰ বাৰ বজাৰ পৰা লক্ষী বিলাস ভৱনত জিলাৰ প্ৰথম খন কৰ্ণধাৰ সমিতি অনুষ্ঠিত হয়।

**৯.৫.২৫** তাৰিখে আঞ্চলিক কাৰ্যালয়ত অনুষ্ঠিত সভাত উপস্থিত থাকো। আকাশৰ আশীৰ্বাদ যাত্ৰাৰ ওপৰত আলোচনা কৰা হয়।

**১৬.৫.২৫** তাৰিখে উত্তৰ লক্ষীমপুৰ শাখা সাহিত্য সভাৰ ভৱনত আকাশ অনুষ্ঠানৰ এখন সভা অনুষ্ঠিত হয়।

**১৭.৫.২৫** তাৰিখে মঙ্গলময় পত্ৰিকাৰ এঘাৰ সংখ্যক বৰ্ষ পূৰ্তি অনুষ্ঠানত উপস্থিত থাকো।

**১৮.৫.২৫** তাৰিখে লক্ষীমপুৰ জিলা সাহিত্য সভাৰ কাৰ্য্যালয়ত পৰামৰ্শদাতা সমিতিৰ প্ৰথম বৈঠকত উপস্থিত থাকো।

**২১.৫.২৫** তাৰিখে মাধৱদেৱ বিশ্ববিদ্যালয়ত সাহিত্য সভাৰ এটা শাখা খোলাৰ সম্পৰ্কে উপাচাৰ্য আৰু পঞ্জীয়কৰ লগত আলোচনা কৰা হয়। সেই দিনাই নাৰায়ণপুৰ শাখাটো শাখালৈ যাওঁ আহক কাৰ্যসূচী ৰূপায়ন কৰোঁ।

**২২.৫.২৫** তাৰিখে শংকৰদেৱ মহাবিদ্যালয়ত জিলা সাহিত্য সভাৰ এটা শাখা খোলাৰ সম্পৰ্কে আলোচনা কৰা হয়।

**২৩.৫.২৫** তাৰিখে শাখালৈ যাওঁ আহক কাৰ্যসূচীত পশ্চিম শাখা সাহিত্য সভা আৰু লুইত পৰীয়া শাখা সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সভাত উপস্থিত থাকো।

**২৪.৫.২৫** তাৰিখে আমি শাখালৈ যাওঁ আহক কাৰ্যসূচীত শিমলুগুৰি শাখা, ধলপুৰ শাখা,খেৰাজখাট শাখালৈ যাওঁ।

**২৫.৫.২৫** আকাশ অনুষ্ঠানৰ এখন আদৰণি সমিতি গঠনৰ সভা আঞ্চলিক কাৰ্যালয়ত অনুষ্ঠিত হয়।

নাওবৈচা শাখা সাহিত্য সভাত সোণালী জয়ন্তী বৰ্ষৰ শুভ উদ্বোধনী অনুষ্ঠান আজীৱন সভ্য সন্মিলনত উপস্থিত থাকো।

লগতে শাখালৈ যাওঁ আহক কাৰ্যসূচী নাওবৈচা শাখা সাহিত্য সভাত ৰূপায়ন কৰো।

**২৬.৫.২৫** তাৰিখে শাখালৈ যাওঁ আহক কাৰ্যসূচীত, পিচলা শাখা সাহিত্য সভা আৰু উত্তৰ পিচলা শাখা সাহিত্য সভালৈ যাওঁ

**২৮.৫.২৫** তাৰিখে খেৰাজখাট মহাবিদ্যালয়ত এটা নতুন শাখা গঠন কৰা হয়।

**৩০.৫.২৫** তাৰিখে হাৰমতী সীমান্ত শাখা সাহিত্য সভাত শাখালৈ যাওঁ আহক কাৰ্যসূচীৰ লগতে বিষ্ণুৰাভা দিৱস উদযাপন কৰা সম্পৰ্কত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। প্ৰতিকূল বতৰতো সভাত সকলোৱে সহযোগিতা আগবঢ়ায়।

**৩.৬.২৫.** তাৰিখে হাৰমতী সীমান্ত শাখাত বিষ্ণুৰাভা দিৱস উদযাপনৰ যাৱতীয় কাম সম্পাদন কৰোঁ।

**৫.৫.২৫** সোৱণশিৰি শাখাৰ কবি সন্মিলন খন আনন্দ বাগান চাহ বাগিচাত অনুষ্ঠিত হয় তাত সভাপতিত্ব কৰো।

**৭.৬.২৫** তাৰিখে দিনৰ পশ্চিম ঢকুৱাখনা শাখা সাহিত্য সভা, ঢকুৱাখনা শাখা সাহিত্য সভা,সাপতীয়া শাখা সাহিত্য সভা, ঘিলামৰা শাখা সাহিত্য সভা, সোৱণশিৰি শাখা সাহিত্য সভা,বগীনদী শাখা সাহিত্য সভা এই ছটা শাখাত শাখালৈ যাওঁ আহক কাৰ্যসূচী ৰূপায়ন কৰা হয়।

**৮.৬.২৫** তাৰিখে উত্তৰ পিচলা শাখা সাহিত্য সভাৰ আতিথ্যত লক্ষীমপুৰ জিলা সাহিত্য সভাই পাৰ্বতী প্ৰসাদ বৰুৱাৰ স্মৃতি দিৱসৰ লগত সংগতি ৰাখি 'ৰামধেনু' অনুষ্ঠান অনুষ্ঠিত কৰে।

**১০.৬.২৫** তাৰিখে বিহপুৰীয়া মহাবিদ্যালয়ত সাহিত্য সভাৰ নতুন শাখা এটা খোলা হয়। সেইদিনাই বিহপুৰীয়া শাখাত বিষ্ণু প্ৰসাদ কটকী, সংগৃহীত সাক্ষ্য

গ্ৰন্থ উন্মোচন কৰা হয়।
লগতে 'শাখালৈ যাওঁ আহক' কাৰ্যসূচী ৰূপায়ন কৰা হয়।

উক্ত দিনতে কল্যাণ কামী শাখা সাহিত্য সভা,সুৰভী শাখা সাহিত্য সভা,পাভ শাখা সাহিত্য সভাত 'শাখালৈ যাওঁ আহক কাৰ্যসূচী' অনুষ্ঠিত কৰা হয়।

**১২.৬.২৫** তাৰিখে লীলাবাৰী শাখা সাহিত্য সভাত 'শাখালৈ যাওঁ আহক' কাৰ্যসূচী ৰূপায়ন কৰা হয়। দিনৰ এক বজাত হেমন্ত কুমাৰ বৰুৱা ছাৰ পুত্ৰ দিপুল বৰুৱা ছাৰৰ ঘৰত ছাৰৰ এখন অভিনন্দন গ্ৰন্থ জিলা সাহিত্য সভাৰ হৈ প্ৰকাশ কৰা সম্পৰ্কত আলোচনা কৰা হয়।

সুৰুযমুখী শাখা সাহিত্য সভা আৰু পূৰ্বাঞ্চল শাখা সাহিত্য সভালৈ গৈ বিভিন্ন বিষয়ত আলোচনা কৰোঁ।

**১৭.৬.২৫** তাৰিখে ফুলবাৰী শাখা সাহিত্য সভাৰ কাৰ্যালয়ত 'শাখালৈ যাওঁ আহক' কাৰ্যসূচী ৰূপায়ন কৰা হয়। উক্ত দিনতে ঢেঁকীয়াজুলী শাখা সাহিত্য সভা, পহুমৰা শাখা সাহিত্য সভা, উত্তৰ লক্ষীমপুৰ শাখা সাহিত্য সভালৈ যাওঁ।

**১৮.৬.২৫** তাৰিখে ৰঙানদী শাখা সাহিত্য সভাত 'শাখা যাওঁ আহক' কাৰ্যসূচী ৰূপায়ন কৰা হয়। সেই দিনাই আমি দক্ষিণ তেলাহী শাখা সাহিত্য সভা,তেলাহী কমলাবৰীয়া শাখা,হাতীলুং শাখা সাহিত্য সভাতো সোমাও আৰু বিভিন্ন বিষয় আলোচনা কৰোঁ।

**১৯.৬.২৫** তাৰিখে হাৰমতী সীমান্ত সাহিত্য সভাৰ শাখাত উপস্থিত হৈ **২০** জুনত অনুষ্ঠিত হ'ব লগা বিষ্ণুৰাভা দিৱসৰ প্ৰস্তুতিৰ বুজ লওঁ।

**২০.৬,২৫** তাৰিখৰ দিনা হাৰমতী শাখা সাহিত্য সভাৰ আতিথ্যত লক্ষীমপুৰ জিলা সাহিত্য সভাই বিষ্ণুৰাভা দিৱস আয়োজন কৰো।

**২২.৬.২৫.** তাৰিখে ঘূণাসূতি শাখা সাহিত্য সভা, কদম শাখা সাহিত্য সভাত 'শাখালৈ যাওঁ আহক' কাৰ্যসূচী ৰূপায়ন কৰা হয়।

**২৯.৬.২৫** তাৰিখে উত্তৰ লক্ষীমপুৰ বিশ্ববিদ্যালয়ত বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত 'আকাশ' অনুষ্ঠানত উপস্থিত থাকো। সভাত অসম সাহিত্য সভাৰ সভাপতি বসন্ত কুমাৰ গোস্বামী দেৱকে প্ৰমুখ্য কৰি সাহিত্য প্ৰেমী বহু লোক উপস্থিত আছিল। অনুষ্ঠানটি অতি আকৰ্ষণীয় হৈছিল।

ইংৰাজী **১২.০৭.২৫** তাৰিখে লক্ষীমপুৰ জিলা সাহিত্য সভাৰ দ্বিতীয় খন পূৰ্ণাংগ কাৰ্যনিৰ্বাহক সভা তেলাহী কমলাবৰীয়া শাখা সাহিত্য সভাৰ আতিথ্যত পানীগাওঁ অ .পি .ডি মহাবিদ্যালয়ত অনুষ্ঠিত হয়।

পতাকা উত্তোলন কৰে লক্ষীমপুৰ জিলা সাহিত্য সভাৰ সভাপতি সঞ্জীৱ উপ্যাধ্যায়ে। স্মৃতি তৰ্পণ কৰে অনিল শইকীয়াই।
সভাত যোগেন্দ্ৰ নাৰায়ণ দত্তৰ দুখন গ্ৰন্থ উন্মোচন কৰা হয়।

পুৱা দহ বজাৰ পৰা মূল সভা অনুষ্ঠিত হয়। প্ৰথম বাৰৰ বাবে জিলা সাহিত্য সভাই ই আলোচনী 'পঞ্চনৈ শব্দ ধাৰা' উন্মোচন কৰা হয়। উন্মোচন কৰে অৱসৰপ্ৰাপ্ত শিক্ষক শ্ৰীযুত হেম গোস্বামী দেৱে।

'সোৱণশিৰি' উন্মোচন কৰে অ.পি.ডি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সুৰেশ দত্ত দেৱে। 'কাব্যকানন' গ্ৰন্থখন সঞ্জীৱ বৰা দেৱে উন্মোচন কৰে। মানিক চন্দ্ৰ সোণোৱাল দেৱৰ এখন গ্ৰন্থ জিলা সাহিত্য সভাই প্ৰকাশ কৰে। উন্মোচন কৰে অনিল শইকীয়া দেৱে।

**১৩.৭.২৫** তাৰিখে সুৰভী শাখা সাহিত্য সভাত সোমাই নৰকান্ত বৰুৱা আৰু ৰাধা গোবিন্দ বৰুৱাৰ স্মৃতি দিৱস উদযাপন সম্পৰ্কে বুজ লওঁ।

**১৪.৭.২৫** তাৰিখে সুৰভী শাখা সাহিত্য সভাৰ আতিথ্যত লক্ষীমপুৰ জিলা সাহিত্য সভাই নৰকান্ত বৰুৱা আৰু ৰাধাগোবিন্দ বৰুৱাৰ স্মৃতি দিৱস

উদযাপন কৰে। শিশু সকলৰ মাজত সাধু কোৱা আৰু চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছিল।

নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত আছিল পূব ডিব্ৰুগড় মহাবিদ্যালয়ৰ অধ্যাপক পূৰ্ণ বৰা দেৱ। বিশিষ্ট অতিথি হিচাপে উপস্থিত আছিল ধীৰেন শইকীয়া তেখেত বঙালমৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ আছিল। সভাত সঞ্জীৱ উপ্যাধ্যায়, অনিল শইকীয়া, গুণ ভূঞা, তেজেন শইকীয়াকে আদি কৰি বহুতো বিশিষ্ট ব্যক্তি উপস্থিত আছিল। বিয়লি৩ বজাত সভা সমাপ্ত হয়।

**১৫ .৭.২৫** তাৰিখে মাধৱদেৱ শাখা সাহিত্য সভাই আয়োজন কৰা **১৪** বছৰৰ তলৰ শিশু সকলৰ গায়ন-বায়ন কৰ্ম শালাৰ আজি কমাবাৰী নামঘৰত বন্তি প্ৰজ্বলন কৰি উন্মোচন কৰো। কৰ্মশালা খনি **১৫.৭.২৫** জুলাইৰ পৰা **৩১ .৭.২৫**জুলাই লৈকে অনুষ্ঠিত হ'ব।

**১৬.০৭.২৫** আৰু **১৮.০৭.২৫** তাৰিখে বিহপুৰীয়াত দীপক দেউৰী আৰু দেউৰী সাহিত্য সভাৰ বিষয় ববীয়া সকলৰ লগত আলোচনাত মিলিত হও।

**১৯.০৭.২৫** দিনা লক্ষীমপুৰত অসম সাহিত্য সভাৰ জিলাৰ সভাপতি সঞ্জীৱ উপ্যাধ্যায় দেৱৰ লগত ভৱিষ্যতৰ কাৰ্যপন্থা ওপৰত আলোচনাত মিলিত হও।

**২২.৭.২৫** তাৰিখে মাধৱদেৱ বিশ্ববিদ্যালয়ত গৈ দেউৰী সাহিত্য সভাৰ বিষয় ববীয়া সকলৰ লগত আগন্তুক তিনি আগষ্টত হ'ব লগা সভাৰ বিষয়ে আলোচনা কৰোঁ।

**২৪.৭.২৫** তাৰিখে অসম সাহিত্য সভাৰ উপ-সভাপতি পদুম ৰাজখোৱা পৰিয়াল, হৃদয়ানন্দ গগৈ পৰিয়াল আৰু গৌতম গগৈ, উপেন হাজৰিকা বিহপুৰীয়াত উপস্থিত হয়। তেখেত সকল **২৫.৭.২৫** তাৰিখৰ ধেমাজিৰ এখন সভালৈ আহিছিল। তেখেত সকলৰ লগত আলোচনাত মিলিত হওঁ।

**২৫.৭.২৫** তাৰিখে উত্তৰ লক্ষীমপুৰ সাহিত্য সভাৰ কাৰ্যালয়ত **১১** বজাৰ পৰা ড° হেমন্ত কুমাৰ বৰুৱা দেৱৰ অভিনন্দন গ্ৰন্থৰ সম্পাদনা সমিতিৰ সভাত বড়ো জিলাৰ সভাপতিৰ লগতে সম্পাদনা সমিতিও উপস্থিত আছিল।

এক বজাৰ পৰা সেই স্থানতে জিলাৰ কৰ্ণধাৰৰ এখন সভা অনুষ্ঠিত হয়। সভাত দেউৰী সাহিত্য সভাৰ লগত আলোচনা, এনাজৰী অনুষ্ঠান আৰু সত্ৰীয়া সংস্কৃতি অনুষ্ঠান উত্তৰ পিছলা শাখাত পতাৰ ওপৰত আলোচনা কৰা হয়।

**২৭.৭.২৫** তাৰিখে মুক্ত শিক্ষা সংসদৰ পৰীক্ষা ডিব্ৰুগড় নেশ্বনেল জুনিয়ৰ কলেজত পুৱা **৯.৩০** বজাৰ পৰা **১২.৩০** বজালৈ প্ৰথম কাকত অনুষ্ঠিত হয়। জিলাৰ সভাপতি সঞ্জীৱ উপ্যাধ্যায় আৰু অনিল শইকীয়া আহিছিল।

**১.৩০** বজাৰ পৰা **৪.৩০** বজালৈ দ্বিতীয় কাকতৰ পৰীক্ষা অনুষ্ঠিত কৰা হয়।

পৰীক্ষা চলি থকাৰ মাজতে দেউৰী সাহিত্য সভাৰ সভাপতি উপকান্ত দেউৰী, সম্পাদক দীপক কুমাৰ দেউৰী আৰু ৰাজ্যিক যুটীয়া সম্পাদক জয়ন্ত দেউৰীৰ লগত এনাজৰী অনুষ্ঠান অনুষ্ঠিত কৰা সম্পৰ্কে আলোচনা কৰা হয়।

**২৮.৭.২৫** তাৰিখে দুপৰীয়া নাৰায়ণপুৰলৈ গৈ তিনি আগষ্টত পৰিবেশন কৰিব লগীয়া বৰগীতৰ কথা উপেন হাজৰিকাৰ লগত আলোচনা কৰি চূড়ান্ত কৰো।

সন্ধিয়া উত্তৰ পিছলা শাখা সাহিত্য সভাৰ শ্ৰী শ্ৰী শিয়াল মৰা সত্ৰলৈ গৈ গীত - নৃত্যৰ কৰ্মশালা আৰু বাৰ্ষিক অনুষ্ঠানৰ বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকো।

**২৯.৭.২৫** তাৰিখে পথালি পাহাৰত খেৰাজখাট শাখাৰ বিষয় ববীয়া সকলৰ লগত আলোচনা কৰি্ৰ জুলাইত হ'ব লগা আকাশ অনুষ্ঠানৰ বুজ লোৱা হয়। ৰাজ্যিক বিষযৰ ওপৰত ৰাজ্যিক বিষয়ববীয়া অজিৎ প্ৰসাদ শৰ্মা, অপূৰ্ব ফুকন, জয়ন্ত হাজৰিকাৰ সৈতে

আলোচনা কৰোঁ।

**৩০.৭.২৫** তাৰিখে ফণী শৰ্মা স্মৃতি দিৱস আৰু আকাশ অনুষ্ঠানৰ বাবে কাৰ্যসূচী প্ৰস্তুত কৰোঁ।

**৩১.৭.২৫** তাৰিখ বৃহস্পতিবাৰে পুৱা **৮.৩০** বজাৰ পৰা শংকৰদেৱ মহাবিদ্যালয়ত খেৰাজখাট শাখা সাহিত্য সভাৰ আতিথ্যত অনুষ্ঠিত হোৱা জিলা সাহিত্য সভাৰ নটসূৰ্য ফণী শৰ্মা স্মৃতি দিৱস আৰু আকাশ অনুষ্ঠানত গছ পুলি ৰোপণ, **৯** বজাত পতাকা উত্তোলন, স্মৃতি তৰ্পণ, স্মৃতি চাৰণ সভা ড° মহেন্দ্ৰ বৰা দেৱ শংকৰদেৱ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ।

**১০.৩০** বজাৰ পৰা হোৱা মুকলি সভাত **২৭** টা শাখাৰ মহিলা সকলে অংশগ্ৰহণ কৰে। বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে ড° ৰেখা ফুকন,ড° মৃদুল বুঢ়াগোহাঁই, নিৰ্দিষ্ট বক্তা ড° চিত্ৰলেখা ফুকন, আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে ড° অমিয় কুমাৰ ভূএগ্ৰা।

**১.৮.২৫**-তাৰিখে বিহপুৰীয়া শাখা সাহিত্য সভা ভৱনত লুম্মেৰ দাই ভাষা গৱেষণা কেন্দ্ৰৰ ওপৰত আলোচনা সম্পন্ন হয়। লুম্মেৰ দাই গৱেষণা কেন্দ্ৰৰ সম্পাদক ভৰত ৰাজখোৱা কাৰ্যকৰী সভাপতি অপূৰ্ব ফুকন, বিশ্বনাথ জিলা সাহিত্য সভাৰ সভাপতি মহেন্দ্ৰ গগৈ, বিহপুৰীয়া শাখা সাহিত্য সভাৰ সভাপতি সম্পাদককে প্ৰমুখ্য কৰি আৰু **১২** জন ব্যক্তি উপস্থিত আছিল। সভাত ৰাজহুৱা সভা পতাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়।

আবেলি মাধৱদেৱ বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° ক্ষীৰপদ দত্তৰ লগত **৩.৮.২৫** তাৰিখে হক্সব লগা এনাজৰী অনুষ্ঠানৰ বাবে প্ৰেক্ষাগৃহ সম্পৰ্কত আলোচনাত বহো । দেউৰী সাহিত্য সভাৰ বিষয়ববীয়া সকলো উপস্থিত আছিল। উপেন হাজৰিকা,বিৰেণ শৰ্মা আৰু মানসী শইকীয়াও উপস্থিত আছিল।

**২.৮.২৫**- তাৰিখে মাধৱদেৱ বিশ্ববিদ্যালয়ৰ প্ৰেক্ষাগৃহত এনাজৰী অনুষ্ঠান অনুষ্ঠিত কৰাৰ বাবে পৰ্যবেক্ষণ কৰো। দেউৰী সাহিত্য সভাৰ ৰাজ্যিক বিষয়ববীয়া সকলক লগ কৰোঁ।

অসম সাহিত্য সভাৰ সন্মানীয় সভাপতি ড° বসন্ত কুমাৰ গোস্বামী সভাৰ বাবে ৰাতি বিহপুৰীয়াত উপস্থিত হয়হি।

**৩.৮.২৫** তাৰিখে মাধৱদেৱ বিশ্ববিদ্যালয়ত এনাজৰী অনুষ্ঠানত অসম সাহিত্য সভাৰ সভাপতি, উপ-সভাপতি, প্ৰধান সম্পাদক আৰু দেউৰী সাহিত্য সভাৰ বিষয় ববীয়া সকলৰ লগতে বহুতো বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

**৪.৮.২৫** তাৰিখে দেউৰী সাহিত্য সভাৰ ভৱনত হৈ যোৱা সভাৰ বিষয়ে আলোচনা কৰাত তেওঁলোকে আমাৰ বিষয় ববীয়া সকল সভাৰ শেষ লৈকে উপস্থিত নথকাত আক্ষেপ কৰে।

**৭.৮.২৫** তাৰিখে লক্ষীমপুৰ জিলা সাহিত্য সভাৰ সভাপতি সঞ্জীৱ উপাধ্যায়ক লগ কৰি যুগান্ত শইকীয়াৰ প্ৰেছত নৰ্থ লখিমপুৰ বিশ্ববিদ্যালয়ৰ সন্মানীয় উপাচাৰ্য ড° মুকুল চন্দ্ৰ দেৱক বৰাক অভিনন্দন পত্ৰ দিবৰ বাবে প্ৰস্তুত কৰোঁ।

**৮.৮.২৫** তাৰিখে দিনৰ **১২** বজাত নৰ্থ লখিমপুৰ বিশ্ববিদ্যালয়ৰ প্ৰথম উপাচাৰ্য ড° মুকুল চন্দ্ৰ বৰা দেৱক অভিনন্দন জনাও। অনিল শইকীয়া, যুগান্ত শইকীয়া, কুঞ্জ বুজৰবৰুৱা,অনুজ ভূএগ্ৰা, জিতেন বৰুৱা,ড° অৰবিন্দ ৰাজখোৱাও উপস্থিত আছিল। পঞ্জীয়ক ড° বিমান চেতিয়াকো দেৱকো সম্বৰ্দ্ধনা জনোৱা হয়।

**১০.৮.২৫** তাৰিখে মাধৱদেৱ শাখা সাহিত্য সভাই অনুষ্ঠিত কৰা 'গায়ন-বায়ন' কৰ্মশালাৰ সামৰণি অনুষ্ঠানলৈ যাওঁ। উপ সভাপতি অনিল শইকীয়া, তেজেন শইকীয়া, গোলাপ দিহিঙীয়া উপস্থিত আছিল।

**১৪** বছৰৰ তলৰ **১৪** জন শিশুৱে সুন্দৰ কৈ গায়ন-বায়ন প্ৰদৰ্শন কৰে।

**১৩.৮.২৫** তাৰিখে লুম্মেৰ দাইৰ **১** জুনত পাছিঘাটত হৈ যোৱা মূৰ্তি স্থাপনৰ হিচাপ দাখিল কৰা এখন সভা অনুষ্ঠিত কৰা হয়। আঞ্চলিক কাৰ্যালয়ত সভাখন অনুষ্ঠিত হয়।ভৰত ৰাজখোৱা, বিনোদ গগৈ, অপূৰ্ব ফুকন, মহেন্দ্ৰ গগৈ, সঞ্জীৱ বৰা, সঞ্জীৱ উপ্যাধ্যায়,বংকীম বৰুৱা উপস্থিত আছিল।

**১৫.৮.২৫** তাৰিখে **৭৯**সংখ্যক স্বাধীনতা দিৱসৰ পতাকা উত্তোলনৰ বাবে লক্ষী বিলাস শইকীয়া ভৱনত সমবেত হওঁ। উপসভাপতি অনিল শইকীয়াই পতাকা উত্তোলন কৰে। কুঞ্জ বুজৰবৰুৱা, যুগান্তৰ শইকীয়া, জিতেন বৰুৱা কে আদি কৰি **১৫** জন ব্যক্তি উপস্থিত আছিল।

**২২.৮.২৫** তাৰিখে তিনি বজাত মাজুলী জিলা সাহিত্য সভাই আয়োজন কৰা ৰাজহুৱা সভালৈ প্ৰধান সম্পাদকৰ হৈ পৰ্যবেক্ষক হিচাপে যাওঁ। জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত হৈছিল।

ৰাজ্যিক কাৰ্যসূচী চন্দ্ৰকান্ত সন্দিকৈ ভৱনৰ শতবৰ্ষ কাৰ্যসূচীৰ লগত সংগতি ৰাখি সুৱাগ তোলা এক অনুষ্ঠান মাজুলী জিলাত **১৫** নৱেম্বৰত অনুষ্ঠিত হোৱাৰ কথা। তাৰ বাবে আদৰণি সমিতি গঠন কৰা হয়। মাজুলী জিলাৰ আয়ুক্ত, জিলা আৰক্ষী অধীক্ষক, বিধায়ক প্ৰমুখ্যে বিশিষ্ট বহু ব্যক্তি উপস্থিত আছিল। লক্ষীমপুৰৰ বিপুল শৰ্মা বৰুৱা, চন্দ্ৰপ্ৰভা গগৈ, প্ৰশান্ত মোদকো গৈছিল।

**২৩ .৮.২৫** তাৰিখে দিনৰ দুই বজাৰ পৰা উত্তৰ পিছলা শাখা সাহিত্য সভাৰ এখন ৰাজহুৱা সভা শ্ৰী শ্ৰী শিয়াল মৰা সত্ৰৰ প্ৰাঙ্গণত অনুষ্ঠিত হয়। **১৫** নৱেম্বৰ **২০২৫** তাৰিখে সত্ৰীয়া দিন অসম সাহিত্য সভাই পিছলা শাখাৰ আতিথ্যত পতাৰ সিদ্ধান্ত কৰি আজি অভ্যৰ্থনা সমিতিৰ গঠন কৰা হয়।

সভাত জিলা আৰু ৰাজ্যিকৰ বিষয়ববীয়া উপস্থিত আছিল।

**৩০.৮.২৫** তাৰিখে হিতেশ ডেকা দেৱৰ মৃত্যু দিৱসটি স্মৃতি দিৱস হিচাপে লক্ষীমপুৰ জিলা সাহিত্য সভাৰ সৌজন্যত আৰু লুইত পৰীয়া শাখা সাহিত্য সভাৰ আতিথ্যত দিনজোৰা কাৰ্যসূচীৰে কমলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত কৰা হয়।

মাধৱদেৱ বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ক্ষীৰপদ দত্তক লগ কৰোঁ আৰু লক্ষীমপুৰ জিলা সাহিত্য সভাৰ সভাপতি ,উপ সভাপতি সহিতে এক সৌহাদ্যপূৰ্ণ আলোচনাত মিলিত হওঁ।

**৩১.৮.২৫** তাৰিখে অসম কবি সন্মিলনৰ এখন সভা গুৱাহাটীৰ পাঞ্জাবাৰীত অনুষ্ঠিত হয়। এই ৰাজ্যিক দ্বিতীয় কাৰ্যনিৰ্বাহক খনত উপস্থিত আছিলোঁ।

**৩.৯.২৫** তাৰিখে লক্ষীমপুৰ জিলা সাহিত্য সভাৰ সভাপতি, উপ-সভাপতি সহিতে সন্মানীয় আয়ুক্ত,উপ আৰক্ষী অধীক্ষক আৰু মানৱ ডেকাক লগ কৰোঁ। বিভিন্ন বিষয়ত আলোচনা কৰা হয়। লক্ষীমপুৰতে আলোচনা কৰি যদুনাথ বৈশিষ্ঠ ৰ নাম জিলাৰ পৰা ৰাজ্যিকৰ গুৰু প্ৰণাম হিচাপে কৃৰ্তি শিক্ষকৰ বাবে নাম প্ৰেৰণ কৰোঁ।

**৪.৯.২৫** তাৰিখে লক্ষীমপুৰ জিলা সাহিত্য সভাৰ সভাপতি, উপ সভাপতিয়ে জিলাৰ ফালৰ পৰা হাৰমতী সীমান্ত শাখা সাহিত্য সভাৰ সম্পাদক মিনু নেওগ ভৰালী বাইদেউৰ আকস্মিক মৃত্যুত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। লগতে মৃতকৰ শৰীৰত সাহিত্য সভাৰ পতাকা দি লক্ষীমপুৰ জিলা সাহিত্য সভাৰ ফালৰ পৰা শ্ৰদ্ধাঞ্জলি জনায়।

**৫.৯.২৫** তাৰিখে প্ৰতি শাখাৰ সাহিত্য সভাই শাখাৰ এজন শিক্ষকক সম্বৰ্ধনা জনোৱাৰ কাৰ্যসূচী গ্ৰহণ কৰে।

**৭.৯.২৫** তাৰিখে ঢেকিয়াজুলি শাখা সাহিত্য সভাৰ আতিথ্যত ঢেকিয়াজুলি উচ্চ মাধ্যমিক বিদ্যালয়ত জিলা সাহিত্য সভাৰ সৌজন্যত ড° মহেশ্বৰ নেওগ দেৱৰ জন্ম দিনৰ লগত সংগতি ৰাখি আখৰ জোঁটনি কৰ্ম শালাৰ অনুষ্ঠিত কৰা হয়।

সাহিত্য সভাৰ বিষয় ববীয়া সকলৰ লগতে **৮০** জন মান ছাত্ৰ -ছাত্ৰীৰ উপস্থিতিৰে এটা সফল অনুষ্ঠান

অনুষ্ঠিত কৰা হয়।

সভাৰ পাছত মিনু নেওগ ভৰালী বাইদেউৰ আত্মাৰ সদগতি কামনা কৰি শোক সভা পতা হয়। সেই দিনাই সাহিত্য সভাৰ ফালৰ শোকসন্তপ্ত পৰিয়ালবৰ্গক সাক্ষাৎ কৰি সমবেদনা জ্ঞাপন কৰি মাত লগোৱা হয়। কবি সন্মিলনৰ ফালৰ পৰাও মাত লগোৱা হয়।

**৮.৯.২৫** তাৰিখে ড° ভূপেন হাজৰিকাৰ **১০০** বছৰীয়া জন্মদিন বিহপুৰীয়া শাখা সাহিত্য সভাই সন্ধিয়া গীতে মাতে এসন্ধ্যা অনুষ্ঠিত কৰে।

সেই দিনাই সাহিত্য সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰা, শংকু সিদ্ধ নাথ ধুনাগুৰিৰ সূত সন্মিলনলৈ আহিছিল। দুয়োৰে লগতে কথা বতৰা হওঁ।

**১২.৯.২৫** তাৰিখে অসম সাহিত্য সভাৰ স্বজাতীয় মৈত্ৰী বন্ধন উপ-সমিতিৰ 'জনগোষ্ঠীয় সমন্বয় সন্মিলন' বিশ্বনাথ জিলাৰ খাৰৈ পৰীয়া সাহিত্য সভাৰ আতিথ্যত পশ্চিম কলাবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়,মাজুকুছি গহপুৰত অনুষ্ঠিত হয় ।

অসম সাহিত্য সভাৰ সন্মানীয় সভাপতি ড° বসন্ত কুমাৰ গোস্বামী,উপ সভাপতি পদুম ৰাজখোৱা, প্ৰধান সম্পাদক দেৱজিৎ বৰা, বংকিম বৰুৱাকে আদি কৰি গণ্য মান্য ব্যক্তি সকল উপস্থিত আছিল।

আজি ড° বসন্ত কুমাৰ গোস্বামীৰ **৮৩** সংখ্যক জন্ম দিন। বিহপুৰীয়াতে তেখেতক আপ্যায়ন কৰা হয়।

**১৪/০৯/২০২৫** দেওবাৰে দিনৰ এক বজাত লখিমপুৰ আঞ্চলিক কাৰ্যালয়ত আকাশ উপসমিটিৰ হৈ যোৱা সভাৰ হিচাব দাখিল কৰা হয়। তাত উপস্থিত থাকি হৈ যোৱা ভুল ত্ৰুটিৰ বিষয়ে বক্তব্য ৰাখো। লখিমপুৰ জিলা সাহিত্য সভাৰ সভাপতি, উপসভাপতি সভাত উপস্থিত আছিল। আজি লখিমপুৰ জিলা সাহিত্য সভাৰ সহকাৰী সম্পাদক হিচাপে ৰিংকু বৰুৱাক (যুটীয়া) দায়িত্ব প্ৰদান কৰা হয়। সঞ্জীৱ উপাধ্যায় আৰু অনিল শইকীয়াৰ সন্মতিত। আঞ্চলিক কাৰ্যালয়ত কিতাপ থবৰ বাবে আকাশ অনুষ্ঠানৰ ৰাহি হোৱা টকাৰে এটা আলমাৰী লোৱা হয় ।

**১৯/০৯/২০২৫** শুক্ৰবাৰে নৰ্থ ইষ্ট ফেষ্টিভেলত অংশ গ্ৰহণ কৰিবলৈ যোৱা হিয়াৰ আমঠু জুবিন গাৰ্গৰ ছিংগাপুৰত সাগৰত ডুবি মৃত্যু হয়। জিলা সাহিত্য সভাই আজিৰ পৰা তিনি দিনৰ বাবে শোক প্ৰকাশ কৰি সকলো কাৰ্যসূচী স্থগিত ৰাখে ।পাছত ৰাজ্যিক সভাই তিনি দিনৰ শোক প্ৰকাশৰ বাৰ্তা দিয়ে। জুবিন গাৰ্গৰ নশ্বৰ দেহ অসমলৈ অনাৰ যো-জা কৰা হয়।

**২!১০!২৫** তাৰিখে গান্ধী জয়ন্তীৰ বাবে জিলা কাৰ্যালয়ত সহকাৰী সম্পাদক যুগান্ত শইকীয়াই বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ কাৰ্যসূচী সম্পন্ন কৰে।

**১৯.৯.২৫** তাৰিখে লক্ষীমপুৰ জিলা সাহিত্য সভাৰ তৃতীয় কাৰ্যনিৰ্বাহক সভা মাধৱদেৱ শাখা সাহিত্য সভাৰ আতিথ্যত চৈধ্যপুনিয়া বিষ্ণুজ্যোতি শিল্পী সমাজৰ প্ৰেক্ষাগৃহত হৈছিল। গছপুলি ৰোপণ, পতাকা উত্তোলন, জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত স্মৃতি তৰ্পণ, গায়ন বায়ন পৰিবেশন আৰু **১০.৩০**বজাৰ পৰা মূল সভা আৰম্ভ হয়। সভাত দুখন গ্ৰন্থ উন্মোচন কৰা হয়। মৃদুস্মিতা হাজৰিকাৰ 'নিৰৱে কথা কয় অনুভৱে' গ্ৰন্থখন উন্মোচন কৰে মাধৱ দত্তদেৱে আৰু প্ৰফুল্ল ভাগৱতীৰ প্ৰবন্ধ সংকলনখন উন্মোচন কৰে নৰেন শৰ্মাদেৱে। সভাত জিলা সাহিত্য সভাৰ সভাপতি সঞ্জীৱ উপাধ্যায়, উপসভাপতি অনিল শইকীয়া, সহকাৰী সম্পাদক অনিল শইকীয়া, ৰিংকু বৰুৱা, আইন উপদেষ্টা সত্যজিত দত্ত, কেন্দ্ৰৰ বিপুল শৰ্মা বৰুৱা, গুণ ভূএগ্রা, মানসী শইকীয়া, কুঞ্জ বুজৰবৰুৱা, ৰেণু ভূএগ্রা, অপৰাজিতা হাজৰিকা, তিলোত্তমা হাজৰিকা, অংকিতা দত্ত আদিকৰি বহু লোক উপস্থিত আছিল।

**১১/১০/২০২৫** শনিবাৰে শিলচৰ জিলা সাহিত্য সভাৰ আতিথ্যত অসম সাহিত্য সভাৰ তৃতীয় পূৰ্ণাংগ কাৰ্যনিৰ্বাহক সভা শিলচৰৰ বংগ ভৱনত অনুষ্ঠিত হয়। সভাত অসম সাহিত্য সভাৰ বিষয়ববীয়া সকলৰ

লগতে জিলা আৰু শাখাৰ বিষয়ববীয়া উপস্থিত আছিল। সভাত তিনিখন গ্ৰন্থ উন্মোচন হয়।

**১২/১০/২০২৫** তাৰিখে মুকলি সভাৰ আগত শোভাযাত্ৰা হয়।

**১৯/১০/২০২৫** তাৰিখে জিলাৰ ৰামধেনু অনুষ্ঠান সাপতীয়া শাখা সাহিত্য সভাৰ সহযোগত সাপতীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত হয়। পুৱা গছপুলি ৰোপণ, পতাকা উত্তোলন, কবিতা আবৃত্তি আৰু জুবিন গাৰ্গৰ গীতৰ প্ৰতিযোগিতা হয়। **১২.৩০** বজাৰ পৰা মুকলি সভা অনুষ্ঠিত হয়। মামণি গগৈ শইকীয়াৰ 'টোপা টোপে সৰা হৃদয়ৰ বাসনা' গ্ৰন্থখন জিলা সাহিত্য সভাই প্ৰকাশ কৰে আৰু মই উন্মোচন কৰোঁ। সভাত জিলা সাহিত্য সভাৰ বিষয়ববীয়া সকলৰ লগতে বহুতো বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

**২০/১০/২৫** সোমবাৰে শিমলুগুৰি শাখা সাহিত্য সভাৰ জিলাৰ মধ্যকালীন অধিবেশনৰ বাবে আদৰণি সমিতি গঠন কৰা বৈঠকত উপস্থিত থাকোঁ। এখন আদৰণি সমিতি গঠন কৰে পৰৱৰ্তী সময়ত উপসমিতি গঠনৰ সিদ্ধান্ত লোৱা হয়।

**২৫/১০/২০২৫** শনিবাৰে উত্তৰ পিচলা শাখা সাহিত্য সভাত আগন্তুক **১৫** নৱেম্বৰত হ'ব লগা সত্ৰীয়া সংস্কৃতি দিৱসৰ আজি লাই খুঁটা প্ৰতিষ্ঠা কৰে বিধায়ক ড° অমিয় কুমাৰ ভূঞা দেৱে। লখিমপুৰ জিলা সাহিত্য সভাৰ সভাপতি সঞ্জীৱ উপ্যাধ্যায় , গোলাপ দিহিঙীয়া লগতে আৰু বহু ব্যক্তি উপস্থিত আছিল।

**২৬/১০/২০২৫** দেওবাৰে কদম শাখা সাহিত্য সভাত অসম সাহিত্য সভাৰ সন্মানীয় সভাপতি ড° বসন্ত কুমাৰ গোস্বামীক লৈ জিলাখনত শাখা সমূহৰ সভাপতি সম্পাদকৰ লগত এক অন্তৰংগ আলাপ অনুষ্ঠান অনুষ্ঠিত হয়। জিলা সভাপতিয়ে সভাত সভাপতিত্ব কৰে। সেইদিনা লালুক কবি সন্মিলনৰ তৃতীয় কাৰ্যনিৰ্বাহক সভাত মই সভাপতি হিচাপে উপস্থিত থাকো।

**২৮/১০২৫** তাৰিখে কাজিৰঙাৰ কঁহৰাত গোলাঘাট জিলা সাহিত্য সভাই পৰমানন্দ লাহন প্ৰেক্ষাগৃহত 'ভৱিষৎ প্ৰজন্মৰ সন্মিলন' অনুষ্ঠিত কৰিছিল। তাত উপস্থিত থাকোঁ। অসম সাহিত্য সভাৰ সন্মানীয় সভাপতি ড° বসন্ত কুমাৰ গোস্বামী, উপসভাপতি পদুম ৰাজখোৱা, প্ৰধান সম্পাদক দেবজিৎ বৰা আৰু জিলাৰ সহকাৰী সম্পাদক ৰিংকু বৰুৱাও উপস্থিত আছিল।

**২/১১/২০২৫** শিমলুগুৰিৰ শাখা সাহিত্য সভাই আজি মধ্যকালীন জিলা অধিবেশনৰ আদৰণি সমিতিৰ প্ৰথম বৈঠক দিছিল। মই আৰু লখিমপুৰ জিলা সাহিত্য সভাৰ সভাপতি সঞ্জীৱ উপাধ্যায় উপস্থিত আছিলো।

**৩/১১/২০২৫** পশ্চিম নাৰায়ণপুৰ শাখা সাহিত্য সভাৰ **২৯/১১/২৫**ত হ'ব লগা মামণি ৰয়ছম গোস্বামীৰ স্মৃতি দিৱসৰ অভ্যৰ্থনা সমিতি গঠনৰ সভাত উপস্থিত থাকোঁ ।

**৫/১১/২৫** তাৰিখে ড° ভূপেন হাজৰিকাৰ মৃত্যু তিথি দক্ষিণ তেলাহি শাখা সাহিত্য সভাৰ আতিথ্যত উদযাপন কৰা হয়। ছাত্ৰ ছাত্ৰীৰ মাজত সংগীত অনুষ্ঠান আৰু **১২** বজাৰ পৰা মুকলি সভা অনুষ্ঠিত হয়। উদ্বোধক দিগন্ত কলিতা নিৰ্দিষ্ট বক্তা অতুল বৰা গ্ৰন্থ উন্মোচক সঞ্জীৱ বৰা বিশিষ্ট অতিথি ভূপেন বৰা, বিপুল শৰ্মা বৰুৱা, উমানন্দ বৰুৱা, কুঞ্জ বুজৰবৰুৱা, ৰেণু ভুঞা,যুগান্ত শইকীয়া, ৰিংকু বৰুৱা, তৰুণ বৰাকে আদি কৰি বিশিষ্ট ব্যক্তি সকল উপস্থিত আছিল।

সন্ধিয়া মাধৱদেৱ কলাক্ষেত্ৰত (শ্ৰীশ্ৰী বদলা পদ্ম আতা নাৰায়ণপুৰ) শ্ৰীশ্ৰী কৃষ্ণৰ ৰাস লীলাৰ প্ৰাক মুহূৰ্তত ড° ভূপেন হাজৰিকাৰ প্ৰতিচ্ছবিত বন্তিপ্ৰজ্বলক হিচাপে উপস্থিত আছিলো।

**১০/১১/২৫** আজি লখিমপুৰত হৈ থকা গ্ৰন্থমেলাৰ শেষৰ দিনৰ কাৰ্য্যসূচীত উপস্থিত থাকোঁ। অসম সাহিত্য সভাৰ সন্মানীয় সভাপতি ড° বসন্ত কুমাৰ গোস্বামী দেৱ আহিছিল। তেখেতক সাক্ষাৎ কৰোঁ। সঞ্জীৱ বৰাদেৱেও উপস্থিত আছিল।

**১৩!১১!২৫** তাৰিখে উত্তৰ পিচলা শাখালে গৈ সত্ৰীয়া সংস্কৃতি মহোৎসৱ থলীৰ অগ্ৰগতিৰ বুজ লওঁ।

**১৪!১১!২৫** তাৰিখে সন্ধিয়া অসম সাহিত্য সভাৰ সভাপতি আহি পাইহি। তেখেতক নাৰায়ণপুৰ IB ত উপেন হাজৰিকাৰ সৈতে থৈ ৰাতি **১** বজাত ঘৰ পাওঁহি।

**১৫!১১!২৫** তাৰিখে অসম সাহিত্য সভাই প্ৰথম বাৰৰ বাবে সত্ৰীয়া সংস্কৃতি মহোৎসৱ লখিমপুৰ জিলাৰ উত্তৰ পিছলা শাখা সাহিত্য সভাৰ আতিথ্যত উদয়পুৰত অনুষ্ঠিত কৰা হয়। পুৱাৰ পৰা অনুষ্ঠিত কাৰ্যসূচী ৰাতিলৈকে হয়। সভাত অসম সাহিত্য সভাৰ সন্মানীয় সভাপতি, উপসভাপতি, প্ৰধান সম্পদককে প্ৰমুখ্য কৰি বহুতো বিশিষ্ট ব্যক্তি উপস্থিত আছিল।

**১৬!১১!২৫** তাৰিখে তেলাহী কমলাবৰীয়া শাখাই নীল চুতীয়া দেৰৰ গ্ৰন্থ উন্মোচনী সভা গ্ৰাম্যানুভূতিত অনুষ্ঠিত কৰিছিল। তাত উপস্থিত থাকোঁ। গ্ৰন্থ উন্মোচন কৰিছিল ড° মুকুন্দ ৰাজবংশীদেৱে। ইছমাইল হুছেইনদেৱো উপস্থিত আছিল।

**১৮!১১!২৫** তাৰিখে অসমীয়াৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ জন্ম দিন বিহপুৰীয়া সাক্ষাত পালন কৰোঁ।

**২৭!১১!২৫** তাৰিখে উত্তৰ লখিমপুৰ সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক বৈঠকত উপস্থিত থাকি **২৬!১২!২৫** তাৰিখে অনুষ্ঠিত হব লগা পদ্মনাথ গোহাঞিবৰুৱাৰ স্মৃতি দিৱসৰ ওপৰত আলোচনা কৰা হয়।

**২৯!১১!২৫** তাৰিখে পশ্চিম নাৰায়ণপুৰ শাখা সাহিত্য সভাৰ আতিথ্যত জিলাই মামণি ৰয়ছম গোস্বামীৰ স্মৃতি দিৱস নাৰায়ণপুৰ আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত কৰে । কবিতা লেখাৰ কৰ্মশালা অনুষ্ঠিত হৈছিল। মুখ্য বক্তা হিচাপে উপস্থিত আছিল ড° অৰূপ জ্যোতি চৌধুৰী দেৱ।

**২!১২!২৫** তাৰিখে যোৰহাটত অনুষ্ঠিত হোৱা চন্দ্ৰকান্ত সন্দিকৈ ভৱনত শতবৰ্ষ অনুষ্ঠানত জিলাৰ হৈ উপস্থিত থাকোঁ। শোভাযাত্ৰাত অংশ গ্ৰহণ কৰোঁ। আজীৱন সভ্য সন্মিলনতো উপস্থিত আছিলোঁ।

**৯/১২/২৫** মঙলবাৰে ঘূণাসুঁতি শাখা সাহিত্য সভাৰ আতিথ্যত জিলা সাহিত্য সভাই প্ৰয়াত যোগেন টাইড দেৱৰ প্ৰথম মৃত্যু তিথি উদযাপন কৰে। গ্ৰন্থ উন্মোচন আৰু প্ৰতিমূৰ্তি উন্মোচন কৰা হয়। নিবেদিতা লাগাচু বাইদেউৱে গ্ৰন্থ উন্মোচন কৰে। নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত আছিল ড° অৰবিন্দ ৰাজখোৱা দেৱ।

**১৪/১২/২৫** তাৰিখে বিহপুৰীয়া শাখা সাহিত্য সভাত আজি লুম্মেৰ দাই গৱেষণা কেন্দ্ৰৰ বিষয়ে আলোচনাৰ বাবে এখন ৰাজ্যিক সভা হয়। ৰাজ্যিক বিষয়ববীয়া জিলা বিষয়ববীয়া শাখাৰ বিষয়ববীয়াৰ উপৰিও অৰুণাচলৰ দুজন ব্যক্তিও উপস্থিত আছিল।

**২৬.১২.২৫** তাৰিখ শুক্ৰবাৰে লখিমপুৰ জিলা সাহিত্য সভাৰ সৌজন্যত আৰু উত্তৰ লখিমপুৰ সাহিত্য সভাৰ আতিথ্যত উত্তৰ লখিমপুৰ সাহিত্য সভা ভৱনত স্মাৰক বক্তৃতা আৰু অসম সাহিত্য সভাৰ প্ৰতিষ্ঠা দিৱস অনুষ্ঠিত কৰা হয়। সভাৰ সন্মানীয় সভাপতি ড° বসন্ত কুমাৰ গোস্বামীক লৈ জিলাখনত শাখা সমূহৰ সভাপতি সম্পাদকৰ লগত এক অন্তৰংগ আলাপ অনুষ্ঠান অনুষ্ঠিত হয়। জিলা সভাপতিয়ে সভাত সভাপতিত্ব কৰে। সেইদিনা লালুক কবি সন্মিলনৰ তৃতীয় কাৰ্যনিৰ্বাহক সভাত সভাপতি হিচাপে উপস্থিত থাকো।

**১৮.১২.২৫** তাৰিখে পিচলা শাখা সাহিত্য সভাৰ আতিথ্যত অম্বিকাগিৰী ৰায়চৌধুৰী স্মৃতি দিৱস উদযাপন কৰা হয়।

**২৬.১২.২৫** আৰু **২৭.১২.২৫** তাৰিখে দুদিনীয়া কাৰ্যসূচীৰে লখিমপুৰ জিলা সাহিত্য সভাৰ সৌজন্যত আৰু উত্তৰ লখিমপুৰ সাহিত্য সভাৰ আতিথ্যত উত্তৰ লখিমপুৰ সাহিত্য সভা ভৱনত পদ্মনাথ গোহাঞি বৰুৱাৰ স্মাৰক বক্তৃতা আৰু অসম সাহিত্য সভাৰ প্ৰতিষ্ঠা দিৱস অনুষ্ঠিত কৰা হয়।

**২৮/১২/২৫** তাৰিখে লক্ষীমপুৰ বাণিজ্য মহাবিদ্যালয়ত অসম সাহিত্য সভাৰ প্ৰাক্তন উপ-

সভাপতি লক্ষীমপুৰ বাণিজ্য মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক ড° হেমন্ত কুমাৰ বৰুৱা দেৱৰ অভিনন্দন গ্ৰন্থ 'হেমন্ত সৌৰভ' উন্মোচন কৰা হয়।

সাহিত্য সভাৰ বিষয় ববীয়াকে আদি কৰি বিভিন্ন দল সংগঠন, অনুষ্ঠানে তেখেতক সম্বৰ্ধনা জনায়। সভাত বিশিষ্ট সাহিত্যিক য়েছে দৰজে ঠংচি ডাঙৰীয়া উপস্থিত আছিল।

**১/১/২৬** তাৰিখে লক্ষীমপুৰ জিলা সাহিত্য সভাৰ উদ্যোগত ঢকুৱাখনা শাখা সাহিত্য সভাৰ আতিথ্যত ঢকুৱাখনা বালিকা জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ত 'অৰুণোদই দিৱস' অনুষ্ঠিত কৰা হয়।

লক্ষীমপুৰ জিলা সাহিত্য সভাৰ উদ্যোগত বিভিন্ন সময়ত জিলাৰ হৈ বিভিন্ন কাৰ্যসূচী ৰূপায়ন কৰি আহিছোঁ । এখন পৰামৰ্শদাতা কমিটিও গঠন কৰা হয়। অভিজ্ঞ পুৰোধা ব্যক্তি সকলে আমাক কৰ্ম সম্পাদনত দিহা-পৰামৰ্শ আগবঢ়াই জিলাখন ভাষা-সাহিত্য -সংস্কৃতিৰ দিশত আৰু এঢাপ আগবাঢ়ি যোৱাত সহায় কৰিব।

আমি যি দায়িত্ব গ্ৰহণ কৰিছো সেয়া নিষ্ঠাৰে পালন কৰি যাম। নতুন প্ৰজন্মক সাহিত্যৰ ক্ষেত্ৰখনলৈ আকৰ্ষিত কৰিবলৈ সকলো চেষ্টা অব্যাহত ৰাখিম।

ভাষা-জননীৰ সেৱাৰ যি ব্ৰত আমি লৈছোঁ সেয়া নিষ্ঠাৰে পালন কৰি যাম। আমাক সহায় সহযোগিতা, আৰু সৎ-দিহা পৰামৰ্শ আগবঢ়োৱা প্ৰতিজন ব্যক্তিলৈকে এই সুযোগতে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। ভৱিষ্যতেও আমাক এনেদৰেই অনুপ্ৰাণিত কৰিব বুলি আশা ৰাখিলোঁ।

"চিৰ চেনেহী মোৰ ভাষা জননী।"

**প্ৰবীণ হাজৰিকা**
সম্পাদক
লক্ষীমপুৰ জিলা সাহিত্য সভা।

# পৰিশিষ্ট - ১

## লক্ষীমপুৰ জিলা সাহিত্য সভাৰ সভাপতি-সম্পাদকসকল

| চন | সভাপতি | সম্পাদক |
|---|---|---|
| ১৯৮২-৮৪ | হৰেন্দ্ৰ দেৱ গোস্বামী | হেমচন্দ্ৰ শইকীয়া |
| ১৯৮৪-৮৫ | গোপাল হাজৰিকা | চন্দ্ৰকান্ত শৰ্মা |
| ১৯৮৫-৮৭ | হৰেন্দ্ৰ দেৱ গোস্বামী | কৃষ্ণ বৰা |
| ১৯৮৭-৮৮ | মোহন চন্দ্ৰ ভূএগ্রা | চুছেন ভিতৰুৱাল কোঁৱৰ |
| ১৯৮৮-৯১ | বিশ্ব বৰুৱা | ৰমেন শইকীয়া |
| ১৯৯১-৯২ | তৰণী চৌধুৰী | নবীন চেতিয়া |
| ১৯৯২-৯৩ | তৰণী চৌধুৰী | যুগল দোলাকাষৰীয়া |
| ১৯৯৩-৯৫ | হেমচন্দ্ৰ শইকীয়া | যুগল দোলাকাষৰীয়া |
| ১৯৯৫-৯৭ | চন্দ্ৰকান্ত শৰ্মা | বিপুল শৰ্মা ববৰা |
| ১৯৯৭-৯৮ | মাধৱ দত্ত | বিপুল শৰ্মা ববৰা |
| ১৯৯৮-৯৯ | মাধৱ দত্ত | নিৰণ কুমাৰ বৰা |
| ২০০০-০১ | মাধৱ দত্ত | খগেন গগৈ |
| ২০০১-০৫ | হেমন্ত কুমাৰ বৰুৱা | ৰঞ্জন কুমাৰ দত্ত |
| ২০০৫-০৭ | চন্দ্ৰনাথ শইকীয়া | খগেন গগৈ |
| ২০০৭-০৯ | স্বপ্না চেতিয়া গগৈ | উপেন কুমাৰ বৰুৱা |
| ২০০৯-১১ | হৰেন শইকীয়া | হিৰণ্য সভাপণ্ডিত/ মঃ আব্দুল বাচিৰ |
| ২০১১-১৩ | নিত্যানন্দ সেনাপতি | মঃ আব্দুল বাচিৰ |
| ২০১৩-১৫ | নিৰণ কুমাৰ বৰা | বিপুল শৰ্মা বৰুৱা |
| ২০১৫-১৭ | কৃষ্ণকান্ত বৰা | বিপুল শৰ্মা বৰুৱা |
| ২০১৮-২০ | সপোন কুমাৰ দত্ত | বীৰেন চন্দ্ৰ বৰদলৈ |
| ২০২০-২৩ | বিপুল শৰ্মা বৰুৱা | নৰকমল বৰা |
| ২০২৩-২৫ | উমানন্দ বৰুৱা | নৰকমল বৰা |
| ২০২৫-২৭ | সঞ্জীৱ উপাধ্যায় | প্ৰবীণ হাজৰিকা |

# পৰিশিষ্ট - ২
# লক্ষীমপুৰ জিলা সাহিত্য সভাৰ পত্ৰিকা সম্পাদকসকল

| | |
|---|---|
| প্ৰথম সংখ্যাঃ | হেমচন্দ্ৰ শইকীয়া |
| দ্বিতীয় সংখ্যাঃ | চন্দ্ৰনাথ শইকীয়া |
| তৃতীয় সংখ্যাঃ | প্ৰশান্ত কুমাৰ বৰা |
| চতুৰ্থ সংখ্যাঃ | প্ৰশান্ত কুমাৰ বৰা |
| পঞ্চম সংখ্যাঃ | যোগেশ্বৰ সোনোৱাল |
| ষষ্ঠ সংখ্যাঃ | নিৰণ কুমাৰ বৰা |
| সপ্তম সংখ্যাঃ | নিৰণ কুমাৰ বৰা |
| অষ্টম সংখ্যাঃ | খগেন গগৈ |
| নৱম সংখ্যাঃ | উপেন কুমাৰ বৰুৱা |
| দশম সংখ্যাঃ | বিতোপন গগৈ |
| একাদশ সংখ্যাঃ | কমল চন্দ্ৰ বৰা |
| দ্বাদশ সংখ্যাঃ | জগত গগৈ |
| ত্ৰয়োদশ সংখ্যাঃ | জগত গগৈ |
| চতুৰ্দশ সংখ্যাঃ | বুলটন গগৈ |
| পঞ্চদশ সংখ্যাঃ | ভৱেন বৰা |
| ষষ্ঠদশ সংখ্যাঃ | সঞ্জীৱ উপাধ্যায় |
| সপ্তদশ সংখ্যাঃ | নৱকমল বৰা |
| অষ্টাদশ সংখ্যাঃ | লক্ষ্য হাজৰিকা |
| ঊনবিংশ সংখ্যাঃ | প্ৰশান্ত কুমাৰ মোদক |
| বিংশ সংখ্যাঃ | প্ৰশান্ত কুমাৰ মোদক |
| একবিংশ সংখ্যা | জিতেন বৰুৱা |
| দ্বাবিংশ সংখ্যা | জিতেন বৰুৱা |